# দুলীয়াজান মহাবিদ্যালয়

# আলোচনী

একাদশ সংখ্যা

১৯৯১-৯২ চন



সম্পাদনা : দীপান্ত কুমাৰ গগৈ

# দুলীয়াজান মহাবিদ্যালয়

## আলোচনী

একাদশ সংখ্যা
১৯৯১ - ৯২

সম্পাদক

• শ্ৰীদিপান্ত কুমাৰ গগৈ •

● প্ৰকাশক ঃ শ্ৰী দীপান্ত কুমাৰ গগৈ
দুলীয়াজান মহাবিদ্যালয়
ছাত্ৰ একতা সভাৰ হৈ।

● বেটুপাত ঃ
ও শ্ৰী দীপান্ত কুমাৰ গগৈ।
অলংকৰণ

● মুদ্ৰক ঃ প্ৰিন্টৱেল
লাচিত নগৰ
ডিব্ৰুগড় - ৭৮৬০০১
ফোন - ২২৩১৭

# দুলীয়াজান মহাবিদ্যালয়

আলোচনী

১৯৯১ - ৯২

## সম্পাদনা সমিতি ঃ

● সম্পাদক ঃ শ্ৰী দিপান্ত কুমাৰ গগৈ

● উপদেষ্টা ঃ শ্ৰীযুক্ত হিতেশ বৰদলৈ
(অসমীয়া বিভাগ)
ঃ শ্ৰীযুক্ত পূৰ্ণকান্ত হাজৰীকা
(অধ্যক্ষ)
ঃ শ্ৰীযুক্ত বীৰেণ চুতীয়া
(উপাধ্যক্ষ)
ঃ শ্ৰীযুক্ত অমিয় খনিকৰ
(ভাৰপ্ৰাপ্ত অধ্যাপক
ইংৰাজী বিভাগ)

● সদস্য/সদস্যা ঃ
ঃ শ্ৰীশংখ নাৰায়ন হাজৰীকা
ঃ শ্ৰী দিগন্ত কুমাৰ গগৈ
ঃ শ্ৰীমতী অনুৰূপা গোস্বামী

# ঃ অৰ্পণ ঃ

অহা ইংৰাজী ১৯৯৩ চনত আমাৰ মহাবিদ্যালয়খনিয়ে ৰূপালী জয়ন্তী বৰ্ষত ভৰি দিবহি। মহাবিদ্যালয়খনি চালুকিয়া অবস্থাৰ পৰা বৰ্তমানৰ অবস্থালৈ উন্নীত কৰাত যি সকল জ্ঞাত অজ্ঞাত ব্যক্তি তথা অনুষ্ঠান প্ৰতিষ্ঠানে অকুণ্ঠ সহায় সহযোগ আগবঢ়ালে, তেখেতসকলৰ হাততে এই সংখ্যাৰ আলোচনীখন অৰ্পণ কৰা হ'ল।

সম্পাদনা সমিতি

# ঃ অশ্রু - অঞ্জলি ঃ


"০ ০ ০ ০ ০ ০ ০ ০ ০ ০



নিৰ্মল শইকীয়া

মৃত্যু আহে জুখিবলে'
প্ৰৱাহিত জীৱনৰ মোল বুৰঞ্জীৰ কষটি-শিলেৰে
মৃত্যুতো নহয় ক্ষয় —
সোনৰ কলচী মৃত্যু,
জীৱন সি ওখ জয়দ'ল ......................।"

বাচ দুৰ্ঘটনাত পতিত হৈ অকালতে
মৃত্যুক সাৱটি লোৱা আমাৰ মহাবিদ্যালয়ৰ
সতীৰ্থ নিৰ্মল শইকীয়াৰ পবিত্ৰ স্মৃতিত
এটুপি অশ্ৰু-অঞ্জলি যাচিলোঁ।।
তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লভক।



...ৰ্ণকান্ত হাজৰীকা


অধ্যক্ষ,
দুলীয়াজান মহাবিদ্যালয়

পোঃ আঃ দুলীয়াজান
জিলা - ডিব্ৰুগড়, অসম
পিন - ৭৮৬৬০২


## শুভেচ্ছা বাণী

আন আন বছৰৰ দৰে এইবাৰো দুলীয়াজান মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশ কৰিবলৈ লোৱাত আনন্দিত হৈছো।

ন-লেখাৰু ছাত্ৰ-ছাত্ৰী সকলৰ আত্ম প্ৰকাশৰ সুবিধা প্ৰদান কৰা এই আলোচনীখনি গতানুগতিক নকৰি, যুগ পৰিবৰ্তনৰ লগত সুৰ মিলাই ভিন্নসুৱী তত্ব গধুৰ প্ৰবন্ধ তথা গল্প কবিতা সম্ভাৰেৰে সজাই পৰাই দিব পাৰিলে ইয়েই সাহিত্যৰ ভঁৰালত যৎকিঞ্চিৎ হলেও অৰিহণা যোগাব। গতিকে মানবতাবোধৰ শিকলিৰে বিশ্বভাতৃত্ববোধৰ পথ সুগম কৰি বিশৃঙ্খল সমাজ খনৰ উদ্গতিৰ বাবে এই আলোচনী-খন পথ প্ৰদৰ্শক হওক। এই আশাৰে .................।

দুলীয়াজান
১৮-১১-৯২

শ্ৰীপূৰ্ণকান্ত হাজৰীকা
অধ্যক্ষ,
দুলীয়াজান মহাবিদ্যালয়।

# সূচীপত্ৰ ঃ


সম্পাদকীয়

প্ৰবন্ধ

- ক্ষেত্ৰতত্ব পদাৰ্থ জগতৰ বৈজ্ঞানিক বিশ্লেষণৰ এক মহত্তম আবিষ্কাৰ — ড' বুদ্ধীন্দ্ৰ নাথ শইকীয়া
- অসমীয়া গীতি সাহিত্য — কুমাৰী দিব্যজ্যোতি বৰশইকীয়া
- বিগত দশকটোৰ অসমীয়া কবিতাৰ ৰূপ আৰু বৈশিষ্ট — বেণু গগৈ
- যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাত এভুমুক্তি — অনুৰূপা গোস্বামী
- টাই সাহিত্যত সংস্কৃতি বিদ্যমান — জয়শ্ৰী বুঢ়াগোহাঁই
- বিষ্ণুৰাভা আৰু অসমীয়া সংস্কৃতি — টুটুমনি কাকতি
- সাম্প্ৰতিক ছাত্ৰ সমাজৰ বিশৃংখলতা আৰু কিছু প্ৰাসঙ্গিক চিন্তা — অজিৎ শইকীয়া
- আমাৰ বিশ্বব্ৰহ্মাণ্ড সৃষ্টি আৰু নক্ষত্ৰৰ ক্ৰমবিকাশ — ড° লিথন বড়া
- নাৰী আৰু সমাজত সতীত্বৰ স্থান — শিৱ বৰগোহাঁই

কবিতা

- সংবাদ ঃ মোৰ মনৰ — চিদানন্দ
- এৰি অহা স্মৃতি — দিপ্তী বড়া
- শাশ্বত কবিতা
- নিহত জনৰ কবিতা } — দেবজিৎ চলিহা
- ভয় — জয়া চেতিয়া
- বন্দনা — শংখনাৰায়ণ হাজৰী
- ভোকাতুৰ — নিজৰা গগৈ
- অন্তত ঃ এটা দিনৰ বাবে — কেশৱ কাকতি
- গণতন্ত্ৰৰ জয়গান — নিৰ্মল কুমাৰ কেওঁ
- নৱ প্ৰভাতৰ ৰাঙলী আভাৰে — জ্ঞান নাথ দিহিঙ্গীয়
- এটি গীত — ব্ৰজেন নিৰ্ম্মলীয়া
- স্বদেশ — মামনি গগৈ
- তিনিটা স্তৱক ঃ তোমাৰ — মদিৰা শইকীয়া
- কাঁচি — অমল পাঠক
- ঈশ্বৰ — শ্ৰীপ্ৰদীপ কুমাৰ ব
- সময়ৰ আহ্বান — দিপান্ত কুমাৰ গগৈ
- মুক্তি — দিগন্ত গগৈ

গল্প

- তুইংজুই — অজিত বৰগোহা
- মৃত্যু নহয় হত্যা — দিলিপ কোঁচ
- চিঞৰ — শ্যামলী ঠাকুৰ
- দ্বাদশীৰ এন্ধাৰ — নিজৰা গগৈ
- ঢোৰা কাউৰী — হেমন্ত দাস

মুখামুখি — অপূৰ্ব গগৈৰ সৈতে।

বিভাগীয় সম্পাদক / সম্পাদিকাৰ প্ৰতিবেদন

ENGLISH SECTION

- Ragging A social Disease — Dipu Gogoi
- The Place of Women in Indian Society — Miss Reena
- Who Invented Maps — Natarjan N


## সম্পাদকীয়

সম্পাদকীয় ● সম্পাদকীয় ● সম্পাদ

সম্পাদকীয় লিখিবলৈ লৈ ভাবিছো কি লিখো ? কিহৰ বিষয়ে লিখিলে লিখনিটো সময়োপযোগী হ'ব। লিখিবলৈ যদিও বহুকথাই আছে সেইবুলিয়ে সকলোবোৰ কথাকেইতো সাঙুৰি লব পৰা নাযায়। সাম্প্ৰতিক অসমৰ পৰিস্থিতিৰ বিষয়ে লিখিবলৈ গ'লে দেখুন মনৰ মাজত বিভিন্ন প্ৰশ্নই মূৰ ডাঙি উঠে। আজি সমগ্ৰ অসমৰেই বতাহ বিষাক্ত। লেখি লেখি শেষ কৰিব নোৱাৰা ইয়াৰ সমস্যাৱলীয়ে বাৰ্ত্তমানৰ সমাজ ব্যৱস্থাত সি কৰ্কট (Cancer) ৰোগৰ সৃষ্টি কৰিছে তাক নিৰাময় কৰাৰ দায়িত্ব প্ৰতিজন নাগৰিকবেই আহি পৰিছে। এইটো স্বাভাবিক যে সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে মানুহৰ ৰুচি অভিৰুচিৰো পৰিবৰ্ত্তন ঘটে। আজি অসমৰ এচাম যুৱক - যুৱতী বিকৃত যুৱমানসীকতা, বিকৃত ৰুচি বোধ আৰু উচ্ছৃংখলতাৰ মাজত জাহ যোৱাৰ উপক্ৰম হৈছে। ইয়াৰ বিচাৰ কৰিবলৈ গ'লে আমি ঘাইকৈ প্ৰচলিত শিক্ষা ব্যৱস্থাকে জগৰীয়া কৰো। কাৰণ এই শিক্ষা ব্যৱস্থাই কৰ্মসংস্থানৰ বাস্তৱমূখী পথ দিব নোৱাৰে। নিৱনুৱা সমস্যাই আজি যিদৰে গা - কৰি উঠিছে ই সমাজৰ বাবে সচাঁকৈয়ে ভয়ৰ কথা। বৰ্ত্তমান অসমৰ অষ্টম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ মতে অসমৰ বাবে মুঠতে ৪৫৬২ কোটি টকা ব্যয় কৰিব বুলি ধাৰ্য্য কৰা হৈছে।

টকাৰ পৰিমাণ যিমানেই শকত নহওক, অভিজ্ঞতাৰ ফালৰ পৰা এই কথা সকলোৱে জ্ঞাত যে সমস্যা কাহানিও সমাধান নহয়। সমস্যা সমস্যা হৈয়ে ৰব। দূৰ্নীতিয়ে আজি সমাজ জীৱনৰ প্ৰতিটো স্তৰতে শিপাইছে। আনকি পবিত্ৰ শিক্ষানুষ্ঠান সমূহতো দূৰ্নীতিৰ প্ৰভাৱ পৰা ৰাকৈয়ে পৰিলক্ষিত হৈছে। কিন্তু এই শিক্ষানুষ্ঠান সমূহতেই থাকে দেশৰ ধৰণী সকল। গতিকে সমাজৰ - দেশৰ প্ৰতিজন নাগৰিকেই প্ৰকৃত বিবেচনা-বোধৰ ( Rationality ) পৰা আঁতৰি নগৈ সমাজৰ পৰা এই ব্যাধি বিলাক নিৰ্মূল কৰা প্ৰয়োজন। অৱশ্যে অপ্ৰিয় হলেও এই কথা সত্য যে এই ক্ষেত্ৰত যুৱ সম্প্ৰদায়টোৱেই সক্ৰিয় ভূমিকা লব লাগিব।

## একাদশ সংখ্যাৰ আলোচনী সম্পৰ্কত ঃ

আলোচনীখনৰ সম্পাদনাৰ দায়িত্ব লৈয়ে এখন সৰ্বাঙ্গ সুন্দৰ আলোচনী ছাত্ৰ - ছাত্ৰীসকলৰ হাতত তুলি দিম বুলি আশা কৰিছিলো। যদিও আশা কৰামতে আলোচনীখন সজাব পৰা নাই। অৱশ্যে আলোচনীখনৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত কিমানখিনি সফলতা লাভ কৰিলো সেয়া পাঠক সমাজৰহে বিচাৰ্য্যৰ বিষয়। আলোচনীখনে সকলো মনকে সন্তুষ্ট কৰিব পৰা নাই যদিও কোনো ধৰনৰ চেষ্টাৰ ত্ৰুটিও কৰা নাছিলো। কথাতে কয় — "ভৱা কথা নহয় সিদ্ধি ৰাটত আছে কণা বিধি ." এই সম্পাদকৰ ক্ষেত্ৰতো ঠিক তেনে অৱস্থাই হ'ল। কাৰণ পাচঁখন জাননী দিয়াৰ পাচতো ছমাহমানলৈকে উপযুক্ত লেখনি নোপোৱাত বাৰুকৈয়ে হতাশ হৈছিলো। সাধাৰণতে আমাৰ ছাত্ৰ-ছাত্ৰী বিলাকৰ মাজত গল্প, প্ৰবন্ধ, কবিতা ইত্যাদি লিখা-মেলা এটা অভ্যাস গঢ়ি নুঠাতো বৰ দুখৰ বিষয়। ফলত বহুতো লেখনি অনুপযুক্ত বুলি বিবেচিত হোৱাতো কোনো আচৰিত কথা নহয়। সেইয়েহে অৱশেষত শিক্ষক - শিক্ষয়ত্ৰী সকলৰ ওপৰতে নিৰ্ভৰ কৰিব লগা হয়। ফলত আলোচনীখনৰ জন্ম লগ্ন বহু দূৰ পিচুৱাই যাব লগা হয়। তাৰ বাবে সকলোৱে ওচৰত ক্ষমা বিচাৰিলো। এখন আলোচনীৰ বাবে কেৱল প্ৰতিভাশালী লেখকৰে যে আৱশ্যক এনে নহয়। ৰুচি সপন্ন পাঠকৰো অতি আৱশ্যক। পাঠক সমাজৰ গ্ৰহণ ক্ষমতাৰ অভাৱত বহু প্ৰতিভাশালী লেখকৰ ৰচনাও অনাদৃত হৈ পৰি থকাৰ দৃষ্টান্ত আছে! এক কথাত কবলৈ গ'লে পাঠক শ্ৰেণী ৰুচি সম্পন্ন হ'লে তুহঁগুড়িৰ মাজৰ পৰা চাউল বিচাৰি উলিওৱাটো টান কাম নহয়। গতিকে আশা ৰাখিছো পাঠক - পাঠিকা সকলে যেন লেখনি সমূহৰ মাজত সকলোখিনি বৈশিষ্ট বিচাৰি নগৈ আলোচনীখন মৰমেৰে আঁকোৱালি লয়।

## ব্যক্তিগত একলম্ভ ঃ

আলোচনীখন সম্পাদনাৰ ক্ষেত্ৰত যিমানখিনি অভিজ্ঞতা হৈছিল তাতোকৈ বেচি অভিজ্ঞতা হৈছিল তিতা-কেঁহাৰ সৈতে। মহাবিদ্যালয়ৰ আলোচনীত বিজ্ঞাপন দিয়াতো পৰম্পৰা গত ৰীতি নাছিল যদিও পৰিচালনা সমিতিৰ সিদ্ধান্ত ক্ৰমে দুই - এটি বিজ্ঞাপন অৰ্থৰ অভাৱৰ বাবেই লব লগা হয়। আলোচনীৰ সম্পাদক হিচাপে মই কেৱল আলোচনীখনৰ কামতেই সীমাবদ্ধ নাছিলো। মহাবিদ্যালয়ৰ প্ৰতিভা বিকাশ সপ্তাহৰ লগত সংগতি ৰাখি পোন প্ৰথমবাৰৰ বাবে দুদিনীয়া কাৰ্য্যসূচীৰে অসম আৰ্ট একাডেমিৰ সহায়ত Art Exhibition পাতো, যদিও মহাবিদ্যালয়ৰ কোনো ছাত্ৰ - ছাত্ৰীৰ পৰা আশানুৰূপ সহাঁৰি নাপালো। Scienec Exhibition পতাৰ কথা আছিল যদিও অৰ্থৰ অভাৱত পাতিব পৰা নগ'ল। বিশেষকৈ টকা-পইচাৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়খন অত্যন্ত দুখীয়া। যি কি নহওক এইক্ষেত্ৰত সহায় কৰা শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুক্ত গোপী তামুলী, নিত্যা দত্ত, নবীনচন্দ্ৰ গোহাঁই, টপেশ সোনোৱাল চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। আদিৰে পৰা অন্তলৈকে সহায় কৰা বন্ধু সুৰুয আৰু ৰঞ্জনলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

## কৃতজ্ঞতা ঃ

যি সকল জ্ঞাত - অজ্ঞাত ছাত্ৰ - ছাত্ৰীয়ে মোক আলোচনী বিভাগৰ পদত অধিষ্ঠিত কৰালে সেই সকলক মই কৃতজ্ঞতা জনালো! আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত সহায় কৰা অধ্যক্ষ মহোদয়, লেখনি সমূহ চাই মেলি সহায় কৰা উপাধ্যক্ষ মহোদয়, অমিয় খনিকৰ চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। ইয়াৰোপৰি যিজন চাৰৰ সহায় তথা প্ৰেৰণাৰ আৱশ্যকতা মই প্ৰতিটো মূহুৰ্তে অনুভৱ কৰিছিলো সেইজন চাৰ শ্ৰীযুক্ত হিতেশ বৰদলৈদেৱৰ ওচৰত চিৰঋণী হৈ ৰলো। পাণ্ডুলিপি সমূহ লিখি দিয়া ডিব্ৰুগড় বিশ্বাবিদ্যালয়ৰ ৰাজেন কাকতি দা, বাইদেউ অনুৰূপা গোস্বামী, বন্ধু ৰঞ্জন তামুলীলৈ ধন্যবাদ থাকিল। লগ পালেই আলোচনীখনৰ বিষয়ে সোধা অজিতদা, নানা ব্যস্ততাৰ মাজতো সহায় কৰা দুলাল তামুলীদাক পাহৰিলে ভুল কৰা হ'ব। সকলো কামতে সহায় কৰা বন্ধুবৰ শংখ, দিগন্তদা, অমল তথা দিলীপ কোঁচলৈ, ধন্যবাদ থাকিল। ডিব্ৰুগড় প্ৰিন্টৱেল প্ৰেছৰ স্বত্তাধিকাৰ শ্ৰীৰাণা বৰুৱা

তথা কৰ্মচাৰী বৃন্দলৈও ধন্যবাদ থাকিল। আলোচনীখনত কেনেবাকৈ ৰৈ যোৱা ভূল ক্ৰুটি বিলাকৰ বাবে ক্ষমা বিচাৰিলো।

সদৌ শেষত দুলীয়াজান মহাবিদ্যালয়ৰ আলোচনীখনৰ দীৰ্ঘায়ু কামনা কৰি প্ৰতিবেদন সামৰিলো। —

ইতি —

মোৰ দেশখন যদি মোৰ আই হৈ যায়
আৰু আইয়ে যদি কান্দি কান্দি বাৰে বাৰে কয়
তই বাৰু মোৰ বাবে কি কৰিলি
মই কম কি ?

— ড° ভূপেন হাজৰিকা

প্ৰবন্ধ * প্ৰবন্ধ * প্ৰবন্ধ * প্ৰবন্ধ * প্ৰবন্ধ

প্ৰবন্ধ

# দুলীয়াজান মহাবিদ্যালয়

## আলোচনী

একাদশ সংখ্যা

১৯৯১ – ৯২

সম্পাদক : শ্ৰীদিপান্ত কুমাৰ গগৈ

প্ৰবন্ধ * প্ৰবন্ধ * প্ৰবন্ধ * প্ৰবন্ধ *

**প্ৰবন্ধ**

# ঃক্ষেত্ৰ তত্ত্ব পদাৰ্থ জগতৰ

## বৈজ্ঞানিক বিশ্লেষণৰ এক মহত্তম আৱিস্কাৰ

উনৈশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত পদাৰ্থ বিজ্ঞানত প্ৰচলিত ধ্যান ধাৰণাৰ পৰা পৃথক এক নতুন দাৰ্শনিক দৃষ্টিভংগী গঢ়ি উঠিছিল আৰু এই ধাৰণাসমূহৰ পথ প্ৰদৰ্শক আছিল মেক্সৱেল, ফেৰাডে আৰু হাৰ্টজ আদি স্বনামধন্য বিজ্ঞানীসকল। নিউটনৰ গতি বিষয়ক সমীকৰণসমূহ যিদৰে সৰ্বকালৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হয় সেইদৰে আধুনিক পদাৰ্থবিজ্ঞানৰ সকলোবোৰ বৈজ্ঞানিক বিশ্লেষণৰ বাবে ক্ষেত্ৰতত্ত্বৰ অৱতাৰণা অনবদ্য হৈ ৰ'ব। এই ক্ষেত্ৰত বিশ্ৰ বিশ্ৰুত পদাৰ্থবিদ ৰিচাৰ্দ ফাইনমেনৰ ক্ষেত্ৰ তত্ত্ব সম্পৰ্কীয় মন্তব্যটো নিশ্চয় প্ৰণিধাণযোগ্য। তেওঁ লিখিছে, "আজিৰ পৰা দহ হাজাৰ বছৰ পাচত মানৱ জাতিৰ ইতিহাসৰ সামগ্ৰিক আৰু দূৰবীক্ষণিক অধ্যয়নৰ সময়ত মেক্সৱেলৰ দ্বাৰা বিদ্যুৎ গতিবিদ্যা সম্পৰ্কীয় নিয়ম কেইটাৰ আৱিস্কাৰ উনবিংশ শতিকাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা হিচাপে যে পৰিগণিত হ'ব— সেই বিষয়ে কোনো সন্দেহ নাই। এই যুগান্তকাৰী বৈজ্ঞানিক ঘটনাৰ তুলনাত সেই একে দশকতে ঘটা আমেৰিকাৰ গৃহ যুদ্ধ এটা নিস্প্ৰভ, স্থানীয় ঘটনা বুলিহে বিবেচিত হ'ব।"

ক্ষেত্ৰ তত্ত্বৰ বুনিয়াদ অৱশ্যে আজিৰ পৰা কেইবা শতিকাৰ আগতেই আৰম্ভ হৈছিল। নিউটনৰ মহাকৰ্ষনৰ সূত্ৰৰ প্ৰাক্-কালতো গতি বিষয়ক বিভিন্ন দাৰ্শনিক ধাৰণা প্ৰচলিত হৈছিল, অৱশ্যে নিউটনৰ সময়ৰ পৰাহে এই ধাৰণাসমূহৰ এক সুদৃঢ় ভেটি প্ৰতিস্থা সম্ভৱ হৈছিল। নিউটনৰ বলবিদ্যা আৰু মহাকৰ্ষণ তত্ত্বৰ সহায়ত বিভিন্ন ভৌতিক পৰিঘটনা যেনে গ্ৰহৰ গতি, সাগৰৰ জোৱাৰ ভাটা, ধুমকেতুৰ গতি আৰু অধোগামী বস্তুৰ গতিৰ ব্যাখ্যা আগবঢ়াব পাৰি।

- ডঃ বুদ্ধীন্দ্ৰ নাথ শইকীয়া
পদাৰ্থবিদ্যা বিভাগ

নিউটনৰ এই সূত্ৰাৱলীৰ জৰিয়তে বিশ্বৰ প্ৰকৃতি সম্পৰ্কে মানৱ সমাজে বহুখিনি উপলব্ধি কৰিবলৈ সক্ষম হৈছিল। নিউটনীয় সমীকৰণসমূহ যদিও শ্বাশত ৰূপৰ প্ৰকাশ নহয় তথাপিতো পৰৱৰ্তী কালত ক্ষেত্ৰ তত্ত্বই বিকাশৰ পথত উল্লখযোগ্য ভূমিকা পালন কৰিছে। পদাৰ্থ বিন্দু আৰু সিহঁতৰ মাজত ক্ৰিয়াশীল বলেই নিউটনীয় বলবিদ্যাৰ বুনিয়াদ।

নিউটনৰ মহাকৰ্ষণ সূত্ৰৰ কিছুমান দুৰ্বলতা সম্পৰ্কে নিউটন নিজেও সচেতন আছিল। দূৰৱৰ্তী

দুটা পদাৰ্থ পিণ্ডৰ আন্তঃক্ৰিয়া কোনো সংযোগ মাধ্যম নথকাকৈয়ে কেনেকৈ সম্ভৱ হ'ব পাৰে, সেই কথাটোত নিউটনে সন্দেহ প্ৰকাশ কৰিছিল। আনহাতে পদাৰ্থৰ জড়তা আৰু ওজন একে ভৌতিক ৰাশি ভৰে নিয়ন্ত্ৰণ কৰে এই উল্লেখযোগ্য তথ্যৰ ব্যাখ্যা নিউটনীয় তত্ত্বত নাই। নিউটনৰ বলবিজ্ঞাত স্থান আৰু কালক স্বকীয়া, স্বাধীন আৰু পৰম সত্তা বুলি ধাৰণা কৰা হয়। নিউটনীয় পদাৰ্থ কণিকা, শূণ্যস্থান আৰু দূৰক্ৰিয় তৎক্ষণিক বলৰ ধাৰণা বল বিজ্ঞানৰ বিশ্লেষনত সফল হোৱা স্বত্বেও বিদ্যুৎ, চুম্বক আৰু পোহৰ সম্পৰ্কীয় পৰিঘটনাৰ ব্যাখ্যা দিয়াত এই ধাৰণাৰ দুৰ্বলতা সহজে চকুত পৰে। নিউটনৰ বিশ্ব ধাৰণাৰ বিকাশ কালতে কেইবাজনো দাৰ্শণিক গণিতজ্ঞই নতুন গাণিতিক বিশ্লেষণপূৰ্ণ বিশ্ব ধাৰণা আগবঢ়াইছিল। এই ক্ষেত্ৰত অগ্ৰণ্য ভূমিকা লয় দাৰ্শনিক পণ্ডিত দেকাৰ্ট, লেইব্‌নিট্‌জ, বাৰ্নোলি আৰু ইউলাৰ আদি গণিতজ্ঞ সকলে। দেকাৰ্টৰ মতে পদাৰ্থৰ বিস্তৃতিয়ে হ'ল পৰম ধৰ্ম্ম আৰু মহাকাশ আৰু পদাৰ্থ অভিন্ন সত্বা।

ক্ষেত্ৰ তত্ত্বৰ প্ৰায়োগিক দিশসমূহ পদাৰ্থবিজ্ঞানৰ সকলো বিভাগলৈকে বিয়পি পৰিছে। এই তত্ত্বৰ বিকাশৰ লগে-লগে নৱ-নৱ আৱিস্কাৰ সম্ভৱ হৈছে। কণিকা পদাৰ্থ বিজ্ঞান (Particle Physics), নিউক্লিয় পদাৰ্থ বিজ্ঞান (Nuclear Physics), কোৱাণ্টাম পদাৰ্থ বিজ্ঞান (Quantum Physics), বলবিভাগ (Machanics) ইত্যাদি বিষয়ত পৰিঘটনাসমূহ বিশ্লেষনৰ বাবে ক্ষেত্ৰ তত্ত্বক সফলভাবে ব্যৱহাৰ কৰিব পাৰি। বৰ্তমানে প্ৰাকৃতিক বলসমূহক ক্ষেত্ৰতত্ত্বৰ দ্বাৰা একীভূত কৰাৰ বাবে অহৰহ প্ৰচেষ্টা চলিব লাগিছে। প্ৰকৃতিৰ বলসমূহক চাৰিটা ভাগত ভগোৱা হ'য় যেনে, মহাকৰ্ষণীক বল, বিদ্যুৎ চুম্বকীয় বল, সবল বা নিউক্লীয় বল আৰু শীৰ্ণ বল। এই বলসমূহৰ একীকৰণ সূত্ৰৰ (Grand Unified theorie) জৰিয়তে W আৰু Z নামৰ দুবিধ মৌলিক কণা আৱিস্কৃত হৈছে ১৯৮৩ চনত।

উনৈশ শতিকাৰ প্ৰথমাৰ্দ্ধত ফেৰাডে, মেক্সৱেল, এম্পিয়াৰ আৰু ওৰ্‌ষ্টেদ আদি বিজ্ঞানীয়ে চুম্বকত্ব আৰু বিদ্যুতৰ মাজত যোগসূত্ৰ স্থাপনৰ বাবে তত্ত্বীয় আৰু পৰীক্ষামূলকভাবে প্ৰচেষ্টা চলাইছিল। ১৮১৬ চনত ফেৰাডেই ঘোষণা কৰিছিল এনেদৰে 'That the attraction of aggregation and chemical affinity are actually the same as the attraction of gravitation and electrical attraction, I will not positively affirm but I believe they are (same). ফেৰাডেই পদাৰ্থ আৰু বলৰ মাজত পাৰ্থক্য আছে বুলি বিশ্বাস নকৰিছিল। কণিকাবোৰক তেওঁ বলযুক্ত পদাৰ্থ পিণ্ড বুলি গণ্য নকৰি ভৌতিক বলসমূহ লগ লগা স্থান বুলি ক'ব বিচাৰিছিল। অৱশ্যে আজি-কোপটি পদাৰ্থ আৰু বলৰ অভিন্নতা প্ৰকাশৰ বাবে ব্যয়বহুল গবেষণা অব্যাহত আছে। ১৮৩২ চনত ফেৰাডেই বিদ্যুৎ সম্পৰ্কীয় পৰীক্ষামূলক গবেষণাৰ সিদ্ধান্তসমূহ প্ৰকাশ কৰাৰ পাছৰ পৰাই ক্ষেত্ৰ তত্ত্বৰ প্ৰকৃত ক্ৰমবিকাশৰ পথ প্ৰশস্ত হয়। কিন্তু মাইকেল ফেৰাডেই তেওঁ পৰীক্ষালব্ধ সিদ্ধান্তসমূহ গাণিতিক ভাষাৰে প্ৰকাশ কৰিব পৰা নাছিল। এই ক্ষেত্ৰত গভীৰ মনোনিবেশ কৰি জেমচ্‌ ক্লাৰ্ক মেক্সৱেলে চাৰিটা যুগান্তকাৰী গাণিতিক সমীকৰণ স্থাপন কৰে। মেক্স-ৱেলৰ সমীকৰণ চাৰিটাক বিজ্ঞানৰ বুৰঞ্জী তথা ইতিহাসত সৰ্বোত্তম অৱদান হিচাপে গণ্য কৰা হ'ব। ১৮৬১-৬২ চনত মেক্সৱেলে On physical lines of force শীৰ্ষক তত্ত্ব গধুৰ প্ৰবন্ধ এটি প্ৰকাশ কৰিছিল। কিন্তু এই খিনিতে এটা কথা কোৱা ভাল হ'ব যে মেক্সৱেল ইথাৰৰ বাস্তৱ সত্বাৰ ওপৰত বিশ্বাসী আছিল। এই সমন্বয়ছোৱাতে ফেৰাডেই চুম্বক বলক্ষেত্ৰই পোহৰক প্ৰভাৱান্বিত কৰাৰ কথা আৱিস্কাৰ কৰিছিল। মেক্সৱেলৰ গাণিতিক সমীকৰণ কেইটাৰ দ্বাৰা বিদ্যুৎ চুম্বক সম্পৰ্কীয় বহুতো পৰিঘটনাৰ ব্যাখ্যা দিবলৈ তেওঁ সক্ষম হৈছিল। বিদ্যুৎ চুম্বকীয় ঢৌৰ (Electro magnetic wave) অৱস্থিতি আৰু এই ঢৌৰ গতিবেগ পোহৰৰ বেগৰ সমান বুলি গণিতিক ভাবে প্ৰমাণ কৰি মেক্সৱেলে ভৌতিক চিন্তাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিছিল।

আমি সকলোৱে জানো যে বৃহদাকাৰ পদাৰ্থপিণ্ড,



আহিত পৰিবাহী বা পুঞ্জীভূত আধান চুম্বক মেৰু বা চুম্বকৰ সমীপত যথাক্ৰমে পদাৰ্থ, আধান আৰু চুম্বক মেৰুৰ অৱস্থিতি হ'লে বলৰ ক্ৰিয়া অনুভূত হয়। এই বল পদাৰ্থ পিণ্ডৰ ক্ষেত্ৰত মহাকৰ্ষণ জনিত, আধানৰ ক্ষেত্ৰত বিদ্যুৎ জনিত আৰু চুম্বকৰ ক্ষেত্ৰত চুম্বকজনিত। অৱশ্যে মেক্সৱেলৰ সমীকৰণ সমূহে বিদ্যুৎ আৰু চুম্বকৰ ক্ষেত্ৰকহে সামৰি লয়। বিদ্যুৎ-ক্ষেত্ৰ, চুম্বকক্ষেত্ৰ মাধ্যাকৰ্ষণ ক্ষেত্ৰ আদি ক্ষেত্ৰসমূহ বৰ্ণনা কৰিবৰ বাবে কিছুমান কাল্পনিক ফ্লাক্সৰ (flux) ৰূপকল্পণ কৰা হয়।

বিদ্যুৎক্ষেত্ৰ আৰু চুম্বকক্ষেত্ৰক একীকৰণ কৰি মেক্সৱেলে গাণিতিক ভাবে উপস্থাপণ কৰা ক্ষেত্ৰ সমীকৰণ সমূহ এনে ধৰণৰ

$$\nabla \cdot E = p/\varepsilon_0$$

$$\nabla \cdot \bar{B} = 0$$

$$C^2 \nabla \times B = j/\varepsilon_0 + \frac{\partial E}{\partial t}$$

$$\nabla \times E = -\frac{\partial B}{\partial t}$$

এই সমীকৰন কেইটাত $p\rightarrow$ ক্ষেত্ৰ সৃষ্টিকাৰী আধানৰ আয়তন ঘনত্ব, $E\rightarrow$ বিদ্যুৎ ক্ষেত্ৰৰ প্ৰাবল্য, $B\rightarrow$ চুম্বকীয় আবেশ, $j\rightarrow$ প্ৰবাহ ঘনত্ব, বুজাইছে। বিদ্যুৎ আৰু চুম্বক ক্ষেত্ৰৰ যে অতি ঘনিষ্ঠতম সম্পৰ্ক আছে সেই কথাটো অতি সহজ পদ্ধতিৰে এখন পৰিবৰ্তনশীল চুম্বক ক্ষেত্ৰ আৰু এটা বন্ধ বৰ্তনীৰ পৰিবাহীৰ দ্বাৰাই দেখুৱাব পৰা যায়। উপৰোক্ত মেক্সৱেলৰ সমীকৰণ সমূহে বিদ্যুৎ চুম্বকীয় ক্ষেত্ৰৰ গঠন বৰ্ণনা কৰে। সমগ্ৰ মহাকাশ এই সূত্ৰসমূহৰ ক্ৰিয়াক্ষেত্ৰ। এই সমী-কৰণসমূহৰ বৈশিষ্ট্য এয়ে যে এই সমীকৰণবিলাকৰ দ্বাৰা দোলায়মান আধানৰ চাৰিওফালে বিৰাজমান ক্ষেত্ৰখনৰ বৈশিষ্ট্য, উৎসৰ পৰা ওচৰত আৰু দূৰৈত ইয়াৰ গঠণ আৰু সময়ৰ লগত ইয়াৰ পৰিবৰ্তন ধৰিব পাৰি। এনে নিৰ্গমণৰ ফলশ্ৰুতি হ'ল বিদ্যুৎ চুম্বকীয় তৰংগ (Electro magnetic wave)।

ফেৰাডেৰ পৰীক্ষালব্ধ ফলাফল আৰু মেক্সৱেলৰ গাণিতিক বিশ্লেষণ জড়িত ক্ষেত্ৰ তত্ত্বৰ সুদৃঢ় ভেঁটি স্থাপন হোৱাৰ পাচতো বিজ্ঞানী সমাজ ইয়াৰ প্ৰতি প্ৰথম অৱস্থাত যথেষ্ট আকৰ্ষিত হোৱা দেখা নগৈছিল। এই তত্ত্বক বিজ্ঞানীসকলৰ মাজত জনপ্ৰিয় কৰি তোলাত আগভাগ লৈছিল হেল্মহট্‌জে আৰু তেওঁ নিউটনৰ দূৰক্ৰিয় বল আৰু মেক্সৱেলৰ ক্ষেত্ৰ তত্ত্বৰ একীকৰণৰ ক্ষেত্ৰত যথেষ্ট চেষ্টা চলাইছিল।

আগতেই কৈ অহা হৈছে যে মেক্সৱেলৰ সমীকৰণৰসমূহৰ দ্বাৰা বিদ্যুৎচুম্বকীয় তৰংগ (Electro-magnetic wave) নিৰ্গমণ আৰু বিস্তাৰৰ বিষয়ে আভাষ পাব পাৰি। বিদ্যুৎ চুম্বকীয় তৰংগৰ ব্যৱহাৰ বৰ্তমান কালত ইমান ব্যাপক যে ইয়াক বাদ দিলে এই মানৱ সভ্যতা আদিম যুগলৈ ঘূৰি যোৱাৰ দৰে হ'বগৈ। এই তৰংগৰ আৱিস্কাৰক হ'ল হেল্মহট্‌জৰে ছাত্ৰ হেইনৰিখ্‌ হাৰ্টজ। অঁনাতাৰ, টেলিগ্ৰাফী, ৰেডিঅ', উপগ্ৰহ সংযোগ আদি ব্যৱস্থাৰ মূলতে আছে হাৰ্টজৰ এই যুগান্তকাৰী আৱিস্কাৰ। বিদ্যুৎ চুম্বকীয় তৰংগৰ আৱিস্কাৰৰ লগতে জড়িত অন্য এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল ইথাৰৰ (Ether) অৱস্থিতি (?) অৱতাৰণা। আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদৰ আগলৈকে ইয়াৰ সম্পৰ্কীয় গবেষনাই অধিক গুৰুত্ব লাভ কৰিছিল। ইথাৰৰ অৱস্থিতিক কেন্দ্ৰ কৰি দুটা বিপৰীত ধৰ্ম্মী ধাৰণাৰ উদ্ভৱ হৈছিল। ইথাৰ তত্ত্বৰ মূখ্য পৃষ্ঠপোষক আছিল উইলিয়াম থমচন (William Thomson)। তেওঁ যুক্তি দৰ্শাইছিল যে ইথাৰ এবিধ নিখুঁত, তৰল আৰু ইয়াৰ স্থিতিস্থাপকতা কঠিন পদাৰ্থৰ সমতুল্য। 'নিখুঁত তৰলৰ চাকনৈয়া চিৰস্থায়ী—' এই ধাৰণাৰ ভিত্তিতে তেওঁ 'চাকনৈয়া-পৰমাণু' তত্ত্ব আগবঢ়ায়। কিন্তু এই ইথাৰ তত্ত্বই বেছি খোঁগালি পুভিব নোৱাৰিলে কিয়নো যদিও বিদ্যুৎ চুম্বকীয় তৰংগৰ বিস্তাৰৰ বাবে এনে এটা কাল্পনিক মাধ্যমৰ প্ৰয়োজনীয়তা উপলব্ধি কৰা হৈছিল বাস্তৱিকতে তেনে কোনো স্থিতিস্থাপক মাধ্যম নাই বুলি মাইকেলচন আৰু মৰ্লি (Michelson and Morley) নামৰ দুজন বিজ্ঞানীয়ে পৰীক্ষাৰ দ্বাৰা প্ৰমাণ কৰি দেখুৱাই।

ক্ষেত্ৰ তত্ত্বৰ বিকাশত গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়োৱা অন্য এগৰাকী বিজ্ঞানী হ'ল লৰেঞ্জ। তেওঁ ১৮৯৫ চনত ৰূপান্তৰ সমীকৰণ (Transformation equations) বোৰ প্ৰকাশ কৰে। লৰেঞ্জে তেওঁৰ তত্ত্ব আৰু মেক্সৱেলৰ সমীকৰণৰ সহায়ত বিদ্যুৎ চুম্বকীয় তত্ত্ব, প্ৰোহৰ বিজ্ঞান, আধান আৰু ক্ষেত্ৰৰ পাৰস্পৰিক ক্ৰিয়া আদি বিষয়ৰ বহুতো সমস্যা সমাধান কৰিবলৈ সক্ষম হৈছিল। লৰেঞ্জক ধ্ৰুপদী বিদ্যুৎ চুম্বক তত্ত্বৰ (Classical Electro-magnetic Theory) শেষৰজনা বিজ্ঞানী বুলি আখ্যা দিব পৰা যায়। বিংশ শতিকাৰ আৰম্ভণীতেই ক্ষেত্ৰ তত্ত্বই নতুন ৰূপ লাভ কৰে। প্লাংকৰ কোৱাণ্টাম তত্ত্ব আৰু আইনষ্টাইনৰ বিশেষ আপেক্ষিকতাবাদৰ উদ্ভাৱনে ক্ষেত্ৰ তত্ত্বৰ নৱতম বিকাশৰ দিশত উল্লেখনীয় বৰঙণি আগবঢ়ায়।

আইনষ্টাইনৰ আপেক্ষিকতাবাদ তত্ত্ব অনুসৰি স্থান আৰু কাল দুটা স্বতন্ত্ৰৰীয়া ৰাশি বুলি গণ্য কৰিব নোৱাৰি অথচ যিটো ধাৰণা নিউটনীয় বলবিদ্যাৰ ঘাই মাপকাঠি আছিল। পৰম কাল অথবা পৰম মহাকালৰ ধাৰণা অৱান্তৰ বুলি আপেক্ষিকতাবাদৰ তত্ত্বই প্ৰমাণ কৰিলে। ইয়াৰ উপৰিও ভৰ, দৈৰ্ঘ্য আদি পূৰ্বে অপৰিবৰ্তনীয় বুলি ভৰা ভৌতিক ৰাশিক পৰিবৰ্তনশীল ৰাশি বুলি প্ৰমাণ কৰিলে আৰু ইয়াৰ লগে লগে বহুতো ধ্ৰুপদী ধাৰণাৰ পৰিসমাপ্তি ঘটিল। আধুনিক পদাৰ্থবিজ্ঞানত নতুনত্বৰ জোৱাৰ আনা অন্য এটা তত্ত্ব হ'ল ডি ব্ৰয়ৰ (de Broglie) কণিকা ঢৌ দ্বৈতবাদ (wave particle duality)। এই তত্ত্বত পদাৰ্থৰ কণিকা ধৰ্মিতাৰ ওপৰিও ঢৌ ধৰ্মিতাৰ ধাৰণা অন্তৰ্ভূক্ত কৰা হৈছে। মেক্স প্লাংকৰ (Max Planck) কোৱাণ্টাম ধাৰণা অনুসৰি ভৌতিক কণাৰ ওপৰিও শক্তি কণা 'ফ'টন'ৰ (photon) অৱতাৰণা কৰা হয়। আলোক বিদ্যুৎ পৰিঘটনাৰ (Photo electric effect) ব্যাখ্যা আগবঢ়াওঁতে আইনষ্টাইনে কোৱাণ্টাম তত্ত্বক সফলভাবে প্ৰয়োগ কৰে আৰু এই পৰীক্ষাৰ দ্বাৰাই কোৱাণ্টাম তত্ত্বৰ ভেঁটি প্ৰতিষ্ঠিত হয়। কোৱাণ্টাম তত্ত্বৰ আৰু বিশেষ আপেক্ষিকতাবাদৰ সহযোগত পদাৰ্থৰ অনু, পৰমানু, নিউক্লিয়াছ, প্ৰ'টন, ইলেকট্ৰ'ন আদিৰে গঠিত ক্ষুদ্ৰ জগতখনৰ নিয়মবোৰ সঠিকভাবে অধ্যয়ন কৰা সম্ভৱ হৈছে। বিংশ শতাব্দীৰ আৰম্ভণী ছোৱাত তিনিটা বিশেষ সমীকৰণে বিজ্ঞান জগতখনক আকৰ্ষিত কৰিছিল। সমীকৰণ কেইটা হ'ব—

আইনষ্টাইনৰ ভৰ-শক্তি সমতা সূত্ৰ (Mass-Energy equivalence)

$$E = mc^2$$

আইনষ্টাইন প্লাংকৰ শক্তি আৰু কম্পনাংকৰ সম্পৰ্ক

$$E = h\nu$$

আৰু ডি ব্ৰয়ৰ ভৰবেগ আৰু কম্পনাংকৰসম্পৰ্ক


$$\lambda = \frac{h}{mv}$$

কোৱাণ্টাম বলবিদ্যাৰ বিকাশত অগ্ৰণী ভূমিকা গ্ৰহণ কৰা বিজ্ঞানীসকল হ'ল প্লাংক, আইনষ্টাইন, ডি, ব্ৰয়, শ্ৰ'ডিঞ্জাৰ, ডিৰাক আৰু হাইজেনবাৰ্গ আদি। হাইজেনবাৰ্গৰ অনিশ্চয়তা সূত্ৰইও (Haisenberg's Uncertainity principle) কোৱাণ্টাম সূত্ৰৰ ভেঁটি গঢ়ি উঠাত অপাৰ বৰঙনি আগবঢ়ায়। কোৱাণ্টাম ক্ষেত্ৰ তত্ত্বত পদাৰ্থ কণিকাৰ গতি সম্ভাৱনা তৰংগৰ গতি হিচাবেহে বিবেচিত হয়। গতিকে কণিকা-কণিকা আন্তঃক্ৰিয়া কণিকাৰ লগত সংযুক্ত ঢৌ বা ক্ষেত্ৰৰ আন্তঃক্ৰিয়া হিচাবেহে গণ্য কৰিব লাগিব। অন্য হাতেদি প্ৰাচীন মেক্সৱেল লৰেঞ্জৰ ক্ষেত্ৰ তত্ত্বত ইলেকট্ৰন অথবা আধানযুক্ত অন্য কণা প্ৰটন, মিনউৱন, কেয়ণ ইত্যাদিক কণিকা হিচাবে আৰু বিদ্যুৎ চুম্বক ক্ষেত্ৰ আন্তঃক্ৰিয়াৰ মাধ্যম হিচাবে ব্যৱহৃত হয়। কোৱাণ্টাম ক্ষেত্ৰ তত্ত্বৰ প্ৰধান সুবিধা হ'ল যে ইয়াত কণিকা, তৰংগ আৰু বলৰ সমন্বয় সাধন কৰি আন্তঃক্ৰিয়াৰ বৰ্ণনা দিয়া হয়। কোৱাণ্টাম ক্ষেত্ৰ তত্ত্বই বৰ্তমান কালত বিশ্ব সৃষ্টিকে আদি কৰি বহুতো গুৰুত্বপূৰ্ণ সমস্যাৰ সমাধানৰ পথত সফলতা লাভ কৰিছে। কোৱাণ্টাম বিদ্যুৎ গতি বিদ্যা (Quantum Electro dynamics or Q.E.D) এই নতুন ক্ষেত্ৰ তত্ত্বৰে এক নৱতম উদাহৰণ।


কোৱাণ্টাম ক্ষেত্ৰ তত্ত্বৰ অন্য এক অৱদান হ'ল প্ৰতি কণিকাৰ (anti - particle) আবিস্কাৰ। এই তত্ত্বৰ দ্বাৰা কোনো বিক্ৰিয়াত সংঘটিত কণা প্ৰতিকণাৰ সৃষ্টি অথবা ধ্বংসৰ পৰিমাণ সঠিকভাৱে গননা কৰিব পাৰি। এই তত্ত্বই প্ৰমাণ কৰিছে যে শক্তি পদাৰ্থ লৈ ৰূপান্তৰিত হ'লে কণা আৰু প্ৰতিকণাৰ আবিৰ্ভাৱ হয়। উদাহৰণ স্বৰূপে নিৰ্দ্দিষ্ট শক্তিমানৰ ফ'টন কণাৰ পৰা ইলেকট্ৰন আৰু ইয়াৰ প্ৰতিকণা প'জিট্ৰনৰ সৃষ্টি হয়। কোৱাণ্টাম বলবিদ্যাই (Quantum Mechanics) সূক্ষ্ম পদাৰ্থ জগতখনৰ বিষয়ে সঠিক ভাবে জানিবলৈ সুবিধা নিদিয়ে। ইয়াৰ উপায় আগবঢ়াইছে কোৱাণ্টাম বিদ্যুৎ গতি বিজ্ঞানে (Q.E.D) ১৯২৭ চনত ডিৰাকে যুগুত কৰা 'বিকিৰণৰ নিৰ্গমন আৰু অৱশোষণ কোৱাণ্টাম তত্ত্ব' শীৰ্ষক প্ৰৱন্ধটোৱে কোৱাণ্টাম বিদ্যুৎ গতি বিজ্ঞানৰ ভেঁটি স্থাপন কৰে। পৰৱৰ্তীকালত ফক্, ফাৰ্মি, হাইজেনবাৰ্গ, পাউলি, জৰ্ডান আদি প্ৰসিদ্ধ বিজ্ঞানীয়ে নিজৰ নিজৰ অৱদানেৰে এই ক্ষেত্ৰ তত্ত্বটো সমৃদ্ধি কৰি তোলে।

কোৱাণ্টাম বিদ্যুৎ গতি তত্ত্ব (Quantum Electro dnaymics) হৈছে কোৱাণ্টাম বিদ্যুৎ চুম্বকীয় ক্ষেত্ৰ আৰু সকলো আধানযুক্ত মৌলিক কণাৰ লগত জড়িত থকা কোৱাণ্টাম ক্ষেত্ৰ আৰু সিহঁতৰ মাজত হোৱা আন্তঃক্ৰিয়াক লৈ যুগুত কৰা এখন আঁচনি, যাৰ সহায়ত মৌলিক কণাবোৰৰ আচৰণ সম্বন্ধে তাত্ত্বিক বিশ্লেষণ কৰিব পাৰি। কোৱাণ্টাম বিদ্যুৎ গতি বিজ্ঞানত ভেকুৱাম বা শূন্যস্থানক সকলো কোৱাণ্টাম ক্ষেত্ৰৰ শূন্য অৱস্থাৰ অধ্যাৰোপন বুলি ধৰা হয়। এই কোৱাণ্টাম ক্ষেত্ৰৰ পৰা আন এখন কোৱাণ্টাম ক্ষেত্ৰলৈ শক্তি স্থানান্তৰিত হয় বুলি বিবেচনা কৰা হয়। কোৱাণ্টাম বিদ্যুৎ গতি বিজ্ঞানৰ চমকপ্ৰদ সাফল্য হ'ল ইয়াৰ দ্বাৰা পদাৰ্থৰ সূক্ষ্ম জগতখনৰ বিভিন্ন পৰিঘটনাৰ সঠিক বিশ্লেষণ কৰিব পাৰি।

এটা সাধাৰণ উদাহৰণৰ দ্বাৰা এই ক্ষেত্ৰ তত্ত্বটোৰ প্ৰয়োগ সম্পৰ্কে অৱগত কৰিব বিচৰা হৈছে। ধৰা হওক ইলেকট্ৰন কোৱাণ্টাম ক্ষেত্ৰত দুটা ইলেকট্ৰন ($e^-$) উত্তেজিত অৱস্থাত আছে। আৰু এটাই আনটোৰ ফালে গতি কৰিছে। আগতেই উনুকিউৱা হৈছে যে ইলেকট্ৰনটো আধানযুক্ত কণিকা হোৱা কাৰণে ই ভেকুৱাম (Vacuum) থকা কোৱাণ্টাম বিদ্যুৎ চুম্বকীয় ক্ষেত্ৰৰ লগত আন্তঃক্ৰিয়া কৰিবলৈ সক্ষম। এই আন্তঃক্ৰিয়াৰ ফলস্বৰূপে বিঃ চুঃ ক্ষেত্ৰত এটা উত্তেজনাৰ সৃষ্টি হ'ব বা এটা ফ'টনৰ সৃষ্টি হ'ব। এই ফটন সৃষ্টিৰ ঘটনাটোৰ বাবে ইলেকট্ৰনটোৱে শক্তি হেৰুৱাব আৰু লগতে ভৰবেগৰো পৰিবৰ্তন হ'ব। আনহাতে এই ফ'টনটো যেতিয়া অন্য ইলেকট্ৰনটোৰ সমীপলৈ আহিব, ফ'টনটোত নিহিত থকা শক্তি ইলেকট্ৰনটোলৈ স্থানান্তৰিত হ'ব আৰু উত্তেজনা বা ফ'টনটো নিঃশেষ হৈ যাব। এই শক্তি আৰু ভৰবেগ পোৱাৰ কাৰণে ইলেকট্ৰনটোৰ গতি সলনি হ'ব। স্থান আৰু কাল সাপেক্ষে এই পৰিঘটনাটোক তলত দিয়া দৰে দেখুৱাব পাৰি। কোৱাণ্টাম বিদ্যুৎ





গতি বিজ্ঞানৰ দ্বাৰা ইলেকট্ৰন দুটাৰ মাজত হোৱা আন্তঃক্ৰিয়াৰ বিশ্লেষন কণিকা দুটাৰ শক্তি আৰু ভৰবেগৰ পৰিমান জানিলেই সঠিকভাবে আগবঢ়াব পাৰি। কোৱাণ্টাম বিদ্যুৎ গতি বিজ্ঞানত বিনিময়ৰ ভূমিকা




লোৱা ফ'টন বা আলোককণাৰ আন্তৰ্নিহিত স্পিন হ'ল এক। এই তত্ত্বমতে ইলেকট্ৰনৰ এটা বিশেষত্ব হ'ল ই নিজে এটা ফ'টন নিক্ষেপ কৰি ইয়াক পুনৰ অৱশোষণ কৰিব পাৰে। ওপৰৰ চিত্ৰত $e^-$ এটাই x। অৱস্থানৰ এটা ফ'টন নিৰ্গমন কৰি $x_2$ অৱস্থানত এটা $e^-$ টোক পুনৰ অৱশোষণ কৰা দেখুওৱা হৈছে। কোৱাণ্টাম বিদ্যুৎগতি বিজ্ঞানত ফাইনমেনৰ (Feynman) চিত্ৰ হিচাপে পৰিচিত এই চিত্ৰ সমূহে কোঃ বিঃ গঃ বিজ্ঞান বুজাত সহায় কৰিছে। Q. E. D. অত উল্লেখযোগ্য বৰঙণি আগবঢ়োৱা বাবে ৰিচাৰ্ড ফাইনমেনক নোবেল বঁটাৰে বিভূষিত কৰা হৈছে।

কোৱাণ্টাম বিদ্যুৎ গতি বিজ্ঞানৰ আৰ্হিত নিউক্লিয় $\beta$ (বিটা) অৱক্ষয় পৰিঘটনাটোত বিনিময় কণাৰ অৱতাৰনা কৰি তলত দিয়া দৰে দেখুৱাব পাৰি।

$$n \longrightarrow P + \bar{e} + \bar{\nu}_e$$




বিগত পঞ্চাশ বছৰত পদাৰ্থ জগতখনত বহুতো নতুন নতুন কণিকাৰ আৱিস্কাৰ হ'ব লাগিছে। পায়ণ ($\pi$) নামৰ কণাৰ আৱিস্কাৰৰ বাবে ১৯৪৯ চনত জাপানী বিজ্ঞানী য়াকাৱাক ন'বেল বটা দিয়া হয়। সেইদৰে ১৯:৪ চনত আমেৰিকাৰ বিজ্ঞানী গেলমেন আৰু যুয়ীগে কোৱাৰ্ক আৰ্হি বুলি এটা তত্ত্ব আগ-বঢ়াই। তেওঁলোকৰ মতে p, n আদি কণাবিলাক তিনিটা কোৱাৰ্কৰ (Quark) সমষ্টি আৰু $\pi$ মেচন আদি মৌলিক কণা এটা কোৱাৰ্ক আৰু এটা প্ৰতি-কোৱাৰ্কৰ সমষ্টি।

এই কোৱাৰ্কসমূহক u, d, s, আদিৰ দ্বাৰা নামকৰণ কৰা হৈছে। বেৰিয়ণ আৰু মেৰণৰ প্ৰায়-বোৰ ধৰ্মকেই এই কোৱাৰ্ক আৰ্হিৰে বুজাব পাৰি। কোৱণ্টাম বিদ্যুৎ গতি তত্ত্বই কোৱাৰ্কবিলাকৰ মাজত এবিধ বিনিময় কণা (Exchange particle) থকাৰ কথা সোঁৱৰাই দিয়ে। এই মৌলিক কণাক গ্লুৱণ (Gluon) বোলা হয়। অৱশ্যে কোৱাৰ্ক নামৰ এই মৌলিক কণাবিলাকৰ পৰীক্ষামূলকভাৱে এতিয়াও আৱিস্কাৰ হোৱা নাই। যুক্তি দিয়া হৈছে যে কোৱাৰ্কবোৰে P or n অৰ পৰা কোনো দিনে ওলাই নাহিব আৰু ইহঁত হেড্ৰণৰ ভিতৰত স্থায়ীভাৱে আৱদ্ধ হৈ ৰ'ব।

কোৱাণ্টাম বিদ্যুৎ গতি বিজ্ঞানৰ (Quantum Electrodynamies) ক্ৰমবিকাশৰ লগত জড়িত অন্য দুটা আধুনিকতম ক্ষেত্ৰ তত্ত্ব হ'ল চালাম-ভাইনবাৰ্গ গ্লাছো তত্ত্ব (Salam Weinberg Glasso theory) আৰু কোৱাণ্টাম বৰ্ণ গতি বিজ্ঞান (Quantum chromodynamics) এই ক্ষেত্ৰ তত্ত্বসমূহত যথাক্ৰমে ফ'টন, W± £°, গ্লুৱণ নামৰ বিনিময় কণাৰ ধাৰণা গ্ৰহণ কৰা হৈছে।

বৰ্তমান কালত প্ৰকৃতিৰ চাৰি ধৰণৰ ক্ষেত্ৰ যেনে প্ৰৱল, বিদ্যুৎ চুম্বকীয় দুৰ্বল আৰু মহাকৰ্ষণ ক্ষেত্ৰৰ একীকৃত ক্ষেত্ৰ তত্ত্ব উদ্ভাৱণৰ মহাণ প্ৰচেষ্টা অব্যাহত আছে। ক্ষেত্ৰ তত্ত্বৰ প্ৰাৰম্ভিক কালত এই ক্ষেত্ৰ সমূহ স্বতন্ত্ৰৰীয়া বুলি গণ্য কৰা হৈছিল। অৱশ্যে ফেৰাডে আৰু মেক্সৱেলেই বিদ্যুৎ আৰু চুম্বকীয় ক্ষেত্ৰত একীকৃত কৰি থৈ গৈছিল। ইয়াৰ দ্বিতীয় পদক্ষেপ সম্ভৱ হ'ল বিদ্যুৎ চুম্বকীয় আৰু দুৰ্ব্বল ক্ষেত্ৰৰ একীকৰণৰ দ্বাৰা। ১৯৭৯ চনত চালাম ডাইণবাৰ্গ আৰু গ্লাছোক এই মহান প্ৰচেষ্টাৰ বাবে নোবেল বটা দিয়া হয়। কিন্তু মহাকৰ্ষণ ক্ষেত্ৰক একীকৃত ক্ষেত্ৰ তত্ত্বৰ পৰিমৰ ভিতৰলৈ নিবলৈ এতিয়াও বিজ্ঞানীসকল সফল হোৱা নাই। বৰ্তমান কিছুমান নতুন ধাৰণাৰ পম খেদি বিজ্ঞানীসকলৰ অবিৰত যাত্ৰা অব্যাহত ৰাখিছে। এই ধাৰণাসমূহ হ'ল অতি সমনিতি (Super Symmetry,) অতি মহাকৰ্ষণ (Super Gravity) আৰু অতি একীকৰণ (Super Unification) ইত্যাদি। বিজ্ঞানীসকলৰ এই যাত্ৰাৰ উদ্দেশ্য হয়তু সোনকালেই সফল হ'ব পাৰে কোনে জানে। ●

> নিজৰ মনত উদয় হোৱা প্ৰশ্নবোৰ দকৈ ভাৰি চোৱা এটা ডাঙৰ গুণ। মনত ভাল কৌতুহল বা প্ৰশ্ন উঠিলে তাৰ উত্তৰ নিৰ্বিচাৰি নেথাকিবা।
>
> —আইনষ্টাইন

বিষয়ঃ

# অসমীয়া গীতি সাহিত্য

—কুমাৰী দিব্যজ্যোতি বৰশইকীয়া
স্নাতক তৃতীয় বাৰ্ষিক, কলা

অসমীয়া গীতি সাহিত্য অতীজৰ পৰা মানুহৰ মুখে মুখে চলি অহা এবিধ কাহিনী গীত। এই গীতৰ যোগেদি মানুহৰ অনুভূতিৰ সূক্ষ্ম স্পন্দনে চিৰকালেই বায়ুতৰঙ্গৰ মাজৰ শব্দৰ স্পন্দনৰ ভিতৰতে আত্মপ্ৰকাশ কৰি আহিছে। এই খিনি সময়তেই ভাষাৰ, কাব্যৰ, সাহিত্যৰ জন্ম।

আধুনিক জগতৰ সাহিত্য বিলাকলৈ মন কৰিলে দেখা যায় যে গদ্য ৰচনাতকৈ কাব্য ৰচনাই সদায় দুখোজমান আগবাঢ়ি গৈছে। কোনো গদ্য ৰচনা লিখিত অৱস্থাত নাথাকিলে পিছৰ যুগলৈ সি চলি আহিব নোৱাৰে। কাব্যৰ এনে শক্তিৰ বাবেই পুৰুষানুক্ৰমে বহুতো গীত মাত অনেক যুগ অতিক্ৰম কৰি আহি একোটা জাতিৰ মাজত জীয়াই থাকে। মৌখিক প্ৰচলনৰ এই যুগমীয়া ৰচনাবোৰকে আমি গীতি সাহিত্য বুলিছোঁ।

সকলো দেশতে গীতি-সাহিত্যৰ প্ৰচলন আছে। এই গীতি-সাহিত্যৰ ঘাই বৈশিষ্ট হৈছে ভাৱ-অনুভূতি আৰু ভাষাৰ ৰচনা প্ৰণালীৰ সৰলতা। আন পক্ষত কবলৈ হলে এই গীত-মাতবোৰৰ লগত সভ্যতাৰ ভীষন শত্ৰুতা। আধুনিক কাব্যৰ লগত সহজ-সৰলতাৰ বৈশিষ্টৰ বাবেই গীতি-সাহিত্যৰ অমিল। আন কথাত কবপাৰি গীতি-সাহিত্য হাবি-বননিৰ বনফুল; আনহাতে আধুনিক কাব্য নিতৌ কৃতিমতাৰ হাতৰ পৰশ পোৱা ফুলনিৰ ফুল। ইয়াৰ উপৰিও এই গীতি-সাহিত্যৰ অন্য এটি লক্ষণ হ'ল লেখকৰ নামোল্লেখ নাই।

গীতি-সাহিত্যৰ ৰচনাৰ কাল আৰু কি অৱস্থাত কি পদ্ধতি অনুসৰি ৰচিত হৈছিল, এই সম্বন্ধে পণ্ডিত-সকলৰ মাজত মতানৈক্য আছে। কিছুমান গীত পৌৰানিক আখ্যান অৱলম্বন কৰি আৰু আন কিছুমান বুৰঞ্জীমূলক ঘটনাক অবলম্বন কৰি ৰচনা কৰা হৈছিল। পণ্ডিত হেমচন্দ্ৰ গোস্বামীদেৱে অসমীয়া ভাষাৰ আৰম্ভণিৰে পৰা খ্ৰীষ্টীয় ৮০০ অব্দলৈকে আমাৰ সাহিত্যৰ যুগটোক "গীতি যুগ" নাম দিয়ে আৰু তাৰ পাছৰ কিছুকাললৈকে আঙুলিয়াই কৈছে,— "অসমীয়া বিয়া নাম আৰু কিছুমান বনগীতেই" হে এই যুগৰ একমাত্ৰ সাহিত্য সম্পদ। গ্ৰীম আদি পণ্ডিতৰ মতে, ৰচনা বিষয়ত বেলাড্ গীতবোৰ ৰাজহুৱা উচ্ছাসৰ উমৈহতীয়া সৃষ্টি। ইউৰোপত বিশেষকৈ নৰৱে, চুইডেন আৰু স্পেইনত বেলাদ নামৰ এবিধ কাহিনী-মূলক গীতৰ প্ৰচলন অতি প্ৰাচীন কালৰ পৰাই আছে। এই গীতবোৰ সাধাৰণ সংজ্ঞা দিয়া টান। কিন্তু বিৱৰণমূলক আখ্যানটো সিহঁতৰ এটা উমৈহতীয়া গুণ। ফৰাচী ভাষাৰ **Bellere** ধাতুৰ পৰা 'বেলাদ' শব্দৰ উৎপত্তি বুলি এই গীতবোৰত নাচোন এটা প্ৰধান অংগৰূপে ধৰা হয়। গ্ৰিম্ আদি পণ্ডিত-সকলে আমাৰ গীতবোৰক কয় যে— সমূহ বৱ্ণক ভাৱে চলি অহা বীন-বৰাগীৰ দৰে কিছুমান অঘৰী গায়ক লগ-লাগি গীতবোৰ ভনিছিল। হয়তু এজনে প্ৰথম কেই শাৰীমান গাই এটা ঘোঘাৰে (**Refrain**) তেওঁৰ বিচৰণ কাৰ্য্য শেষ কৰিছিল ; নহলে দুজনমানে গোট খাই সেই কাৰ্য্য কৰিছিল। লগৰ আন সকলে নিজৰ ভাগ দি দি একোটা ঘোষাকে দোহাৰি দোহাৰি একোটা সাময়িক বা পুৰণি কাহিনীক গীত ৰূপ দিছিল। কিন্তু সামূহিক ৰচনাৰ এই মতবাদ লাহে লাহে উফৰি গৈছে।

অসমীয়া গীতি-সাহিত্য আৰু পাশ্চাত্যৰ গীতি সাহিত্যৰ মাজত পাৰ্থক্য আছে। ইউৰোপৰ বেলাদ-বোৰ সাধাৰণতে আখ্যানমূলক। অনেক ছুটি ছুটি লোকিক গীত একোটা বেলাদৰ আখ্যানৰ কোঁহটো সোমাই থকা অনুভৱ হয়। কিন্তু আমাৰ গীতি-সাহিত্যৰ কাহিনীমূলক ৰচনাতকৈ এক ভাৱ-ব্যঞ্জক বা লিৰিকেল ৰচনাই সৰহ। এই ভাৱ সাধাৰণতে ব্যক্তি নহৈ সমূহৰ সম্পত্তি বুলিব পাৰি। দ্বিতীয়তে, ইংৰাজী আৰু স্কটিছ বেলাদবিলাকত আটাইতকৈ মন কৰিব লগীয়া বিশেষত্ব দেশাত্মবোধ বা অনেক থলত ৰচকৰ প্ৰাদেশিক দেশহিতৈষতাৰ পক্ষপাতিত্ব কিন্তু দেশৰ কথাৰে অসংলগ্ন গীতবোৰ বাদ দিও, আৰু আমাৰ জাতীয় সংস্কৃতিৰ বা সাধাৰণ ধৰণ-ধাৰণাৰ বৈশিষ্ট্যৰ বিচাৰ ৰাখিও, আমাৰ গীতবোৰত এই বোধ যেন অলপ ক্ষীণ। তৃতীয়তো ৰচনা-পদ্ধতি আমাৰ বেছিভাগ গীত ইংৰাজী-বেলাদৰ পৰা পৃথক। ....... উংকৃষ্ট ইংৰাজী-বেলাদবোৰৰ গুণ সিহঁতৰ ছন্দ্ৰৰ গতিৰ ক্ৰমপৰিবৰ্তন। কিন্তু আমাৰ গীতবিলাকত দুলড়ি-ঝুণা পদ আদিৰ বেলেগ বেলেগ ছন্দ্ৰৰ প্ৰৱৰ্ত্তন থাকিলেও একোটা গীতত সাধাৰণতে একেটা ছন্দইহে ৰাজত্ব কৰে। আমি দিহানাম গাওঁতে বা কীৰ্ত্তণৰ পদৰ মাজে মাজে যেনেকৈ নাম লগোৱা জনৰ লগতে একেশাৰী বা দুশাৰী গীতৰ মাজত হাত-চাপৰিৰে "ৰামহে করুণাময়, হৰিহে, করুণাময়— এনে ধৰণৰ ঘোষাৱলীৰ এআষাৰ উচ্চৈঃস্বৰে গাওঁ ; ঠিক তেনে দৰে ইংৰাজী গীতবোৰ গাওঁতেও একেটা ষ্টেঞ্জা বা ছেদৰ সমূহে মিলি এটা ঘোষা বা **refrein** উলাহেৰে পুনৰাবৃত্তি কৰে, যেনে— **Heigh ho nonuy no, heigh nonny no, heigh no, nonny no, heigh nonny no.** কিন্তু আমাৰ কাহিনীগীত মণিকোঁৱৰ, ফুল কোঁৱৰ, মণিৰাম দেৱান বাবৰফুকণৰ গীতত এনে ঘোষা নাই। এজন বা দুজন টোকাৰী বা বীন বাওঁতাই আপোনভাৱে তাঁৰত টুকুৰিয়াই টুকুৰিয়াই এই গীতবোৰ গায়।

ছন্দৰ মিল কৰিবৰ খাটিৰতে আমাৰ সহজ কবি সকলে এটি দুৰ্ব্বলতাক প্ৰশ্ৰয় দিয়া দেখা যায়।

"এ দেও ৰল,
পাছদিনা ৰূপচিং বিহানেই গল।"

ইয়াত এদেও ৰল, খণ্ডবাক্যটো অপ্ৰাসঙ্গিক,

ঘটনাৰ বিৱৰণৰ লগত তাৰ কোনো সংগতি বা অৰ্থসম্বন্ধ নাই। এনে অনুকাৰ বাক্য কিছুমান বনগীত, বিয়ানাম, প্ৰায় ভাগ বহুৱা নাম, মণিকোঁৱৰ, ফুলকোঁৱৰ, বৰফুকনৰ গীতত অনেক আছে। কিছুমান অনুকাৰ বাক্যত পিছৰ ঘাই অংশত থকা কথাষাৰৰ লগত অলপ দূৰ হলেও এটা সম্বন্ধ বিছাৰি পাব পাৰি।

লুইতে এৰিলে দীঘঁলী এসূঁতি
দিহিঙে এৰিলে কূল,
আয়ে-বোপায়ে ধৰম বিয়া দিলে
হালধিৰ নুগুছিল বোল।

ইয়াত লুইতে সূঁতি এৰাৰ দৰে, দিহিঙে কূল এৰাৰ নিছিনাকৈ আই-বোপায়ে ধৰম বিয়া দি জীয়েকক এৰাৰ উপমাটি মনে মনে সোমাই আছে বুলি কব পাৰি।

বনগীতৰ বনবীয়া কবি সকল সাধাৰণতে একোটিহঁত করুণ উপমাৰ ভিতৰেদি একোটি অনুভূতি প্ৰকাশ কৰাত বৰ পটু। আৰু তেনে উপমাৰেই—

পূৱৰে অৰুণে পশ্চিমতে ঘূৰিল
মলয়াত ঘূৰিলে বগ ;
মনৰ কথাষাৰি মনতে ঘূৰিলে
কবলৈ নেপালেঁা লগ।

এই বিষয়ে আকৌ নামতীসকলে গায়—

তেলত বন্দী হল তেলিনী পকৱা
শালত বন্দী হল হাতী ;
মকৰাৰ জালতে কৃষ্ণ বন্দী হ'লে
নুপূৱায় কালিন্দী ৰাতি।

সৰল অনুভূতি আৰু সৰল প্ৰকাশৰ বাহিৰেও বিবিধ জাতিৰ গীতবোৰৰ সাধাৰণ সাজ-সজ্জাৰ অনেক মিল পোৱা যায়। ইয়াৰ মূলকাৰণ, সকলো জাতিৰে অশিক্ষিত বা অনুংকৰ্ষিত অৱস্থাৰ মনোবিজ্ঞান প্ৰায় একে। অসমীয়া ধাই নামৰ এটি গীত হৈছে—

জোনৰে আগৰে একোটি তৰা
আয়ে বিয়া দিলে গঁঠীয়া দৰা ;
হেৰ তই গঁঠীয়া নেপাৰ অ' গালি
আ'ইৰ ঘৰলৈ যাম ভৰি পখালি।

এই আলোচ্য গীতবোৰৰ বিষয়ে আন এটি চাবলগীয়া বিষয়, যিবোৰত বৰ্ত্তমান আন্তৰ্জ্জাতিক লোক-সাহিত্যৰ সাধাৰণ উদ্দেশ্যবোৰ। তাৰ উপৰি, বিভিন্ন অসমীয়া আৰু অসমৰ জনজাতীয় লোকগীতি আৰু সাধুৰ মাজতে কিছুমান সাধাৰণ সূত্ৰই ধৰা দিয়ে। ৰাধিকা শান্তী আৰু হাইদাং গীতৰ ৰূপী-কূৰূপী একেই "শঙ্কৰৰ জীয়াৰী মাধৱৰ বোৱাৰী।" মণি কোঁৱৰ আৰু ৰূপী-কূৰূপীৰেই পিতাৰ নাম শঙ্কৰদেউ ৰজা। জনধন বৰ্থিয়াৰ বাৰমাহী গীতত মানিক সাউদে বানিজৰ পৰা আহি এটা বছৰৰ মাহৰ পাছত মাহ ধৰি নিজৰ পত্নীক নানা প্ৰলোভন দেখুৱাই আৰু উত্তেজিত কৰিবলৈ যত্ন কৰি পৰীক্ষা কৰে। আৰু শেষত নিজৰ পৰিচয় দিয়ে।

**বিহুনাম আৰু বনগীত ঃ**

বহাগৰ বিহুৰ সময়ত কিছুমান বিহুৰ হুচৰিৰ লগত মানুহৰ ঘৰে ঘৰে কিছুমান গীত গোৱা হয়। এইবোৰকে ঠিক বিহুনাম বুলিব পাৰি। মুগাৰ বটিয়াৰ ন'শ গাঠঁনিৰে সৰিয়হ পিছলি যোৱা বৰচ'ৰাৰ মুখলৈ ওলোৱা নৰা-জাংফাই আৰু গাত গোমচেঙৰ চোলাৰে ডাঙৰীয়াক বিহুৰ ৰবীয়াকৈ চিকাৰূপ খোজা, ভিতৰত গাভৰুহঁতৰ পৰা ফুলাম গামোচা আদি নিৰ্দোষ-ধেমালীৰে এই বিহু নামবোৰ পূৰ।

আন বনবীয়া গীতবোৰ ঘাইকৈ যৌৱনৰ উন্মাদনাৰ কলৰৱ ; গতিকে বসন্তৰ উন্মাদনাই সিহঁতৰ ঘাই অনুপ্ৰেৰণা। টেনিছনে কবৰ দৰে, "In the spring time a young man's fancy lightly turns to thoughts of love." অৰ্থাৎ চ'তে গৈ বহাগ পোৱাতে ভেবেলি লতা, "আৰু বুকুৰে চেনেহৰ কথা।" একে লগে ফুলি উঠিল। নৈসৰ্গিক সৌন্দৰ্য্যৰ কবিতা



সিবোৰত নাই। বনবীয়া ডেকাই "বনৰ বনে পছু জোৰা পাতি" থকা দেখি স্বকীয় এক প্ৰেম দৰ্শন আৱিষ্কাৰ কৰিছে। আৰু সেই উৎকট দৰ্শনত প্ৰেম আৰু মিলনেই একমাত্ৰ সোণালী আখৰ। মনত নপৰা কালৰ পৰা এই গীতবোৰ ৰচিত হৈ আহিছে আৰু আজিও হয়তো সভ্যতাৰ কল্লোলৰ বহু আঁতৰত তেনে গীত ৰচিত হৈছে। দুই এটা গীতত 'কোম্পানীৰ 'ঘড়ীৰ টাইম," বিলাতী হোটেলৰ পানী, ৰেল, আপিচ আদি কুৰি শতিকাৰ চলন্তি শব্দ ব্যৱহাৰ হৈছে।

হুঁচৰি, কীৰ্ত্তন আৰু "হৰাইলো সৰগৰ তৰা, চাই থাক ঔ নিলগৰ পৰা" আদি হুচৰি ঘোষা আদিলৈও এই প্ৰসংগত আঙুলিয়াব পাৰি।

**বিয়া নাম ঃ** স্মৃতি শাস্ত্ৰৰ নীতিৰ দ্বাৰা সংযত পৱিত্ৰ মিলনৰ মধুৰ গীত। আয়তী-বায়তী সকলৰ সৰল কল্পনাশক্তি, মধুৰ উপমা প্ৰয়োগ কৰি আৰু বেছি ভাগ উৎকৃ? গীতত সোমাই থকা করুণ ৰসেই ইবোৰৰ মূল্য নিৰ্দ্ধাৰণ কৰে। বাহী বিয়াৰ দিনা যেতিয়া কইনা দৰাৰ ঘৰলৈ যাবলৈ ওলাই, সেই সময়তেই এই করুণ সুৰ অতি করুণ হৈ উঠে। এই করুণৰ লগত হাস্যৰসও সৃষ্টি হয়। হোমৰ গুৰিত দৰা কইনা বহোঁতে একালে দুজনৰ মিলন আৰু আনফালে বিচ্ছেদৰ সূত্ৰপাত। জোৰা নামেৰে দৰাঘৰীয়াৰ গাত আক্ৰমণৰ চোকা বান মৰাৰ উপৰিও আটাইতকৈ উপভোগ্য হয় পুৰোহিত বাপুৰ গাত লগা চোকা শৰ কেইপাত—

"বামুনৰ মুখত জুই ভৰাই দে তপত গুৰু
চেলাই যক দুপাৰি দাঁত।
বৰালি মাছৰে তিনিটা টোপোলা
টেঙা দি খাবলৈ ভাল,
আমাৰ গুৰু বাপুৰ পেটতো গেৰেলা
জয়ঢোল বাবলৈ ভাল।"

অসমৰ নামনি অঞ্চলৰ কামৰূপত জোৰা নামক 'খিচা গীত' বোলা হয়। বিয়া নামৰ প্ৰসঙ্গতে ভেকুলীৰ বিয়াৰ নামবোৰ উল্লেখ কৰিব পাৰি। ভেকুলী বিয়া পাতিলে হেনো খৰৰ মাজতো বৰষুণ দিয়ে। এই বিয়া নামবোৰ নিৰ্দোষ ধেমালীৰে ৰস্ত আৰু উপৰুৱা কল্পনাৰ ছাটো সিহঁতৰ গাত নোহোৱা নহয়। পৃথিবীৰ উৰ্ব্বৰতাৰ বাবে কৃষি প্ৰধান দেশত এটি চিন এই ভেকুলী বিয়া।

**ধাই নাম বা ধেমালী নাম ঃ** এই গীতবোৰ হৈছে শৈশৱৰ বিমল হাঁহি-ধেমালী আৰু কিছু পৰিমাণে কান্দোনৰ গীত। ইহঁতে জোনাক বা তৰাফুলী সন্ধিয়াক ওলগ জনায়। এই লৰা নিচুকওৱা ধাই-নাম আৰু লৰা-ধেমালীৰ গীতত শৈশৱৰ দেৱত্ব, নৱীনত্ব আৰু লালিত্য সোমাই আছে। সেইবোৰতেই আকৌ লৰালিৰ হাঁহিৰে মলঙা মুখৰ জেউতি, আনন্দ আৰু ভয়-বিস্ময়, উলাহী কল্পনা আৰু কৌতুহলী বিশ্বাস-অবিশ্বাসৰ মিহলি সূঁতিবোৰ ধৰা পৰে।

**আই নাম, লক্ষিমী সবাহৰ গীত, অপেছৰাৰ গীত ঃ** অসমৰ তান্ত্ৰিক যুগৰে পৰা চলি অহা বা আন নহলেও তান্ত্ৰীকতাৰ দূৰ প্ৰভাৱত উৎপন্ন হোৱা আই তুতি, ঘোষা পদবিলাকত ভক্তিৰ গভীৰতা, অনুভূতিৰ তীব্ৰতা, স্বাভাৱিকতা আৰু প্ৰকাশ ভংগীমাৰ অনাড়ম্বৰ গতি দেখা যায়। এই নাম সমূহৰ মাজত পিছলাৰ ঘাট, ফুলবাৰীৰ দেওঘৰ আদিৰ নামোল্লেখ কৰা হয়। কথা-সুৰত আই নামৰ অনুৰূপ লক্ষ্মী সবাহৰ গীত, অপেছৰা সবাহৰ গীত।

**গোঁসাই নাম ঃ** বালক দেৱতা কৃষ্ণ ভক্তিমান সকলৰ কল্পনাক সদায় এটি আনন্দৰে সিক্ত হৈ গৈছে। বিশেষকৈ ভক্তি আন্দোলন আৰু সাহিত্যই সমাজৰ সকলো তৰপকে ভেজি যোৱা কাৰণে কৃষ্ণৰ কীৰ্তি কাহিনী সৰ্বজন প্ৰিয় হৈ উঠিল।

**সদা-শিৱৰ নাম ঃ** সংসাৰী হৈও সংসাৰৰ খবৰ নৰখা দিগম্বৰ শঙ্কৰ সৰ্বজন প্ৰিয়। বিশেষকৈ টোকাৰী

বাই ফুৰা বৰাগী ভকতৰ। আপোন-ভোলা-শিৱ শঙ্কৰৰ চৰিত্ৰৰ প্ৰতি অসমীয়া পাঠকৰ আকৰ্ষণ তন্ত্ৰ-মন্ত্ৰ, লৌকিক গীত, মনসাৰ লোচড়ি আৰু বৈষ্ণৱ কাব্যৰ পৰাও সহজে অনুমান কৰিব পাৰি। লোকগীতত "ডাঙৰগুৰি নিতৌ তিনিগুলি, ছপুৰা ধতুৰাৰ গুটি" খাই পগলা হৈ থকা "ভঙুৱা শঙ্কৰ"ৰ লোকৰঞ্জক ৰূপটি ওলাইছে।

দেহবিচাৰৰ গীত বা টোকাৰীৰ গীত ঃ দেহ বিচাৰৰ গীত বিলাক যদিও সকলোৰে মাজতে প্ৰিয় আৰু বিশেষতে মাধৱৰ ভনিতা থকা বাবে বৈষ্ণৱৰো আদৰৰ সম্পদৰ দৰে, তথাপি আচলতে যিবোৰ অসমৰ এক শ্ৰেণী গুপুত সম্প্ৰদায়ৰ মাজৰ পৰাহে উদ্ভৱ যেন লাগে। পূৰ্ণসেৱা, বৰখেলীয়া, গোপীধাৰা, বৰ্বসেৱা, ৰাতিখোৱা, কৰণিপন্থীয়া, ৰীতিৱা আদি নামত এই সম্প্ৰদায়বোৰ সিচঁৰিত হৈ আছে। বঙ্গৰ সহজীয়া বৈষ্ণৱ ধৰ্ম্মৰ দৰে তান্ত্ৰিকতাৰ প্ৰাদুৰ্ভাৱত এওঁলোকৰ বহুতো আচাৰৰ জন্ম। এওঁলোকৰ অনেকে শঙ্কৰ-মাধৱৰ বা গোপাল শ্ৰীৰাম-আতা আদিৰ নাম লয় বা যি সকলৰ ভনিতা দিয়া গীত মাত ব্যৱহাৰ কৰে। এওঁলোকৰ সাহিত্য আৰু দৰ্শনত শঙ্কৰদেৱৰ "অনাদি পাতন"ৰ প্ৰভাৱ ডাঙৰ। কৃষ্ণানন্দ দ্বিজৰ 'পূৰ্ণ ভাগৱত' অজ্ঞাত কবিৰ 'গুপ্ত মণি', কৃষ্ণাচাৰ্য্য দ্বিজৰ 'ভৱিষ্য সংগ্ৰহ', কবি শেখৰৰ 'বৈষ্ণৱ-পূৰাণ' আদিত এওঁলোকৰ আচাৰ আৰু চিন্তাধাৰাৰ পৰিচয় পোৱা যায়। তেওঁলোকৰ সৃষ্টি তত্বত পিণ্ড-ব্ৰহ্মাণ্ডৰ ধাৰণা, সাধনাত শৰীৰ তত্বৰ প্ৰাধান্য ঘাই লক্ষণ।

দেহবিচাৰৰ গীতত শৰীৰক কেতিয়াবা নাও, কেতিয়াবা ঘৰ, কেতিয়াবা চাকিৰ লগত তুলনা কৰা হয়। শৰীৰ "চতুৰ অধিক কুৰি জনৰ মন্দিৰ", চৌবিশ তত্বৰ ঘৰ। এই ঘৰৰ 'নৱখান দ্বাৰ'। এই ঘৰৰ ভিতৰতো 'নিজ ঘৰ'ত 'পূৰ্ণ কৃষ্ণ বা 'পূৰ্ণানন্দ হৰিৰ নিৱাস। মায়া-নদীৰ ইপাৰে-সিপাৰে থাকে "কাল বিকাল পক্ষী"— জীৱাত্মা আৰু পৰমাত্মা।

বাৰমাহী গীত ঃ ৰাধা-বাৰমাহী, ৰাম-বাৰমাহী, সীতা-বাৰমাহী, কন্যা-বাৰমাহী আদি অনেক বাৰমাহী গীত বিশেষকৈ অসমৰ নামনি অঞ্চলত পোৱা যায়। এই গীতবোৰ মনোৰম কবিত্বময় আৰু সিবোৰত প্ৰোষিত ভূৰ্ত্ৰী নায়িকাৰ বিৰহৰ বৰ্ণনা সন্নিবিষ্ট কৰা হয়। একোটি গীতত বাৰটা-তেৰটা কলি থাকে ঃ বাৰ মাহৰ তেৰ গীত গাই নাপাওঁ ওৰ। একো একোটা মাহৰ প্ৰাকৃতিক পৰিবেশৰ মাজত বিৰহিনীৰ শোক বেলেগ বেলেগ মানসিক স্মৃতি-সংযোগৰ মাজেদি তীব্ৰ হৈ উঠে। গীতবোৰত বছৰৰ চকৰি ঘূৰিবলৈ আৰম্ভ কৰে আঘোন মাহৰ পৰা।

নাওখেলৰ গীত ঃ নাৱত উঠি মাছ মাৰিবলৈ বা খৰি লুৰিবলৈ যাওঁতে আৰু বেহা-বেপাৰৰ মনেৰে ঘৰৰ পৰা অলপ দূৰণিলৈ গলে কামৰ অৱসাদ আঁতৰাই নিজৰ উৎসাহ বঢ়াবৰ কাৰণে নাৱৰীয়া সকলে গীত জোৰে। নাও চলোৱাৰ প্ৰতিযোগিতা নাও খেলতো গীত গোৱা হয়।

জুনা ঃ জুনাক এক প্ৰকাৰে কাহিনী গীতৰ শাৰীতো পেলাব পাৰি। পকৱাৰ জুনা, কপাহৰ জুনা, নাঙলৰ জুনা আদিত হ'াহিৰ স্পৰ্শ স্পষ্ট। তাঁতীৰ জোনাটি কবিত্বময় কল্পনাৰে পূৰ। কপাহৰ জুনা দঁতাল হাতী বান্ধিব পৰা মিহি সূতা কটা, গাত ললে পিঠিৰ ছাল ছিঙা কাপোৰ বোৱা কাজী শিপিনীৰ কীৰ্ত্তি-কাহিনী।
কাহিনী-গীতি বা বেলাৰ্দ ঃ এতিয়ালৈকে সংগৃহীত-প্ৰকাশৰ বেলাদৰ ভিতৰত বৰফুকনৰ গীত, মনিকোঁৱৰৰ ফুলকোঁৱৰৰ গীত আৰু জনা গাভৰুৰ গীতেই পূৰ্ণাংগ ৰূপত পোৱা গৈছে। কামৰূপৰ বামুনা সত্ৰৰ পৰা আধৰুৱা ৰূপত উদ্ধাৰ হোৱা দুৱলা শাস্তীৰ গীতটিত বাৰমাহী গীতৰ দৰে পোনতেই বিৰহৰ সুৰ বাজি উঠে।

শঙ্কৰদেউ ৰজাৰ পুতেক মনিকোঁৱৰ, কোঁৱৰৰ পত্নী ফুকনৰ জীয়ৰী কাঁচনমতী। তেওঁলোকৰ পুত্ৰ ফুলকোঁৱৰ আৰু দয়িতা পচতুলা গাভৰুক লৈ মনোৰম ফুলকোঁৱৰ আৰু মনিকোঁৱৰৰ গীত সৃষ্টি হৈছিল।

জয়মতী কুঁৱৰীৰ গীত এতিয়ালৈ ভালকৈ সংগৃহীত হোৱা নাই। নাহৰৰ গীত বুৰঞ্জীমূলক কাহিনী গীত, চুখাম্ফা খোৰা ৰজাৰ মেচলো আৰু বৰমেচলো নামেৰে দুজনী কুঁৱৰী আৰু ৰজাৰ তোলনীয়া লৰা নাহৰক লৈ ৰচিত। চিকণ-সৰিয়হৰ গীতৰ চিকন আৰু সৰিয়হ সাত-ভাই ককাইৰ দুটা। আহোম ৰজাৰ আপাহ পহৈ ৰাজপাটলৈ মন মেলা বুলি সন্দেহ কৰি চিকন-সৰিয়হক মাৰি পেলোৱা হয়।

সাতাৱন বছৰ স্বাধীনতা ৰনৰ অসমত জোৰ ধৰোঁতা 'কলিতা ৰজা' মনিৰাম দেৱানৰ ব্যক্তিত্ব অসমীয়া জাতীয় জীৱনত সঞ্চাৰিণী দ্বীপ-শিখাৰ দৰে উঠি মাৰ গল আৰু থৈ গল এটি দীঘল হুমুনিয়াহ। মনিৰাম দেৱানৰ গীতত দেৱানৰ কলিকতা যাত্ৰাৰ পৰা ফাঁচী-কাঠৰ মৃত্যুলৈকে বৰ্ণনা দিয়া হৈছে। গোটেই গীতাই কৰুণ ৰসত সিক্ত হৈ আছে।

হাইদাং গীত ঃ কছাৰীসকলৰ মাজত প্ৰচলিত নানা গীত মাতৰ মাজত হাইদাং গীতটি বিশেষ মূল্যবান এটি সম্পতি। ইয়াৰ ভাষা মিহলি আৰু অনিয়মিত অসমীয়া বুলিব পাৰি। গীতটি ধৰ্মমূলক। পোনতেই নাৰায়ণ, অগ্নিনাৰায়ণলৈ নমস্কাৰ। তাৰ পিছত পৃথিৱী, আকাশ, চাৰি মুঠি জীৱৰ সৃষ্টিৰ বৰ্ণনা। বিৰিং ৰজা আদি কেইজনমান দেৱতাৰ উল্লেখো আছে।

সাধু-কথাৰ গীত ঃ কমলা কুঁৱৰী, তেজীমলা, পানেশৈ, তুলা আৰু তেজা ইত্যাদি সাধুকথাবোৰৰ লগতো টুকুৰা গীত জড়িত আছে। এই গীতবোৰ সাধুৰ চৰিত্ৰবোৰৰ উক্তি মাথোন।

মায়ামৰীয়া বণুৱাৰ গীত ঃ বিদ্ৰোহী মায়ামৰীয়া বা মোৱামৰীয়া বণুৱাই ৰণলৈ সাজু হওঁতে ধেনু-কাড়লৈ এই গীত গাইছিল—

এই ধেনু এই কাঁড় ডেকাদেউ ধেনু ধৰ মুলুং মাৰিবলৈ যাওঁ।

ভালকৈ গুৰি ধৰ মটকৰ ডেকাদেউ ভৰা গিৰতিৰে নাও।

মৰাণ বিদ্ৰোহৰ এনে আন গীত-পদো ৰচনা হৈছিল বুলি অনুমান কৰিব পাৰি।

জিকিৰ ঃ আজান পীৰ ঃ বাৰকুৰি বৰগীত, তেৰকুৰি ফকৰাৰ দৰে আঠকুৰি জিকিৰ অসমীয়া ভাষাৰ অমূল্য সম্পদ। জিকিৰ সমূহৰ লগত শ্বাহ-মিলান বা আজান পীৰৰ নাম ৰচকৰূপে জড়িত হৈ আহিছে। এওঁ অসমলৈ আহে, কোনোৱে কয় আজমীৰৰ পৰা, আনকোনোৱে কয় আৰৱ দেশৰ পৰা। এই গীত সমূহৰ ৰচনাৰ সময় দুটা দিয়া হয়— ১০৪৫ হিজৰী বা ১৬৩৪ খ্ৰীষ্টাব্দ, ১১৪৫ হিজৰী বা ১৭৩৪ খ্ৰীষ্টাব্দ। ডক্তৰ ভূঞাই পোৱা এখন পুৰনি বুৰঞ্জীমতে গদাধৰ সিংহৰ দিনত ৰূপাই দা ধৰাই আজান ফকীৰৰ চকু কাঢ়ে ১৬০৮ শক বা ১৬৮৪ চন। এই গীতখিনি লিখিত অৱস্থাত বচিত হোৱা নাছিল। শেষত তেখেতৰ ধৰ্মৰ মাহাত্ম্য কথা জানিব পাৰি দিখৌ মুখৰ সৰাগুৰি চাপৰিত মাটি বৃত্তিদান কৰে। তাতেই চাহাবৰ মৃত্যু হয়। এই জিকিৰ সমূহত যেন বৈষ্ণৱ সাহিত্য আৰু লোকগীতিৰ প্ৰতিধ্বনি শুনা যায়। ✯

# ঃ বিগত দশকটোৰ অসমীয়া কবিতাৰ ৰূপ আৰু বৈশিষ্ট্য

—ৰেনু গগৈ
স্নাতক ২য় বৰ্ষ (কলা)

অসমীয়া কবিতাৰ বিগত দশকটোৰ কথা কবলৈ গলেই পোনছাটেই প্ৰবীণ আৰু প্ৰতিষ্ঠিত কবিসকলৰ কাব্য চিন্তা চৰ্চা, ধ্যান ধাৰণাক সামৰি লব লাগিব। উক্ত দশকত প্ৰতিতযশা কবি নৱকান্ত বৰুৱাই কিছু নতুন কবিতা সৃষ্টিৰে অসমীয়া কবিতাৰ ধাৰাক অধিক প্ৰখৰ কৰি তুলিলে। এই গৰাকী আধুনিক জীৱন যন্ত্ৰনাৰ কবি বৰুৱাই সাম্প্ৰতিক জীৱনৰ পৰা আঁতৰি থাকি তেওঁৰ সৃষ্টিক কোনো দিনে অবাস্তৱ-মুখী তথা জীৱনবিমুখ কৰি তোলা নাই। ১৯৮৬ চনত প্ৰকাশিত কবি বৰুৱাৰ "ৰত্নাকৰ" এখন অপূৰ্ব কাব্য সংকলন। এই সংকলনৰ প্ৰায় সংখ্যক কবিতাত প্ৰকাশ পাইছে— "সহজ বচনভংগী বহু ভাষা বহু পৰম্পৰ বিৰোধী আকৰ্ষণ বাস্তৱৰ একেই সোপানত স্থাপিত হৈছে। বাস্তৱমুখী কবি আছে, একে সময়তে অতীতত ; বৰ্তমানত ; ভৱিষ্যতত, একে নিৰ্দ্দিষ্ট নৈতিক বৰ্তমানত ঠাই লৈ বিং মাৰিছে সৰ্বকাললৈ সৰ্বজনী-নতালৈ।" আমি উল্লেখ কৰিবই লাগিব যে কবি নৱকান্ত বৰুৱাৰ অপূৰ্ব কাব্য সৃষ্টিত আধুনিক জীৱনৰ মানসিকতা আৰু যুগ চেতনাৰ অপূৰ্ব সংযোগ ঘটিছে আৰু সময়ৰ সফল কবি হিচাপে নৱকান্ত বৰুৱাৰ কবি প্ৰতিভাক সকলোৱে আদৰি লৈছে।

উক্ত দশকটোত কবি মহেন্দ্ৰবৰাৰ প্ৰকাশিত "আলি দোমোজাৰ ক্ৰচৰ পৰা" শীৰ্ষক কাব্যগ্ৰন্থত সন্নিবিষ্ট কেইবাটাও কবিতাত আমাৰ সাম্প্ৰতিক সময়ৰ জনজীৱনৰ ক্ৰোধ আৰু ক্ষোভৰ ছবিখন প্ৰকাশ পাইছে। কবি বৰাৰ উক্ত সংকলনত অন্তৰ্ভূক্ত কেইবাটাও কবিতাত জাতিটোৰ জীৱনধাৰাৰ গভীৰ স্পন্দন স্পন্দিত হৈছে। ইতিহাস চেতনা জিলিকি থকা বৰাৰ বহু কবিতাত প্ৰতিফলিত হৈছে সময়ৰ সতৰ্ক বাণী। মানুহৰ লগত আপোন সত্বৰ সম্ভেদ বিচাৰি গভীৰ জীৱন বীক্ষাৰে কেইটামান ভাল কবিতা উক্ত দশকটোত ৰচনা কৰিলে কবি মহেন্দ্ৰ বৰাই। এনে ধৰণৰকবিতা "জৰাসন্ধ," 'প্ৰহৰী', "এটা দুৰ্গৰ স্মৃতি," "বৰফ" আৰু "নিৰুদ্দেশ"ত প্ৰতিফলিত হৈছে জীৱনৰ বিচিত্ৰ ৰূপ।

কেশৱ মহন্ত আধুনিক অসমীয়া কাব্য সাহিত্যৰ এগৰাকী যশস্বী প্ৰবীণ কৱি। কবি মহন্ত সমাজ চেতনাৰ কবি। এইগৰাকী কবিৰ সমগ্ৰ কাব্য জীৱনৰ পৰিক্ৰমাত পৰিস্ফুট হৈ প্ৰকাশ পাই আহিছে গণ-জীৱনৰ দুখ যন্ত্ৰণা, সামাজিক বৈষম্যৰ বিৰুদ্ধে থকা প্ৰতিবাদৰ ভাষা আৰু লোক সংস্কৃতিৰ প্ৰতি থকা গভীৰ আস্থাৰ আপোন সুৰ। ১৯৮৫ ত প্ৰকাশিত কেশৱ মহন্তৰ "তোমাৰ তেজ"ত অন্তভূক্ত কবিতাসমূহৰ ব্যঞ্জনাত প্ৰকাশ পাইছে সাম্প্ৰতিক সময়ৰ নিষ্ঠুৰতা আৰু জীৱনৰ মূল্যবোধৰ মূল্যাংকন। "তোমাৰ তেজ" আধুনিক অসমীয়া কাব্য সাহিত্য তথা বিগত দশক-টোৰ এক উল্লেখযোগ্য কাব্য সংযোজন।

আন এগৰাকী সমাজ চেতনাৰ প্ৰবীন কবি আৰু কাব্য সমালোচক নলিনীধৰ ভট্টাচাৰ্যই বিগত দশকটোত গভীৰ জীৱনবোধৰ আকাংক্ষা আৰু সামা-জিক জীৱনধাৰাত বিক্ষিপ্ত জীৱনৰ বহু বিচিত্ৰ ৰূপ আৰু বৈশিষ্ট্যৰে কেইবাটাও কবিতা ৰচনা কৰিলে।

বিগত দশকটোত বীৰেশ্বৰ বৰুৱাৰ "শামুক ছাই আৰু নক্ষত্ৰ" আৰু "নিৰ্বাচিত কবিতা", ৰাম গগৈৰ "হে পৃথিবী অন্তৰতমা", নিত্যা দত্তৰ "পাৰ্ক চাৰ্কাছৰ সন্ধিয়া", দিনেশ গোস্বামীৰ "স্তব্ধতাৰ কণ্ঠস্বৰ", ৰবীন্দ্ৰ বৰাৰ "নিৰ্বাসিত সময়", ৰবীন্দ্ৰ চৰকাৰৰ "কালান্তৰৰ কবিতা" আৰু "শান্তি কল্যাণ কবিতা", অৱনী চক্ৰ-ৱতীৰ "কবিকণ্ঠ', আব্দুল হালিমৰ "চেনিৰাম বায়নৰ "বিশ্বৰূপ দৰ্শন'। ৰফিকুল হুছেইনৰ "শৰবিদ্ধ আকাশ" সনন্ত তাঁতীৰ "উজ্বল নক্ষত্ৰৰ সন্ধানত" সমীৰ তাঁতীৰ "যুদ্ধভূমিৰ কবিতা" আদি প্ৰায় কেইগৰাকী প্ৰবীণ আৰু পৰিচিত কবিৰ কাব্য সংকলনসমূহে আধুনিক অসমীয়া কাব্য ধাৰাৰ বিগত দশকটোক অধিক সমৃদ্ধ কৰি তুলিছে। নীলমণি ফুকন, হীৰেণ ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ, হীৰেন্দ্ৰ নাথ দত্ত, নীলিমা দত্ত, বীৰেণ বৰগোহাঞি, লক্ষহীৰা দাস, আনিছ উজ জামান, ৰোহিনী কুমাৰ পাঠক, সুভাষ সাহা আদি কবিসকলে স্বকীয় ভাষা আৰু ৰচনা শৈলীৰে বিগত দশকটোত ভালেমান নতুন কবিতা ৰচনা কৰিলে। সেইবোৰ কবিতাৰ বুকুত সজীৱ হৈ আছে আমাৰ কবিতাৰ উত্তৰণৰ স্বাক্ষৰ।

বিগত দশকটোৰ আধুনিক অসমীয়া কবিতাৰ ৰূপ আৰু বৈশিষ্ট্যৰ কথা আলোচনা কৰোঁতে আমি প্ৰবীণ আৰু প্ৰতিষ্ঠিত কবিসকলৰ কাব্য চিন্তাৰ কথা বিশ্লেষণ নকৰিলেও উল্লেখ কৰিব লাগিব যে অনেক তৰুণে অসমীয়া কবিতা জগতত প্ৰবেশ কৰিলেও প্ৰবীণ আৰু প্ৰতিষ্ঠিত কবিসকলৰ কাব্য চৰ্চ্চাইহে কবিতাৰ নতুন ফছলৰ বাবে পলসুৱা কৰিছে কবিতাৰ পথাৰখনক।

তৰুণসকলৰ কেইবাগৰাকীৰ প্ৰথম পদক্ষেপতে আমি উমান পাইছো উজ্বল সম্ভাৱনাৰ গভীৰ প্ৰতি-শ্ৰুতি। তেওঁলোকৰ কবিতাৰ মাজত শুনিছোঁ সকলো মানুহৰ প্ৰতিদিনৰ স্পন্দমান্য জীৱনৰ বহু বিচিত্ৰ জীৱনৰ ৰূপৰ প্ৰাণ স্পন্দন। বিগত দশকটোত যি কেইগৰাকী তৰুণে কবিতাক জীৱনবীক্ষা হিচাপে গ্ৰহণ কৰি কলাত্মম ৰূপলৈ উন্নীত কৰাৰ সাধনাৰে অনুশীলন কৰিছে তেওঁলোকে যেন বিচাৰিছে কবিতাৰ ভাষাত জীৱন ব্যঞ্জিত হয়।

ৰাজিব ফুকন বিগত দৰ্শকটোত আত্মপ্ৰকাশ কৰা এগৰাকী তৰুণ কবি। এওঁৰ কবিতাত সাম্প্ৰতিক সময়ৰ জীৱনৰ দুৰ্বিসহ বেদনা প্ৰকাশ পাইছে কবিগৰাকীয়ে প্ৰয়োগ কৰা প্ৰতীকী ভাষাৰ বুকুত। সামাজিক চেতনাবোধ ফুকনৰ কবিতা এক আকৰ্ষণীয় সম্পদ। তেওঁৰ "বাজি আছে গৰখীয়া বাঁহী" একমাত্ৰ ব্যক্তিগত কবিতাৰ সংকলন। তৰুণ কবি ফুকনে সাম্প্ৰতিক সময়ৰ বুকুত মানবীয় মূল্যবোধৰ কথা এনেকৈ কৈছে—

"কোটৰৰ ঘোলা দুচকুৰে

ৰুটি নেদেখিলেও মিচাইল দেখিব।" (চিত্ৰপট)

বীৰেণ গগৈ, শৰৎ বৰকটকী, অজিত গগৈৰ কবিতাতো অসমীয়া কবিতাৰ সমাজ চেতনাৰ বলিষ্ঠ সুৰটো শুনা যায়! বীৰেণ গগৈৰ "মাটি আৰু মানুহৰ প্ৰেমত" সৰু কবিতা পুথিখনৰ কবিতা সমূহত প্ৰকাশ পাইছে সমাজ জীৱনৰ পৰা বুটলি লোৱা চিনাকি কল্পচিত্ৰ আৰু সৰল জীৱনৰ সহজ ভাষা। বীৰেণ গগৈয়ে কৈছে "মাটি আৰু মানুহৰ চেতনাত / ক্ৰমশঃ গা কৰি উঠে / আকাংক্ষিত দিনৰ পাণ্ডুলিপি" (দুখৰ দিনৰ কবিতা) শৰৎ বৰকটকী এগৰাকী বিপ্লবী-মনৰ সাম্প্ৰতিক সময়ৰ কবি। তেওঁৰ কবিতা সূক্ষ্ম ব্যঞ্জনা আনুভূতিক চেতনা আৰু প্ৰতীকী ভাষাৰে সমৃদ্ধ। তেওঁ কৈছে "শ্মশানৰ পৰা কোনে মোক / আনি দিব দধীচিৰ হাড় চৌদিশে মোৰ বাঁহ ফুলা গাওঁ।" বৰকটকীৰ "পৰাণ নিগৰে" কাব্য সংকলনখনৰ কবিতাসমূহৰ মাজত এগৰাকী মানৱতাবাদী কবিৰ পৰিচয় পোৱা যায়। বৰকটকীয়ে আধুনিক জীৱন যন্ত্ৰনা প্ৰকাশৰ বাবে লোক কলা কৃষ্টিৰ কাম চাপিছে।

ৰাজীৱ বৰুৱা তৰুণ কবিসকলৰ এগৰাকী অত্যন্ত সংবেদনশীল মনৰ কবি। বিশেষকৈ বিগত দশকটোৰ শেষৰ ফালে প্ৰকাশিত তেওঁৰ প্ৰায়বোৰ কবিতাৰ সু-নিৰ্বাচিত শব্দ চয়ন, সূক্ষ্ম ব্যঞ্জনা; বৰ্ণাঢ্যতা আৰু প্ৰতীকী ভাষাৰ আকৰ্ষণীয়তা উল্লেখনীয়। শব্দ প্ৰয়োগ আৰু শব্দ সংযোজন অভিনৱত্বও মন কৰিবলগীয়া।

বিপুলজ্যোতি শইকীয়া আন এগৰাকী তৰুণ প্ৰতিভাশালী কবি। এই গৰাকী তৰুণৰ কবিতাত সামাজিক দায়িত্ববোধ সুন্দৰ ভাবে প্ৰকাশ পাইছে। বুদ্ধিদীপ্ত মনৰ জীৱনবোধৰ গভীৰ উপলব্ধি তেওঁৰ প্ৰায়বোৰ কবিতাতে বিক্ষিপ্ত হৈ আছে।

বিদ্যুৎ বিকাশ ভূঞা আন এগৰাকী প্ৰতিশ্ৰুতি-সম্পন্ন তৰুণ কবি। এখেতৰ "ঋতুৰে ঋতুৰে প্ৰসাৰিত" এখন সুখপাঠ্য কবিতাৰ সংকলন।

বিগত দশকটোত আত্মপ্ৰকাশ কৰা আন দুগৰাকী প্ৰতিভাবান তৰুণ কবি নীলিম কুমাৰ আৰু অনুভৱ তুলসীৰ কবিতাৰ মনোৰম কল্পচিত্ৰ; মিতভাষিতা, সূক্ষ্ম ব্যঞ্জনা আৰু অনুভূতিৰ চমকপ্ৰদ সৃষ্টি দুয়োগৰাকী কবিৰ আকৰ্ষণীয় সম্পদ। মানুহৰ মৌল চেতনা প্ৰেম দুয়োগৰাকীয়ে কবিতাত প্ৰতিপাদ্য। তেওঁলোকৰ কবিতাত প্ৰকাশ পাইছে সাম্প্ৰতি সমাজ জীৱনত প্ৰেম অন্তঃ সাৰ শূণ্য।

একেদৰে ভূপেন দাস, লুটফা হানুম ছেলিমা বেগম, ৰীতা চৌধুৰী আৰু কেইবাগৰাকী তৰুণে চমকপ্ৰদ কল্পচিত্ৰ, ৰসঘন অনুভূতিৰে কবিতা সৃষ্টি কৰি কবিতাৰ বক্তব্যক ঘোলা কৰি পেলাইছে; যাৰ বাবে এই সকলৰ কবিতা মাজে মাজে আমনিদায়ক হৈ পৰাৰ উপৰিও সকলোবোৰ কবিতা বহুতো মনোৰম কল্পচিত্ৰৰ মাজত আৱদ্ধ খেলিমেলি ভাবোচ্ছাস যেন অনুভৱ হয়।

আমি উল্লেখ কৰিব খোঁজো যে 'ৰামধেনু'ৰ পৰৱৰ্তী কালছোৱাত বিশেষকৈ সত্তৰ দশকত আধুনিক অসমীয়া কবিতাৰ জগতত উত্তৰণৰ পথত সমাজ চেতনা আৰু সাম্প্ৰতিক জীৱনৰ মূল্যবোধৰ যি উচ্চমানৰ কবিতা সৃষ্টিৰে নতুন গতি আনিছিল সেইখিনি বহু পৰিমানে বিগত দশকটোত স্তিমিত হৈ পৰা বুলি অনুভৱ কৰা গৈছে আনহাতে বিগত দশকটোত সৰহ সংখ্যক তৰুণ কবিয়ে কবিতা সৃষ্টিৰ ক্ষেত্ৰত ৰমন্যাসিকতাৰ বুকুত বুৰ গৈ পাহৰি পেলাইছে বাস্তৱ জীৱনৰ গভীৰ প্ৰত্যয়ৰ কথা। তেওঁলোকে যেন উভতি যোৱাৰ বাটত আগবাঢ়িবলৈ ওলাইছে।

দিলীপ তালুকদাৰ, ৰমেন্দ্ৰ নাৰায়ণ জোৱাৰ্দ্দাৰ, ভুবনেশ্বৰ কটকী, শচীন দাস, অজিত গগৈ, ঢেনীৰাম গগৈ, মনোজিৎ সিং, কালামুদ্দিন আহমেদ, প্ৰণতি বৰুৱা, অৰ্চনা পূজাৰী, ৰাজু বৰুৱা, হেমচন্দ্ৰ দলে, ধ্ৰুৱকুমাৰ তালুকদাৰ, ঈশ্বৰ প্ৰসন্ন বুঢ়াগোহাঞি, মিহিৰ দেউৰী আৰু বহুতেই বিগত দশকটোত অসমীয়া কাব্যজগতত প্ৰবেশ কৰিছে আৰু তেওঁলোকৰ কাব্য সৃষ্টি ও কবিতা আৰু জীৱন একেলগে ব্যঞ্জিত হব বুলি আশা কৰিছোঁ। ●

মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য!
ভঙা কলিজাত কোনে বিনাই,
কবিতা মোৰ দুখৰ ঋতুৰ এপাহ থৰিকা জাই।

—হীৰেণ ভট্টাচাৰ্য্য

# ঃ যতীন্দ্ৰনাথ দুৱৰাৰ

## কবিতাত এভুমুকি

"সাহিত্য চৰ্চা মোৰ আজন্ম সাধনা" বুলি কোৱা সেই ব্যক্তিজনেই আছিল ৰোমাণ্টিক যুগৰ আগশাৰীৰ কবি যতীন্দ্ৰ নাথ দুৱৰা। আজীৱন সাহিত্যৰ সাধক ৰূপে, কবি ৰূপে আমি দেখা পাওঁ যতীন্দ্ৰ নাথ দুৱৰাক।

হৃদয়ৰ দাবীতেই হওক বা জন্মগত প্ৰতিভাৰ হেতুকেই হওক যতীন্দ্ৰনাথ দুৱৰাৰ প্ৰতিভাই বিকাশ লাভ কৰে কাব্যৰ জৰিয়তে। শিৱসাগৰৰ দিখৌমুখীয়া দুৱৰা পৰিয়ালত জন্ম গ্ৰহণ কৰা দুৱৰা ডাঙৰীয়াই হাইস্কুলীয়া শিক্ষাৰ পাতনি মেলিছিল শিৱসাগৰ চৰকাৰী স্কুলত। কিন্তু দুখৰ বিষয় তেখেতে শিক্ষা গ্ৰহণ কৰিব লগা হৈছিল বঙালী ভাষাৰ যোগেদিহে। কোমল মতীয়া দুৱৰাদেৱে মাতৃ-ভাষাৰ আলৈ-আথানিৰ বাবে সেই সময়তে তেখেতৰ অন্তৰৰ হাহাঁকাৰ ধ্বনি শুনিবলৈ পাইছিল।

শিক্ষা জীৱনৰ বাকী ছোৱা অতিবাহিত কৰে কলিকতাত। যতীন্দ্ৰ নাথ দুৱৰা আছিল স্বভাৱতে লাজকুৰীয়া, মিঠামুখীয়া, সহজ-সৰল স্বভাৱৰ। জীৱনত কাকো এবাৰ টান মাত দিব নোৱাৰা দুৱৰা দেৱৰ কোমল মৰম আকলুৱা অন্তৰখনে সদায় বিচাৰি ফুৰিছিল সহৃদয় জনৰ মৰম। তদুপৰি তেখেতে সময়ৰ প্ৰতিটো ক্ষণৰ গুৰুত্ব উপলব্ধি কৰিছিল। পৰিস্কাৰ-পৰিচন্নতা দুৱৰা দেৱৰ জীৱনৰ অংগ স্বৰূপ আছিল। কলিকতীয়া অকণমানি ঘৰটি তেখেতে সদায় খুব সযতনে পৰিস্কাৰ কৰি ৰাখিছিল। এই জন স্বভাৱ সুলভ ব্যক্তিয়েই আমাৰ সকলোৰে পৰিচিত বনফুলৰ কবি যতীন্দ্ৰনাথ দুৱৰা। দুৱৰাদেৱৰ কাব্য জীৱনৰ সফল স্বীকাৰোক্তি 'ওমৰ তীৰ্থ', 'আপোন সুৰ', 'মিলনৰ সুৰ', 'বনফুল' আৰু কথা কৱিতা। তেখেত স্বভাৱতে যেনেকৈ কোমলমনা তেখেতৰ কবিতাও তেনেদৰে কোমলতাৰ পৰশে আবৃত। বাক্যৰ সহজ গাঁঠনি আৰু কোমল শব্দৰ প্ৰয়োগে তেখেতৰ কাব্য সম্ভাৰ পূৰ্ণ।

ৰোমাণ্টিক কমনীয়তাৰে ভৰা কবি জনাক পাশ্চাত্য সাহিত্যই প্ৰভাৱান্বিত কৰিছিল। তেখেতৰ জীৱনৰ প্ৰথম কবিতাটিও আছিল ইংৰাজী কবিতা— "Twinkil Twinkil little star" নামৰ কবিতাটিৰ অসমীয়া ৰূপ— "চিকিমিকি চিকিমিকি সৰু তৰাটি।" এইয়াই আৰম্ভণি। ইয়াৰ পাছতে নিছিগা ধাৰে অসমীয়া কাব্য কাননত দুৱৰাৰ ৰাজত্ব। দুৱৰাৰ কবিতাৰ সুৰৰ লহৰীয়ে আমাক দিলে এক অনুপম সৃষ্টিৰ সন্ধান। কবিতাই জীৱন— কবিতাতেই দুৱৰাদেৱক বিচাৰি পোৱা যায়।

—অনুৰূপা গোস্বামী
স্নাতক ২য় বৰ্ষ (কলা)

দুৱৰাদেৱক আলফুলীয়া কবি বুলিও কব পৰা যায়। কিয়নো তেখেতৰ কবিতাত শব্দৰ প্ৰচণ্ডতা বা তীব্ৰ উদ্দাম ভাব দেখা নাযায়। নিজৰাৰ কুলু কুলু শব্দৰ দৰে দুৱৰাৰ কবিতাৰ গতি। সৌন্দৰ্য্য সাধনাই তেখেতৰ জীৱনৰ উদ্দেশ্য। মানুহৰ মাজৰ পৰা সততে আঁতৰি থাকিবলৈ বিচৰা দুৱৰা ডাঙৰীয়াৰ আশ্ৰয় স্থল পাহৰণি নদীৰ কাষৰ নিজান নিৰলা। আনৰ চকুৰ আগৰ পৰা সততে আঁতৰি থাকিবলৈ বিচৰা দুৱৰা কবিৰ কবিতাত জোন, বেলি, তৰাৰ প্ৰাধান্যই বেছি। তদুপৰি দুৱৰা ডাঙৰীয়াই নিজকে বাটৰ কাষৰ বনৰীয়া ফুলৰ লগতহে তুলনা কৰিছে। তেখেতৰ এটি কবিতাত লিখিছে এইদৰে—

কোনোৱে দূৰতে চাই কোনোৱেবা ছুই যায়
চেনেহ কণিকা বুলি কৰোঁ তাকে ভুল
সপোন আঁতৰি গ'লে দিঠকে জনাই দিয়ে
বাটৰ কাষৰ মই বননিৰ ফুল।"

দুৱৰাদেৱৰ কবিতা বিলাকত আত্ম প্ৰকাশ ঘটা দেখিবলৈ পোৱা যায়। এইখিনিতে উল্লেখ কৰিব পাৰি গীতি কবিতা তেখেতৰ জীৱনৰ সফল স্বীকাৰোক্তি। দুৱৰাদেৱৰ কবিতা পোৱা-নোপোৱাৰ বেদনাৰে ভৰপূৰ। জীৱনৰ বিয়লি বেলাত নিৰলে নিজান পঁজাত বহি চিন্তা কৰিছে জীৱনত কি কৰিলে— কি পালে— কি নাপালে। তেখেতৰ জীৱনটো ভাব আৰু ঘটনাৰ সমষ্টি বুলি কলেও বঢ়াই কোৱা নহয়। কবি গৰাকীয়ে জীৱনৰ বিয়লি বেলালৈকে অনুভৱ কৰি গ'ল তেওঁ অকলশৰীয়া। বুকুত এবোজা শূণ্যতাৰ ভাৰ বহন কৰি অনা দুৱৰাদেৱৰ অন্তৰৰ আঁৰৰ ভাব ৰাশি সদায়েই এটি সাঁথৰ হৈয়ে থাকি গ'ল।

আজীৱন সৌন্দৰ্য্য সাধনাই দুৱৰা কবিৰ জীৱনৰ জীৱনৰ লক্ষ্য। কাব্য চৰ্চাত তেওঁনো কিয় নিজকে ইমানকৈ বিলাই দিছিল (?)। তাৰ অন্তৰালত নিশ্চয় ব্যক্তিগত জীৱনৰ কিবা ঘাত-প্ৰতিঘাত আছিল। এই দিশলৈ লক্ষ্য কৰিলে দেখা যায় যে তেখেতে যেতিয়া শিক্ষা গ্ৰহণৰ বাবে ওলাই আহিছিল তেতিয়া শিক্ষা গ্ৰহণ কৰিব লগা হৈছিল বঙালী ভাষাৰ যোগেদি। বঙালী ভাষাৰে শিক্ষা গ্ৰহণ কৰিব লগা বাবে দুৱৰাদেৱৰ অন্তৰে মাতৃ-ভাষাৰ আলৈ-আথানিৰ কথা ভাবি কান্দি উঠিছিল। দ্বিতীয়তে তেখেতে মাতৃসমা দুগৰাকী বৌৱেকক অভাৱনীয় ভাবে হেৰুৱাব লগা হৈছিল। দুজনকৈ ককায়েকে জীৱনৰ মাজ ভাগতে বিদায় লৈছিল এই সংসাৰৰ পৰা। তদুপৰি তেখেতৰ জীৱনৰ কোনোবা খিনিত প্ৰেমৰ সংঘাত ঘটিছিল যেন অনুমান হয়। কিন্তু এই বিষয়ে দুৱৰাদেৱ নীৰব। কেৱল মাত্ৰ কোনোবাই প্ৰশ্ন কৰিলে কৈছিল— "জীৱনত যদি কাৰোবাক ভাল পাই ছিলো সেৱা আছিল কাব্যদেৱী"। কিন্তু কেতিয়াবা এই কাব্যদেৱীক দুৱৰাৰ প্ৰেমিকাৰ ছন্দৰূপ যেনহে লাগে। দুৱৰাদেৱৰ আলসুৱা মনে ইমান বিলাক সংঘাত অকলে সহ্য কৰিব নোৱাৰা বাবে আশ্ৰয় ল'লে কাব্য কাননত। মনৰ দুখ-বেদনা বিলাই দিছিল কবিতাৰ মাধ্যমেৰে। আলসুৱা মনটোৱে ইয়াতেই অকণমান শান্তি পাইছিল। দুৱৰাদেৱে জীৱনটোত বহু কবিতাই লিখিছিল। কিন্তু তাৰে কিছুমানৰ পাঠক তেওঁ নিজেহে আছিল। কিছুমান কবিতা প্ৰকাশৰ মুখ দেখাৰ আগতেই নষ্ট কৰি পেলাইছিল। কেইবাটাও কাৰণৰ হেতুকে কাব্য কুঁৱৰীয়ে দুৱৰাদেৱৰ কাব্যমঞ্চত থিতাপি লৈছিল যদিও কাব্য প্ৰেৰণাৰ উৎস বিশ্লেষণ কৰিলে তেখেতৰ অন্তৰালত থকা সৌন্দৰ্য্য প্ৰীতিৰ প্ৰকট ৰূপটো দেখা যায়। এই সৌন্দৰ্য্যৰ প্ৰতীক প্ৰেম। এই প্ৰেমেই অনিন্দ্য সুন্দৰ ৰূপে কবিতাত ঠাই পালে। ইয়াৰ ফলস্বৰূপেই আমি পাওঁ আপোন সুৰ, মিলনৰ সুৰ, বনফুলৰ দৰে অনুপম কাব্য। আপোন সুৰ কবিতা পুথিখনে তেখেতৰ ব্যক্তিগত জীৱনৰ বহু কথাকেই বহন কৰি আনিছে। দুৱৰাদেৱৰ কবিতা সম্পৰ্কত মহেন্দ্ৰ বৰাদেৱে কৈছিল— "ভাৱৰ ঐশ্বৰ্য্যৰে নহয়, উপমাৰ বৈচিত্ৰৰে নহয়, অকল সুৰৰ মাধুৰীৰে এমুঠি অমৰ কবিতা সৃষ্টি কৰি যোৱা দুৱৰা অন্যতম কবি।"

দুৱৰা ডাঙৰীয়াই কাব্য জীৱন আৰম্ভ কৰিছিল অনুবাদ কবিতাৰ জৰিয়তে,। 'ওমৰ তীৰ্থ', কথা-কবিতা আৰু 'মিলনৰ সুৰ'— এই তিনিখন পুথিয়েই ইয়াৰ স্বাক্ষৰ বহন কৰি আনিছে। তেখেতৰ জীৱনৰ প্ৰথম প্ৰকাশিত কবিতা পুথি 'ওমৰ তীৰ্থ'। পাৰস্যৰ কবি ওমৰ খায়ামৰ ৰুবায়েতৰ অসমীয়া অনুবাদ ওমৰ তীৰ্থ। বিদেশী সাহিত্যিক অসমীয়া সাহিত্যলৈ আনিবৰ কাৰণে তেওঁ যিখিনি কথা কৈছিল সিও উল্লেখযোগ্য— "বিদেশী সাহিত্যিক অসমীয়া সাহিত্যৰ বৰঘৰলৈ সুমুৱাবলৈ হলে সেই বিলাক যিমান দূৰ

সন্তুৰ হাড়ে হিমজুৱে অসমীয়া কৰিবলৈ চেষ্টা কৰা উচিত। জ্ঞানৰ জাত বিচাৰ নাই। ই সকলো ঠাইতে সমানে চলা-ফিৰা কৰিব পাৰে, দেশ অনুযায়ী সাজৰ সলনি হবই।" যিহেতু দুৰৰাৰ কবিতাই ইংৰাজী কাব্য-কাননৰ ছেলিৰ পৰা আৰম্ভ কৰি বিখ্যাত ওমৰৰ ভাব-আদৰ্শলৈকে ডুবি আছে, সেয়ে এই বিদেশী কবিতা অনুবাদ সম্পৰ্কে তেখেতে এষাৰ কথা কৈছে—"বাহিৰৰ জগতৰ চিন্তাক আমাৰ কবিতাত ঠাই দিয়াত আমাৰ কোনো আপত্তি নাই। কাৰণ সেইটো যদি পাপ হয় সেই পাপত মহো বৰ বেছিকৈ পাপী হ'ব লাগিব। বনগীতৰ পৰা ছেলিলৈকে, ওমৰ খায়ামৰ পৰা জাৰ্মান কবি হাইনেলৈকে সকলোৰে ফুলনিত মই বিচৰণ কৰিছোঁ। কিন্তু যদি ক'ৰবাত এটি তলসৰা ফুল পাইছোঁ, তাক মোৰ প্ৰাণেৰে ৰহনাই তুলিবৰ বাবে যত্ন কৰিছোঁ।" ওমৰ তীৰ্থ পুথিখন ৰহস্যৰে আবৃত। মানুহ ক'ৰ পৰা আহিছে, ক'লৈ যাব ইত্যাদি কথাবোৰৰ ৰহস্যৰে ওমৰ তীৰ্থ ভৰপূৰ। ওমৰৰ মতে বৰ্তমানেই সকলো। সেয়ে বৰ্তমানৰ ওপৰত অধিক গুৰুত্ব দিছে—

"অতীত ভবিষ্য ভাবিলে কি হ'ব—
ভাবিলে ভাবনা বাঢ়িহে যায়।"

'ওমৰ তীৰ্থ' অনুবাদ পুথি হলেও দুৰৰা ডাঙৰীয়াই পুথিখনত দেশীয় সাৰ পানীৰ গোন্ধ দিব পাৰিছে। সেয়েহে পুথিখন অনুবাদ যেন নেলাগে। দুৰৰাদেৱে ওমৰৰ কৰাই এটাত দেশীয় গোন্ধ দিছে এইদৰে—

"চাৰিকাষে মাথো দেখো থাপে থাপে
মাটিৰ পাত্ৰ সজোৱা ভাত।"

গতিকে দেখা যায় 'ওমৰ তীৰ্থ' পুথিখন দুৰৰাই দেশীয় ভাব-ভাষাৰে প্ৰাণস্পৰ্শী কৰি তুলিছে। কাব্যখনৰ প্ৰত্যেক ক্ষেত্ৰতে দুৰৰাদেৱৰ ব্যক্তি সচেতনতা প্ৰকাশ পাইছে। 'ওমৰ তীৰ্থ' কাব্য পুথিখন দুৰৰাদেৱৰ কাব্য জীৱনৰ মাইলৰ খুটি বুলি কোৱা হয়।

যতীন্দ্ৰনাথ দুৰৰাদেৱৰ আন এখন কবিতা পুথি 'আপোন সুৰ'। পুথিখনত প্ৰতিফলিত হৈছে দুৰৰাদেৱৰ জীৱনৰ সুৰ। পোৱা-নোপোৱা, আশা নিৰাশাৰ বেদনাৰে ধ্বনিত হৈ উঠিছে 'আপোন সুৰ'ৰ কবিতা কুঞ্জ। যদিও কবিতাবিলাক দুৰৰাদেৱৰ নিজৰ জীৱনৰে সুৰ তথাপি সেই সুৰে, সেই কবিতাই সমস্ত সহৃদয় পাঠক সমাজৰ ভাব জগতকে আকোঁৱালি লব পাৰিছে। আপোন সুৰৰ আটাইবিলাক কবিতাই ভাব ব্যঞ্জনাৰে ভৰপূৰ। ইয়াৰ কবিতা পুঞ্জই দুৰৰা ডাঙৰীয়াৰ প্ৰতিচ্ছবি দাঙি ধৰিছে। 'শূণ্য পৰিচয়', 'অতীতক যোৱাহে পাহৰি', 'অতীতক নাযাবা পাহৰি', 'আজি মোক যোৱাহে পাহৰি, আদি কবিতাত দুৰৰা ডাঙৰীয়াৰ ব্যক্তি সত্বা ফুটি উঠিছে। এই আটাইকেইটা কবিতাই দুৰৰা ডাঙৰীয়াৰ জীৱনৰ একোখন সজীৱ স্মৃতি বহন কৰি আনিছে। নিসঙ্গতা প্ৰিয় কবি জনাই যিফালেই চাই তাতেই দেখা পাই নিৰাশাৰ কুটিল হাঁহি। প্ৰেম বিচাৰি হাবাথুৰি খোৱা কবিক যেন সকলোৱে তাচ্ছিল্য কৰে কবিৰ মনত তেনে এটি ভাব হয়। ইয়াৰ সুন্দৰ প্ৰকাশ ঘটিছে আপোন সুৰত ঠাই পোৱা কবিতাৰ মাজেৰে। কবিৰ 'নাৰৱীয়া' কবিতা কেইটিত বিফল প্ৰেম প্ৰকাশ পাইছে যদিও তাৰ মাজেদি প্ৰকাশ পাইছে কবিৰ ব্যক্তিগত অভিমান। এইটো ঠিক যে 'হেকৰা সপোন' আৰু 'সুখৰ সপোন, এই দুয়োটা কবিতাই দুৰৰাদেৱৰ বিফল প্ৰেমৰ ইংগিত দিয়ে। কবি দুৰৰাদেৱ আপোন বিভোৰ। সেয়েহে তেখেতে নিজেই গাই নিজেই শুনে। সংসাৰৰ জ্বালা যন্ত্ৰনাই হেঁচি ৰখা কবিৰ অন্তৰৰ বিষাদ অনুভূতিৰ গৰাকী কেৱল নিজেহে। তেখেতে প্ৰতি পলে পলে অনুভৱ কৰিছে। সমাজৰ পৰা যি বিচাৰিছিল একোৱেই নাপালে। পালে মাথো অনাদৰ-অৱহেলা। সেয়েহে কাব্যৰ ৰূপ দিলে শূণ্য পৰিচয়ত এইদৰে—

"অনাদৰ অৱহেলা
সকলো গোটাই লৈ
বচোঁ মই কুসুম কানন
এয়ে মোৰ কপালৰ
বিধিৰ নিঠুৰ লেখা
এয়ে মোৰ জীৱনৰ কাঁইটীয়া বন।"

সেয়েহে মৰমৰ ফুলনি ৰচিলে মানুহৰ সমাজৰ পৰা পোৱা অৱহেলাকলৈ। গতিকে দেখা যায় আপোন সুৰ দুৰৰাদেৱৰ ব্যক্তিগত জীৱনৰ বিননিহে। 'গভীৰ হৃদয়ানুভূতি আৰু আশাই মানুহক জীয়াই ৰাখে। আশা যেতিয়া পূৰণ নহয়, হৃদয়ানুভূতি ভাগি থান-বান হয় তেতিয়া জীয়াই থকাটোৱেই অসহনীয় হৈ উঠে।' দুৰৰাদেৱৰ ক্ষেত্ৰতো সেয়ে হ'ল। সেয়েহে এনে অৱস্থাত জীয়াই থকাৰ সম্বল হিচাপে আঁকোৱালি ললে কবিতাক, ঠাই দিলে আপোন সুৰত।

'আপোন সুৰ'ৰ দৰে আন এখন সাৰ্থক কবিতা পুথি 'বনফুল'। বৰ্তমান দুৰৰাদেৱৰ পৰিচয় এই কাব্যখনৰ জৰিয়তে। বনফুলৰ কবি বুলিলে সাহিত্য জগতে চিনি পাই দুৰৰাদেৱক। দুৰৰাদেৱক ব্যক্তিগত ভাৱে নিৰাশাবাদী যেন লাগিলেও বা সমাজৰ পৰা আঁতৰি থাকিবলৈ বিচৰা এটি দুৰ্বোধ্য চৰিত্ৰ যেন লাগিলেও কিন্তু বনফুলৰ শেষৰ ফালে আশাৰ গানহে গাইছে— 'আশা', 'সোনৰ সৰগ', 'সমাপন' আদি কবিতাৰ জৰিয়তে—

"মোৰ চিৰ জনমৰ চিৰ চেনেহৰ
সত পূৰণ আশা
হয়তো কাৰোবাৰ মধু পৰশত
পাব কেতিয়াবা ভাষা।" (আশা)

সেইদৰে সোনৰ সৰগ কবিতাত লিখিছে —

"এই ধৰণীৰ প্ৰতি ধূলিকণে
মোৰ সৰগ গঢ়ে।
মৰণ বিজয়ী প্ৰেমৰ সুৰত
অমৃত উঠলি পৰে।"

আগতেই উল্লেখ কৰি অহা হৈছে যে কবি কল্পনাই স্বৰ্গৰ জোন, বেলি, তৰাকেই অধিক সজল ৰূপে দেখা পাই আহিছে। গতিকে নিৰাশাবাদী কবিজনাৰ মুখত হাঁহিৰ মুকুতা যাচিছে আকাশৰ জোনবায়ে। জোনবায়ে যেন ডাৱৰৰ মাজৰ পৰা কবিক কৈছে— "মেলি দিম ৰূপৰ পোহাৰ।"

দুৰৰাদেৱৰ আন এখন কবিতা পুথি মিলনৰ সুৰ। এইখন কাব্য সম্পূৰ্ণ ভাৱে চুফীবাদৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা। মিলনৰ সুৰ পুথিখনৰ প্ৰধান বিষয় বস্তু হৈছে চুফীতত্ব, চুফী ৰহস্যবাদ আৰু অতীন্দ্ৰিয়বাদ। এইখন কাব্য পুথিয়ে ও বিৰহীজনৰ মনোবেদনাকে প্ৰকাশ কৰিছে। কবিয়েও প্ৰিয়জনক কাষত লৈ সোণৰ সংসাৰৰ গোপন কল্পনা এটি কৰিছিল। কিন্তু কবিৰ সেই আশা পূৰণ নহ'ল, তাকে প্ৰকাশ পালে কবিতা আকাৰে—

"সপোনত দেখা মুকুতা ৰাশিক
দিঠকত জানো কোনোৱে পায়।"

প্ৰিয়জনৰ লগত মিলনে কবিৰ জীৱনলৈ নতুন পোহৰ কঢ়িয়াই আনিলে হেঁতেন। কিন্তু কবিৰ সেই আশা পূৰণ নহ'ল।

অসমীয়া সাহিত্যলৈ এক অনন্য সংযোজনে দুৰৰা দেৱক আমাৰ মাজত সদায় সজীৱ ৰূপত ধৰা দিয়াত সহায় কৰি আহিছে। এই সংযোজন হৈছে ৰুচ সাহিত্যৰ কথা কবিতা। দুৰৰাদেৱে বিদেশী সাহিত্যৰ গইনা লৈ একশ্ৰেণী লয়যুক্ত গদ্য লিখে আৰু ইয়াকেই কথা কবিতা বুলি জনা যায়। কথা কবিতা যদিও বিদেশী সাহিত্যৰ ছাঁ লৈ লিখা তথাপি তাক অনুবাদ যেন নালাগে। এপাহি বিদেশী ফুলক আত্মসাৎ কৰি দেশীয় সাৰ-পানী দি সজীৱ কৰি তোলে। কথা কবিতা বিলাকৰ মাজেৰে কবি দুৰৰাই আত্ম প্ৰকাশ কৰিছে। 'এজনী-বুঢ়ী', 'এপাহি গোলাপ', 'কুকুৰ', 'চহকী মানুহ' 'মগনিয়াৰ', আদি কথা কবিতাত আইভান টুৰ্গেনিভৰ **Poems in Prose** ৰ সম্পূৰ্ণ ছাঁ পৰিছে। টুৰ্গেনিভৰ উপৰিও দক্ষিণ আফ্ৰিকাৰ মহিলা সাহিত্যিক অলিভ শ্ৰীনাৰৰ (Clive Sehreiner) কবিতা পুথি (Dream) ৰো কিছু প্ৰভাৱ দুৰৰাদেৱৰ কথা কবিতাৰ ওপৰত পৰিছে বুলি অনুমান কৰা হয়। বিশেষকৈ 'এখন চিঠি', শিল্পী, 'এহালি পাৰ', 'মৰম ফুলনি' আদি কথা কবিতাৰ বিষয়ে এই ক্ষেত্ৰত উনুকিয়াব পাৰি। অৱশ্যে

দুৱৰাদেৱে অনুবাদৰ ক্ষেত্ৰত কেৱল মাত্ৰ ভাবটোহে গ্ৰহণ কৰিছে। 'শিল্পী' কথা-কবিতাটো দুৱৰাদেৱৰ কাব্য জীৱনৰ সফল স্বীকাৰোক্তি। এইটো কথা কবিতাৰ ওপৰত শ্ৰীনাবৰ প্ৰভাৱ সুস্পষ্ট। 'এহালি পাৰ' নামৰ কথা-কবিতাটোত পাৰ হালিৰ যুগ্ম জীৱনৰ লগত নিজৰ কাৰুণ্যৰ ভৰা উদাস অকল শৰীয়া জীৱনটো তুলনা কৰিছে। সেইদৰে ভিক্ষা, 'মগনিয়াৰ', আদি কথা-কবিতাৰ যোগেদি দৰিদ্ৰতাৰ জ্বলন্ত ছবিখন ফুটি উঠিছে।

কথা কবিতা-বিলাকত গদ্যৰ আকাৰে কাব্যময় ভাষাৰে দুৱৰাদেৱে বিভিন্ন-ধৰণৰ ভাবৰ প্ৰকাশ ঘটাইছে। কথা-কবিতা সম্পৰ্কে দুৱৰাদেৱৰ বিষয়ে যোগেশ দাসে কৈছে এইদৰে— "কথা-কবিতাতো তেওঁ ব্যক্তিগত ধ্যান-ধাৰণা অনুভূতিকে প্ৰকাশ কৰিছে, জীৱন, প্ৰেম, সৌন্দৰ্য্য আদিৰ বিষয়ে ব্যক্তি-গত যি উপলব্ধি তাকেই এই বিলাকত সৰল, কোমল ভাষাত লিপিবদ্ধ কৰি থৈছে।" কথা-কবিতাত সময় আৰু বিভিন্ন অৱস্থাৰ অনুভূতিৰ চিত্ৰৰ সমাবেশ ঘটিছে। ড' বাণীকান্ত কাকতিৰ ভাষাত— "ই তেখেতৰ কোমল বুকু-ভেদ কৰি ওলোৱা বালিৰ নিজৰাৰ দৰে।" কথা-কবিতা স্বকীয় বৈশিষ্ট্যৰে পূৰ্ণ। অমূৰ্তৰ মূৰ্ত চিত্ৰণ, সপোনক উপস্থাপনৰ মাধ্যম হিচাপে গ্ৰহণ কৰা ইত্যাদি কথাবোৰ কথা-কবিতাৰ মাজেৰে প্ৰকাশ পাইছে।

কবিতাৰ সমলেৰে ভৰপূৰ মিঠা-সহজ সৰল বাক্য গাঁঠনিৰে আটাইৰে মন জয় কৰিব পৰা দুৱৰাদেৱ মানসিক ভাবে খুব অকলশৰীয়া। অকল-শৰীয়া কবিজনাৰ পৰিচয় আমাৰ মাজত নিৰাশাবাদী কবি হিচাপে। কিন্তু এইটো ঠিক যে নিৰাশাবাদৰ মাজতে আশাবাদৰ ৰেঙনি দেখা যায়। যদিহে তেখেত প্ৰকৃততেই নিৰাশাবাদীয়েই হ'লহেতেন তেনে হয়তো আমি বনফুল, আপোন সুৰৰ দৰে অনুপম কাব্যপুথি নাপালোহেঁতেন। প্ৰকৃততেই নিৰাশাবাদী হোৱাহেঁতেন হাত-সাৱতি বহি থাকিয়ে তেখেতে জীৱনটো পাৰ কৰিলেহেঁতেন। কিন্তু তাকে নকৰি নিৰলে পজাত বহি নিজকে প্ৰতিষ্ঠা কৰি গ'ল অসমীয়া ৰোমাণ্টিক যুগৰ এজন সু-প্ৰতিষ্ঠিত সাহিত্যিক ৰূপে। অৱশ্যে তেখেত নিৰাশাবাদী নহলেও জীৱনৰ প্ৰতি খোজতে হতাশাই পিছ এৰা নাছিল। প্ৰিয়জনৰ পৰা পোৱা বেদনাৰ উপৰিও ভৰ বয়সতে নিজে দুৰ্ঘটনাত পতিত হৈ মুখৰ যি বিকৃত ৰূপ লাভ কৰিব লগা হ'ল সেই আটাইবোৰে তেখেতক সততে জুকলা কৰি পেলালে।

যি হওক এইজন কবিয়ে আমাৰ মাজত এতিয়াও পৰিচিত বনফুলৰ কবি ৰূপে, আলফুলীয়া কোমলমনা কবি ৰূপে— যতীন্দ্ৰনাথ দুৱৰা ৰূপে। ●

> ধৰা প্ৰিয়তম প্ৰাণৰ পিয়লা
> জীৱন মদিৰা ভৰাই দিয়া
> অতীত ভৱিষ্য শোক দুখ ভয়
> আজিৰ ভাৱনা উটাই নিয়া
>
> আজিয়েই দিয়া কালিলৈ কিয়
> কোনে জানে মোৰ কালি কি হ'ব?
> হাজাৰ হাজাৰ বছৰ বিয়পা
> হয়তো অতীতে সামৰি থব।
>
> — যতীন্দ্ৰনাথ দুৱৰা



# ঃ টাই সাহিত্যত সংস্কৃতি বিদ্যমান ঃ

জয়শ্ৰী বুঢ়াগোহাঁই
স্নাতক তৃতীয় বাৰ্ষিক ( কলা )

টাই সংস্কৃতি ঐতিহ্যপূৰ্ণ সংস্কৃতি। অসমীয়া সাহিত্যত ইতিহাসৰ পাতে পাতে সোনালী আখৰে লিখা এই বিশাল বুৰঞ্জীখনেই টাই সংস্কৃতিৰ শিখা স্বৰূপ। ১২২৮ চনত অসমৰ বুকুতেই পূৰঁতি সপোনৰ চিন ফুটি ওলাল— অসমীয়া জাতিৰূপে। টাই সকলে পাটকাই পাৰহৈ উত্তৰ ব্ৰহ্মৰ পৰা আহি এই জাতি গঠন কৰিলে। তেওঁলোকৰ গাঁঠনি কটকটীয়া আছিল বাবে অসমীয়া ভাষা, সংস্কৃতি গঢ় লৈ উঠিছিল। এই সংস্কৃতি সম্পৰ্কে উলফ্ৰাম এবাৰহাৰ্ডে এঠাইত কৈছে—

**They minglad later with the last great culture of the South, the Tai Culture, disting-uished by agriculture The people lived in the Valleys and mainly cultivated rice In the course of time they spread farther and farther, and today they from the principal component of the Siamise people.**

আহোম সকলৰ স্বকীয়া স্বকীয়া ভাষা, ধৰ্ম্ম আৰু সংস্কৃতি থকা সত্ত্বেও অসমলৈ আহি খামোচি ধৰি নাৰাখি বহল উদাৰ দৃষ্টি ভঙ্গীৰে অসমীয়া সংস্কৃতিৰ ভেটি সুদৃঢ় কৰিবলৈ অশেষ চেষ্টা কৰিছিল। থলুৱা মানুহৰ মনত লুইতপৰীয়া সংস্কৃতি উজ্বলাই তুলিছিল। সেই সময়ত তেওঁলোকৰ সাজপাৰ— ৰজাঘৰতো ব্যৱহাৰ কৰিছিল আনকি সত্ৰীয়া সংস্কৃতিৰ ভিতৰুৱা হৈছিল। তেওঁলোকৰ সংস্কৃতিক অৱদানে ৰাজনীতি, সমাজনীতি আদিৰ ক্ষেত্ৰত যথেষ্ট বৰঙণি যোগাইছিল। থলুৱা লোকসকলৰ মাজত আহোম শব্দই নতুন ঠাই দখল কৰি কথিত ভাষা ৰূপে ৰূপ ললে। তাৰ ফলত বুৰঞ্জীবিদ সকলোও বুৰঞ্জী লিখাৰ সুযোগ পালে।

টাই সকলৰ বাসস্থান আছিল দক্ষিণ চীন উপত্যকাত। সেই সময়ত তেওঁবিলাকৰ ধৰ্ম্ম তাও ধৰ্ম্ম আছিল আৰু বৌদ্ধধৰ্ম্মত দীক্ষিত হৈছিল। হিন্দু-ধৰ্মৰ পৃষ্ঠপোষকতা বঢ়াৰ লগে লগে ৰজা প্ৰজা সকলোৱে ইয়াৰ অনুগামী হৈ অৰ্থনৈতিক আৰু সংস্কৃতিক দিশৰ বিকাশ সাধনৰ সুবিধা পালে।

অসমীয়া সংস্কৃতিত স্থাপত্য আৰু ভাস্কৰ্য্যই টাইসকলৰ উচ্চখাপৰ অৱদান দাঙি ধৰিছে। ইয়াৰ দ্বাৰাই পুৰণি কৃতি চিনসমূহ দেখা যায়। দ'ল দেৱা-লয় অৰ্থাৎ জয়দল শিৱদল আদি স্মৃতি চিন ভাস্কৰ্য্য-পূৰ্ণ। শিল আৰু ইটাৰে এই মন্দিৰবোৰ সজা হৈছিল। প্ৰাকৃতিক দৃশ্যৰে ভৰপূৰ দ'ল-দেৱালয় আদিৰ কথা আহোম যুগৰ বুৰঞ্জীত পোৱা যায়। টাইসকলে হিন্দু-ধৰ্মত দীক্ষিত হোৱাৰ আগতে মৰাশ' বিলাক পুতি থৈছিল। দেৱালয়ে মৈদাম বন্ধাইছিল। ইয়াৰ উপ-ৰিও মঠ মন্দিৰত ভাস্কৰ্য্য সুলভ চিত্ৰবোৰে চিত্ৰকলাৰ বিকাশত অৰিহণা যোগাইছিল। বস্ত্ৰ শিল্প তথা পোছাকৰ ক্ষেত্ৰত বিশেষকৈ মুগা কাপোৰ আৰু পাটশিল্পৰ প্ৰসাৰ সাধন উল্লেখযোগ্য।

আহোম সকলে অসমত ছশ বছৰ ৰাজত্ব কৰা কালছোৱাত বহুতো ঘাতপ্ৰতিঘাত উত্থান পতনৰ সন্মুখীন হৈছিল। ধৰ্ম, সংস্কৃতি আৰু ভাষা আদিয়ে থলুৱা সংস্কৃতিত আত্মনিয়োগ কৰিলে। এই সময় চোৱাতে কছাৰীসকলে হিন্দুধৰ্মত দীক্ষিত হৈ সোনোৱাল কছাৰী ৰূপে জনাজাত হয়। এইদৰে জাতিগত সম্পৰ্ক সালসলনি হৈ অসমীয়া সংস্কৃতি জন্ম হয়।

প্ৰাকশংকৰী যুগৰ ধৰ্মৰ লগত আহোম সকলৰ ধৰ্ম এক অঙ্গাংগী সম্বন্ধ আছিল। আহোম সকলে অসমলৈ আহি বৌদ্ধধৰ্মৰ ৰীতিনীতিকে আদৰ্শৰূপে লৈ আহিছিল। চোমদেওৰ উপৰিও ইন্দ্ৰ, লক্ষ্মী আদিক তেওঁলোকে দেওধাই পুৰোহিতৰ হতুৱাই পূজা কৰোৱাইছিল। আহোমসকলে শৈৱ, বৈষ্ণৱ শাক্ত সম্প্ৰদায় সকলক সমানভাবে চাইছিল।

আহোম যুগৰ ধৰ্মৰ স্থাপত্য চানেকী দেখিবলৈ পোৱা যায় তলাতল ঘৰ, শিলৰ সাঁকো, ৰংঘৰ আদিত। অসমীয়া বনুৱাসকলে এই স্থাপত্য ৰীতি স্বকীয়ভাৱে গঢ়ি তুলিছিল। প্ৰাক আহোম যুগত ভাস্কৰ্য্য চিনও উচ্চখাপৰ আছিল। মঠ-মন্দিৰ, দ'ল দেৱালয় সৌন্দৰ্য্যত জিকমিকীয়া হৈছিল। পোৱামাটিৰ ভাস্কৰ্য্যৰ লগতে বেৰৰ মূৰ্ত্তি, গছলতা আদিৰ চিত্ৰ গঢ় দি তুলিছিল। ধাতুশিল্পৰ ক্ষেত্ৰত আহোম সকলে সোণ, ৰূপ আদি থলুৱা ৰীতি অনুযায়ী ধাতু পগাই উলিয়াইছিল। আ-অলংকাৰত বহুমূলীয়া ৰত্ন মণি আদি খটুৱাই তিৰোতাসকলে ব্যৱহাৰ কৰিছিল। চুণশিলৰ দ্বাৰা দেৱ-দেৱীৰ মূৰ্ত্তি আৰু দ'ল দেৱালৰ কৰাল তেওঁলোকে তৈয়াৰ কৰিছিল।

আহোমযুগত উচ্চমানৰ সাহিত্য চৰ্চা হৈছিল। কবিৰাজ চক্ৰৱৰ্ত্তী সেইযুগৰ সফল কবি আছিল। গদাধৰ সিংহৰ দিনত ৰামচন্দ্ৰ বৰপাত্ৰ গোহাঁয়ে কীৰ্ত্তনীয়া ঠাঁচত 'হয়গ্ৰীৱ মাধৱ' পুথি ৰচনা কৰে।

এই যুগৰ সাহিত্যত বুৰঞ্জী সাহিত্যৰ অৱদান বেছি। বুৰঞ্জীবোৰত নিজৰ নিজৰ বংশৰ গৌৰৱপূৰ্ণ কাহিনী পোৱা যায়। চতুৰ্দশ শতিকাৰ মাধৱ কন্দলিৰ নিভাঁজ অসমীয়া ঠাঁচত ৰচিত অনুবাদ 'ৰামায়ণ'। আহোম যুগৰ অনেক বুৰঞ্জী পোৱা যায়। 'পুৰণি অসম বুৰঞ্জী', 'সাতসৰী অসম বুৰঞ্জী,' 'দেওধাই বুৰঞ্জী' এই যুগৰ বুৰঞ্জী। বুৰঞ্জী সমূহত বৰ্ণিত উপকথা, ফকৰা যোজনা, প্ৰবচন আদিয়ে উচ্চখাপৰ সাহিত্যৰ চিনাকী দিয়ে। ইয়াৰ ভাষা একক আৰু অতুলনীয়।

প্ৰাকশংকৰী যুগৰ সংগীতৰ পৰম্পৰা আহোম যুগলৈ বাগৰি অহাত সংগীতৰ সমৃদ্ধি হয়। মন্দিৰ সমূহত দেওধাই আৰু দেৱদাসী নৃত্যৰ বিকাশ হয়। সেই সময়ছোৱাত ঘাইকৈ অসমীয়া সংগীতে সত্ৰীয়া গীত নৃত্যৰ ওপৰত গুৰুত্ব দিয়ে। নানা ধৰণৰ আ-অলংকাৰ পিন্ধি এই নৃত্য প্ৰদৰ্শন কৰে। অসমীয়া জাতিৰ বিশেষকৈ সাজ-পাৰৰ প্ৰাচুৰ্য্য বেচি। মুগাৰ চোলা, চুৰিয়া, ৰিহা মেখেলা, ফুলাম গামোছা আদিয়ে সেই যুগৰ প্ৰধান পোছাক।

শিক্ষা চৰ্চাই এই যুগত গা কৰি উঠিছিল। স্বৰ্গদেও ৰুদ্ৰসিংহ শিক্ষাৰ বিষয়ত আগৰণুৱা আছিল বাবে ৰজাই ৰাজ্যতে সত্ৰ পাতি দিছিল। ব্যৱহাৰিক দিশৰ পৰা শিক্ষা বিশেষকৈ কামৰ ওপৰত গুৰুত্ব দিছিল। নাৰী সকলেও ঐতিহ্যৰ পৰাই ৰাজনীতিৰ শিক্ষা লাভ কৰিছিল। গাঁৱে-ভূঞে সাঁচি পাতৰ পুথিৰ বহুল প্ৰচলন আছিল।

মুঠতে সকলো দিশৰ পৰাই বিচাৰ কৰি চালে দেখা যায় যে টাই সাহিত্যত সংস্কৃতি এক সৰ্বজন বিদিত। টাই কৃষ্টিয়ে সাহিত্যত বহুতো সমল যোগালে। পুৰঁণি ৰীতি নীতি জ্ঞান সঞ্চয়ত পুথি সমূহ আদি। চমুকৈ কবলৈ হলে টাই সাহিত্যত সংস্কৃতি বিদ্যমান অতি ঐশ্বৰ্য্যমণ্ডিত। ✯



"আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত
অসমীয়াক মৰিবলৈ নিদিওঁ
অসমীয়াক ভীন যাবলৈ নিদিওঁ
অসমীয়া সংস্কৃতিক লুপ্ত হ'বলৈ নিদিওঁ।
অসম বুকুত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ
ডোলেৰে গাঁথি দুনাই শক্তিশালী
অসমীয়া জাতি গঢ়োঁ শক্তিমান
ন-অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰম
ন অসমীয়া সংস্কৃতি বঢ়োঁ।"

—বিষ্ণু প্ৰসাদ ৰাভা

# ঃ বিষ্ণু ৰাভা আৰু অসমীয়া সংস্কৃতি ঃ

—টুটুমণি কাৰ্কী
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

"বিষ্ণুৰাভা এতিয়া কিমান ৰাতি
তুমি সাৰে আছা, সাৰে আছো আমি
আৰু সাৰে আছে প্ৰীতি।"

অসমৰ সংস্কৃতিৰ উঁৱালত শঙ্কৰদেৱ, মাধৱদেৱৰ বিশিষ্ট প্ৰতিভাৰ স'তে আমি আধুনিক যুগত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ প্ৰতিভাৰ কথাই উল্লেখ কৰিব লাগিব। সুন্দৰৰ এই বৰয়ালিত জ্যোতিপ্ৰসাদৰ অনুগত সতীৰ্থ হ'ল গণশিল্পী বিষ্ণুপ্ৰসাদ ৰাভা।

বিষ্ণুৰাভা। এটি চিৰপৰিচিত নাম। শদিয়াৰ পৰা ধুবুৰিলৈ সকলোৰে পৰিচিত এটি নাম। এজন ব্যক্তিৰ নাম, যিজনৰ জীৱনৰ একমাত্ৰ লক্ষ্য আছিল নিষ্পেষিত, শোষিত, জৰ্জৰিত কৃষক শ্ৰেণীৰ সৰ্বাংগীণ উন্নতি। যি জনৰ উদাত্ত কণ্ঠই জগাই তুলিছিল আন্ধাৰ ৰাতিৰ কোলাত অচেতন যোৱা কাণীয়া অসমীয়াক আৰু যি আছিল একেধাৰে সফল সুৰকাৰ, নাট্যকাৰ, গীতিকাৰ, নৃত্যবিদ, লিখক, কবি, সাহিত্যিক প্ৰখ্যাত অভিনেতা, বাদ্যকাৰ, চিত্ৰশিল্পী, বিখ্যাত খেলুৱৈ আৰু বিল্পৱী বীৰৰ প্ৰতিমূৰ্ত্তি।

অসমীয়া জাতি, অসমীয়া ভাষা আৰু অসমীয়া সাহিত্য-সংস্কৃতিৰ এক চিৰ উজ্বল জ্যোতি ৰাভাৰ জন্ম হয় ১৯০৯ চনৰ ৩১ জানুৱাৰী বৃহস্পতিবাৰৰ দিনা এক শুভ মুহূৰ্ত্তৰ শুভ লগ্নত ঢাকা নগৰৰ লাইন আৰু বেৰাকত। তেওঁৰ পিতৃদেৱ চৰ্দাৰ বাহাদুৰ গোপাল চন্দ্ৰ ৰাভা বঙ্গদেশৰ গভৰ্ণৰৰ গা-ৰক্ষী সেনা আছিল।

বিষ্ণুপ্ৰসাদে তেওঁৰ প্ৰাথমিক শিক্ষা লব লগা হৈছিল বঙালী ভাষাৰ মাধ্যমেৰে ঢাকাৰ মিলিটেৰী প্ৰাইমেৰী স্কুলৰ পৰা । প্ৰাইমেৰী স্কুলত পঢ়ি থাকোঁতেই তেওঁৰ পিতৃৰ বিয়োগ হয় আৰু ফলত তেওঁলোক তেজপুৰৰ পুৰণি ঘৰলৈ উঠি আহিব লগাত পৰে । তেজপুৰৰ চৰকাৰী হাইস্কুলৰ চতুৰ্থ শ্ৰেণীত বিষ্ণুপ্ৰসাদে নাম ভৰ্ত্তি কৰে । তেওঁৰ তীক্ষ্ণ বুদ্ধি, সুন্দৰ স্বাস্থ্য, গীত-মাত, খেল-ধেমালীত নিপুণতা আদি সজ গুণ-ৰাশিয়ে শিক্ষক আৰু আন আন সমনীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছিল । শ্ৰেণীৰ পৰীক্ষা সমূহৰ সফলভাৱে উত্তীৰ্ণ হৈ ১৯২৬ চনত বিষ্ণুপ্ৰসাদে প্ৰবেশিকা পৰীক্ষাৰ দুৱাৰ দলিত ভৰি দিয়ে । এই পৰীক্ষা তেওঁ সুখ্যাতিৰে প্ৰথম বিভাগত পাছ কৰে । ইয়াৰ পিছত বিষ্ণুপ্ৰসাদে কলিকতাৰ "চেণ্ট প'ল কলেজ" ত আই, এচ্, চি, পৰীক্ষাত ভৰ্ত্তি হয় । আই, এচ, চি, পাছ কৰি প্ৰথমে পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ কলিকতাৰ "বিপণ কলেজত" ত ইংৰাজীত অনাৰ্চ লৈ বি, এ, পঢ়ে । কলেজত পঢ়া সময়ত বিষ্ণুপ্ৰসাদে গান্ধীজীৰ অসহযোগ আন্দোলনত সঁহাৰি দি কোঁচবিহাৰৰ ৰাজপ্ৰসাদৰ (বৃটিছ ৰেজিমেণ্ট আৰু দেৱানৰ ঘৰ) সন্মুখত আৰু জেনকিন্স হাইস্কুলত অকলশৰে গৈ ইংৰাজৰ ইউনিয়ন জেক নমাই কংগ্ৰেছৰ তিৰংগ পতাকা উত্তোলন কৰে আৰু খড়িমাটিৰে বজাৰৰ বেৰত, গছত, মানুহে সহজে দেখা ঠাইত য'তে-ত'তে লিখি থৈ আহিল—

ৰাজ্যে আছে দুটি পাঠা
একটি কালো একটি চাদা
ৰাজ্যেৰ যদি মঙ্গল চাও
দুটি পাঠাই বলি দাও ।

ইয়াৰ ফলত বিষ্ণুৰাভাই কোচবিহাৰ ত্যাগ কৰিব লগাত পৰে । ১৯৩১ চনত বিষ্ণুপ্ৰসাদৰ শিক্ষা জীৱনৰ অন্ত পৰে ।

শিল্পী পৰিচয়েই বিষ্ণুৰাভাৰ আটাইতকৈ জনপ্ৰিয় পৰিচয় । এইটো নিতান্তই তেখেতৰ উপযুক্ত পৰিচয় । কাৰণ তেওঁ গীত গাইছিল, গীত ৰচিছিল, মহাপুৰুষ শঙ্কৰদেৱৰ গুণগ্ৰাহিতাৰ প্ৰমাণ স্বৰূপে তেৰাৰ ছবি আঁকি প্ৰচাৰ কৰিছিল (ৰাভাৰ কিছু ছবি আজিও তেওঁৰ তেজপুৰৰ ঘৰত সযতনে শ্ৰীমতী মোহিনী ৰাভাই সংৰক্ষণ কৰিছে), নৃত্য অনুশীলন আৰু প্ৰদৰ্শন কৰিছিল (কাশীত নৃত্য প্ৰদৰ্শন কৰি ৰাভাই শ্ৰেষ্ঠ নৃত্য শিল্পী ঘোষিত হৈছিল), ভাৰতীয় নৃত্য শাস্ত্ৰ লৈ দীঘলীয়া আলোচনা কৰিছিল, নাট আৰু চলচিত্ৰত অভিনয় কৰিছিল, চলচিত্ৰ নিৰ্মাণ কৰিছিল, সংগীত পৰিচালনাৰ ভাৰ লৈছিল । এইজন বিষ্ণুৰাভাই আকৌ পিচলৈ আত্মগোপন কৰি কান্ধত বন্দুক লৈ ফুৰা বিপ্লবীও হৈছিল । সক্ৰিয় ৰাজনীতিত নামি এম-এল-এ হৈছিল । গাৱে-ভূয়ে, পৰ্বতে পাহাৰে অনাই বনাই ফুৰি ঐতিহ্য মণ্ডিত সংস্কৃতিৰ সোণ-চেকুৰা বুটলি ফুৰিছিল আৰু সেইবিলাক সম্পদকে লৈ জনসাধাৰণৰ মহত্বৰ গবেষণা কৰিছিল । ভাৰত উপমহাদেশৰ চলিত অনেক ভাষাতে তেওঁ কথা কব পাৰিছিল ঃ এবাৰ হেনো এক বৈঠকত তেওঁ কেইবাটাও ভাষাৰ গান গাই শুনাই উপস্থিত সকলো শ্ৰোতাকে অবাক কৰি দিছিল । এই সকলোখিনিৰে সমষ্টি হৈছে বিষ্ণুৰাভা মানুহজন । ইয়াৰ লগতে আমি নিশ্চয় যোগ দিবই লাগিব তেওঁৰ মানসিক গঠনৰ বিষয়টোও ঃ শাসন বা সামাজিক বন্ধন মানিব নোখোজা, মুক্ত বিহংগমৰ দৰে চলিব খোজা এটা প্ৰকৃত শিল্পীৰ উপযোগী মনলৈ তেওঁ সদাসৰ্বদা মানুহৰ মাজত বিচৰণ কৰিছিল— যিহৰ কাৰণে মাজে সময়ে তেওঁৰ আকস্মিক সহিষ্ণুতা দেখিবলৈ পোৱাৰ কথা অনেকেই উল্লেখ কৰিছে । এইজন মানুহৰে সুকুমাৰ উপলব্ধি তেওঁৰ গীত নৃত্য-চিত্ৰ অভিনয়ৰ মাজেদি ব্যক্ত হৈছিল । তেওঁৰ মাজৰ শিল্পী জনৰ পৰা তেওঁৰ ব্যক্তিত্বৰ বাকীবিলাক অংশক আমি বিচিন্ন কৰি চাব নোৱাৰোঁ । হয়তো সকলো অংশই একে ঠাইতে এবাৰত ব্যক্ত নহৈছিল, কিন্তু সেই ব্যক্তিত্বৰ বিভিন্ন দিশৰ সংমিশ্ৰণ নিশ্চয় হৈছিল ।

সংস্কৃতি মানেই সংমিশ্ৰণৰ ফল । যিহক আমি অসমীয়া সংস্কৃতি বুলিব খোঁজো, তাৰ মাজত যে



কিমান বিচিত্ৰ উপাদানৰ সংমিশ্ৰণ ঘটিছে তাৰ লেখ লোৱাই টান । কাৰণ পূব আৰু পশ্চিমৰ মিলন ভূমি প্ৰাচীন কামৰূপত যিমানবিলাক মানৱ গোষ্ঠীৰ সংঘাত হৈছিল আন কোনো ঠাইতে তেনে দৃষ্টান্ত বিৰল । এই সকল প্ৰজাতিৰ সকলোৰে প্ৰভাৱ এই সংস্কৃতিৰ ওপৰত পৰিছে । কামাখ্যা মাতৃদেৱীৰ উদ্ভাৱন কোনোবা মাতৃপ্ৰধান জাতিৰ আদিম বিশ্বাসৰ পৰা হোৱা বুলি গবেষক পণ্ডিতে কৈছে । বৈষ্ণৱ গুৰু শঙ্কৰদেৱৰ ৰচনাৰ মাজত আদিবাসী সমাজৰ ধ্যান-ধাৰণা আৱিস্কাৰ কৰিবলৈ চেষ্টা কৰা হৈছে । বিষ্ণুপ্ৰসাদ ৰাভা আছিল এই সংমিশ্ৰণ সংস্কৃতিৰ ধাৰণাৰ প্ৰতীক । তেওঁ আছিল অসমৰ এটা আদিম জাতিৰ সন্তান (তেওঁলোকৰ বংশ দক্ষিণ কামৰূপৰ ৰাণী অঞ্চলৰ মোশাহাৰী— ঘটনাচক্ৰত পৰিহে তেওঁলোকে ৰাভা লিখিবলৈ লয়), যি কালক্ৰমত বৃহৎ অসমীয়া জাতি আৰু একেই পথেৰে গৈ বৃহত্তৰ ভাৰতীয় মহাজাতিৰ মাজত নিজকে স্থাপন কৰিছিল । বৰপেটালৈ গৈ তেওঁ বৰগীতৰ মূল্য আৰু সৌন্দৰ্য্য আৱিস্কাৰ কৰি তাৰ সুৰ সম্পদেৰে অসমীয়া গীতক সমৃদ্ধ কৰিছিল । জ্যোতিপ্ৰসাদৰ স'তে লগলাগি বানাসুৰৰ কন্যা উষাৰ পৌৰাণিক প্ৰণয় কাহিনীক পীতাম্বৰ অনন্ত-কন্দলিৰ ধাৰণাৰ সহায়ত এটা সংস্কৃত ৰূপত সজাই পৰাই উলিয়াইছিল । উজনিৰ বিহুৰ পাৰিবেশক বনঘোষাৰ ভাষা আৰু সুৰৰ সহায়েৰেই সুন্দৰ কৰি দেখুৱাইছিল । একালৰ শৈৱ শাক্তৰ ধৰ্ম দ্বন্দ্বৰ প্ৰতীক বেউলাৰ কাহিনীকো ৰেকৰ্ড নাটেৰে প্ৰকট কৰি সেই দ্বন্দ্ব বুজাত সহায় কৰিছিল । ব্ৰহ্মপুত্ৰৰ আদি বড়ো নাম "ভুলুং বুথুৰ" বুলি যে তেওঁ প্ৰথমে উনুকিয়াইছিল তাক ভাষাবিদ পণ্ডিত সকলে মানি লৈছে ; যেনেকৈ ডঃ বাণীকান্ত কাকতিয়ে অনেক অসমীয়া তৎসম শব্দৰ মুল সম্বন্ধে নিজাকৈ ইংগিত কৰিছিল ("কামৰূ'ৰ পৰা কামৰূপ, "ডিলাও'ৰ পৰা লুইত হ'ব পাৰে বুলি ৰাভাই মত প্ৰকাশ কৰিছিল ।) মিকিৰ জাতি বা কাৰ্বি সকল অসমৰ পোন প্ৰথম মানৱ প্ৰজাতি বুলি তেওঁ ধৰিছিল । নৰকাসুৰৰ যোগেদিয়েই অসমত আৰ্য্য সভ্যতাৰ অনুপ্ৰৱেশ ঘটিছিল বুলি ৰাভাই কয় ঃ মিথিলাৰ পৰা নৰকৰ কামৰূপ আগমণৰ পৌৰানিক কাহিনী আৰু আৰ্য্যবীৰ শ্ৰীকৃষ্ণই আহি এই দেশৰ যুদ্ধত জয়লাভ কৰাৰ কাহিনীৰ প্ৰতীকখিনি এৰি দিলে তেনে এটাৰ সম্ভাৱনা একে ভাষাৰেই নুই কৰিব নোৱাৰি । উক্ত তালিকাই দেখুৱাই যে বিষ্ণু ৰাভাই সংমিশ্ৰণৰ ফলত উদ্ভৱ হোৱা অসমীয়া সংস্কৃতিৰ স্বৰূপ দাঙি ধৰিবলৈকে নানান প্ৰকাৰে চেষ্টা কৰিছিল । বিভিন্ন জনজাতিৰ, বিশেষকৈ বড়ো গোষ্ঠীবিলাকৰ নানান কৃষ্টি সম্বন্ধে তেওঁ সময়ে সময়ে বিস্তৃতভাৱে অনুসন্ধান কৰিছিল । আমাৰ দেশে স্বাধীনতা লাভ কৰাৰ মুহূৰ্ত্তে বিষ্ণুৰাভাই গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্যমন্দিৰত গাৰৱ জনজাতীয় শিল্পীদল কিছুমান আনি তেওঁলোকৰ কৃষ্টিসম্পদসমূহ প্ৰদৰ্শন কৰাইছিল । এই বিলাক কামৰ অৰ্থ এইটো নহয় যে তেওঁ লাহে লাহে যিহক সু-সমৃদ্ধ, পৰিশীলিত অসমীয়া সংস্কৃতি বোলা হয় তাক পৰিহাৰ কৰি কেৱল জনজাতি সকলৰ কৃষ্টি-সম্পদৰ ওপৰতে গুৰুত্ব আৰোপ কৰা হৈছিল । দৰাচলতে এই বিলাকৰ মূল্য তথা সৌন্দৰ্য্যৰ প্ৰতি সজাগ, উন্নত সংস্কৃতি প্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈহে চেষ্টা কৰিছিল । সেই সকলক অৱহেলা কৰাটোৱে অসমত কাৰোৰ বাবেই মঙ্গলজনক নহয় তাকেই তেওঁ নিজেই উপলব্ধি কৰা মতে বুজাবলৈ চেষ্টা কৰিছিল ।

অ'ত-ত'ত কাকতে পত্ৰই সিঁচৰিত হৈ পৰি থকা বিভিন্ন প্ৰৱন্ধপাতিৰ উপৰি বিষ্ণুৰাভাৰ পুথিৰ আকাৰত প্ৰকাশিত ৰচনা হ'ল— "অসমীয়া কৃষ্টি" (১৯৪৭), "মুক্তি দেউল" (১৯৪৮), "সোণপাহি" (১৯৫৬), "অসমীয়া কৃষ্টিৰ চমু আভাস" (১৯৬১) আৰু "ন পৃথিৱীৰ নতুন যুগ" । ইয়াৰ ভিতৰত "সোণপাহি" গল্প সংকলনৰ বাহিৰে বাকী বিলাক সৰু সৰু পুস্তিকা মাত্ৰ । সোণপাহি অনুদিত গল্পটোৰ বাহিৰে বাকী তিনিটাত সাধাৰণ নিষ্পেষিত, অৱহেলিত পুৰুষ-মহিলা চৰিত্ৰৰ বাস্তৱ আৰু আমোদ জনক চিত্ৰ অংকিত হৈছে । সাধাৰণ মানুহৰ মোল বুজা লোক ৰাভাই তেওঁলোকৰ মাজৰ সেই মোলবোৰকে কাহিনী

কেইটাত ফুটাই তুলিছে। মাৰ্ক্সীয় দৰ্শনত বিশ্বাসী (আৰ-চি-পি-আই-ৰ লগত তেওঁ জড়িত আছিল) ৰাভাই নিষ্পেষণ আৰু শোষণৰ বিৰুদ্ধে দেহেকেহে সংগ্ৰাম কৰাৰ উপৰি লিখিত সজাগতা আনিবলৈ চেষ্টা কৰিছিল ঃ "মুক্তি দেউল" নৃত্য-নাটিকাখনিত ধনিক শ্ৰেণীয়ে যন্ত্ৰ-যুগৰ সকলোখিনি সুযোগ-সুবিধা প্ৰয়োগ কৰি সৰ্বসাধাৰণৰ প্ৰগতিৰ পথ ৰুদ্ধ কৰাৰ আৰু সৰ্বসাধাৰণে সেই পথ মুক্ত কৰাৰ সংগ্ৰাম কৰাৰ সচেতনতা ঘোষকৰ কথা আৰু গায়কৰ গীতৰ যোগেদি প্ৰকাশ অসমীয়া কৃষ্টি আৰু অসমীয়া কৃষ্টিৰ চমু আভাস'ত বিষ্ণু ৰাভাই অসমীয়া সংস্কৃতিৰ গঠণ সম্বন্ধে তেওঁৰ নিজা চিন্তা-ধাৰাৰ অভিমত দি থৈ গৈছে।

বিভিন্ন যুগত অহা বিভিন্ন জনগোষ্ঠীৰ অৱদান পাই পাই কেনেকৈ অসমীয়া সংস্কৃতিয়ে গঢ় লৈছে এই বিষয়ে ৰাভাৰ নিজা অভিমত কেতবোৰ এনেদৰে প্ৰকাশ পাইছে ঃ আদি প্ৰস্তৰ যুগৰ প্ৰজাতি মিকিৰ সকলেই অসমৰ আদিম বাসিন্দা ; নৰকাসুৰৰ দিনৰ পৰাই অসমত আৰ্য্য সভ্যতাৰ বিস্তাৰ হয় ; শঙ্কৰদেৱ আছিল কৃষ্ণ আৰু লিওনাৰ্ড-দ্যা-ভিঞ্চিৰ সমকক্ষ-কৃষ্টিৰ আকৰ ; আহোম ৰজা ৰাজেশ্বৰ সিংহৰ দিনত ৰানী কুৰঙ্গনয়নীৰ যোগেদি মণিপুৰী নৃত্য-কলাৰ ওপৰত অসমীয়া সত্ৰীয়া নৃত্য পদ্ধতিৰ প্ৰভাৱ পৰাৰ সম্ভাৱনা ; চতুৰ্দশ শতিকা মানৰ পৰাই অসমত ভাস্কৰ্য্যকলাৰ হয়তো পাতজি মেলা হৈছিল ; নৰকৰ ৰাজত্বৰ আগলৈকে প্ৰাচীন কামৰূপত শ্ৰেণীহীন, জাতি-ভেদহীন সমাজৰ বন্ধন ছিন্ন হৈ আহিবলৈ ধৰে ; সনাতন ধৰ্মৰ পুনঃ প্ৰতিষ্ঠাৰ পৰাই বৌদ্ধযুগত আৰম্ভ হোৱা সমতাৰ ঠাইত ৰজাঘৰ আৰু প্ৰজাঘৰৰ মাজত ব্যৱধান ব্যাপক হৈ আহিল ইত্যাদি। এই বিলাক অভিমত ৰাভাই যথেষ্ট প্ৰমান সম্বলিত দাঙি নধৰা কাৰণেই সম্ভৱত চৰ্চাকাৰীসকলৰ দৃষ্টিত বৰকৈ পৰা নাই। কিন্তু অসমৰ সংস্কৃতিৰ পৃষ্ঠভূমিখনৰ খা-খবৰ ভালদৰে লৈ ফুৰা এজন তীক্ষ্ণ ব্যক্তিৰ অভিমত হিচাপে এই বিলাকৰ সম্বন্ধে ভালকৈ অনুসন্ধান কৰাৰ প্ৰয়োজন আছে।

এইজন বিষ্ণুৰাভাক যিদৰে দেশপ্ৰেমৰ জোৱাৰে তিয়া আন্দোলিত কৰিছিল, তেনেদৰে ভৱিষ্যতৰ সোণালী জ্যোতিত উজ্বলি উঠিছিল। বিজুলী নটীৰ নাচোন চাই আনন্দত দেও দি-দি নাচি-নাচি, যতনেৰে সজা সাত ৰঙৰ মিনা কৰোৱা ইন্দ্ৰধনু গঢ়িব খুজিছিল জীৱনকালত। কিন্তু ধুমুহাৰ দৰে দুৰন্ত শক্তিৰ অধিকাৰী, প্ৰৱল আশাবাদী ৰাভাদেৱৰ অক্লান্ত দেহ এদিন কেন্সাৰ বীজে শয্যাগত কৰি তোলে। দিপ্তীময় শলিতাৰ জ্যোতি ক্ৰমে নিস্তেজ হৈ আহিল।


মৃত্যু অনিবাৰ্য্য। মৃত্যুক প্ৰত্যাহ্বান জনোৱাৰ সাহস আমাৰ নাই। মৃত্যুৰ কেইদিন মানৰ আগতে কাৰোবাৰ বিয়াৰ নিমন্ত্ৰণী পত্ৰৰ ওলোটা পিঠিত ৰাভাদেৱে লিখি গল— যাৰ সুৰাৰোপ কৰি যাব নোৱাৰিলে—

এয়ে মোৰ শেষ গান
জীৱন নাটৰ শেষ ৰাগিনী
কল্যান খৰমান।

১৯৬৯ চনৰ ২০ জুনত কল্যান ৰাগৰ শেষ ৰাগিনী নিৰব হৈ পৰিল আৰু নিৰব হৈ পৰিল অসমৰ কলা জগত। ৰাভাদেৱৰ জীৱনৰ শেষ দৃশ্য আৰম্ভ হ'ল কল্যান খৰমানেৰে। ●



# সম্পাদনাৰ দায়িত্বত



বাওঁফালৰ পৰা ক্ৰমে (বহি) :-
শ্ৰীযুক্ত হিতেশ বৰদলৈ ।
(উপদেষ্টা, আলোচনী)
শ্ৰীদিপান্ত কুমাৰ গগৈ ।
(সম্পাদক, আলোচনী)

বাওঁফালৰ পৰা ক্ৰমে (থিয় হৈ) :-
শ্ৰীদিগন্ত কুমাৰ গগৈ, (সদস্য) ।
শ্ৰীমতী অনুৰূপা গোস্বামী, (সদস্যা)
শ্ৰী শংখ নাৰায়ণ হাজৰিকা, (সদস্য)

অনুপস্থিত :-
শ্ৰীযুক্ত পূৰ্ণকান্ত হাজৰিকা, (অধ্যক্ষ)
শ্ৰীযুক্ত বীৰেণ চুতীয়া, (উপাধ্যক্ষ)
শ্ৰীযুক্ত অমিয় খনিকৰ —
(ভাৰপ্ৰাপ্ত অধ্যাপক, ইংৰাজী বিভাগ)

# ঃ সাম্প্ৰতিক ছাত্ৰ সমাজৰ বিশৃংখলতা আৰু কিছু প্ৰাসঙ্গিক চিন্তা ঃ

—অজিৎ শইকীয়া

ছাত্ৰ তথা যুৱশক্তি কোনো এখন দেশ বা সমাজৰ কাৰণে এক মহান শক্তি। কাৰণ এই শক্তিতে নিহিত হৈ থাকে দুৰ্বাৰ কৰ্মমুখী জীৱনৰ গতিশীল ৰূপ। যুৱ ছাত্ৰ শক্তিৰ সফল প্ৰয়োগে এখোন সমাজক সুস্থ, সবল আৰু শৃংখলাবদ্ধ ভাৱে পৰিচালিত হোৱাৰ প্ৰশস্ত পথ ৰচনা কৰিব পাৰে। প্ৰগতিবাদী, চিন্তাশীল আৰু সৃষ্টিশীল এই শক্তিৰ যথোপযুক্ত ব্যৱহাৰৰ দ্বাৰা এখোন সমাজে সাহিত্য সংস্কৃতিৰ পৰা আৰম্ভ কৰি ৰাজনীতিলৈকে সকলোতে প্ৰগতিৰ চৰম লক্ষ্যত উপনীত হ'ব পাৰে।

সমাজৰ যিকোনো এটা সমস্যাৰ উদ্ভৱ হলেই সেই সমস্যা সমাধানৰ বাবে যুৱশক্তিৰ কথাকেই মনলৈ আহে। কাৰণ সমাজৰ বিভিন্ন সমস্যা সমূহত যুৱছাত্ৰ সকলৰ বহুতো কৰণীয় আছে আৰু তেওঁলোকে পূৰ্বৰে পৰা এই ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিও আহিছে। প্ৰতিটো কথা, প্ৰতিটো সমস্যাক যুক্তিৰে বিচাৰ কৰি চালি জাৰি চাই সিদ্ধান্ত গ্ৰহণ কৰিব পৰা মন আৰু শক্তি ছাত্ৰসকলৰ দুয়োটাই আছে। এই শক্তিৰেই তেওঁলোকে নিজৰ গধুৰ দায়িত্ব অকাৰ্পণ্যভাৱে পালন কৰি যাব লাগিব।

কিন্তু এতিয়া প্ৰশ্ন হ'ল আজিৰ যুৱ-সমাজ সামাজিক ভাৱে কিমান দায়বদ্ধ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰি সমাজ এখন সুচাৰুৰূপে চলিব বুলি আশা কৰিব পাৰিনে নোৱাৰি? বৰ্ত্তমান সময়ত যুৱ-ছাত্ৰ সমাজত দেখা দিয়া বিভিন্ন বিশৃংখলতাই সচেতন ব্যক্তি-মাত্ৰকে চিন্তান্বিত কৰি তুলিছে। যি সময়ত সমাজ তথা দেশৰ প্ৰতিটো কথা, প্ৰতিটো সমস্যা সমাধানৰ বাবে জনসাধাৰণে ছাত্ৰসমাজৰ ঐক্যবদ্ধ আৰু প্ৰচেষ্টাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিলে নোহোৱা হৈছে, সেই সময়ত একাংশ যুৱশক্তিৰ নৈতিক স্খলন আৰু বিশৃংখলতাই গভীৰ উদ্বেগৰ কাৰণ হৈ পৰিছে। সেয়ে আজি যুৱছাত্ৰ শক্তি মানেই উশৃংখল, কৰ্মবিমুখ জীৱন আৰু তাৰ লক্ষ্যৰ সম্বন্ধে উদাসীন ভাৱে দিন অতিবাহিত কৰা এক শ্ৰেণীৰ 'নতুন পুৰুষ' যাৰ কোনো নিজস্ব আদৰ্শ নাই, স্থিতি নাই— এনেধৰণৰ এক মানসিকতাই গঢ় লোৱাৰ উপক্ৰম হৈছে। অপ্ৰিয় হলেও সত্য যে এই ধাৰণাক ধাওকতে অৰ্থহীন বুলি কোৱাবো যুক্তিৰ অভাৱ।

আধুনিক সভ্যজগতত উ-ৃংখলতা বা বিশৃংখলা বোলা কথাষাৰ কিবা বিসদৃশ যেন লাগিলেও ই

সমগ্ৰ জগতত ব্যাপক ভাৱে বিয়পি পৰি মহামাৰী ৰূপ ধাৰণ কৰিছে, সেই কথা কোনো সমাজ সচেতন চিন্তাশীল ব্যক্তিয়েই নুই কৰিব নোৱাৰে। এই চাম নতুন পুৰুষৰ একাংশই অ'ত ত'ত সংঘটিত কৰা অমানবীয় সমাজবিৰোধী, আনকি কুখ্যাত নাৰকীয় কৃতিৰ কথা কাকতে পত্ৰে আলোচনা-সমালোচনাৰ বিষয় হৈ পৰাৰ লগতে সমগ্ৰ ছাত্ৰশক্তিৰ স্পষ্ট সবল ভাৱমুৰ্ত্তিটোও বহু পৰিমাণে ম্লান কৰি তুলিছে। সমাজৰ সকলোবিলাক শক্তিকেই যুৱ-ছাত্ৰৰ উশৃংখলতা তথা অপৰাধ প্ৰৱণতাই প্ৰভূত বৰঙণি যোগাব পাৰে। যুৱশক্তি যদি ঐক্য, সংহতি, শৃংখলা আৰু নৈতিক ভাৱাদৰ্শেৰে পৰিপুষ্ট হয়, উল্লেখিত সমাজ ক্ষতিকাৰক শক্তিবিলাকে সমাজত থিতাপি লব নোৱাৰিব। মন কৰিব লগীয়া কথা যে বহুক্ষেত্ৰত উশৃংখল, দুৰ্বল যুৱ শক্তিক দুৰ্নীতি পৰায়ণ সমাজ বিৰোধী শক্তি বিলাকে দুৰ্বলতাৰ সুযোগ লৈ নিজৰ ফলীয়া কৰি স্বাৰ্থ সিদ্ধি কৰিবও পাৰে। এনে অসুস্থ বাতাবৰণ সুস্থিৰ সামাজিক শৈক্ষিক পৰিৱেশৰ পৰিপন্থী।

আমি যদি আমাৰ ক্ষেত্ৰতে চাওঁ দেখিবলৈ পাম যে সেই সিদিনালৈকে যুৱ-ছাত্ৰসকলৰ ওপৰত আমাৰ ৰাইজৰ গভীৰ আস্থা আছিল। যিবোৰ কাম অন্য সংগঠনৰ দ্বাৰা সতকাই সম্ভৱ নহয় তেনে কামো যুৱছাত্ৰৰ সন্মিলিত প্ৰচেষ্টাই নিয়াৰিকৈ সম্পাদন কৰি তেওঁলোকৰ ওপৰত থকা আস্থাৰ মাত্ৰা বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল। অসমৰ যোৱা অস্তিত্ব ৰক্ষাৰ আন্দোলন বিশ্ব ইতিহাসত স্থান পাবলগীয়া ঘটনা আছিল। কিন্তু অতি পৰিতাপৰ কথা যে যুৱ-ছাত্ৰ সমাজৰ আগৰ যেই সংগ্ৰামী চেতনা, সবল সামগ্ৰিক সত্বাটো আজি তেনেই বিলুপ্তি ঘটিছে। সামাজিক মূল্যবোধৰ স্থিতাৱস্থা বাহাল নথকাটো অস্বাভাৱিক নহয়, কিন্তু সেইবুলি নৈতিক-ভাৱসাম্যহীনতা অতি আশ্চৰ্য্যৰ কথা। সমগ্ৰ ৰাষ্ট্ৰখনৰ চুকে কোণে শিক্ষা-দীক্ষাৰ যিমানেই ব্যাপক প্ৰসাৰ নহওক লাগে, বৰ্ত্তমান অসমৰ নবীন পুৰুষ সকল আধুনিক শিক্ষাৰে শিক্ষিত হলেও নৈতিক চৰিত্ৰৰ অৱনতিয়ে এক বৃহৎ সংখ্যক নবীন পুৰুষক বিপথে পৰিচালিত কৰিছে আৰু এই বিপথ-গামিতাৰ অভিশাপে সমাজৰ সামুহিকতাক ছেদেলি-ভেদেলি কৰাৰ উপক্ৰম কৰিছে।

ছাত্ৰ সমাজৰ বিশৃংখলতাৰ মূল উৎস ক'ত সেই কথা সহজে ক'ব নোৱাৰি যদিও ইয়াৰ যে এটা অন্যতম কাৰণ শিক্ষা-দীক্ষা আৰু বুদ্ধি-বৃত্তিৰ অপচয় তাত নিশ্চয় কাৰো দ্বিমত নাথাকিব। ইয়াৰ বাবেই ছাত্ৰ-সমাজৰ নানা অসূয়া-অপ্ৰীতি অশান্তি আদি ব্যাধি সমূহৰ উৎপত্তি হৈছে। শাস্ত্ৰত কৈছে 'প্ৰজ্ঞা পৰাধো মূল সৰ্ব-ৰোগানাম' অৰ্থাৎ বুদ্ধিহীনতাই সকলো ৰোগৰ কাৰণ। অন্যহাতেদি আজি শিক্ষা, স্বাস্থ্য, খাদ্য, প্ৰশাসন আদি সকলো দিশতে দুৰ্নীতিৰ প্ৰভাৱ বিদ্যমান। নিকা আৰু সততাৰে কাম কৰা পথ-প্ৰদৰ্শকৰ উদাহৰণ আজিকালি পাবলৈ নাইকিয়া হৈ আহিছে। এনে এখন সমাজৰ মানৱতাৰ পৰিপন্থী আদৰ্শই উঠি অহা চামকো একে আদৰ্শকে গ্ৰহণ কৰিবলৈ অনুপ্ৰাণিত কৰাটো তেনেই সাধাৰণ কথা। দৰাচলতে আমি আন্তৰ্জাতিক যুৱবৰ্ষ, নাৰীবৰ্ষ আদি পাতি সভ্যতাৰ উচ্চ-শিখৰত আৰোহন কৰি উৎসাহেৰে ঢাক-ঢোল বজাই যিমানেই যুৱ-ছাত্ৰ সমাজৰ বিশৃংখলতাৰ বিষয়ে চিঞৰ-বাখৰ কৰি আলোচনা-বিলোচনা নকৰো লাগে বৰ্ত্তমানৰ সমাজখন সভ্যতা আৰু শিক্ষাৰ অনুপাতে যে নৈতিক আধ্যাত্মিক আদি দিশত অগ্ৰহৰ হওঁতে প্ৰতি খোজতে ছাত্ৰ সমাজক এনে জঘন্যতম নাৰকীয় পথ প্ৰশস্ত কৰি দিছে আৰু যাৰ বাবে আমি প্ৰতি ক্ষেত্ৰতে উজুটি খাব লগা হৈছে সেই সকলৰ কাৰ্য্যক বাধা দিবলৈ কিঞ্চিৎমানো সময় আমি চিন্তা চৰ্চা নকৰোইক। সেয়েহে অসামাজিক কাৰ্য্যত লিপ্ত হোৱা লোকৰ দপদপনি বাঢ়ি আহিছে আৰু সেই আদৰ্শকে উঠি অহা চামে গ্ৰহণ কৰিছে।

আজিৰ ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতী কালিলৈ পৰিয়ালৰ পিতৃমাতৃ আৰু দেশৰ নাগৰিক হব। তেওঁলোকৰ ওপৰতে সমাজৰ সকলো শ্ৰেণীৰ লোকৰে ভাৰমা। শাৰীৰিক আৰু মানসিক দুয়োদিশতে উৎকৰ্ষ সাধনৰ অবিহনে তেওঁলোকে নিজকে সৎ নাগৰিক হিচাপে চিনাকি দিব নোৱাৰিব। কিন্তু বৰ্ত্তমান কালৰ বহু সংখ্যক যুৱক-যুৱতীৰ মাজত সুৰাপান, ড্ৰাগছৰ দৰে মাৰাত্মক ৰাগিয়াল দ্ৰব্য সেৱন, জুৱাখেল আদি নৈতিক চৰিত্ৰ হানিকৰ বিষয়ে ঠাই পাইছে। সেইবিলাকে কেনেকৈ ব্যক্তি তথা জাতিৰ অধঃপতন সূচনা কৰে সেইকথা তেওঁলোকে গুৰুত্ব সহকাৰে চিন্তা কৰি চোৱাৰ আজি সময় আহি পৰিছে। মাংস, জুৱা, সুৰা, পৰস্ত্ৰী নাইবা পৰপুৰুষৰ লগত য'ত ঘনিষ্ঠতা বেছি, ত'ত মানুহৰ মনৰ স্থিৰতা নাইকিয়া হয়, মন কলুষিত হৈ পৰে। গতিকে মনক সংযত কৰিবৰ কাৰণে প্ৰত্যেক ছাত্ৰছাত্ৰীয়ে সেইবোৰ বস্তুৰ পৰা আঁতৰত থাকিব লাগিব। পোছাক পৰিচ্ছদৰ ক্ষেত্ৰতো যুৱক-যুৱতী সকল অতি সচেতন হোৱাটো সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপেক্ষিতত অতি বাঞ্চনীয়। আধুনিক শিক্ষিত সমাজৰ একাংশ যুৱতীৰ অৰ্দ্ধনগ্ন পোছাকে আৰু অশ্লীল যৌনগন্ধী কিতাপ বা কথাছবি সমূহে কেৱল যুৱকসকলকে নহয় বহু সময়ত বয়সীয়াল লোককো বিপথগামী কৰা পৰিলক্ষিত হয়। যুৱতীসকলৰ আচাৰ-ব্যৱহাৰ, পিন্ধা-উৰা, কথা বতৰা আদি সদায় ৰুচিপূৰ্ণ আৰু মাৰ্জিত হোৱা উচিত। আমাৰ ছাত্ৰসমাজে এইবোৰ কথাৰ প্ৰতি অকনো মনোযোগ নিদিয়াৰ ফলতে বিচাৰ বিবেচনা, বুদ্ধি-বৃত্তি হানি কৰি সমাজত কলংকৰ বোজা স্বৰূপ হৈছে। তেওঁলোকৰ এইদৰে ক্ৰমাৎ বাঢ়ি অহা কাৰ্য্যকলাপে সমাজত আতংকৰহে সৃষ্টি কৰিছে।

সংকীৰ্ণ সাম্প্ৰদায়িক মনোভাৱ পোষণেও যুৱ উশৃংখলতাক ইন্ধন যোগায়। অসমীয়া বৃহৎ জাতিটো বিভিন্ন জাতিসত্বা, ক্ষুদ্ৰ ক্ষুদ্ৰ সম্প্ৰদায় মিলিত হৈ গঠিত হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱে একেডাল এনাজৰীৰে বান্ধি থৈ যোৱা মিৰি, গাৰো, কিৰাট, কছাৰী, খাচী, গোৱাল, যৱন, কংক, মুলুক, তুৰুক, কুৱাচ, ম্লেচ, চণ্ডাল আদিৰ সংমিশ্ৰণ এই বৃহৎ অসমীয়া জাতিটোৰ ঐক্যসংহতিৰ আজি ঘুণে ধৰাৰ উপক্ৰম হৈছে। তাৰোপৰি বাহ্যিক প্ৰাচুৰ্য্যৰ প্ৰভাৱ আৰু অভাৱৰ তাড়নায়ো যুৱ সমাজৰ মাজত এক বিশৃংখলতাৰ সৃষ্টি কৰিছে। কোনোৱে টকা পইচাৰে কি কৰিম, কত থম বুলি চিৎকাৰ কৰি ফুৰিছে। আৰু অন্যহাতে কোনোৱে দুবেলা দুমুঠি খাবলৈ নাপাই পেটৰ তাড়নাত চিংকাৰ কৰি মৃত্যুক্ষণ গণিছে। আমাৰ সমাজত সৃষ্টি হোৱা এই অৰ্থ নৈতিক বৈষম্যৰ ফলতেই বহুক্ষেত্ৰত কিছুসংখ্যক যুৱ-ছাত্ৰই জ্ঞাতসাৰেই অসামাজিক কাৰ্য্যত লিপ্ত হোৱা পৰিলক্ষিত হয়। বহুসংখ্যক উচ্চ শিক্ষিত ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা আহৰণ কৰাৰ পাছতো যেতিয়া কৰ্ম সংস্থানৰ আশাত তপস্যা কৰি থাকিব লগা হয় তেতিয়া তেওঁলোকৰ স্বাভাৱিকতেই মানসিক পৰিবৰ্ত্তন হয় আৰু আগৰ সুস্থ আদৰ্শ তথা লক্ষ্যৰ পৰিপন্থী যিকোনো কামৰ লগত আপোচ কৰিবলৈ বাধ্য হৈ পৰে। ইয়াৰ বাবে আমাৰ শিক্ষক, অভিভাৱক, শিক্ষা-ব্যৱস্থা, দেশৰ গুৰিয়াল আদি সকলোৱেই কম-বেছি পৰিমাণে জগৰীয়া।

সস্তীয়া, নগ্ন আৰু অশ্লীল নৃত্য-গীতেৰে পৰিপূৰ্ণ বোলছবিয়েও যুৱ-সমাজৰ মানসিক ভাৱসাম্য হেৰুওৱাত যথেষ্ট অবিহণা যোগায়। এনেধৰণৰ ছবিবোৰ চোৱাৰ ফলত তেওঁলোকৰ মনত এক বিশৃংখল ভাৱৰ বীজ অঙ্কুৰিত হয় আৰু অনুকূল পৰিৱেশৰ সিয়েই বিৰাট বিষবৃক্ষৰূপ ধাৰণ কৰে। বিশেষকৈ আপেনত বয়সৰ লৰা-ছোৱালীৰ ক্ষেত্ৰত এই সমস্যাটোৱে সময়ত জটিল ৰূপ ধাৰণ কৰে, যাৰ ফলত সম্প্ৰতি সমাজ জীৱনৰ ধৰ্ষণ, বলাৎকাৰ, মহিলাৰ ওপৰত অশালীন ব্যৱহাৰ আদি এশ এবুৰি নাৰকীয় সমস্যাই প্ৰতিজন সচেতন নাগৰিকক সংকিত কৰি তুলিছে। শিক্ষা-সংস্কৃতিত আগবঢ়া বৰ্ত্তমানৰ সমাজখন আজি কিয় এনে জঘন্য পাশৱিক কামত প্ৰবৃত্ত হৈছে? কিয় আজি নাবালিকাৰ ওপৰত অত্যাচাৰ কৰা হৈছে?? এইবোৰ ক্ষেত্ৰত আজি সচেতন বিবেক সম্পন্ন যুৱসমাজে হাত-সাবটি নাথাকি নিজ কৰ্ত্তব্যৰ বাবে সাজু হোৱাৰ সময় আহি পৰিছে। এই প্ৰসঙ্গতে আকৌ দোহৰাৰ প্ৰয়োজন নিশ্চয় নহব যে পশ্চিমীয়া সংস্কৃতিৰ ভক্ত সকলে নিজকে আধুনিক

সজাবলৈ গৈ, অন্ধ অনুকৰণত গা-ঢালি দি ৰুচিসম্মত আৰু শালীনতাবোধৰ নগ্নতা প্ৰদৰ্শন কৰা কাৰ্য্য যুৱ সমাজক বিপথে পৰিচালিত কৰা এটা অন্যতম ইন্ধন। কেৱল মেল-মিটিং কৰি, বিভিন্ন শ্লোগান দি শোভাযাত্ৰা বাহিৰ কৰি সামাজিক এই ব্যাধিসমূহ আঁতৰ কৰিব পাৰিবনে? যুৱ উশৃংখলতাৰ এই জঘন্যতম দিশটো বোধকৰো আজি এজন বা দুজন নাইবা কেৱল নীতি-নিয়ম জাৰি কৰা কেৱল চৰকাৰৰে কাম নহয়, আজি প্ৰতিজন সচেতন ব্যক্তিয়ে সমাজৰ বিষময় ফলশ্ৰুতিৰ কথা চিন্তা কৰি আগবাঢ়ি নাহিলে সমাজ জীৱন পঙ্গু হৈ পৰাহে সম্ভাৱনা।

চৰকাৰৰ একপক্ষীয় মনোভাৱ আৰু আওকণীয়া মনোভাৱেও কোনো কোনো ক্ষেত্ৰত যুৱক-যুৱতী সকলৰ বিশৃংখলৰ মানসিকতাত ইন্ধন যোগায়। আমাৰ চৰকাৰখন ৰাইজৰ চৰকাৰ। ৰাইজৰ সুখ-দুখ, বেদনা, অভাৱ, অভিযোগ আদি বিলাক সহানুভূতিৰে, সমদৃষ্টিৰে বিবেচনা কৰি সমাধান কৰিবলৈ যত্ন কৰিলেহে প্ৰকৃততে এক সুস্থিৰ বাতাবৰণৰ সৃষ্টি হ'ব। অন্যহাতেদি শিক্ষিত যুৱসমাজেও চৰকাৰৰ মুখলৈ চাই নাথাকি স্বাৱলম্বী হোৱাৰ মানসেৰে কৰ্মক্ষেত্ৰত অৱতীৰ্ণ হোৱাৰ আজি সময় আহি পৰিছে।

অপ্ৰিয় সত্য হলেও উল্লেখযোগ্য যে দেশৰ আৰু সমাজৰ বিভিন্ন স্তৰত যি সকলে নেতৃত্ব বহন কৰিছে সেইসকলৰ আদৰ্শ ভ্ৰষ্ঠতাও যুৱ উশৃংখলতা সংক্ৰমিত হোৱাত যথেষ্ঠ বৰঙণি যোগাইছে। উদাহৰণৰ নিশ্চয় প্ৰয়োজন নহ'ব যে সম্প্ৰতি অসমত নেতাগিৰী কৰি ফুৰা কিছু সংখ্যক যুৱকৰ শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত যি চুড়ান্ত দৃষ্টান্ত পোৱা গৈছে সিয়েই ইয়াৰ উল্লেখযোগ্য নিদৰ্শন। গতিকে আজি সংশোধিত বিশুদ্ধ বাতাবৰন সৃষ্টি কৰি বলীষ্ঠ আদৰ্শ প্ৰদৰ্শনৰ দ্বাৰা নতুন পুৰুষক সুপথে পৰিচালিত কৰাৰ সময় আহি পৰিছে।

প্ৰশাসনীয় ব্যৰ্থতাও যুৱ-ছাত্ৰ সমাজৰ নৈতিক উশৃংখলতাৰ অন্যতম কাৰণ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব নিশ্চয়। প্ৰশাসনীয় নীতি নিৰ্দ্দেশনা, শৃংখলাবদ্ধ, সুস্থিৰ আৰু সুদৃঢ় হোৱাৰ উপৰিও সংশ্লিষ্ঠ বিভাগ সমূহৰ কৰ্মচাৰী সকলৰ কাৰ্য্যকলাপত সজাগ দৃষ্টি ৰাখি কাৰ্য্য ৰূপায়ণৰ প্ৰচেষ্ঠা অব্যাহত ৰাখিলে নবীন চামে এই সকলৰ পৰা কেৰোণীয়া আদৰ্শ গ্ৰহণৰো বাট নাথাকিব। ৰাজনৈতিক দল-উপদল সমূহে ক্ষমতা লাভৰ বাবে সততে 'যুদ্ধং দেহি' মনোভাৱেৰে কোমল বয়সীয়া নবীনসকলক সহানুভূতিশীল আৰু আদৰ্শবান হবলৈ শিকোৱাৰ পৰিবৰ্ত্তে ৰাজনীতিৰ মেৰপেচৰ দ্বাৰাহে আক্ৰান্ত কৰি পেলোৱা পৰিলক্ষিত হয়। প্ৰতিক্ৰিয়াশীল এই চক্ৰই যুৱ-ছাত্ৰ সকলক কামত খটুৱাই নিজ স্বাৰ্থ সিদ্ধিৰ পথ নিস্কণ্টক কৰি লয়। এইক্ষেত্ৰত শিক্ষক, অভিভাৱক, প্ৰশাসন আদি সকলোৱেই নিজৰ কৰ্ত্তব্য পালনত সংযমী হৈ নিকা মনেৰে উঠি অহা চামক ৰক্ষা কৰি 'সচাঁ মানুহ' ৰূপে গঢ়ি তুলিবলৈ ওলাই নাহিলে যুৱশক্তি আৰু অধিক বিপথগামী হোৱাৰহে সম্ভাৱনা।

আমাৰ সন্মানীয় শিক্ষকসকল আৰু অভিভাৱক সকলৰ যুৱ-ছাত্ৰৰ উশৃংখলতা নিৰাময় কৰাত যথেষ্ঠ ভূমিকা গ্ৰহণ কৰাৰ থল আছে। আজি একাংশ শিক্ষক নিজৰ দৰ্মহা, বোনাচ আদিৰ চিন্তাত ব্যস্ত থাকি ছাত্ৰ-ছাত্ৰীৰ মৌলিক প্ৰয়োজনীয়তা, সমস্যাৱলী আদিৰ বিষয়ত উদাসীনতা প্ৰকাশ কৰি আৱশ্যকীয় দায়িত্ব নিষ্ঠা আৰু আন্তৰিকতাৰে সম্পাদন কৰাত ব্যৰ্থ হোৱা পৰিলক্ষিত হৈছে। অপ্ৰিয় হলেও সত্য যে এনে শিক্ষকো আমাৰ মাজত আছে যি সকলৰ নৈতিক চৰিত্ৰ কোনো পধ্যে আদৰ্শনীয় নহয়। এই সকলৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে কিঞ্চিৎমনো নৈতিক চৰিত্ৰ গঠনৰ বাবে প্ৰেৰণা পোৱাটো অসম্ভৱ। একেদৰেই অভিভাৱক সকলো সম্পূৰ্ণ দোষমুক্ত হ'ব নোৱাৰে। নিজৰ ল'ৰা-ছোৱালীয়ে অসৎ পথত ভৰি দিয়াৰ আগন্তুক দেখিলেও বহু অভিভাৱকে নিৰৱ দৰ্শকৰহে ভূমিকা লয়। তাচ-জুৱা খেলা, মন্ত পান কৰা, ল'ৰা-ছোৱালীৰ চৰিত্ৰ



গঠনত মনোযোগ নিদিয়া, উপযুক্ত সমাজীকৰণ আদিৰ গুৰুত্ব আৰোপ নকৰা অভিভাৱকৰ আদৰ্শই সময়ত গৈ তেওঁলোকৰ সন্তানকো অপৰাধ মানসিকতাৰে পৰিপুষ্ঠ কৰি তোলেগৈ। ইয়াৰ উপৰি সম্প্ৰতি শিক্ষা জগতত ক্ৰমাৎ বাঢ়ি অহা **'Private Tution Culture'** য়েও এক জলন্ত সমস্যাৰ ৰূপ পাইছেগৈ। ক্ৰমাৎ বৃদ্ধি পাই অহা যুৱ-মানসিকতাৰ এই চৰম ধ্বংশকাৰ্য্য অনতিপলমে ৰোধ কৰিব নোৱাৰিলে ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হবগৈ লাগিব। সেই দৰেই শিক্ষা বিভাগৰ অমনোযোগিতা, দায়িত্বহীনতা, সঘনাই সলনি হৈ থকা শিক্ষা পদ্ধতিয়ে যুৱ সমাজক বিপথে পৰিচালিত কৰাত যথেষ্ট অৰিহনা যোগাইছে বুলি কোৱা কথাষাৰ একেবাৰে মিছা বুলিব নোৱাৰি। অসমৰ দুয়োখন বিশ্ববিদ্যালয়তে পৰীক্ষাৰ ফলাফলৰ ক্ষেত্ৰত যি দীঘলীয়া বিৰতি দেখা যায় সেয়া ছাত্ৰ সমাজৰ কাৰণে অধ্যয়ণৰ বাদে অন্য মানসিকতা গঢ়ি তোলাৰ উপযুক্ত সময়। ছয়-সাত-মাহ জোৰা এই দীঘলীয়া বিৰতিয়ে ছাত্ৰ সকলক অধ্যয়ণৰ সৈতে থকা সম্পৰ্কটো বিচ্ছিন্ন কৰি দিয়ে; ফলস্বৰূপে তেওঁলোকে অন্যান্য বিষয়ত চিন্তা-চৰ্চা কৰি সময় কটোৱাৰ আহৰি পায়। আকৌ সঘনাই সলনি হৈ থকা শিক্ষা পদ্ধতিৰ বাবে বিভিন্ন কাৰণত দুই-এবাৰতে পৰীক্ষাত কৃতকাৰ্য্য হ'ব নোৱাৰা ছাত্ৰ-ছাত্ৰী সমূহে পুনৰ পৰীক্ষা দিয়াৰ সুবিধাৰ পৰা বঞ্চিত হব লগাত পৰি হতাশাত দিন নিয়াৰ লগা হয়। ফলস্বৰূপে শিক্ষা পদ্ধতিৰ ওপৰত বিতৃষ্ণা জন্মা এই চাম ছাত্ৰ-ছাত্ৰীয়ে মনৰ ক্ষোভত বহুতো নকৰিব লগীয়া কাম কৰি যুব মানসিকতাৰ স্খলন ঘটায়। পৰীক্ষাসম্পৰ্কীয় দীঘলীয়া বন্ধবোৰৰ উপৰিও শিক্ষা বৰ্ষটোৰ অন্যান্য দীঘলীয়া বন্ধবোৰ কমাই দিয়াৰ লগতে শিক্ষা বিভাগে ছাত্ৰ-ছাত্ৰী সকলক পৰীক্ষাগাৰৰ সঁজুলি হিচাপে ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকে, তেন্তে ছাত্ৰ সকলৰ মাজত উপযুক্ত শৈক্ষিক পৰিবেশ গঢ়ি উঠাৰ লগতে তাৰপৰা আশানুৰূপ ফলাফলো আশা কৰিব পাৰি।

পৃথিবীৰ বিভিন্ন ৰাষ্ট্ৰৰ দৰে আমাৰ দেশ তথা অঙ্গৰাজ্য অসমতো নিবনুৱা সমস্যাই অৰ্থনীতি একেবাৰে পঙ্গু কৰি তোলাৰ উপক্ৰম কৰিছে। বৰ্ত্তমান শিক্ষাৰ প্ৰসাৰৰ দিশত চৰকাৰে বিশেষ গুৰুত্ব সহকাৰে সকলোকে স্বাক্ষৰ কৰি তুলিবলৈ লোৱা আঁচনিৰ দিনত অসমৰ সৰ্ব্বমুঠ ২১৯৯৫ খন গাঁও আৰু ৭২ খন নগৰত মুঠ কিমান সংখ্যক নিবনুৱা হ'ব পাৰে সেইটো সহজেই অনুমেয়। বৰ্ত্তমানেও হাজাৰ হাজাৰ পঞ্জীয়ণ ভুক্ত নোহোৱাকৈ থকা নিবনুৱাৰ উপৰিও পঞ্জীয়ণ ভুক্ত নিবনুৱাৰ সংখ্যা প্ৰায় ৯ লাখ জনলৈ বৃদ্ধি পোৱা তথ্যই নিবনুৱা সমস্যাৰ এটা ভয়ংকৰ তথ্য দাঙি ধৰে। আমাৰ সামাজিক পৰিবেশ আৰু নিবনুৱা সকলৰ মাজত থকা হীনমন্যতাইও এই সমস্যাত অৰিহণা যোগাইছে। কিছুমান সৰু সুৰু কাম বা ব্যৱসায় কৰিলে নিজে সমাজৰ চকুত সৰু হ'ব লাগিব বুলি শিক্ষিত নিবনুৱা সকলৰ মাজত থকা ভূল ধাৰণাই তেওঁলোকক তেনে কাম কৰিবলৈ আগবাঢ়ি যোৱাত সংকোচ জন্মায়। উদাহৰণ স্বৰূপে যোৱা ছবছৰীয়া অসমীয়াৰ অস্তিক ৰক্ষাৰ আন্দোলনত স্বাৱলম্বী হোৱাৰ মানসেৰে ওলাই অহা অসমীয়া ডেকা সকলৰ আন্দোলন পৰৱৰ্ত্তী কালছোৱাৰ কাৰু কাৰ্য্যলৈ মন কৰিলেই এই দিশটো চকুত প্ৰকট হৈ ধৰা দিয়ে।

নিবনুৱা সমস্যাৰ ভয়াবহ পৰিস্থিতিৰ পৰিপেক্ষিততেই সৃষ্টি হৈছে সমাজক আতংকিত কৰি তোলা অন্য এক সামাজিক ব্যাধি উশৃংখল যুৱ মানসিকতা। সংস্কৃতিবান, সুসংহত আৰু সুশৃংখল সমাজ ব্যৱস্থাত উশৃংখল যুৱ মানসিকতাই এক বিশৃংখল পৰিবেশৰ সৃষ্টি কৰিছে। যুৱ সমাজৰ এই কু-প্ৰভাৱবোৰৰ ভয়াবহতাই সকলো লোকক ভীতিগ্ৰস্থ কৰি তোলাৰ লগতে ভৱিষ্যতৰ সমাজখন কেনে এটা সংকটপূৰ্ণ পৰ্য্যায়লৈ আগবাঢ়ি যাব ধৰিছে তাৰ এখন ভয় লগা ছবি স্পষ্ট কৰি তুলিছে। যদি এনে সময়তে এই সমস্যাৰ প্ৰতি চৰকাৰ তথা প্ৰতিজন লোকেই সজাগ-সচেতন নহৈ ইয়াৰ প্ৰতিৰোধৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে ভৱিষ্যতে উঠি অহা চামে কাল আঁউসীৰ দুৰ্ঘোৰ

অন্ধ-কাৰৰ মাজত পৰি বাট বিচাৰি নাপায় হাঁহাকাৰ কৰি উঠিব লাগিব।

প্ৰণিধানযোগ্য যে অৰ্থনৈতিক নিৰাপত্তাহীনতা, দুৰ্নীতি আৰু সমাজৰ কিছুমান বৈষম্যৰ কাৰণেই সম্প্ৰতি অসমৰ কিছুলোকে উগ্ৰপন্থা আৰু তথাকথিত সন্ত্ৰাসবাদৰ পথেৰে আগবাঢ়ি যাব লগা হৈছে। আজি কিছুদিনৰ পৰা অসমত সন্ত্ৰাসবাদে বেছিকৈ মূৰ দাঙি উঠা পৰিলক্ষিত হৈছে। গতিকে সমাজৰ পৰা উগ্ৰপন্থী বা সন্ত্ৰাসবাদীক নিৰ্মূল কৰিবলৈ যোৱাৰ আগতে ইয়াৰ মূল উপাদানবোৰ বা ঘাই ঘাই কাৰণবোৰ পৰ্য্যবেক্ষণ কৰি তাক আঁতৰ কৰিবলৈ যোৱাটোহে বেছি যুক্তিকৰ আৰু বুদ্ধিমানৰ কাম হ'ব।

সম্প্ৰতি অসমৰ যুৱ মানসিকতা তথা ছাত্ৰ সমাজৰ বিশৃংখলতাৰ বিষয়ে পুংখানু-পুংখভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে এইক্ষেত্ৰত নৈতিক চৰিত্ৰহীনতাকে প্ৰমুখ্য কৰি বহুবোৰ উৎসই ক্ৰিয়া কৰি আহিছে। শিক্ষাৰ কঠিয়াতলী স্বৰূপ ঘৰখনৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যন্ত স্তৰ অনুযায়ী নৈতিক শিক্ষাদানৰ সুব্যৱস্থা কৰিলে বহু পৰিমানে ছাত্ৰ সমাজৰ বিশৃংখলতা লোপ পাব বুলি দৃঢ় ধাৰণা হয়। জাতিৰ উন্নতিৰ ক্ষেত্ৰত মহা অন্তৰায় স্বৰূপ এই মহাব্যাধি দূৰ কৰিবৰ কাৰণে চৰকাৰে দৃঢ় পদক্ষেপ লৈ শিক্ষা প্ৰণালী প্ৰস্তুত কৰি, উপযুক্ত সময়ত আঁচনি গ্ৰহণ কৰিলে নিশ্চয় ভালফল পোৱা যাব। অৱশ্যে এই ক্ষেত্ৰত সমাজত সজাগ প্ৰহৰী স্বৰূপ যুৱ ছাত্ৰসকলো বীবেকৰ সুপথে পৰিচালিত হৈ নিজৰ সদাসচেতন ভাৱমূৰ্ত্তি অটুট ৰখাৰ চেষ্টা কৰাটো কোনো পধ্যে নুই কৰিব নোৱাৰি। ●

> ছাত্ৰ হ'ল বুদ্ধিজীৱী সম্প্ৰদায়ৰ আটাইতকৈ উৎসাহী অংশ। এওঁলোক বুদ্ধিজীৱী এই কাৰণেই যে এওঁলোক অত্যন্ত সচেতন, দৃঢ় আৰু এওঁলোক সঠিকভাৱে শ্ৰেণীস্বাৰ্থৰ অগ্ৰগতি আৰু অৰ্থনৈতিক মতবাদৰ প্ৰতিফলন ঘটায়।
>
> —লেনিন



# আমাৰ বিশ্বব্ৰহ্মাণ্ড, সৃষ্টি

## আৰু

## নক্ষত্ৰৰ ক্ৰমবিকাশ

—ড° লিখন বড়া
পদাৰ্থ বিজ্ঞান বিভাগ

বিশ্বব্ৰহ্মাণ্ড বুলিলে সমগ্ৰ তাৰকাপুঞ্জ সমূহৰ সমষ্টি। একো একোটা তাৰকাপুঞ্জ বহুসংখ্যক নক্ষত্ৰ, গ্ৰহ, উপগ্ৰহ আদিৰ সন্মিলিত সমষ্টি। আমাৰ বিশ্বব্ৰহ্মাণ্ডখনৰে তেনে এটি নক্ষত্ৰ হল সূৰ্য্য। আমাৰ পৃথিবীখন সূৰ্য্যৰ পৰিয়ালৰে এটি সদস্য। বৰ্তমান সূৰ্য্যৰ বয়স পাঁচ হেজাৰ নিযুত বছৰতকৈও বেছি। আটাইতকৈ পুৰণি নক্ষত্ৰৰ বয়স হল 10,000 নিযুত বছৰ। গেছ প্ৰকোঠ আৰু কচমিক্ ডাৱৰৰ মাজতেই এটা নতুন নক্ষত্ৰৰ ক্ৰমবিকাশ ঘটে।

কচমিক্ গাঠনিৰ ধাৰনা 12000 — 1:000 নিযুত বছৰ পুৰণি আৰু বিশ্ব ব্ৰহ্মাণ্ডৰ বৰ্ত্তমান বয়স 15,000 — 18,000 নিযুত বছৰ। বিভিন্ন গ্ৰহ, নক্ষত্ৰ, তাৰকাপুঞ্জৰ নিৰীক্ষণৰ দ্বাৰা সিহঁতৰ গাঠনিক পদাৰ্থ হল উত্তপ্ত হাইড্ৰোজেন হিলিয়াম আৰু প্লাজমা অৱস্থাত সমভাৱে বিস্তৃত হৈ আছে। বিশ্বব্ৰহ্মাণ্ডৰ গঠন আৰু ক্ৰমবিকাশ সম্পৰ্কে বহু শতিকাৰ পৰা পৰীক্ষা নিৰীক্ষা চলিলেও বৰ্ত্তমান কুৰি শতিকাত হে বহু প্ৰসাৰতা লভে। বিশ্ব ব্ৰহ্মাণ্ডত বহু সংখ্যক তাৰকা পুঞ্জ আছে আৰু এটা তাৰকা পুঞ্জত বহু সংখ্যক সৌৰজগত থাকে। আমাৰ হাতীপটিত 100,000 নিযুত নক্ষত্ৰ আছে আৰু তাৰে এটা নক্ষত্ৰ হল সূৰ্য্য। আমাৰ হাতীপটিটো উপবৃত্তাকাৰ থাল এখনৰ দৰে। সূৰ্য্যৰ অৱস্থান থাল খনৰ কেন্দ্ৰৰ পৰা দুই তৃতীয়াংশ ব্যাসাৰ্ধ দূৰতত্বত অৱস্থিত। থালখনৰ ব্যাসাৰ্ধ হল 15 $KP_c$ ( 1 $P_c$ = 3 পোহৰ বছৰে, 1 K $P_c$ = 1000 $P_c$ ) থালখনত নক্ষত্ৰ সমূহৰ ওপৰিও আন্তঃ নাক্ষত্ৰিক গেচ, কচমিক ধূলি আদিৰে পূৰ্ণ আৰু গোটেই তাৰকাপুঞ্জ টোৱে নিজক কেন্দ্ৰ কৰি ঘূৰি থাকে। কৌনিক বেগ দূৰত্ব অনুসৰি বেলেগ বেলেগ হয়।

থালখনৰ ঘূৰ্ণন বৈখিক বেগ প্ৰায় 220 — 250 কিঃমিঃ চেঃ। নক্ষত্ৰ সমূহৰ ঘূৰ্ণন পথ প্ৰায় বৃত্তাকাৰ আৰু সিহঁতৰ বেগ 20 কিঃমিঃ / চেঃ তকৈ কম।

হাতিপতি অথবা তাৰকাপুঞ্জৰ উজ্জলতা হল ইয়াৰ সকলো বিলাক নক্ষত্ৰই একক সময়ত বিকিৰণ কৰা মুঠ শক্তিৰ পৰিমান ই প্ৰায় $3\times10^{37}$ W। ই সূৰ্য্যৰ ($4\times10^{26}$ w) উজ্জলতাতকৈ 100,000 নিযুত গুনে বেছি। আমাৰ হাতীপতিৰ নক্ষত্ৰ সমূহৰ মুঠ ভৰ প্ৰায় $2\times10^{44}$ গ্ৰাম অৰ্থাৎ সূৰ্য্যতকৈ 100,000 নিযুত গুনে বেছি। তাৰকাপুঞ্জ থালখনৰ চাৰিওফালে সৌৰ মুকুট বিস্তৃত হৈ আছে। সৌৰ মুকুটৰ ভৰ নক্ষত্ৰপুঞ্জৰ ভৰতকৈ বহুগুনে বেছি কিন্তু তাৰ বিশাল আয়তনৰ বাবে

ঘনত্ব কম। সৌৰমুকুটৰ পদাৰ্থসমূহৰ নিজা মহাকৰ্ষণীয় বলেৰে পৰিভূত কিন্তু ই কোনো পোহৰ বিকিৰিত নকৰে। ইয়াৰ মাজত কোনো নক্ষত্ৰ বা ধূলি মেঘ নাই।

আমাৰ তাৰকাপুঞ্জৰ নিচিনা ব সংখ্যক নক্ষত্ৰ-পুঞ্জ বিশ্বব্ৰহ্মাণ্ডত বিদ্যমান। উপবৃত্তাকাৰ তাৰকাপুঞ্জৰ ওপৰিও গোলাকৃতিৰ হাতীপতিও আছে, সিবিলাকক গোলীয় হাতীপতি কোৱা হয়। বিখ্যাত Andromeda Nebula গোলীয় হাতীপতি যিটো আমাৰ হাতীপতিৰ ওচৰত আছে আৰু ইয়াৰ পোহৰৰ তীব্ৰতা আমাৰ হাতীপতিতকৈ দুগুনে বেছি। অন্যান্য গোলীয় তাৰকাপুঞ্জৰ ভৰ 100—10,000 নিযুতগুনে সূৰ্য্যতকৈ বেছি আৰু তীব্ৰতা 10—000 গুনে কম। ইয়াৰ ওপৰিও কিছুমান উপবৃত্তীয় নক্ষত্ৰপুঞ্জ আছে যিবিলাকৰ গাঠনিক অৱয়ৱ অৰ্ধ গোলাকাকৃতি আৰু আমাৰ নক্ষত্ৰপুঞ্জৰ লগত সংগতি আছে। তাৰোপৰি কিছুমান উপবৃত্তীয় বামন তাৰকাপুঞ্জ আছে যিবিলাকৰ ভৰ আৰু তীব্ৰতা 10 000 গুনে আমাৰ তাৰকাপুঞ্জতকৈ কম। উপ-বৃত্তাকাৰ হাতীপতি সমূহ বেছি ভৰ বিশিষ্ট আৰু কেন্দ্ৰীয় নিউক্লিয়াছটো বেছি ঘনত্ববিশিষ্ট আৰু সৰ্পিল হাতিপতিতকৈ বেছি সক্ৰিয়। তাৰোপৰি বহু সংখ্যক অনিয়তাকাৰ হাতীপতি আছে যি বিলাকৰ ভৰ আৰু তীব্ৰতা আমাৰ হাতীপতিতকৈ 10 গুণে কম। এই তাৰকাপুঞ্জ সমূহে সাধাৰণ নিয়ত বৃত্তীয়গতি অনুসৰণ নকৰে।

এই তিনিওবিধ তাৰকা পুঞ্জৰ অৱস্থিতি প্ৰথমে চিনাক্ত কৰে E. Hubble এ 1920 ৰ পৰা 1930 চনৰ ভিতৰত। এই আদি তাৰকাপুঞ্জ শ্ৰেণী বিভাজনৰ ভিতৰত সকলো বিলাক তাৰকাপুঞ্জ নপৰে। সক্ৰিয় নিউক্লিয়াচ সহ কিছুমান তাৰকাপুঞ্জই তেজষ্ক্ৰিয় শক্তি নিৰ্গত কৰে। সিবিলাকক quasars (quasi steller radio sources) বোলে। ই ধৰা পৰে 1960 চনত। quasar ৰ ভিতৰত নক্ষত্ৰৰ অৱস্থিতি পোৱা নাযায়। থকাৰ সম্ভাৱনা থাকিলেও কোৱাচাৰ নিউক্লিয়াচৰ তীব্ৰতাৰ বাবে অনুজ্জ্বল হব পাৰে যিহেতু নিউক্লিয়াচৰ তীব্ৰতা আমাৰ তাৰকাপুঞ্জতকৈ 10,000 গুনে বেছি ( $10^{39}-10^{4}$ w ) এই শক্তিখিনি $10^{16}$— $10^{18}$ চেঃ মিঃ কালিৰ পৰা বিকিৰিত হৈ আছে। এই কালি আমাৰ তাৰকাপুঞ্জৰ দিউক্লিয়া-চতকৈ (10—100)000 গুনে সৰু। আৰু কিছুমান কোৱাচাৰ আছে, সিবিলাকে নিম্ন তেজষ্ক্ৰিয় শক্তি নিৰ্গত কৰে এনেধৰণৰ পুঞ্জ বিলাকক quasags বোলে।

আধুনিক দূৰবীক্ষণ যন্ত্ৰেৰে বহু দূৰৰ পৰা নিৰীক্ষণ কৰিব পৰা অত্যন্ত উজ্বল নক্ষত্ৰ পুঞ্জ সমূহেই হল কোৱাছাৰ। উৎপ্লৱন তাৰকা পুঞ্জৰ সীমান্তবৰ্তীত আৰু আমাৰ পৰা প্ৰায় 1000 MPc দূৰত্বত সিহঁতক পোৱা যায়।

বৰ্তমানে আবিস্কৃত হোৱা বহু সংখ্যক তাৰকা পুঞ্জৰেই অসম্ভৱ উত্তপ্ত গেছ আছে। গেছৰ উষ্ণতা প্ৰায় 100 নিযুত কেলভিন ইয়াৰ পৰা X ray বিকিৰিত হয়। ই প্লাজামা অৱস্থাত আছে অৰ্থাৎ গেছ সমূহ এনেদৰে আয়নিত হৈ আছে যাৰ ইলেকট্ৰন সমূহ নিউক্লিয়াচৰ বন্ধন শক্তিৰ পৰা মুক্ত হৈ আছে। এই উত্তপ্ত গেছ সমূহৰ ভৰেই তাৰকা-পুঞ্জৰ মুঠ ভৰ।

বিশ্ব ব্ৰহ্মাণ্ডৰ এটা উল্লেখযোগ্য পৰিঘটনা হল ব্ৰহ্মাণ্ডীয় প্ৰসাৰণ। দেখা যায় তাৰকাপুঞ্জ-গুচ্ছ সমূহ 100—300MPc এটাই আনটোৰ পৰা আঁতৰি গৈছে। 1920 চনত E. Hubble এ এই পৰিঘটনাটো আবিস্কাৰ কৰে। কোনো শব্দ তৰংগ উৎস এটা আমাৰ ফালে আহিলে শব্দৰ কম্পনাংক বাঢ়ি যায় বিপৰীতে আমাৰ পৰা আঁতৰি গলে কম্পনাংক কমে। একে পৰিঘটনা পোহৰ অথবা বিদ্যুৎ চুম্বকীয় তৰংগৰ ক্ষেত্ৰটো খাটে। ইয়াকে ডপলাৰৰ পৰিঘটনা বোলে। পোহৰৰ উৎস এটা নিৰীক্ষক এজনৰ পৰা আঁতৰি গলে কম্পনাংক কমি যায় আৰু তেতিয়া তৰংগ দৈৰ্ঘ্য নীলাৰ পৰা হালধীয়া বা হালধীয়াৰ পৰা



ৰঙালৈ সৰণ ঘটে। অতি দূৰত্বত থকা তাৰকা পুঞ্জ সমূহৰ পৰা অহা পোহৰ বৰ্ণালীবিক্ষণ যন্ত্ৰেৰে চাবলে নিৰীক্ষণ কৰোঁতে নক্ষত্ৰ সমূহৰ পৰা বিকিৰিত হৈ অহা পোহৰ তৰংগ ৰেখাবোৰ ৰঙাৰ ফালে সৰণ ঘটিছে। ইয়েই প্ৰমাণ কৰে যে (পোহৰৰ ৰঙা তৰংগৰ ফালে সৰণ) নক্ষত্ৰ সমূহ ক্ৰমাৎ আঁতৰি গৈয়েই আছে ইয়েই বিখ্যাত Red Shift। আমাৰ পৰা তাৰকাপুঞ্জ সমূহ আঁতৰি গৈ আছে আৰু এই তাৰকাপুঞ্জীয় অপসৰণ বেগ আমাৰ পৰা অতি দূৰত্বত থকা তাৰকাপুঞ্জ সমূহৰ বেছি।

দুটা তাৰকাপুঞ্জ গুচ্ছৰ মাজৰ দূৰত্ব যদি L আৰু সিহঁতৰ অপসৰণ বেগ V হয় তেন্তে V=HL, H হল হাবল ধ্ৰুৱক ই মহাকাশত তাৰকাপুঞ্জৰ অৱস্থানৰ ওপৰত নিৰ্ভৰ নকৰে। এই ধ্ৰুৱকৰ মান H=55—75 km / sec। এই সূত্ৰানুসৰি আমাৰ পৰা কোনো তাৰকাগুচ্ছ যদি 1000 MPc দূৰত্বত আছে তেন্তে আমাৰ পৰা 55,000 Km / sec ৰ কম বেগেৰে আঁতৰি যাব। বিশ্ব ব্ৰহ্মাণ্ডীয় প্ৰণালী সমূহৰ মাজত মহাকৰ্ষণীয় বল বিদ্যমান স্বত্বেও সংকোচনৰ বিপৰীতে প্ৰচণ্ড বেগেৰে প্ৰসাৰণ ঘটি আছে মহাকৰ্ষণ বলৰ বৃদ্ধি বেছি ভৰ আৰু পাৰস্পৰিক দূৰত্ব কমৰ ওপৰত নিৰ্ভৰ কৰে। ফলশ্ৰুতিৰূপে প্ৰসাৰণ পদাৰ্থৰ ঘনত্বৰ ওপৰত নিৰ্ভৰ কৰে। এই ঘনত্ব উপযুক্ত পৰিমাণৰ হব লাগিব। অৰ্থাৎ এটা নিৰ্দিষ্ট সংকট ঘনত্বৰ মানতকৈ বেছি হব লাগিব যাতে মহাকৰ্ষণ বলক অতিক্ৰম কৰি প্ৰসাৰণ ঘটিব পাৰে। সংকট ঘনত্ব তাৰকাপুঞ্জীয় অপসৰণ শক্তি আকল কৰি ব্ৰহ্মাণ্ডীয় প্ৰণালীৰ বেগ নিৰীক্ষণৰ দ্বাৰা পোৱা যায়। বৰ্ত্তমান ইয়াৰ মান প্ৰতি ঘন চেঃ মিঃ ত $10^{-29}$ —5X $0^{-30}$ গ্ৰাম পোৱা গৈছে।

সুদূৰ অতীতত বিশ্ব ব্ৰহ্মাণ্ডৰ অৱস্থিতি কেনে আছিল? বৰ্ত্তমানৰ দৰে বিভিন্ন তাৰকাপুঞ্জ গুচ্ছই হওক বা হাতীপতি সমূহৰ নিচিনা নাছিল। সকলো বিলাক পদাৰ্থই এটা মহাজাগতিক মাধ্যম হিচাবে সমভাৱে মিশ্ৰিত হৈ আছিল। সুদূৰ অতীতত মাধ্যম-টো এটা মহাঘনত্ব বিস্তৃত আছিল। Friedmann ৰ মতে অতীতত যি সময়ত বিশ্বব্ৰহ্মাণ্ডৰ ঘনত্ব অসম্ভৱ ভাৱে বেছি আছিল সেই সময়কে তেওঁ 'শূণ্য সময়' (Zerotime) আখ্যা দিছে।

আধুনিক বিজ্ঞানত বিশ্ব ব্ৰহ্মাণ্ড সৃষ্টি সম্পৰ্কে সুপ্ৰতিষ্ঠিত তত্ত্ব নাই। বিজ্ঞানী সকলে বিস্তৰ অধ্যয়ণ বহুযুগ ধৰি কৰাৰ পাচতো একমত হব পৰা নাই। বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি, স্থিতি, বিকাশ আৰু ভৱিষ্যৎ সম্পৰ্কে বিজ্ঞানী সকলৰ দুটা শক্তিশালী তত্ত্ব আছে। এটা হল আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদ আৰু আনটো শ্ৰোডিন্‌জাৰ, ডিৰাক, ফাৰ্মি আদিয়ে গঢ় দিয়া মেক্স প্লাঙ্কৰ কোৱাণ্টাম তত্ত্বৰ বিবৰ্তিত ৰূপ কোৱাণ্টাম বলবিদ্যা। এই দুটা তত্ত্বৰ ওপৰিও তৃতীয় এটা তত্ত্বইও প্ৰতিষ্ঠা লাভৰ বাবে প্ৰতিযোগিতা চলি আছে। তত্ত্ব কেইটা হল— ১। বিগবেং বা মহানাদ তত্ত্ব। ২। ষ্টেডিষ্টেট বা স্থিতিশীল বিশ্বতত্ত্ব। ৩। পালছেটিং ইউনিভাৰ্চ বা দোদুল্যমান বিশ্ব তত্ত্ব। মহানাদ তত্ত্বমতে বিশ্বব্ৰহ্মাণ্ডৰ সমস্ত পদাৰ্থ আদিতে ইলেকট্ৰন প্ৰোটন, নিউট্ৰন, পজিট্ৰন, ফটন আদি মৌলিক কনাৰে গঠিত এটা বিৰাটাকায় পৰমাণু বা বস্তুপিণ্ডত আবদ্ধ হৈ আছিল। কিবা প্ৰকাৰে সেই আদিম পৰমাণুটোৰ বিস্ফোৰণ ঘটিল আৰু ইয়াৰ বিচ্ছিন্ন ভগ্নাংশবোৰ চাৰিওফালে সম্প্ৰসাৰিত হৈ যাবলৈ ধৰিলে। এই প্ৰক্ৰিয়াতে বিভিন্ন পদাৰ্থৰ সৃষ্টি হৈ গ্ৰহ নক্ষত্ৰৰে পৰিপূৰ্ণ নক্ষত্ৰ জগতবোৰৰ উৎপত্তি হল। গ্ৰহ নক্ষত্ৰৰ সৃষ্টি আৰু সেইবোৰ অপসাৰণ এতিয়াও চলি আছে আৰু অনন্তকাললৈকে চলি থাকিব।

স্থিতিশীল বিশ্বতত্ত্বমতে বিশ্বব্ৰহ্মাণ্ড একেদৰেই আছে আৰু একে দৰেই থাকিব। ইয়াৰ আদি অন্ত নাই। অৱশ্যে বিভিন্ন নক্ষত্ৰবোৰৰ অপসাৰণ পৰীক্ষাভিত্তিক সত্যটো এই তত্ত্বই মানি লৈছে আৰু কৈছে যে এনে অপসাৰণৰ ফল স্বৰূপে বিশ্বব্ৰহ্মাণ্ডত

কোনো অংশত হোৱা শূণ্যস্থান পূৰণৰ অৰ্থে নিতৌ নতুন পদাৰ্থৰ সৃষ্টি হৈ থাকে।

দোদুল্যমান বিশ্বতত্ত্বটো মহানাদ তত্ত্বৰ লগত সামঞ্জস্য আছে। এই দুই তত্ত্বৰ মাজৰ পাৰ্থক্য এই খিনিতেই যে মহানাদ তত্ত্বই যি দৰে বিশ্বব্ৰহ্মাণ্ড অনন্তকালৰ বাবে সম্প্ৰসাৰিত হৈ থাকিব বুলি কয় সেইদৰে দোদুল্যমান বিশ্ব তত্ত্বই কয় সময়ৰ লগে লগে বিভিন্ন নক্ষত্ৰ জগতবোৰৰ বেগ কমি আহি এটা সময়ত বেগশূণ্য হৈ বিশ্বব্ৰহ্মাণ্ডৰ সম্প্ৰসাৰণ বন্ধ হব। তাৰপাচত বিভিন্ন পদাৰ্থৰ মাজত থকা মহাকৰ্ষনিক আকৰ্ষণৰ বাবে সেইবোৰ পৰস্পৰৰ ওচৰ চাপি আহিব আৰু এটা সময়ত পুনৰ আদিম পৰমাণুটোৰ সৃষ্টি হব। তাৰ পিচত পুনৰ বিস্ফোৰণ হৈ পুণৰ সম্প্ৰসাৰণশীল বিশ্বৰ সূচনা হব। এই প্ৰক্ৰিয়াৰে বিশ্ব ব্ৰহ্মাণ্ডৰ সম্প্ৰসাৰণ আৰু সংকোচন চলি থাকিব। বিশ্ব ব্ৰহ্মাণ্ড গঠন সম্পৰ্কে আইনষ্টাইনৰ সাধাৰণ আপেক্ষিতাবাদ তত্ত্বৰ ভিতৰত এটা তত্ত্ব দাঙি ধৰে। মহাকৰ্ষণ ক্ষেত্ৰ সম্বন্ধীয় সমীকৰণবোৰ সমাধান কৰোতে প্ৰথমে এখন স্থিৰ বিশ্বৰ আৰ্হি দাঙি ধৰিছিল। কিন্তু 1929 চনত আমেৰিকান জ্যোতিৰ্বিদ হাবলে উক্ত আৰ্হি অবাস্তব বুলি প্ৰমাণ কৰে। পোহৰৰ বৰ্ণালী বিশ্লেষণৰ জৰিয়তে প্ৰমানিত 'ৰেদ চিফত্' ৰ আবিস্কাৰে আইনষ্টাইনৰ স্থিৰ বিশ্বৰ আৰ্হি নাকচ কৰে কিন্তু সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বৰ শক্তি সিমানতে শেষ হৈ নগল। ৰুছ গণিতজ্ঞ আলেকজেণ্ডাৰ ফ্ৰীডমেনে মহাকৰ্ষণ ক্ষেত্ৰ সম্বন্ধীয় সমীকৰণ সমূহৰ সমাধানৰ ভিত্তিত বিবৰ্ত্তণশীল বিশ্বৰ এটা আৰ্হি ডাঙি ধৰিলে। আইনষ্টাইনৰ সাধাৰণ আপেক্ষিকতাবাদত স্থান কালৰ বক্ৰতাৰ ধাৰণা দিয়ে। গোলাকাৰ বস্তু এটাৰ উপৰিভাগৰ বক্ৰতাক ধনাত্মক, চেডেল আকৃতিৰ উপৰি ভাগৰ বক্ৰতাক ঋনাত্মক আৰু সমতলৰ বক্ৰতাক শূণ্য বক্ৰতা বুলি কোৱা হয়। সাধাৰণ আপেক্ষিকতাবাদ তত্ত্বমতে মহাকৰ্ষণ ক্ৰিয়া এই স্থান কালৰ বক্ৰতাৰ এক স্বাভাৱিক পৰিণতি মাথোন। ফ্ৰীডমেনৰ বিবৰ্ত্তনশীল বিশ্বব্ৰাণ্ডৰ আৰ্হি এই স্থান কালৰ বক্ৰতাৰ আলমত গঠিত। এই আৰ্হিত বিশ্ব ব্ৰহ্মাণ্ডৰ সম্প্ৰসাৰণ এটা সময়ত বন্ধ হবগৈ যদিহে বক্ৰতা ধনাত্মক হয় আৰু তাৰ পিছত আৰম্ভ হোৱা সংকোচনৰ ফলত সমস্ত পদাৰ্থ লগ লাগি এটা সময়ত অতি ঘন বস্তুপিণ্ডত পৰিণত হব। কিন্তু যদি বক্ৰতা ঋনাত্মক বা শূণ্য হয় বিশ্ব ব্ৰহ্মাণ্ডৰ সম্প্ৰসাৰণ অনন্তকাল ধৰি চলি থাকিব। ফ্ৰীডমেনৰ এই আৰ্হিয়েই হল মহানাদ তত্ত্বৰ গানিতিক ভিত্তি।

মহানাদ তত্ত্বৰ 'আদিম পৰমানু' আৰু তাৰ পৰা সৃষ্টি হোৱা নক্ষত্ৰজগতবোৰৰ অপসৰণ এই মূল ধাৰণা আহিল হাবলৰ। বিশ্ব ব্ৰহ্মাণ্ডৰ সমূহ পদাৰ্থ অতি ঘনত্বৰ এটা ক্ষুদ্ৰায়তন পৰমাণুৰ মাজত আৱদ্ধ থাকিবলৈ হলে বৰ্ত্তমান আমি পোৱা পদাৰ্থৰ অনু পৰমানুৰ ৰূপত থাকিব নোৱাৰিব। বৰ্ত্তমানৰ প্ৰতিষ্ঠিত পৰমানু বিজ্ঞানৰ নীতি অনুযায়ী অতিপাত চাপ তাপৰ প্ৰভাৱত কল্পনাতীত ঘনত্বৰ সেই পৰমাণুটোত থকা সকলোবোৰ পদাৰ্থ কেৱল ফোটন, ইলেকট্ৰন, প্ৰোটন, নিউট্ৰন আদি মৌলিক কণাৰ ৰূপতহে থকাটো সম্ভৱ। আদিম পৰমানুটোৰ বিস্ফোৰণৰ এখন ছবি আধুনিক কোৱাণ্টাম বলবিজ্ঞান, আপেক্ষিকতাবাদ আৰু পৰমানু বিজ্ঞানৰ ভিত্তিত দাঙি ধৰিছে। বিজ্ঞানীসকলৰ ধাৰণা আদিম পৰমানুটোৰ বিস্ফোৰণ ঘটিছিল এহেজাৰৰ পৰা দুহেজাৰ কোটি বছৰৰ আগেয়ে। বিস্ফোৰণৰ ঠিক পিচ মূহুৰ্ত্তত অৰ্থাৎ ১০,০০০ চেকেণ্ডৰ পাছত বিশ্বব্ৰমাণ্ড ঘাইকৈ নিউট্ৰন প্ৰোটন আদি অতি অতি ক্ৰিয়াশীল হেড্ৰন শ্ৰেণীৰ মৌলিক কণাৰে পৰিপূৰ্ণ আছিল। তেতিয়া উষ্ণতা আছিল প্ৰায় $৫ \times ১০^{১০}$ ডিগ্ৰী কেলভিন। ইয়াৰ পাছ মূহুৰ্ত্তত অৰ্থাৎ ১ চেকেণ্ডৰ পাছত উষ্ণতা হয়গৈ $৫ \times ১০^{৯}$ ডিগ্ৰী কেলভিন। এই সময়ত বিশ্বব্ৰহ্মাণ্ডৰ প্ৰধান উপাদান আছিল পজিট্ৰন, নিউট্ৰিনো আদি বেৰিয়ন শ্ৰেণীৰ কণিকাসমূহ আৰু ফোটন। ইয়াৰ পিছতেই বিকিৰণ যুগ আৰম্ভ হয়। এই সময়ত মূল উপাদান আছিল ফোটন। তেতিয়া বিকিৰণৰ পৰিমাণ যথেষ্ট বেছি আছিল।



বৰ্ত্তমানৰ বিশ্ব ব্ৰহ্মাণ্ড প্ৰধানকৈ অন্ধকাৰপূৰ্ণ, ইয়াত বিকিৰণতকৈ পদাৰ্থৰ পৰিমাণ বহুতো বেছি। আদিম বিস্ফোৰণৰ পাছৰে পৰা বিশ্ব ব্ৰহ্মাণ্ডৰ অবিৰত সম্প্ৰসাৰণৰ হেতু ইয়াৰ উষ্ণতা কমি আহিবলৈ ধৰে আৰু লগে লগে পদাৰ্থ সৃষ্টিৰ পৰিবেশো গঢ়ি উঠে। বিকিৰণ আৰম্ভ হয় আদিম বিস্ফোৰণৰ পাছত মৌলিক কণা আৰু প্ৰতি কণাবোৰৰ মাজত হোৱা ধ্বংসাত্মক আন্তঃক্ৰিয়া আৰু তাৰ পৰিনতিত হোৱা সিহঁতৰ অৱলুপ্তিৰ ফল হিচাবে। কণা আৰু প্ৰতিকণাৰ মাজৰ সম্বন্ধ এনেকুৱা যে ইহঁতৰ মাজৰ বিক্ৰিয়াৰ ফলত দুয়োটা নিঃশেষ হৈ যায় আৰু কণিকা দুটাৰ ভৰখিনিয়ে শক্তিৰ ৰূপত আত্ম প্ৰকাশ কৰে। এই শক্তিয়েই হল ফোটন বা বিকিৰণ কণিকা। বিজ্ঞানী সকলৰ ধাৰণা অনুযায়ী আদিম বিশ্বত কণিকাৰ পৰিমাণ প্ৰতি কণিকাতকৈ বেছি থকাৰ কাৰণে সকলোবোৰ কণিকাৰ অৱলুপ্তি নঘটিল আৰু এই অৱশিষ্ট কণিকা সমূহেই পাছলৈ বিশ্ব ব্ৰহ্মাণ্ডৰ বিভিন্ন পদাৰ্থ সৃষ্টিত অংশ গ্ৰহণ কৰিলে। বিশ্ব ব্ৰহ্মাণ্ডৰ কোনো অংশত হয়তো কণিকাতকৈ প্ৰতি কণিকাৰ পৰিমাণ বেছি হোৱা হেতুকে ধ্বংসাত্মক বিক্ৰিয়াৰ পিছত অৱশিষ্ট প্ৰতি কণিকাবোৰে সেইবোৰ অংশত হয়তো একোখন প্ৰতি পদাথৰ জগতো সৃষ্টি কৰিছিল। বিস্ফোৰণৰ পাছত হোৱা অবিৰত সম্প্ৰসাৰণৰ হেতু বিশ্ব ব্ৰহ্মাণ্ডৰ উষ্ণতা কমি গৈ এটা সময়ত পাৰমানৱিক সংযোজনৰ এটা অনুকূল পৰিবেশ গঢ়ি উঠি একোটা প্ৰোটনৰ লগত একোটা নিউট্ৰন লগ লাগি গধূৰ হাইড্ৰোজেন বা ডিউটেৰিয়ামৰ পৰমাণুগৰ্ভ সৃষ্টি হবলৈ ধৰে। ইয়াৰ পিছত এটা প্ৰোটনৰ লগত দুটা নিউট্ৰন লগ হৈ আন এবিধ গধূৰ হাইড্ৰোজেন ট্ৰিটিয়ামৰ পৰমাণুগৰ্ভ সৃষ্টি হয়। তাৰ পাছত দুটা প্ৰোটন আৰু দুটা নিউট্ৰন লগ লাগি একোটাহঁত হিলিয়াম পৰমাণুগৰ্ভ সৃষ্টি হয়। এইদৰে পৰিবেশৰ পৰিবৰ্ত্তণৰ লগে লগে বিভিন্ন পদাৰ্থৰ পৰমাণুগৰ্ভবোৰ সৃষ্টি হবলৈ ধৰে। আৰু এইদৰে এতিয়াও হৈয়েই আছে।

মহাকাশৰ আৰু এটা উল্লেখনীয় পৰিঘটনা হল মহাকাশত বিস্ফোৰণ মানুহৰ যি দৰে জন্ম, বিকাশ আৰু মৃত্যু হয় তেনেদৰে নক্ষত্ৰবো হয়। মৃত্যুমুখী নক্ষত্ৰক চুপাৰনভা বোলা হয়। এখন নক্ষত্ৰ জগতত নিযুত পৰিমাণৰ নক্ষত্ৰ থাকে এই সকলোবোৰ নক্ষত্ৰই একেলগে যিমান পোহৰ দিয়ে তাৰকা ৰাজ্যৰ এটা তৰাই চুপাৰনভা হৈ বিস্ফোৰণ ঘটিলে অকলেই সিমান পোহৰ দিয়ে। চুপাৰনভা বিস্ফোৰণ মহাকাশত প্ৰায় ৩০০—৪০০ বছৰৰ মূৰে মূৰে হয় কেতিয়াবা নঘটিবও পাৰে। হাতীপতিৰ তৰা সমূহৰ মাত্ৰ এটা মানৱহে এই বিস্ফোৰণ ঘটে আৰু বিস্ফোৰণৰ সময়ত $১০^{৫১}$ আৰ্গ পৰিমাণৰ শক্তি নিৰ্গত কৰে আৰু উজ্জ্বলতা অস্বাভাৱিক ধৰণে বৃদ্ধি পায়। ❁

> বিজ্ঞানে মানুহৰ চিন্তা শক্তি এনে ভাৱে বৃদ্ধি কৰিছে আৰু শাৰীৰিক শ্ৰম এনেভাৱে কমাই তুলিছে যে এসময়ত মগজুৰ বৃদ্ধি হৈ হৈ মানুহৰ মূৰটো ডাঙৰ হৈ পৰিব আৰু হাতভৰিৰ চালনা নোহোৱাৰ বাবে চিয়াঁ হৈ কেঙ্কেৰৰ আগঠেং দুখনৰ দৰে হ'বগৈ আৰু শেষত মানুহটো হৈ পৰিব কুষ্মাণ্ডসদৃশ।
>
> — ডাৰউইন

# নাৰী আৰু সমাজত

## সতীত্বৰ স্থান ঃ

— শিৱ বৰগোহাঁই
গ্ৰন্থাগাৰিক

"ৰমণ্যাং দেবাঃ ন যানন্তি" অৰ্থাৎ নাৰীক দেৱতায়ো বুজিব নোৱাৰে। নাৰীক দুৰ্বোধ্য ভাৱে অংকণ কৰা হয়। মানুহৰ ক্ষেত্ৰত ই আৰু জটিল। দেৱতাক নিলগত ৰাখি আমি মানুহে তথা পুৰুষ জাতিয়ে নাৰীক যি ধৰণে বুজো বা গ্ৰহণ কৰো সেইটোহে আলোচ্য বা বিচাৰ্য্য বিষয়। সাধাৰণতে দেখিবলৈ পোৱা মতে সদায় পুৰুষ জাতিয়ে নাৰীক নিজৰ স্বাৰ্থৰ অনুকুলে প্ৰয়োগ কৰে। পুৰুষ প্ৰধান সমাজত নাৰীক সদায়েই অৱহেলা কৰা হয়। ই আজিৰ কথা নহয়। প্ৰাচীন সমাজতো নাৰীক হেয় চকুৰে আৰু কেৱল ভোগৰ সামগ্ৰী হিচাবেহে গ্ৰহণ কৰি অহা দেখিবলৈ পোৱা যায়। তেওঁলোকৰ স্বভাৱ আৰু চৰিত্ৰৰ বিপক্ষে অনবৰতে বদ্ অভ্যাস আৰু অপবাদ ৰটনা কৰা হয়। বিশ্বৰ সকলো দেশতে সাধাৰণতে দেখিবলৈ পোৱা যায় যে নাৰীক পুৰুষৰ সৈতে সম মৰ্য্যদা দিয়া হোৱা নাই আৰু পুৰুষ প্ৰধান সমাজে তেওঁলোকক নিজ স্বাৰ্থ পূৰণাৰ্থে ভোগৰ সামগ্ৰী হিচাবে ব্যৱহাৰ কৰি আহিছে। তেওঁলোক পুৰুষৰ বাবে সুলভ মূল্যৰ পণদ্ৰব্য। পুৰুষ সকলৰ লোলুপ দৃষ্টিত তেওঁলোক কামনাৰ বলি হয়।

আদি কবি ৱাল্মিকীয়ে ৰামায়ণ মহাকাব্যত "জননী জন্মভূমিশ্চ স্বৰ্গাদপী গৰিয়সী" বুলি উল্লেখ কৰিছিল। তথাপিও বেদ-বেদান্ত, পুৰাণ-উপনিষদ সকলোতে নাৰীৰ প্ৰতি পুৰুষে কৰা অবিচাৰৰ কাহিনী বৰ কম নহয়। উপনিষদৰ যুগত নাৰীক আদৰ্শ পত্নী, আদৰ্শ মাতৃ আৰু ধৰ্ম্মপ্ৰাণা হিচাবে চিত্ৰিত কৰা হৈছে। সতী সম্বলাই পতিৰ সেৱাত উচ্চ আদৰ্শ দেখুৱাইছিল। কিন্তু বৰ্ত্তমান যুগত পুৰুষ প্ৰধান সমাজে এই কথা সহজভাৱে গ্ৰহণ কৰিব নুখুজে। যিটো কথা বা নীতি সেই সময়ৰ বাবে সচল আছিল বৰ্ত্তমানে সেইটো একেবাৰেই অচল। কাৰণ বৰ্ত্তমানে আমি সচৰাচৰ ভাৱে দেখিবলৈ পোৱা— কোনোবা মন্দিৰৰ দেৱদাসী, বেশ্যালয়ৰ কোনো দেহোপজিৱিনী নাৰী হলেও তেওঁলোক সতীত্ব অধিকাৰিণী হব নোৱাৰে। নাচি নাচি দেৱতাক সন্তুষ্ট কৰিবলৈ অহা দেৱদাসীয়ে দেৱতাৰ স্বৰূপ কোনো পূজাৰীৰ কামনাৰ বলি হবলগীয়া হয়। এই খিনিতে আমাৰ মনত প্ৰশ্ন হয় যে দেৱদাসীয়ে কাৰ বাবে নাচে, নটীৰ নাচে কাক আনন্দ দিয়ে— পুৰোহিতক নে দেৱতাক ? ইচ্ছাকৃত বা ইচ্ছা অবিহনে তেওঁলোকে নিজৰ সতীত্ব হেৰুৱাই পেলায়। একোগৰাকী নাৰী সৌন্দৰ্য্যময়ী, লাৱণ্যময়ী আৰু মাতৃত্ব অধিকাৰিণী বুলি কোৱা সত্বেও পুৰুষ সমাজে তেওঁলোকৰ নাৰীত্ব তথা সতীত্বৰ প্ৰতি সজাগ নহয়। সচেতন বা সজাগ হবলৈ চেষ্টা কৰা মানেই তেওঁলোকৰ স্বাৰ্থৰ পৰিপন্থী বা ব্যাঘাত জন্মে।

**Women in Europe and America— You fcl that if you compared and contrasted the attitude towards Women of the West and the East, the ill-treatment of Female in the West— India gave to the female in the remote past that did the Ancient Greeks.**

**In the earliest phases, when she was the vehicle for life as she gave birth to the child. She was honoured almost everywhere as mother - Goddess.**

**In the periods in which the chiftains all over the world fought to occupy more land, Women was often won as the prize of the Conquest. Thus Sita, Helen and Draupadi were fought over took Wom:n as booty from the def.atcd. ( Colonel Sharan )**

সতীত্ব লুণ্ঠন তথা নিৰ্য্যাতন নাৰীৰ অৱদমিত অৱস্থান। নাৰীয়ে নাৰীত্ব হেৰুওৱা বহু কাৰণৰ ভিতৰত প্ৰধানকৈ যেতিয়া দেশত প্ৰশাসনীয় নিপিড়ন নামি পৰে সামগ্ৰিকভাৱে ৰাইজৰ ওপৰত, আৰু তেনে সময়তে বলি হয় নাৰী সমাজ সৈন্য বাহিনীৰ কামনা বাসনা চৰিতাৰ্থ কৰাৰ থলি হিচাবে। উদাহৰণ স্বৰূপে আমি যদি দৃষ্টিপাত কৰো— ২য় মহাযুদ্ধৰ সময়ত সৈন্যৰ কামনা চৰিতাৰ্থ কৰিব বাবে জাপানৰ প্ৰশাসনে একো গৰাকী ছোৱালী যোগান ধৰিছিল আৰু একোজনী ছোৱালী অজ্ঞান হৈ নপৰালৈকে সৈন্য সকলক দেহ দান কৰিবলৈ সাজু থাকিব লগীয়াত পৰিছিল। সেইদৰে আমাৰ অসমতো বিদেশী অনুপ্ৰৱেশৰ প্ৰতিবাদত সংগঠিত-ভাৱে ওলাই অহা সময়ত উত্তৰ কামৰূপত পুলিচৰ হাতত নাৰীয়ে হেৰুৱাবলগীয়া হয় নাৰীত্ব। ঠিক তেনেকৈ বৰ্ত্তমানে চলি থকা অশান্ত পৰিস্থিতিত বহু খ্যাত অখ্যাত নাৰীয়ে নিজৰ সতীত্ব হেৰুৱাই নহয়, মৃত্যু বৰনো কৰিবলগীয়া হৈছে।

এক প্ৰৱন্ধত কেইগৰাকীমান ভাৰতীয় নাৰীৰ বিশেষকৈ মহাভাৰতৰ দ্ৰৌপদী আৰু ৰামায়ণৰ সীতাৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ দিশসমূহৰ মুল্যাংকণ কৰিব বিচৰা হৈছে। যি এই দুগৰাকী নাৰীক সতী তথা সতীত্ব গুণৰ অধিকাৰিণী বুলি চিহ্নিত কৰা হৈছে তেওঁলোকৰ জীৱন কাহিনী আৰু জীৱন দৰ্শনৰ ওপৰত ভিত্তি কৰি জন জীৱনৰ তথা সমাজ ব্যৱস্থালৈ যোগোৱা অৱদানৰ ওপৰত আলোকপাত কৰা প্ৰচেষ্টা লোৱা হৈছে।

ত্যাগৰ জৰিয়তে একো গৰাকী নাৰী সাধাৰণ নাৰীতকৈ উচ্চ স্থান লাভ কৰে। এই ত্যাগ ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধত। আনৰ হিত সাধনৰ বাবে, দহ জনৰ তথা দেশৰ মঙ্গল সাধনৰ বাবে যি এই ত্যাগ কৰিব পাৰে সেই নাৰীয়েহে নাৰীৰ প্ৰমূল্যবোধ সতীত্ব আৰ্জ্জন কৰিব পাৰে। কেৱল নাৰীত্ব হেৰুৱালেই একোগৰাকী নাৰীক অসতী বুলি আখ্যা দিব নোৱাৰি। বলাৎকাৰ, ধৰ্ষণ আদিৰ দ্বাৰা নাৰী শোষিত বা সতীত্ব নষ্ট হলেও তেওঁ অসতী ৰূপে চিহ্নিত নহয়। কাৰণ তেনে ক্ষেত্ৰত একো গৰাকী নাৰী সমাজৰ ফালৰ পৰা কলঙ্কিত হলেও তেনে নাৰীক অসতী বুলি কোৱা নহয়। প্ৰকৃততে পাঁথিব সুখ - সম্পদ, ভোগ-বাসনা, সুখ-সম্ভোগ সকলো ত্যাগ কৰি যি জীৱন অতিবাহিত

কৰিবলৈ সক্ষম হয় তেনে নাৰীকে সতী বুলি কোৱা হয়।

সেই সকল নাৰীৰ জীৱনৰ বিশদ বিৱৰণ দাঙি নধৰি তেওঁলোকৰ চাৰিত্ৰিক দিশ সমূহে ইয়াত প্ৰাসঙ্গিক হিচাবে লৈ তেওঁলোক যে সতীত্ব গুণৰ অধিকাৰিণী তাকহে উপবিষ্ট কৰা হৈছে। অৱশ্যে এইখিনি কৰোতে তেওঁলোকৰ জীৱন দৰ্শণৰ আহিঁ আৰু নীতিৰ ওপৰতো প্ৰতিফলন ঘটোৱা হৈছে। সেইবাবেই সেই সময়ৰ পুৰুষ সমাজকো, বিশেষকৈ তেওঁলোকৰ লগত ওতঃ প্ৰোতভাবে জড়িত ব্যক্তি বিশেষৰ জীৱনী তথা কাৰ্য্যকলাপৰ বিষয়েও ইয়াত সমান্তৰালভাৱে উপস্থাপন কৰা হৈছে।

পৌৰাণিক কাহিনীৰ আধাৰত যদি নাৰীৰ নাৰীত্ব আৰু সতীত্ব সম্বন্ধে কিছু বুজ লবলৈ চেষ্টা কৰা যায় তেতিয়া হলে, সীতা, দ্ৰৌপদী, অহল্যা, সাবিত্ৰী আৰু জয়মতীৰ জীৱন দৰ্শণ আৰু চাৰিত্ৰিক দিশ বিচাৰ বিশ্লেষণ কৰিবই লাগিব। এই প্ৰাচীন কালৰ সীতা, দ্ৰৌপদী, অহল্যা, সাবিত্ৰী আদি ভাৰতীয় নাৰী কুসুমতকৈয়ো কোমল কিন্তু প্ৰয়োজনবোধে ৱজ্ৰতকৈ কঠোৰ হব পাৰে। যেনেকৈ লেকি জয়মতী, মুলাগাভৰু আৰু ৰাণী লক্ষ্মীবাই।

নাৰীৰ সতীত্ব সম্বন্ধে বিচাৰ তথা সংজ্ঞা দিবলৈ যাওঁতে কিছুমান অতি আচহুৱা আচৰণ বিধিয়ে আমাক চিন্তিত কৰি তোলে। সেই হিচাবে প্ৰকৃততে দ্ৰৌপদী সতীত্ব অধিকাৰিণী যোগ্যা আছিল নে ? প্ৰথমেই আমাৰ চকুত ধৰা দিয়া আচহুৱা আচৰণটো হৈছে যে বেদৰ মতে তিৰোতা মানুহৰ মাথোন এজন পতি থকাটোৱেই নিয়ম। ইয়াৰ ব্যতিক্ৰম ঘটিব নালাগে। দ্ৰৌপদীৰ কেইবাজনো (পঞ্চ) পতি। সেইকালৰ পৰা দ্ৰৌপদী অধইচ তিৰোতা।

কিন্তু সেই সময়ৰ অৱস্থা আৰু সমাজ ব্যৱস্থাৰ প্ৰতি মনোযোগ দিলে বেদৰ এই যুক্তিকো খণ্ডন কৰিব পৰা যায়। কাৰণ আদিম সমাজত নাৰী সম্পূৰ্ণৰূপে মুকলিমূৰীয়া আছিল। তাৰোপৰি আদিম সমাজ মাতৃ প্ৰধান আছিল। সেই সমাজত এক নাৰী বহুপতি বা স্বামী প্ৰথা আছিল। দ্ৰৌপদীও নাৰী হিচাবে সেই সমাজ আৰু সমাজ ব্যৱস্থাৰ মাজতে বাস কৰিছিল। গতিকে দেখা যায় দ্ৰৌপদীৰ বাবে সেইটো ব্যতিক্ৰম নাছিল। এইটো যুক্তি ভিত্তিতেই দ্ৰৌপদীক অসতী বা সতীত্ব নষ্ট হোৱাতো গ্ৰহণ যোগ্য নহয়। বৰ্ত্তমান কালতো এতিয়াও উত্তৰ পূৰ্ব্বাঞ্চলৰ নগা সকলৰ মাজত পুৰুষে বহু পত্নী গ্ৰহণ কৰিব পাৰে। আনহাতে দক্ষিণ ভাৰতৰ নীলগিৰি পাহাৰৰ বাসিন্দা টোডা সকলৰ মাজত কেইবাজনেও লগলাগি এগৰাকী যুৱতীক বিয়া কৰায়। অৰ্থাৎ তেওঁলোকৰ সমাজত বহুপতি গ্ৰহণ কৰিব পাৰে। যেনেকৈ মহাভাৰতত দেখা যায় যে ভীম বা অৰ্জ্জুনৰ অন্য স্ত্ৰী থকা সত্বেও দ্ৰৌপদী আটাইকেইজন ভায়েকৰ সাধাৰণ স্ত্ৰী আছিল।

এক নাৰী আৰু দল স্বামী প্ৰচলন কালৰ অৱসান ঘটাই পৰৱৰ্ত্তী কালত এক নাৰী এক স্বামী অৰ্থাৎ যুৱীয়া দাম্পত্য জীৱন আদৰণীয় হয়। কাৰণ মহাভাৰতৰ কুন্তীৰ বহুস্বামী, দ্ৰোপদীৰ পঞ্চ স্বামী, কিন্তু ৰামায়ণৰ ৰাম-সীতাযুগল স্বামী-স্ত্ৰী।

এই যে ৰাম-সীতা যুগল স্বামী স্ত্ৰীৰ কথা কোৱা হৈছে সেইটো সেই সময়ৰ সমাজ ব্যৱস্থাৰে এক ৰূপ। কাৰণ সীতাক সম্পূৰ্ণৰূপে শ্ৰেণী সমাজৰ আদৰ্শ নাৰী ৰূপত চিত্ৰিত কৰা হৈছে। শ্ৰেণী সমাজত নাৰী সম্পূৰ্ণ ৰূপে পুৰুষৰ অধীন। এই শ্ৰেণী সমাজত পুৰুষে সদায় নাৰীৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰে। এই সমাজৰ মতে নাৰীৰ যৌন শুচিতাই থাইকৈ সতীত্বৰ প্ৰধান সম্বল বুলি গণ্য কৰা হয়। যৌন শুচিতাৰ আশংকাতে ৰামে ৰাৱণ বধৰ পিছত সীতাক অগ্নিত পৰীক্ষা কৰিছিল আৰু পিছত বনবাস দিছিল। ৰাম যদিও প্ৰজাবৎসল, প্ৰজাৰঞ্জক আছিল শাসন কাৰ্য্যত বৰ পুতো লগাকৈ দুৰ্ব্বল আছিল। আনহাতে ৰাম যদিও ত্যাগৰ মূৰ্ত্তি আৰু ৰামে ৰাজ্যৰ দাবী পৰিত্যাগ কৰি পিতৃৰ আজ্ঞাত বনবাসৰ দোষ আদৰি লৈছে, তেনে ক্ষেত্ৰত ভাতৃ ও সহধৰ্ম্মিণী লক্ষ্মণ আৰু সীতাই বনবাসৰ আজ্ঞা তেওঁলোকৰ ওপৰত প্ৰয়োগ নোহোৱা সত্বেও পতিৰ প্ৰেমত বনবাসৰ ক্লেশ উপযাচি গ্ৰহণ কৰিছে। ৰাৱণৰ ঘৰত থকা বুলি সীতাৰ অপবাদ প্ৰজাৰ মাজত প্ৰচাৰিত হোৱাত প্ৰজাৰ সন্তুষ্টি আৰু মনোৰঞ্জনৰ বাবে নিজ প্ৰিয়তমা, বিশুদ্ধা গৰ্ভৱতী পত্নীক বিসৰ্জন দিলে। অশ্বমেধ যজ্ঞৰ অন্তত সীতাৰ লগত ক্ষন্তেক দেখা হ'ল যদিও প্ৰজাৰ আগত সতীত্বৰ প্ৰমান লঙ্কাত অগ্নি পৰীক্ষাত প্ৰমান দি অহা সত্বেও দ্বিতীয়বাৰ দিবলগীয়া হোৱাত অভাগিনী সীতাই সতীত্ব প্ৰমান দি মাতৃ পৃথিৱীৰ গৰ্ভত ঠাই ললে।

অগ্নি পৰীক্ষাই ৰামক যেনেকৈ লোকাপবাদৰ পৰা ৰক্ষা কৰিলে তেনেকৈ সীতাইয়ো পৰিত্ৰতা প্ৰমান কৰি লোকাপবাদৰ পৰা তেওঁক ৰক্ষা কৰিলে। নাৰী জাতীৰ প্ৰতীকি সীতাৰ ওপৰত কৰা ৰামৰ এই স্বাৰ্থপৰ কাৰ্য্য মুঠেই সমৰ্থনযোগ্য নহয়। তেনেকৈ ৰজা দুষ্মন্তই শকুন্তলাক উদ্দেশি কৈছিল, "দেৱী, তোমাৰ সতীত্ব যাতে সন্দেহৰ অতীত হৈ ৰয়, সেই বাবেই মই তোমাক এইদৰে ব্যৱহাৰ কৰিছিলো। তাকে নকৰাহলে মানুহে ভাবিলেহেঁতেন যে আমাৰ মাজত অসৎ সম্বন্ধ গঢ় লৈ উঠিছিল।" এনে কাৰ্য্যই পুৰুষ প্ৰধান সমাজৰ পুৰুষে নাৰীৰ ওপৰত কৰা অত্যাচাৰ উৎপীড়নৰহে সমৰ্থনপুষ্ট দৃষ্টান্ত।

এতিয়াও আমাৰ সমাজত বিশেষকৈ ভাৰতীয় সমাজত পুৰুষৰ প্ৰাধান্য বিদ্যমান। সেয়ে কন্যা সন্তান জন্মিলে একোটা পৰিয়ালে যিমান বেদনা অনুভৱ কৰে, পুত্ৰ সন্তান উপজিলে কিন্তু আনন্দৰ সীমা নাথাকে। 'দশপুত্ৰ সম কন্যা' বুলি কলেও 'পুত্ৰাৰ্থে ক্ৰীড়তে ভাৰ্য্যা' এই আপ্তবাক্যৰ ওপৰতহে ভাৰতীয় মানসিকতা নিমজ্জিত হৈ আছে।

মানুহে মানুহক তথা পুৰুষে নাৰীক যিমান বুজি পায় অৰ্থাৎ বুজিবলৈ চেষ্টা কৰে তাৰ অন্তৰালত নিহিত হৈ থাকে নিজ স্বাৰ্থপূৰণৰ ইঙ্গিত। এই দৃষ্টি ভঙ্গীতে পুৰুষে নাৰীক বুজি পোৱাতো সহজাত প্ৰবৃত্তি হৈ পৰিছে। কাৰণ বৰ্ত্তমান কালত সৌসিদিনা দেওৰালাৰ শিক্ষিতা নাৰী ৰূপ কণ্‌ৱাৰে স্বামীৰ চিতাত উঠি নিজকে সপি দি সহমৰণ বৰণ কৰি 'সতী' যায়। এই বিষয়ত সপক্ষে বা বিপক্ষে যিমানেই তৰ্ক-বিতৰ্ক অৱতাৰণা নহওক লাগে ইয়ো এক 'সতী' দাহ জ্বলন্ত নিদৰ্শন। ঠিক একে ধৰণেই মহাভাৰতৰ দিনত স্বামীৰ লগত পত্নীয়ে সহমৰণ বৰণ কৰা প্ৰথাৰ প্ৰচলন হৈছিল। পাণ্ডুৰ মৃত্যুত মাদ্ৰীয়ে সহমৰণ কৰিছিল।

মনত প্ৰশ্ন উদয় নোহোৱাকৈ নাথাকে যে নাৰী পুৰুষৰ অৰ্দ্ধাঙ্গিনী আৰু অপূৰ্ণ জীৱন পৰিপূৰ্ণ কৰা সঙ্গীনি হলেও পুৰুষ প্ৰধান সমাজে সেই কথা সততে পাহৰি যায়। ++

বিঃ দ্ৰঃ প্ৰবন্ধটি ৰচনাত তলৰ কিতাপ কেইখনৰ সহায় লোৱা হৈছে।

* মহাভাৰত, ডঃ মহেন্দ্ৰ বৰা।
* মাধৱ কন্দলিৰ ৰামায়ণ, শশী শৰ্মা।
* বাতৰি কাকত।

## ঃ মহান বাণী

লেখকক তিনি শ্ৰেণীত ভাগ কৰিব পাৰি— এক শ্ৰেণী Artist of language যি লেখক শ্ৰেণীৰ ভাষা অতি মনোগ্ৰাহী আৰু পাঠকৰ মানত অতি প্ৰিয়, আন এটা শ্ৰেণী Artist of Idea যি লেখকৰ ভাৱ উচ্চ আৰু তেনেভাৱৰ দ্বাৰা পাঠকৰ মন জয় কৰে আৰু তৃতীয় শ্ৰেণীৰ লেখক Artist of language and Idea, অৰ্থাৎ ভাষা আৰু ভাৱ উচ্চ মানৰ আৰু তেনে লেখাই সকলো শ্ৰেণীৰ মন দখল কৰে ॥

কবিতা * কবিতা * কবিতা * কবিতা * কবিতা

# কবিতা

## দুলীয়াজান মহাবিদ্যালয় আলোচনী

একাদশ সংখ্যা

১৯৯১ – ৯২

সম্পাদক ঃ শ্ৰীদিপান্ত কুমাৰ গগৈ

কবিতা * কবিতা * কবিতা * কবিতা * কবিতা

# প্ৰাচীৰ পত্ৰিকা শিতান



"এটি দুটি ক্ষণ যেন মুকুতাৰে বান্ধ
এনেয়ে হেৰুৱালে নাহে উভটি ।"

হেৰাই যোৱা দিনবোৰক পাহৰিবলৈ —চেষ্টা কৰিলেই অতীতৰ সকলোবোৰ জানো পাহৰণিৰ গৰ্ভত হেৰাই যায় ? নাযায় । সময় গতিশীল । ই বৈ থাকে - - - কিন্তু থাকি যায় তাৰ স্মৃতিৰ পদাৰ আঁৰে আঁৰে ছন্দোময় গতিৰ মৃদু— জোকাৰণি । স্মৃতিৰ ছন্দে ছন্দে থাকি যায় বিগত দিনবোৰৰ সুৰৰ লহৰ ।

প্ৰিয় পাঠক – পাঠীকা বৃন্দ,

সোঁৱৰণিৰ বালিচৰত আমাৰো জানো চিক্‌মিকাই থকা নাই 'কাকলি' ৰ এৰি অহা দিনৰ এটি – দুটি স্মৃতি - - - ?

⟶

[ কাকলি শিতান ]

## সংবাদ : মোৰ মনৰ

— চিদানন্দ

( ১ )

এতিয়া বন্দুকে গৰজিলেই
মই সাৰ পাই উঠো
খামুচি ধৰো মনৰ আশাবোৰ ।
গভীৰ নিশা,
হৃদয়খনে কথা পাতে জন্ম-মৃত্যুৰ সৈতে
ভাবিছো—
কোনোবা চেলেকা
ভাৰতীয় সেই শ্বাপদৰ দলটোৱে
আজি বা কোন নৰপুস্পিতাৰ দেহত
ৰাওচি জুৰে ।

( ২ )

কান পাতিলেই শুনো
মোৰ দেশৰ শইচৰ পথাৰত
সিহঁতৰ বুটজোটাৰ গুপ-গুপনি
খামুচি ধৰোঁ মুক্তিৰ তৰোৱাল ।
মোৰ বুকুত,
হাত দি চালেই বুজিব পাৰিবা
শোষিত জনতাৰ মুক্তিৰ প্ৰাৰ্থনা,
স্বাধীন মানৱৰ কণ্ঠত ভাঁহি উঠা
বিপ্লৱৰ শ্লোগানবোৰ
দেশ ৰক্ষাৰ মুক্ত মন্ত্ৰ ।



## ঃ এৰি অহা স্মৃতি ঃ

—দিপ্তী বড়া
একাদশ শ্ৰেণী (কলা)

নিৰ্লিপ্ত নিশ্বাসেৰে চপচপাই থকা
হৃদয়খন এতিয়া চাবি নিদিয়া
ঘড়ীৰ দৰেই স্তব্ধ

মগজুৰ ধুসৰ হৃদয়ত সত্যস্নাত মৰমবোৰ
দিপ্তমান আশ্চৰ্য্য।
মজ্জাগত সত্বাবোৰ সাঁচি থোৱা
ভালপোৱাবোৰ ফুলৰেণু হৈ উৰা মাৰে,
নেদেখা নুশুনা কোনো এক
অজান দিগন্তলৈ।

তোমাৰ স্মৃতিৰ ইতিহাসত বন্দী হৈ থকা
ৰঙা গোলাপৰ পাপৰিবোৰ সিঁচৰিত।
প্ৰত্যাশিত ফুলপাহক তুমি
এতিয়া আকৌ আঁকোৱালী
ল'ব পাৰিবা জানো ?
হয়তো পাৰিবা
এমোকোৰা প্ৰলোভনৰ হাঁহিৰে। ●



## ঃ শাশ্বত কবিতা ঃ

—দেৱজিৎ চলিহা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

দেউকা ভগা চৰাইজনীয়ে
ওৰে নিশা জোনাকক কন্দোৱাইছিল
ৰাতিপুৱা—
দুৱৰিডৰাত দেখিছিলোঁ
মৃত্যুৰ শব্দেৰে গঢ়া
এটি শাশ্বত কবিতা। ●



## ঃ নিহত জনৰ কবিতা ঃ

প্ৰতিবেশী মোৰ বন্ধুজন
সূৰ্যটো উদয় হোৱাৰ পৰত
নিহত হ'ল !
হিৰন্ময়ী পুৱাই সামৰি থলে সখিয়তী ৰ'দ।
এবুকু প্ৰতিবাদ এতিয়া
মোৰ প্ৰেমত
প্ৰতিবেশী মোৰ বন্ধুজন----
এটা বোবা শব্দ। ●

[ সংবাদ : মোৰ মনৰ ]

(৩)

এতিয়া মোৰ দেশৰ চৌপাশে
গৰজি উঠিছে মৃত্যুৰ হাবিয়াস
তথাপি—
জীয়াই থকাৰ তাড়নাত
হেৰাই যাব ধৰা প্ৰেমৰ দুহাতেৰে
দুখৰ পথাৰতে সিঁচি দিছোঁ
সোণালী দিনৰ বীজ।
সৃষ্টি হওঁক
সেউজীয়া দলিচাত
কোনেও কধিব নোৱাৰা
নতুন এটি বিপ্লৱ। *



## ঃ ভয় ঃ

—জয়া চেতিয়া
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

এইবেলিও পথাৰখনত
ধান কেই গোছা দাৱলৈ
অকলে ভয়েই লাগিছে
কি জানি বা সিহঁত আহে !

অজানিতে

তোমাক বিচৰাৰ চলেৰে
আঘোনৰ ৰ'দৰ তাপ
সহিব নোৱাৰি
নৰাৰ আঁৰত বহোঁতে
আহে যদি সিহঁত !

ঘৰৰ পৰা পথাৰখনো হ'ল দূৰত।

তথাপি—

ধান কেইডাল জানো নচপালে হ'ব।
পেটৰ জ্বালা জানো সহিব পাৰি ?
পদ-পথৰ ভিক্ষাৰীয়েও
পেটৰ বাবেইতো হাত পাতে।

এই বেলি দাৱনীয়ে
লয়লাস ভঙ্গীমাৰে
ধানদোৱা নাইচোন
চিকুণ কাঁচিৰ শব্দ
কাণত বাজি উঠা নাই

ক'তা, ৰংমনে ডাঙৰী নকঢ়িয়াই
কলৈ গ'ল ?
আঁতৰৰ পৰা ভাঁহি অহা
তোৰচোন বনগীতৰ সুৰবোৰ
লোপ হৈ গ'ল।
আৰু তোলৈ চাই মৰা
মোৰ মুখৰ মিঁচিকি হাঁহিটো
লেবেলি শুকাই গ'ল। ●

## ঃ বন্দনা

—শংখনাৰায়ণ হাজৰিকা

( ১ )

ক'তজন ছহিদ্ হ'ল
অসম ৰক্ষাৰ হকে
ক'তজন পঙ্গু হ'ল
অসমী আইৰ বাবে

( ২ )

আই তই নাকান্দিবি
—বুকুৰ তেজেৰে তোৰ
—চকু পানী মচি দিম
মনে-মনে কান্দি থকা
শেঁতা পৰা মুখনিত
হাঁহিৰ ৰেখা আঁকি দিম ।

( ৩ )

তেজপিয়া ভূত খেদি
প্ৰাণ দিলে ডেকাইঁতে
নাকান্দিবি আই তই
তোৰ বাবে আমি আছোঁ ।

( ৪ )

তেজলগা দুৱৰিত
মুৰ দাঙি গজি উঠে
সাতভনী ওলাই আহে
তাতে আমি বিহু নাচোঁ ।

( ৫ )

ৰিঙিয়াই সোধে আহি
প্ৰেতাত্মাৰ বীৰহঁতে
আইৰ মঙহবোৰ
জোৰালিনে নাই
হিয়াধুনি নাকান্দিবি
চন্দন পিন্ধাম তোক
ফুলেৰে সজাম তোক
তই মোৰ চেনেহৰ আই । ●

## ঃ ভোকাতুৰ

নিজৰা গৰ্গ
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

সিহঁত আজন্ম ভোকাতুৰ
'ভোক' শব্দৰ লগত
সিহঁতৰ নিবিড় সম্বন্ধ জন্মলগ্নৰে পৰা
সিহঁতৰ পেটত ভোকৰ উদ্ভণ্ডালি
সিহঁত জীৱ-মৃত ।
খুদকণ পালে কাৰোবাক
দিয়ে আৰ্শীবাদ
নাপালেও নিদিয়ে কাকো অভিশাপ
শোষকৰ এৰেহা পাত
সিহঁতৰ বাবে অমৃত,
সেই অমৃতত তৃপ্তি আছে
যদিও বা পেটভৰি নেপায় সিহঁতে
পোৱাকণত আছে মাদকতা
আধাপেটি হ'লেও
সিহঁতৰ কঠিন মটহাহাতৰ
সংগ্ৰাম অনিবাৰ্য্য
কঠোৰ সংগ্ৰামৰ শেষতো
মুখৰ আগত মাথো
আধা পেটি ভাত আৰু নিমখ মাত্ৰ । ●



## অন্ততঃ এটা দিনৰ বাবে

—ক্ৰেশৱ কাকতি
তৃতীয় বৰ্ষ স্নাতক (কলা)

অন্ততঃ এটা দিনৰ বাবে নিষিদ্ধ কৰা হওঁক মৃত্যু
মানুহৰ সমস্ত দুৱাৰ খুলি ৰোপণ কৰা হওঁক ফৰিংফুটা জোনাক
বাখৰ-খটোৱা সুখৰ গানে সুশোভিত কৰা হওঁক জীৱন
সময়ৰ হাতত থাকক পৰ্য্যটক সূৰ্য্য
বতাহত থাকক হেৰুৱা দিনৰ হেজাৰ গান
খবৰ ৰখা হওঁক ক'তো যেন দুখৰ অশ্ৰুপাত নহয়

অন্ততঃ এটা দিনৰ বাবে নিষিদ্ধ কৰা হওঁক মৃত্যু
সকলো নদীৰ হাতত দিয়া হওঁক সুগন্ধি শস্যৰ ঠিকনা
আকাশৰ আজলি ভৰাই দিয়া হওঁক প্ৰেমৰ বৰ্ণমালা
হৃদয়ত থাকক শান্তি-কল্যাণ
ওঁঠত থাকক যাদুকৰী শব্দৰ পাঠ
খবৰ ৰখা হওঁক ক'তো যেন উল্কাপাত নহয় সন্ত্ৰাসৰ

অন্ততঃ এটা দিনৰ বাবে নিষিদ্ধ কৰা হওঁক মৃত্যু
জোনাকে জোৰণ পিন্ধাই দিয়া হওঁক ৰাতিৰ শৰীৰ
মাটিৰ বুকুত সিঁচি দিয়া হওঁক শস্য-সাদৰ সেউজীয়া
চকুত থাকক সোণাৰু সপোন
মুখত থাকক মমতাৰ মাত
খবৰ ৰখা হওঁক ক'তো যেন নাথাকে আন্ধাৰৰ ছাঁ +++

## ঃ গণতন্ত্ৰৰ জয়গান ঃ



— নিৰ্মল কুমাৰ কেওঁট
স্নাতক দ্বিতীয় বৰ্ষ ( কলা )

জিজ্ঞাসা
বহুতো –
মৰা , কটা , খোৱা
এৰা ! এয়াটো মানুহৰ আদিম পিপাসা।
সিহঁত —
সিহঁত হেনো
আদিম জিজ্ঞাসাত উদ্বাউল ।
নুবুজে সিহঁতে
মৰম স্নেহ
আৰু জীৱনৰ মোল ।
সভ্যতাৰ আজিৰ যুগতো
পশুৰ দৰে মানুহক
ব্যৱহাৰ কৰি
খেলে হেতালি ,
আৰু সেয়ে
সিহঁতৰ হাত আজিও ৰাঙলী ।
পিপাসাৰ বলি যদিও
সৃষ্টিৰ জীৱশ্ৰেষ্ঠ মানুহৰ প্ৰান
এৰা !
এয়াও হেনো আধুনীক যুগৰ ,
সভ্যতাৰ উন্নতি
আৰু গণতন্ত্ৰৰ জয়গান। ●



## ঃ নৱ প্ৰভাতৰ ৰাঙলী আভাৰে ঃ

–জ্ঞান নাথ দিহিঙ্গীয়া
স্নাতক ১ম বাৰ্ষিক
( বিজ্ঞান শাখা )

ঐক্য, শান্তি, প্ৰগতিৰ বাবে
ক'ত যে গুচি গ'ল
ধৰাৰ বুকুৰ পৰা
মন দি, প্ৰাণ দি দেশৰ হকে ।
কতই চকুলো টুকে ঘৰিয়ালৰ দৰে
মৃতকৰ আত্মাৰ সদগতিৰ বাবে
জনসমাজত ফাকুঁ গুৰি খেলে
শত শ্বহীদৰ ৰাঙলী তেজেৰে ॥
সাহ নাই, পিত্ত নাই
আৰু নাই প্ৰতিবাদ
সহজ সৰল এই জনসমাজত
তুহঁ জুইৰ দৰে মাথো
উমি উমি জ্বলি থাকে,
আশা পালি নৱ প্ৰভাতৰ ॥
আহাঁ, অত্যাচাৰ অনাচাৰ
কলুষ কালিমাৰে ভৰা,
নিপিড়ীত সমাজৰ মুক্তিৰ বাবে
মিলিজুলি গাই যাওঁ,
বিজয়ৰ জয় গান
নৱ প্ৰভাতৰ ৰাঙলী আভাৰে ॥ ●



## এটি গীত ঃ

—ব্ৰজেন বিশ্বলিয়া
অধ্যাপক, অসমীয়া বিভাগ

নেদেখি দেখিলো কল্পনাৰ চকুৰে
চেনেহৰ প্ৰতিমাখনি ,
মনৰে মাধুৰীসোপাকে সানি লৈ
গাঁথিলো মুকুতা মণি ।



বিজুলীত দেখিলো চেনেহীৰ হাঁহিটি
ৰূপালী ৰঙেৰে ভৰা
মনৰে আকাশত কিনো ছবি আঁকে
কোনোবা কালৰে পৰা,

মিছাতে কিয়নো মৰোঁগৈ বিচাৰি
সোণ পোৱালৰে খনি ?
নাচনী নিজৰা দেখিয়ে বুজিলো
চেনেহীৰ বাউলী মন,



মিলনৰ আশাৰে খায় হাবাথুৰি
ক'তনো বুকৰে ধন,
গ'ল উৰা মাৰি মনে মোৰ সাজিলৈ
নাচনী পখিলাজনী ।

পখীৰ কাকলি শুনিয়ে বুজিলো
সুৱদী অমিয়া মাত,
ফাগুনৰ পৰশত আকুল পৰাণে
বনজুই জ্বলালে গাত,

বাটচাই ৰলো আহিব কেতিয়া
মোৰ নয়নৰেমণি। ✶



## ঃ স্বদেশ ঃ

—শ্ৰীমতী মামনী গাঁগ
একাদশ শ্ৰেণী (ক'লা)

আমাৰ এই স্বদেশ
নালাগে আমাক আদেশ,
জননী উদ্ধাৰৰ বাবে
আমি আহিছোঁ ওলাই ।

আই অসমীৰ বাবে আমাৰ
জীৱন বলি দিবলৈ
নাই অলপো ভয়,
জননী আমাৰ জন্মভূমিক
উদ্ধাৰ কৰিবলৈ নকৰোঁ
আমি সংশয় ।

ক'ত যে 'শ্বহীদৰ' তেজেৰে
চিৰচেনেহী জননীৰ
বুকু বোৱাই গ'ল
আমিও জননীৰে বীৰ সন্তান
আমাৰো ওলাবৰ হ'ল ।

ৰনতকৈ ও আপোন জননী
আমাৰ অসমী আই,
জননী আমাৰ জন্মভূমিক
বীৰ সন্তানে ৰাখিম জীয়াই ।

চিৰচেনেহী আই জননী
আমাক আশীৰ্ব্বাদ দিয়া
দেশৰ হকে উৎসাহ দিয়া
মৃত্যু সঞ্জীৱনী
আমাক দান কৰা ॥ ●



## তিনিটা স্তবক ঃ তোমাৰ

– মদিৰা শইকীয়া
দ্বাদশ শ্ৰেণী (কলা)

( ১ )

তুমি আকাশ হোৱা
কৰা এক নিৰবচ্ছিন্ন জোনাকৰ প্ৰস্তুতি
য'ত অগণন তৰাৰ মিছিল
অম্লান জ্যোতি চৌদিশে চৌপাশে
অন্তৰঙ্গ হ'ব তোমাৰ
প্ৰস্ফুটিত জোনবাই - উজ্জ্বল উচ্ছল
জোনাক বিয়পিব
তোমাৰ বিস্তিৰ্ণতাৰ ৰন্ধ্ৰে ৰন্ধ্ৰে

( ২ )

তুমি সাহিত্য হোৱা
পাতনি মেলা এক মহাকাব্যৰ অবিৰত গতি
উজ্জ্বলিব স্বপ্নীল - ছন্দোময়
শব্দৰ জিলিকনি
বৈ যাব —
অভিনৱ পটভূমিৰ খৰস্ৰোতা নদী
মহাকাব্যই আঁকি দিব
শতিকাৰ দস্তাবেজত
তোমাৰ প্ৰসৰিত কিৰ্ত্তী ।

( ৩ )

তুমি ফুলনী হোৱা
গুজি দিয়া, সিঁ দিয়া বহুৰঙী ফুল
সুগন্ধি অনুপম
সুকোমল পাহিৰ
সুবাসেৰে সাৱটিব
পৃথিৱীৰ যৌৱনা দেহক অহৰ্নিশে
ঢাকিব ফুলবোৰে
মানবীয় প্ৰমূল্যৰ নগ্ঠা শৰীৰ — ✱

## কাঁচি

—অগ্ৰম পাঠক
স্নাতক ১ম বাৰ্ষিক (ক'লা)

আঘোন ঃ এতিয়া কাঁচিৰ বন্ন ।
সেয়েহে
আইৰ আৰু ঘৰৰ
এটাই মাথোন গোচৰ
এখন কাঁচিৰ প্ৰয়োজন ।

দাপোনৰ আগত মুখামুখী হৈ দেখিলো
মই যৌৱনত ভৰপক ।
অৰ্থাৎ
এখন কাঁচিৰ যোগ্য প্ৰতিদ্বন্দী ।

দিপাঞ্জলী, এখনি চিনাকী মুখ
কাষ চাপিলো
স্বাক্ষৰ বিচাৰি তাইৰ ।

অৱশেষত
তাইৰ ভ্ৰুকুটিৰ আৰু অশ্ৰুৰ
চকুযুৰিৰ মুকুতাধাৰাবীয়ে
মোৰ দুস্তৰিত স্বাক্ষৰতা দিছিল ।

আৰু কাঁচিখন আনি
আইৰ হাতত দিলো
এতিয়া
আইৰ মুখত অনাবিল হাঁহি । ●

## ঃ ঈশ্বৰ ঃ

— প্ৰদীপ কুমাৰ বড়া
স্নাতক, তৃতীয় বাৰ্ষিক (কলা)

মানুহৰ জন্ম আৰু মৃত্যুৰ সম্পৰ্কত ঈশ্বৰ বুলি
পৃথিৱীত কোনো এজন নিৰ্দিষ্ট ব্যক্তি[illegible]ই
মানুহ নিজেই সৃষ্টি আৰু নিজেই [illegible]সৰ কাৰণ
আৰু প্ৰতিজন মানুহেই একো একোজন মানুহৰ ঈশ্বৰ।

এই মাতাল ৰাতি নালাগে এই দিন-দুপৰৰো কোনো নিজস্ব
ঠিকনা নাই
কোন মূহুৰ্তত ধৰ্ষিতা হ'ব পাৰে কোনো এক অসহায় নাৰী
কোন মূহুৰ্তত মৃত্যু হ'ব পাৰে কোনো এক নিৰপৰাধী ব্যক্তি
কোন মূহুৰ্তত ছাৰখাৰ হ'ব পাৰে এখন গাওঁ
কোন মূহুৰ্তত গৃহহীন হ'ব পাৰে এজাক মানুহ।

আচলতে দেশ, জাতি আৰু ধৰ্মৰ নামত
আমি নিজকে নিজক অপ্ৰয়োজনত হত্যা কৰিছোঁ।
তোমাৰ মৃত্যুৰ কামনাৰে মই তুলি লৈছোঁ শাণিত অস্ত্ৰ
তুমি মোৰ বাবে।

মানুহ নিজেই সৃষ্টি ক্ৰমশঃ জীৱনৰ পৰা জীৱনলৈ
আৰু নিজেই ধ্বংসৰ কাৰণ।

ক'ব পাৰিবানে তুমি
ক'ত আছে তোমাৰ সেইজনা ঈশ্বৰ
যাক তুমি নামঘৰত ঈশ্বৰ ঈশ্বৰ বুলি কৰিছা
আৰতি।

হে প্ৰিয়তমা নাৰী,
মানুহৰ দুখৰ সময়ত মই সহ্য কৰিব পৰিছোঁ যেতিয়া,
এই শতিকাৰ শ্ৰেষ্ঠ নাস্তিক কৰিব বিষয়ে তোমাক
সুধিলে কোনোবাই
তুমি মোৰ কথা ক'বা। ●



## সময়ৰ আহ্বান

— দিপান্ত কুমাৰ গগৈ
স্নাতক ২য় বাৰ্ষিক


বন্ধু,
দুখৰ নদীৰ বান
পাইছানে ভেটা দি কেতিয়াবা ?
হৃদয়ৰ গড়া চপৰা চপৰে খহিলে
চকুলোবোৰ নিৰৱে সৰিলে
তুমি বাৰু কেনেকৈ ইয়াক
প্ৰতিৰোধ কৰা ?
জানা বন্ধু,
যোৱাবাৰৰ বলিয়াবানে মোৰ
গোটেই খেতি ডবাই শেষ কৰি গ'ল
সেয়ে, চল পৰা মাটি ডবাত এইবাৰ
পুণৰ বীজ সিঁছিম বুলি ভাবিছো
আইয়ে বান্ধিদিয়া জলপানবাতি-হাচঁতিখন
কৰ্কালত গুজি পুৱাই যাওঁ
গৰুহালৰ পিছে পিছে
তোমালৈ মনত পৰি যায় তেতিয়া
কিন্তু, পাখিলগা সময়বোৰে জানো
ৰৈ থাকিল,
আৰু বিষলগা কাড়ঁপাত ?
তুমি বাৰু আজিকালি কি কৰা, ক'ত থাকা
মনত পৰেনে
পৰেনে মনত বন্ধু
টঙি ঘৰত বহি তুমি-মই পতা
জুইলগা কথাবোৰলৈ,
আঁঠুৱনী বোকাৰ মাজতো ৰঁচা
সপোনবোৰলৈ - - - - - - - -
মনত পৰেনে বন্ধু, পৰেনে মনত
মাজনিশা যেতিয়া সাৰে থাকা ?
তুমি ছাগে এতিয়া
শুই আছা নিভাল মাৰি;
শুই থাকা নকৰো আমনি
নহ'লে যে তোমাকো আমনি কৰিব
সময়ে !! ●

## ঃ মুক্তি ঃ

— দিগন্ত গগৈ
স্নাতক ৩য় বৰ্ষ

পূঞ্জীভূত বেদনাৰ উকমুকণি
অকল মোতেই নে ?
বিংশ শতিকাৰ সকলো দিশতে
পোৱা নোপোৱাৰ হুমুনিয়াহ
পংকিল সমাজৰ ক্লেদাক্ত মনবোৰ
স্বাৰ্থান্ধৰে ভৰা
সূৰ্য্যত চেকা নাই, নাথাকে।
মোৰ তোমাৰ আমাৰ মুক্তি
সন্নিবিষ্ট মাথো একেটা আশাতে। ✲


আজি প্ৰত্যেক অসমীয়াই সংকল্প কৰা উচিত অসমক মৰিবলৈ নিদিওঁ, অসমক জীণ যাবলৈ নিদিওঁ। অসমৰ বুকুত বৈচিত্ৰ্যৰ মাজত ঐক্যৰ ডোলেৰে গুঠি দুনাই শক্তিশালী নতুন



অসম গঢ়োঁ, শক্তিমান ন-অসম গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন-অসমীয়া সংস্কৃতি বঁচো, সোণৰ অসম গঢ়ি আশা আকাংক্ষাৰ ৰংঘৰ, কামনা বাসনাৰ তলাতল ঘৰ সাজোঁ।

—বিষ্ণু ৰাভা

১৯৯১-৯২ চনৰ ছাত্ৰ একতা সভাৰ বিষয়ববীসকল আৰু শিক্ষকগোট



বাওঁফালৰ পৰা বহি: শ্ৰীযুক্ত শচীন শইকীয়া (অৰ্থনীতি বিজ্ঞান) হেমন্ত দাস (সমাজ শাস্ত্ৰ) অমৃত গগৈ (ৰসায়ন বিজ্ঞান) দ্বীপ শইকীয়া (উদ্ভিদ বিদ্যা), সুৰেশ বড়া (গণিত বিভাগ) লিখন চন্দ্ৰ বড়া (পদাৰ্থ বিজ্ঞান) ব্ৰজেন নিৰ্মলীয়া (অসমীয়া), পূৰ্ণকান্ত হাজৰিকা (অধ্যক্ষ, সভাপতি) বীৰেণ চুতীয়া - (উপাধ্যক্ষ), গকুল গগৈ (ৰসায়ন বিজ্ঞান). সুৰেণ গগৈ (ৰাজনীতি - বিজ্ঞান) ভূপেন শইকীয়া (বুৰঞ্জী) ।

বাওঁফালৰ পৰা থিয় হৈ: শ্ৰীসত্যজিৎ তামুলী (উপসভাপতি), ৰাজীব দিহিঙীয়া (স. আন্ত: খেলবিভাগ), পূৰৱী চুতীয়া (স. সা. সম্পাদিকা), প্ৰবীন বৰদলৈ - (শ্ৰেণী প্ৰতিনিধি), কৃষ্ণকান্ত গগৈ (স. ছাত্ৰ জিৰনী চৰা), বিজয় দত্ত (সম্পাদক সমাজ সেৱা), কমলেশ্বৰ দত্ত (সা. সম্পাদক) মৃদুল বড়া (উৎসৱ সম্পাদক)


ছবিত নাই: শ্ৰীজোভিদ গগৈ (স. বহি: খেলবিভাগ)
শ্ৰীদিগন্ত কুমাৰ গগৈ (স. সাহিত্য আৰু তৰ্ক)
শ্ৰীমতী বীনা গগৈ (স. ছা. জিৰনী চৰা)

# প্ৰতিভাৰ ৰেঙনি...


মৃদুল ‘ ’
শ্ৰেষ্ঠা গায়িকা


জয়া কোঁৱৰ
সমাজ সেৱিকা


প্ৰবীন বৰদলৈ
সমাজ সেৱক




সত্যকাম বৰঠাকুৰ
শ্ৰেষ্ঠ তাৰ্কিক


যিনাৰাম গগৈ
শ্ৰেষ্ঠ খেলুৱৈ

অপূৰ্ব গগৈ
১৯৯১-৯২
চনৰ স্নাতক
চূড়ান্ত পৰীক্ষাত
অসমীয়া বিভাগত প্ৰথম
শ্ৰেনীৰ প্ৰথম স্থান অধিকাৰ কৰি
মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।


কল্পনা বৰদলৈ
শ্ৰেষ্ঠা খেলুৱৈ

---

# গল্প

## দুলীয়াজান মহাবিদ্যালয়
## আ লো চ নী

একাদশ সংখ্যা
১৯৯১–৯২

সম্পাদক ঃ শ্ৰীদিপান্ত কুমাৰ গগৈ

"নিজৰ বিক্ষিপ্ত ভাব আৰু মনোযোগক সম্পূৰ্ণৰূপে আয়ত্বাধীন কৰি কম কথাতে মনোৰমকৈ চিত্ৰ সংযোগৰ মাজেদি চঞ্চল জীৱনৰ কোনো মুহূৰ্ত্তৰ অৱলম্বনক উদ্ভাসিত কৰি তোলাই হৈছে চুটিগল্প লেখকৰ প্ৰধান উদ্দেশ্য। —

—ত্ৰৈলোক্যনাথ গোস্বামী

# তুঁহ জুঁই

—অজিত বৰগোহাঞিঃ

তিনি আলিটোত এটা 'ট্ৰেফিক-জেম'ৰ সৃষ্টি হৈছে। এটা আলিৰ গাড়ীবোৰ বৈ দিয়াত বাকী দুটা আলিৰ গাড়ীবোৰ পাৰহৈ যোৱাত সুবিধা হৈছে। দীপকহঁতৰ বাছখনও বৈ গ'ল। প্ৰায় দুই মিনিট মান সময়। 'ট্ৰেফিক-পইণ্ট' ৰ সেউজীয়া সংকেট নিদিয়া পৰ্য্যন্ত। সেইখিনি সময় দীপকৰ চকু দুটা আছিল ফুটপাথৰ কাষতে থকা এজাক 'ৰিফিউজি' ৰ ওপৰত। হাতত খোৰা বস্তুৰ পাত্ৰ একোটাহঁত লৈ সিহঁতৰ নঙঠা-নাঙঠ লৰা-ছোৱালী দুটামান ৰ'দত চিঞৰ-বাখৰ কৰি দৌৰি ফুৰিছে! নঙঠা-নাঙঠা লৰা-ছোৱালী কেইটাৰ ওচৰতে এজনী অৰ্দ্ধনগ্ন গাভৰুৱে থিয় হৈ দীপকহঁতৰ বাছখনৰ ফালেই চাই আছে অপলক দৃষ্টিৰে! দেখিলে ছোৱালীজনী অসমৰ থলুৱা যেনেই লাগে। মহিলা সকলে দেহৰ যিবোৰ অংশত প্ৰসাধন দ্ৰব্য ঘঁহি ভাল পাই, ছোৱালীজনীৰ দেহৰ সেইবোৰ অংশ ৰাস্তাৰ ধূলি -মাটিয়ে দখল কৰিছে যদিও, সজল চকুৰ নিপোটল গাল দুখনেৰে তাইৰ ধুনীয়া দেহাটোত ১৮টা মান বসন্তই ইতিমধ্যে হাত বুলাই যোৱা যেন অনুমান হয়! এক স্বপ্নিল দৃষ্টিৰে দীপকে ছোৱালী-জনীৰ গোটেই দেহাটোতে এবাৰ চকু ফুৰালে।

আচলতে নগ্নতা বুলিয়েই উচপখাই উঠা সকলে ভবাৰ দৰে দীপকে কথা বিলাক নাভাবে। সেই কাৰণে তাৰ কাষতে বহি অহা নীলাক্ষীয়ে নিজৰ ঘামি উঠা মুখখন মচি মচি খং আৰু অভিমানত অতীষ্ঠ হৈ পৰাৰ কথা দীপকে গমেই পোৱা নাছিল। চৌফলীয়া ৰ'দৰ তাপটোৰ লগত খঙৰ তাপ যোগ হৈ ওলোৱা ঘামখিনিৰে গাভৰু দেহৰ সৌৰভসনা মুখখন বাৰে বাৰে মচোতে মচোতে নীলাক্ষীৰ নীলা পাৰিৰ বগাভয়লৰ চাদৰখনৰ আগটো প্ৰায় তিতি গৈছে! দীপকৰ স্বপ্নময় চকু দুটা নীলাক্ষীৰ সহ্য হোৱা নাই। ইফালে অৰ্দ্ধনগ্ন গাভৰুজনীৰ সৈতে 'ৰিফিউজি' ৰ জাকটো দেখি দীপকৰ মন-ময়ূৰী উৰি গৈ ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰৰ পাৰত পৰিলগৈ। য'ত এনেধৰণৰ জাক জাক 'ৰিফিউজি' ৰ জুপুৰি ঘৰবোৰ ক্ৰমান্বয়ে বাঢ়ি গৈয়ে আছে! য'ত পূৰ্ব্বৰ ৰোমাণ্টিক লুইতৰ পাৰ আজি এক 'ৰাজহুৱা টয়লেট' লৈ ৰূপান্তৰিত হৈছে। য'ত মুকলি বতাহ খাবলৈ যাওঁতা সকললৈ ৰিব ৰিব মলয়াই আজি কঢ়িয়াই আনে উংকট দুৰ্গন্ধহে; প্ৰাকৃতিক সুবাস নহয়! দীপকৰ মনটো কঠিন হৈ উঠি গ'ল— ৬ বছৰীয়া বিদেশীখেদা আন্দোলনটোৰ উত্তাল গোঁতত ----- ।

"উঠক, উঠক, উঠক; যাব দিয়ক"— বাছৰ কণ্ডাক্টৰ লৰাটোৱে লেহেতীয়া মাত এটাৰে চিঞৰি উঠিল। সেইমাতত দীপকে সম্বিত ঘূৰাই পোৱাৰ

দৰে চাই দেখে যে— তাৰ ওচৰত নীলাক্ষী নাই আৰু বাছখন ‘ট্ৰেফিক-পইণ্ট’ৰ পৰা বহুদূৰ আগুৱাই আহি নীলাক্ষীহঁতৰ ঘৰলৈ যোৱা আলিটোও প্ৰায় আধা কিঃ মিঃ মান এৰি আহিল ! নীলাক্ষী বহা চিটটোত নতুনকৈ উঠা বুঢ়া মানুহ এজনহে বহিছে। দীপকৰ খং উঠিল। অন্ততঃ নীলাক্ষীয়ে তাক ‘যাওঁ’ বুলিতো কৈ থৈ যাব লাগিছিল। তাই তেনেকৈ গুছি যোৱাৰ কাৰণটো সি বুজি নাপালে। সি সিদ্ধান্ত কৰিলে— যেতিয়ালৈকে নীলাক্ষীয়ে তেনেকৈ গুছি যোৱাৰ বাবে ক্ষমা নুখোজে, তেতিয়ালৈকে সি তাইক নামাতে। নামাতিবৰে কথা। যাৰ সানিধ্যত মনে কেতিয়াবা পদুমৰ কঁপি থকা পাতত কবিতা লিখে, যাৰ হাঁহিত কেতিয়াবা মন আকাশৰ জোনাকে গাত জেতুকা সানে ! যাৰ মুখখন দেখিলে কাৰোবাৰ বাবে মৰ্ত্ত্যতে পাৰিজাত ফুলফুলে তেনে এখন মুখে যদি ‘যাওঁ’ বুলিও এষাৰ মাত দি নাযায় (!), কাৰনো খং নুঠিব ?

নিৰ্দ্দিষ্ট ঠাইত বাছৰ পৰা নামি দীপকে ঘৰলৈ আহিও বাৰে বাৰে নীলাক্ষীৰ সেই ব্যৱহাৰটোৰ কাৰণটোকে ভাবি পাৰ পোৱা নাই। লগতে ভাবিছে সন্ধিয়াৰ প্ৰগ্ৰেমটোৰ কথা। কাৰণ— নীলাক্ষীৰ সৈতে সন্ধিয়া ক্লাৱত ‘ফাংচন’ চাবৰ কাৰণে ইতিমধ্যে সি দুটা আগতীয়া টিকেট কিনি আনিছিল। সন্ধিয়া সি নীলাক্ষীক ঘৰৰ পৰা ‘ফাংচন’ চাবলৈ লৈ যোৱাৰ কথা। কি কৰা যায় ? নগলে টিকেট দুটা নষ্ট হোৱাৰ লগতে আনক ‘যাম’ বুলি কথা দি কথা ৰখা নহয়। আনহাতে গলেও যেন আত্মসন্মানত লাগে। নিজৰ দুৰ্ব্বলতা প্ৰকাশ পায়। কথাবোৰ ভাবি ভাবি দীপকৰ মূৰটো কিবা গৰম উঠি গ’ল। টেবুলত থকা কিতাপ কাগজ দুখনমানত সি এনেয়ে চকু ফুৰাই গ’ল। চকু পৰিল কবি অমূল্য বৰুৱাৰ এষাৰি কবিতাত—

“প্ৰণয়িনী গাভৰুৰে নিজক ধুনীয়া দেখা
মনৰ দাপোন

কাইঁটীয়া গোলাপৰ মিছা এই কন্তেকীয়া
ৰূপৰ সপোন” — (শেষ শান্তি)

কবিতা পঢ়াত দীপকৰ সাধাৰণ ৰাপ এটা আছে। নিজৰ জীৱনৰ লগত খাপ খাই পৰিলে কেতিয়াবা কিছুমান কথা, কিছুমান কাহিনী অলপ বেছিকৈ ভাল লাগি যোৱাৰ দৰে দীপকৰও সেই কবিতা কেইশাৰী বৰ ভাল লাগি গ’ল সেই মুহুৰ্ত্তত !

মনলৈ কবিতা বাগৰিছে ! লগতে অভিমানৰ পোকে কামুৰিছে। চিন্তা কৰি উলিয়াব পৰা নাই— কি কৰা ভাল হব ? প্ৰেমৰ কাহিনী হলেও জানো ইম[illegible] দুৰ্ব্বল চৰিত্ৰৰ নায়ক থাকে ? নায়িকাই দাংকোপ মাৰি গুছি যাব আৰু নায়কে কি গালি খাইও গিৰিহঁতৰ পিছে পিছে লাগি যোৱা কুকুৰটোৰ দৰে লাগি যাব ? আন আন বহুতৰ দৰে নাৰীক তুচ্ছাৰ্থত চোৱাৰ প্ৰয়াস দীপকৰ নাই। সি ভাবে যে— আমাৰ নাৰী সমাজে আমাৰ জীৱনধাৰাক নতুন গতি পথেৰে প্ৰবাহিত কৰক। পিছে— ‘অসমীয়া মানুহৰ উদাৰতাকেই দুৰ্ব্বলতা’ বুলি বহুতে ভবাৰ দৰে আমাৰ এই ছোৱালী বিলাকেও বাৰু ভাবি লৈছে নেকি যে— পুৰুষবোৰে সদায় নাৰীকেই সকলো ক্ষেত্ৰতেই প্ৰাধান্য দি যাব ? সেইটো নহব— দীপকে ভাবি গ’ল। নীলাক্ষীয়ে আজিৰ ব্যৱহাৰটোৰ বাবে তাক ক্ষমা খুজিবই লাগিব। দীপকে তাৰ হৃদয়খনত এচটা কঠিত পাথৰ বহুৱাই লব খুজিলে !

কঠিন পাথৰ এচটা বহুৱাইছিল যদিও দীপকৰ হৃদয়ৰ কোনোবাখিনিত আকৌ বিষালে ! বিষাবই ! কোনোবাই দুৰ্বল চৰিত্ৰ বুলি হাঁহিলেও উপায় নাই। প্ৰেম বস্তুটোৱেই তেনেকুৱা ? দীপকে চিন্তা কৰি চালে— প্ৰেমৰ বাবেই সৃষ্টি হ’ল বিখ্যাত তাজমহল ; প্ৰেমৰ বাবেই ধ্বংস হল বিখ্যাত ট্ৰয়-নগৰী। এতিয়া অভিমানত ধ্বংস হবলৈ লৈছে তাৰ হৃদয়ত সৃষ্টি হোৱা এটা প্ৰেমৰ মন্দিৰ ! বহুত চিন্তা কৰি সি পুণৰ এটা সিদ্ধান্তলৈ আহিল— আবেলি ৪ বজাত সি নীলাক্ষীহঁতৰ ঘৰলৈ যাব আৰু নীলাক্ষীক নমতাকৈ কাৰোবাৰ হাতত হলেও ‘ফাংচন’ ৰ টিকেট দুটা দি থৈ আহিব। সি নিজে ‘ফাংচন’ চাবলৈ নাযায়।



সেই মতেই আবেলি ৪ বজাত দীপক নীলাক্ষী-হঁতৰ ঘৰ পালেগৈ। সি গৈ পোৱাৰ লগে লগেই ‘ড্ৰইং ৰূম’ তে আবেলিৰ চাহখাই বহি থকা নীলাক্ষীৰ মাকে কলে— “আহাঁ ; বহা। নীলাক্ষীৰ জানো আজি কি হ’ল ! কলেজৰ পৰা আহিবৰে পৰা বিচনাতে পৰি আছে। ক্লাৱত তোমাৰ সৈতে ‘ফাংচন’ চাবলৈ যোৱাৰ কথা আছিল হেনো ? তালৈকো নাযায় বোলে ! কি জানো ছোৱালীজনী মই বুজিকে নাপাওঁ !” কথাখিনি কৈ কৈ নীলাক্ষীৰ মাকে ‘টি-পট্’ টোৰ পৰা চাহ একাপ বাকি দীপকলৈ আগবঢ়াই দি কলে— ‘চাহ খোৱা।” দীপকে চাহ কাপ হাতত লৈ নীলাক্ষীৰ মাকৰ কথাখিনিৰ উত্তৰত কি কথা কব তাক ঠিৰাং কৰিব নোৱাৰি মনে মনে চিন্তা কৰিছে— কেনেকৈ টিকেট কেইটা দি থৈ তাৰ পৰা ওলাই আহিব পাৰি ! পৰীক্ষা গৃহত প্ৰশ্নকাকত টান পাই প্ৰথমটো ঘণ্টা নপৰোতেই প্ৰশ্নোত্তৰৰ বহী জমা দি নীৰৱে ওলাই যাবলৈ মন কৰা উপায়বিহীন পৰীক্ষাৰ্থীৰ দৰে হ’ল দীপকৰ অৱস্থাটো ! অনিচ্ছা-স্বত্বেও ভদ্ৰতাৰ খাতিৰতে নীলাক্ষীৰ মাকৰ সৈতে দুটামান উপকৰা কথা পাতিলে। যেনে— আজি বতৰটো বৰ গৰম। এই বছৰটো বৰষুণ নুগুছিলেই। ইত্যাদি।

এনেতে নীলাক্ষীহঁতৰ কামকৰা ছোৱালী ‘মিনি’ য়ে ভিতৰৰ পৰা তামোল-পাণৰ বটাটো আনি থলেহি। নীলাক্ষীৰ নিৰ্দ্দেশতেই যে ‘মিনি’ য়ে বটাটো দিলেহি, সেই কথা দীপকৰ চকুত নপৰাকৈ নাথাকিল ! আনদিনা নীলাক্ষীয়ে নিজে দিয়ে। আজি তামোল দিয়াৰ এই ব্যতিক্ৰম দেখি দীপকৰ মনত পৰিল আহোম বুৰঞ্জীৰ এষাৰ কথালৈ— “ৰজাৰ চাঙত তামোল পাণৰ বটা দিয়ালেই বিদায় দিছে বুলি জানিব লাগে। মুখেৰে বিদায় দিয়াৰ প্ৰথা নাছিল। তামোল-পাণৰ বটা দিয়ালেই তাত এক মুহুৰ্ত্তও থাকিব নাপায়।” আহোম ৰাজ-চ’ৰাতহে প্ৰচলিত কথা আছিল যদিও মনত পৰাৰ লগে লগেই কথাষাৰ সি বহি থকা চ’ৰা ঘৰটোতও প্ৰযোজ্য কৰিবলৈ মন গ’ল দীপকৰ ! সি লৰা লৰিকৈ

থিয় হৈ নীলাক্ষীৰ মাকক বৰ ব্যস্তভাৱ দেখুৱাই কলে— “অ’, বহুত দেৰি হ’ল ! মোৰ বিশেষ কাম এটা আছিল। আপুনি বহক ; মই যাওঁ।” তামোল দিবলৈ আহি ওচৰতে থকা ‘মিনি’ ক ফাংচনৰ টিকেট দুটা সুমুৱাই অনা দীঘল খামটো দি কলে — “মিনি, তোৰ নীলাক্ষী বায়েৰক এই খামটো দি দিবি চোন, যা।’ কথাখিনি কৈয়ে দীপক তৎক্ষণাত নীলাক্ষীহঁতৰ ঘৰৰ পৰা ওলাই আহিল।

নীলাক্ষীহঁতৰ ঘৰৰ পৰা দীপক ওলাই আহি একে কোবে ঘৰ পালেহি। ঘৰ পাই দুখে-অভি-মানেৰে ভাৰাক্ৰান্ত এটা মনেৰে বাৰান্দাতে কিছু সময় বহিছিল। এনেতে দেখিলে ৰিক্সা এখনৰ পৰা নামি নীলাক্ষী সোমাই আহিছে তাৰ ওচৰলৈকে। নিয়মৰ খাতিৰতেই দীপকে ওচৰতে থকা চকী এখন দেখুৱাই উদাসভাবে কলে — ‘বহিব পাৰা।’ নীলাক্ষীয়ে তাইৰ অভিমানত ওফন্দা মুখখনেৰে উত্তৰ দিলে — “বহিবলৈ অহা নাই মই ! লওক এই কেইটা টিকেট। কাৰ সৈতে ‘ফাংচন’ চাবলৈ মন আছে, যাব পাৰে। মই নাযাওঁ।” দীপকে ব্যগ্ৰ ভাবে সুধিলে — ‘নীলাক্ষী তোমাৰ হৈছে কি ?’ নীলাক্ষীৰ উত্তৰ — “একো হোৱা নাই। ‘ফাংচন’ চাবলৈ আপোনাৰনো কি লগ নাইকীয়া হৈছে ? জীনু, সীমাহঁত আছে নহয়। সেইহঁতৰ লগত দেখুন বৰ চুপতি কৰি থাকিব জানে ! লৈ যাব সিহঁতকে।”

দীপকৰ খং উঠিছিল। নীলাক্ষীক কাণতলীয়া চৰ এটা দি সাতখন স্বৰ্গ, সাতখত পাতাল একেলগে অৰ্থাৎ চৈধ্যভূৱন দেখুৱাই দিবৰ মন গৈছিল তাৰ ! হাত নচলাই দীপকে নিষ্ঠুৰ ভাবে কৈ উঠিল — ‘তোমাৰ মূৰত ঘিউ অলপ কম আছে নেকি ?’

নীলাক্ষীয়ে দম্ভেৰে উত্তৰ দিলে — ‘হওক কম, মোৰ মূৰত ঘিউ। সেইবুলি আপোনাৰ পৰা ঘিউ ধাৰ কৰি মই মোৰ মূৰত বোজা বঢ়াব নোখোজো।’

দীপকে খঙেৰে প্ৰত্যক্ষ ভাবে নীলাক্ষীৰ ফালে চাই ৰ'ল। নীলাক্ষীয়েও অপাঙ্গ দৃষ্টিৰে দীপকৰ ফালেই চাই ৰ'ল। ওচৰা ওচৰিকৈ থকা দুখন প্ৰেমিক হৃদয়ৰ দুডৰা দুবৰি বনত দু-দল শত্ৰুসৈন্যই যেন যুদ্ধ প্ৰস্তুতিৰ কোছ-কাৱাজ কৰিছে! দীপকেই পুনৰ আক্ৰমণাত্মক নীতিৰে প্ৰশ্ন কৰিলে — 'তুমি যে জীনু, সীমাহঁতৰ লগত মই চুপতি মাৰি থাকো বুলি কৈছা, তাৰ মানে সিহঁতৰ লগত ধেমালীকৈ কথা এষাৰো পাতিব নোৱাৰি নেকি ?'

লগে লগে নীলাক্ষীয়ে উত্তৰ দিলে — "কিনো দৰকাৰ ধেমালী কৰিবলৈ ? সেই কেইজনীকো ভালকে দু-চৰমান দিবলৈ মন যায় মোৰ। আৰু অকল সিহঁতৰ লগতহে নে কিবা ? পৃথিবীৰ গোটেই ছোৱালীবোৰৰে খবৰ ৰাখে আপুনি।"

নীলাক্ষীৰ মন্তব্যটো শুনি দীপকৰ হাঁহি উঠি গ'ল। সি কলে— 'হহৱাঁলা নীলাক্ষী !'

নীলাক্ষীয়ে তপৰাই উত্তৰ দিলে— 'হাঁহি দেখুৱাব নালাগে। কওঁকচোন অথনি ৰাস্তাৰ কাষৰ অৰ্দ্ধনগ্ন ছোৱালীজনী দেখি কি সপোন দেখিছিল ?"

দীপকে কিছু আচৰিত হৈ কলে— 'অৰ্দ্ধনগ্ন ছোৱালীজনী ! অ' তাইক দেখি মোৰ মনলৈ বহুত দৃশ্যই আহিছিল ! কিয় সুধিলা ?"

নীলাক্ষীয়ে আপত্তিৰ সুৰত কলে— 'বাছৰ ইমানবোৰ মানুহৰ আগত পগলাৰ দৰে তেনেকৈ তাইলৈ চাই থাকিবলৈ লাজ লগা নাছিল নে ?"

বহুত কথা বুজি পোৱাৰ দৰে দীপকে কলে— 'অ' এতিয়াহে বুজিছো। সেই কাৰণেই তুমি মোক খং কৰি নমতাকৈ গুছি আহিছিলা ? তোমালোকৰ যে চিন্তাধাৰা বিলাক ! মিছাকৈয়ে ধূনীয়া অন্তৰখনক তুহঁ জুই সদৃশ অশান্তি এটাৰে জ্বলাই ৰাখা !'

দীপকে নীলাক্ষীক বুজালে— 'শুনা নীলাক্ষী, সেই ছোৱালীজনীক মই একো অশ্লীল চিন্তাৰে চোৱা নাছিলো। দাৰিদ্ৰতাই নগ্ন হবলৈ বাধ্য কৰা তাই এপাহ নিষ্পাপ ফুলওতো হব পাৰে ! নগ্ন-দেহ হলেই অশ্লীল হব নোৱাৰে। তোমাৰ চিন্তাধাৰাৰে চাবলৈ হলে— হাজাৰ হাজাৰ দৰ্শকে চাবলৈ যোৱা হৰপ্পা-মহেঞ্জোদাৰোত আৱিষ্কৃত হোৱা নৃত্যৰতা উলঙ্গ নাৰী মূৰ্ত্তি নাইবা ইউৰোপৰ প্ৰায়বোৰ চিত্ৰ শিল্পীৰে চিত্ৰ সমূহ অশ্লীল হব আৰু সেইবোৰ চাবলৈ যোৱা দৰ্শক স… প্ৰত্যেকেই তুমি লাজ-চৰম নাইকীয়া বুলি গালি পাৰিব লাগিব দেখুন !'

দীপকৰ যুক্তিত নীলাক্ষীয়ে মনে মনে বৰ লাজ পালে। অনুশোচনাৰে, ওচৰতে থকা চকীখনত বহি পৰিল যদিও কথাৰ সুৰটো তেতিয়াও তললৈ পৰিবলৈ নিদিয়াকৈ নীলাক্ষীয়ে পুনৰ জেঙেৰা মাৰি কলে — "বাৰু হব থওক। হৰপ্পা-মহেঞ্জোদাৰোৰ উদাহৰণ দিব নালাগে। 'ফাংচন' চাবলৈ যায় নে নাযায় এতিয়া ?"

দীপকে নীলাক্ষীৰ অপ্ৰতিভ অৱস্থাটো বুজি পাইও এনেয়ে অলপ দাম বঢ়াই কলে— 'মই নাযাওঁ। যদি যাব লাগে তুমি এটা স্বৰ্ত্ত মানিব লাগিব।'

নীলাক্ষীয়ে ভয়ে ভয়ে সুধিলে — 'কি স্বৰ্ত্ত ?' দীপকে কোনোমতে নহঁহাকৈ থাকি গহীন ভাৱে কলে — 'এই সুন্দৰ আবেলিটোত মোৰ মনৰ সৌন্দৰ্য্যখিনি তুমি নীচাত্মীকা ভাবে কদৰ্য্য কৰা বাবে, তুমি মোক ক্ষমা খুজিব লাগিব।'


নীলাক্ষীয়ে কৈয়ে পেলালে — 'নতশীৰে ক্ষমা খুজিছো। এতিয়া যাব ? আৰম্ভ হবলৈ আৰু ২০ মিনিটহে আছে !'

বহাৰ পৰা উঠি দীপকে কলে— 'যাম। ব'লা।'

দীপকৰ প্ৰতি গভীৰ শ্ৰদ্ধাত সপ্ৰতিভ হৈ উঠা নীলাক্ষীৰ দুচকুৰ নীলাখিনি দীপকৰ দুচকুৰ মহাসাগৰৰ বিশালতাত উটি গ'ল ! +++



দিলিপ কোঁচ
স্নাতক ১ম বাৰ্ষিক (কলা)



# মৃত্যু নহয় হত্যা

বাঁহৰ দুৱাৰখন লাহেকৈ ঠেলি দি ভিতৰলৈ সোমাই আহিল ধনেশ্বৰ। তাতে একাষে শুই আছে তাৰ ৰুগ্নগ্ৰস্থ মাক আৰু বিচনাখনৰ একাষে মাকৰ ওচৰতে বহি আছে ভনীয়েক সাবিত্ৰি। চাৰিওফালে এক নিৰিবিলি অৱস্থা। তাৰ এনে লাগিল যেন, তাত কোনোৱেই নাই। এটা ভয় ভয় ভাৱে তাক আগুৰি ধৰিলে। সি লাহেকৈ মাকৰ মূৰৰ শিতানৰ কাষত, মাটিতে আঠুকাঢ়ি বহি, মাত লগালে - মা, মাকে মুখখন ঘূৰাই, সেহাই সেহাই কলে, অ'--- ধ-ন। তুমি অলপো ভাল পোৱা নাই মা ? নাই ...পাই মোৰ আৰু ভাল হোৱাৰ আশা নাই। মাকে লাহেকৈ হাতখন, তাৰ মূৰত থৈ কলে, ভনীয়েৰক চাবি। তোৰ বাহিৰে আৰু তাইৰ কোনো নাই। মোৰ মাত্ৰ এটাই দুখ থাকি গ'ল, তহঁতক একা গত লগাব নোৱাৰিলো। সি প্ৰায় চিঞৰি ...োৱাৰ দৰেই ক'লে, নহয় মা, তুমি ভাল হবা, মই তোমালৈ ঔষধ আনিম। মোৰ কাৰণে ঔষধ আনিবৰ কোনো প্ৰয়োজন নাই। ঔষধ, ডাক্তৰ এইবোৰ ধনী মানুহৰ হে, ভগৱানে আমাক দুখীয়া কৰি জন্ম দিলে। পাৰ যদি, তহঁতৰ কাৰণে কেইটামান চাউলকে যোগাৰ কৰি আন। কালিৰ পৰা তহঁতে একোকে খোৱা নাই। কি কৰো কি নকৰোকৈ সি, লাহেকৈ মাকৰ ওচৰৰ পৰা আঁতৰি গ'ল। ভাবিছে, সি ক'লৈ যাব, কলৈ গলে সি মাকৰ ঔষধৰ কাৰণে দুটামান টকা পাব। বাহিৰলৈ ওলাই আহি পিৰালিৰ মাটিতে বহি দিলে। বিভিন্ন ধৰণৰ চিন্তাই তাক আগুৰি ধৰিলে। সি ভাবিছে, ক'লৈ যাব, কেইটামান টকা নি...ৰি। কোনে দিব বাৰু তাক, হৰেণ ঠিকাদাৰ, বি...নাথ মহন্ত, তেওঁলোকতো বহুত টকাৰ মালিক। তাক বাৰু মাকৰ অসুখ বুলি ক'লে, টকা বিশটা ধাৰলৈ নিদিবনে ? পাছত সি কাম কৰি দিব ; এদিন হাজিৰা কৰি দিলেই দেখোন হয় ! সি চোন সি...তক বহুত কাম কৰি দিয়ে।

এনেতে সাবিত্ৰিৰ মাতত তাৰ সম্বিত ঘূৰি আহিল। দাদা মাৰ অৱস্থা বৰ বেয়া, বিশ্বনাথ মহ...ৰ ঘৰলৈকে যা, নহলে তাৰ পৰাই কেইটামান টকা ধাৰলৈ লৈ মাৰ ঔষধ কেইটামান কিনি আন। আমিতো তেওঁৰ ঘৰত বহুত কাম কৰি দিওঁ। তোক কেইটামান টকা ধাৰলৈ নিদিবনে ? ধনেশ্বৰে ক'লে, "মইও তাকেই ভাবিছো, যাওঁছোন কি হয় ?" সাবিত্ৰিয়ে ক'লে, "যা, সোনকালে আহিবি, নহলে মোৰ

অকলে ঘৰত ভয় লাগে।” ধনেশ্বৰ ওলাই গ'ল।

মহন্তই বিৰাট চৌহদৰ সন্মোখৰ বাৰাণ্ডাতে· চকী এখনত বহি বাতৰি কাকত চাই আছিল। সন্মোখৰ চোতালত, তেওঁৰ টেক্সিখন ড্ৰাইভাৰে কিবা-কিবি চাই আছে। এনেতে লোহাৰ গেটখন খুলি, ধনেশ্বৰ সোমাই আহি মাত লগালে বাবু। মহন্তই বাতৰি কাকতৰ পৰা মূৰ দাঙি লাহেকৈ মাত লগালে। অ' ধনেশ্বৰ, হেৰ তই দেখোন বৰ খিনালি। কিবা অসুখ হৈছিল নেকি ? নাই বাবু মোৰ তেনে কোনো অসুখ নাই। মাৰহে বৰ টান॥ বাৰু বাৰু, আহিলি ভালেই হ'ল। সেই গাড়ীখন অলপ ধুই দেছোন। পিছৰেলা এটা পাৰ্টি আছে। গাড়ীখন অলপ চাফ-চিকুন হ'লে, ভাল লাগে দেচোন। তাতে পেষ্টি-জৰো কথা এটা আছেতো। ভাল মানুহৰ পাৰ্টি, ভাল ভাল মানুহ আহিবতো। ধনেশ্বৰে তাৰ কথাষাৰ কোৱাৰ সাহসও গোটাব নোৱাৰিলে। সেয়ে গাড়ীখন ধুবলৈ আৰম্ভ কৰি ভাবিলে, ধুই শেষ হোৱাৰ পিছত কথাষাৰ জনাব। এনেতে মহন্তৰ পৰিবাৰ ভিতৰৰ পৰা ওলাই আহিল। তেখেতৰ বয়স চল্লিশৰ ওপৰ হ'লেও মেক্সিটো পিন্ধি ওলাই অাঁহোতে প্ৰায় ষোল্ল বছৰীয়া এজনী পাট-গাভৰু যেনহে লাগিল। মুখত এটা মিচিকিয়া হাঁহি, ওলাই আহি ধনেশ্বৰক ক'লে, অ' ধনেশ্বৰ, তই আহিলি, ভালেই হল। জান, মই এখেতক সদায় কওঁ তোৰ ওচৰলৈ যাবলৈ। ঘৰত ইমান কাম আছে, এখেতৰ সময়েই নহয়। আকৌ এই কেইদিন অফিচতো ইমান কাম হৈছে ৰাতিও বহুত দেৰিলৈকে কাম কৰিব লাগে। তথাপিতো ইমান কষ্ট কৰি পোৱা ধন কেইটাও মানুহে হিংসা কৰে। কতই কি যে কয়। এওঁ বোলে, ৰাইজলৈ অহা চাউল, আলু বেছিহে গাড়ী কিনিছে, ঘৰ বনাইছে। এখেত B. D. O. হৈ ইয়ালৈ অহাৰ পৰা ৰাইজে যে কিমান অধিক সুবিধা পাইছে, সেই বিলাক কোনেও মন নকৰে। শ্ৰী মতী মহন্তৰ কথাৰ মাজতে ধনেশ্বৰৰ গাড়ী ধোৱা হৈ গল। সি লাহেকৈ কলে, গাড়ীখন ধোৱা হল বাবু। মহন্তই গাড়ীখনলৈ চাই কলে, ভালকৈ ধোলিনে ? ধোলো বাবু।

তেতিয়া শ্ৰী মতী মহন্তই ক'লে অ' ধনেশ্বৰ, মই তোক আৰু এটা কাম দেখুৱাই দিম আহছোন। ধনেশ্বৰৰ মনটো উচ্ পিচাই উঠিল। ভাবিলে, এইবাৰ বা কি কাম দিয়ে। ইফালে মাকৰ অসুখ বৰ বেছি হৈছে। তথাপিতো বিনা প্ৰতিবাদে সি শ্ৰী মতী মহন্তৰ পিছে পিছে যাবলৈ ধৰিলে। মহন্তই কলে আজি ধান নিবলৈ এখন গাড়ী অহাৰ কথা আছে। তই এই যে বস্তা বিলাক আছে, তাতে ধানবিলাক ভৰাই মুখবোৰ চিলাই কৰি দিবি দেই। বেছি নহয় বিশ পঁচি[illegible]স্তামান হ'ব। ধনেশ্বৰে এইবাৰ বহু সাহস গোটাই ক'লে এইখিনি ভঁৰাঁওঁতে বহুত দেৰি হব, মোৰ মাৰ অসুখ ঔষধ নিবলৈ পইচা নাই বাবেহে আহিছিলো। আপোনালোকৰ ঘৰলৈ। শ্ৰীমতী মহন্তই ক'লে – নাই নাই বেছি দেৰি নহয় খুব বেছি তিনি ঘণ্টা মান সময় লাগিব আৰু তোকটো এনেয়ে ভৰাবলে কোৱা নাই, কিবা এটাতো দিমেই নিশ্চয়। অনিচ্ছা স্বত্বেও ধনেশ্বৰে ধান ভৰাবলৈ লাগিল। ভোকত তাৰ গাটো বাৰে বাৰে কঁপি উঠিছে। তথাপিতো সি ধান ভৰাই আছে। মাজতে শ্ৰী মতী মহন্তই এগিলাচ লাল চাহৰ লগতে এটা ভীম কল দি গ'লহি। সেইখিনি খাই সি বহুত সকাহ পোৱা যেন অনুভৱ কৰিলে। তাৰ ধান ভৰাবলৈ প্ৰায় দুটা-মান বস্তা আছে, এনেতে এখন ট্ৰাক আহি পালে, বিশ্বনাথ মহন্তই, ধনেশ্বৰৰ ওচৰলৈ আহি ক'লে ধান ভৰোৱা হ'লনে ? নাই বাবু আৰু দুই বেগমান আছে। আৰে চাৰি ঘণ্টা সময়ত তই ধানখিনি ভৰাই হোৱা নাই, সোনকালে কৰ গাড়ী আহি পালেহিয়েই। কিমান বস্তা হ'ল ? তিৰিশ বেগ হ'ল বাবু ! মহন্ত গ'লগৈ, ধনেশ্বৰেও দুবেগ ধান ভৰাই, ওলাই আহিল। শ্ৰীমতী মহন্তই এখন কলপাতত ভাত দিলেহি। ভাতখিনি পৰম তৃপ্তিৰে খালে, মনত পৰিল, সি আগদিনাও একো খোৱা নাই আৰু তাৰ ভনীয়েক আৰু মাকেও লঘোণে আছে। মনত পৰি তাৰ গাতো পুৰি যোৱা যেন লাগিল। ভাতখাই কলপাতখন পেলাই, মুখ ধুই, চাদা অলপমানলৈ মোহাৰিবলৈ ধৰিলে। এনেতে মহন্তই ক'লে, এতিয়া ৰবলৈ সময় নাই, বেগেতে বস্তাখিনি ট্ৰাকত লোড



কৰ মাৰোৱাৰী দোকানত বেচি থৈ আহিব লাগিব। ধনেশ্বৰে ভাবিছিল তাৰ কাম চুটি, আকৌ বস্তা লোড কৰিব লাগিব। নকৰিলেও তাক যে মহন্তই, পইচা নিদিব। তেতিয়া তাৰ ইমান কাম কৰাও অথলে যাব। সেয়ে একান্ত বাধ্যৰ দৰে, কোনো প্ৰতিবাদ নকৰি, সি প্ৰতিটো বস্তা পিঠিত পেলাই আনি ট্ৰাকত ভৰাবলৈ ধৰিলে। নিজকে সি এটা বোজা কাঢ়িওৱা গাধ যেন লাগিল। গাড়ী লোড কৰি হোৱাৰ লগে লগে মহন্ত আহি ট্ৰাকৰ ভিতৰত বহিলহি আৰু ধনেশ্বৰক উঠিবলৈ আৰু ড্ৰাইভাৰক গাড়ী চলাবলৈ নিৰ্দ্দেশ দিলে। গাড়ীৰ ইঞ্জিনে লগে লগে গৰজি উঠিল আৰু ৰাওনা হ'ল মাৰোৱাৰী দোকানৰ অভিমুখে। কিছুপৰৰ মূৰত, গাড়ী আহি মদন আগৰৱালাৰ দোকানৰ মুখত উপস্থিত হ'লহি। মহন্তই আগৰৱালাৰ লগত দুই এষাৰ কথা পাতি ধনেশ্বৰক বস্তাবিলাক আনি পালাত তুলিবলৈ নিৰ্দ্দেশ দিলে। ধনেশ্বৰে বস্তাবিলাক আনি পালাত দিয়ে আগৰৱালাৰ লিগিৰা মহিমে, দগা উঠা-নমা কৰি জোখ লয় আৰু লক্ষীয়ে বস্তাবিলাক পুনৰ উঠাই গোদামত থয়। আগৰৱালাই জোখটো এখন বহীত টুকি যায় আৰু মহন্তই কাষত বৈ সকলো নিৰীক্ষণ কৰি থাকে। সকলো হিচাব হৈ যোৱাৰ পাছত পুণৰ ট্ৰাকত উঠি ঘৰ অভিমুখে ৰাওনা হয়। ঘৰ পায় ধনেশ্বৰে মহন্তক ক'লে বাবু মই যাওঁ। যাব যদি যা কাইলেও আকৌ আহিবি। বাবু পইচা ! অ'-পইচা তোক কিমান লাগিব। বাবু আজি-কালি হাজিৰা তিৰিশ টকা হ'ল। প্ৰায় উচপ খোৱাৰ দৰে মহন্তই ক'লে কি ? তিৰিশ টকা, চা-এতিয়াও তোৰ পুৰা হাজিৰা হোৱা নাই। চাৰে তিনিটা বাজিছেহে মাথোন। চাৰি বজালৈ আধা ঘণ্টা কাম কৰিব লাগে। তাৰোপৰি গাড়ীত অহা যোৱা বহুত সময় তইতো কাম কৰাই নাই। আকৌ খানাটো তই ইয়াতেই খাইছ। আকৌ তিৰিশ টকা কেনেকৈ পাব হাঁ। নাই বাবু আমাৰটো বহুত কষ্ট হৈছে আৰু সকলোৱেটো এইটো দামেই লয়। মহন্তই খঙেৰে কৈ উঠিল তিৰিশ টকা বুলিলেই, তিৰিশ্ টকা

পাব নে ? হুঁ— এই টকা বিশটা ল। নাই বাবু আৰু দহ টকা দিয়ক। কি ক'লি, আৰু এক পইচাও নাপাব যা। তইঁতৰ কোব দিনক দিনে বাঢ়ি গৈছে। নাই বাবু, মাৰ অসুখ, ঔষধ নিব লাগে আৰু দহ টকা দিয়ক বাবু। মই কাইলৈ কাম কৰি দিম। মো[illegible] ওচৰত আৰু পইচা নাই। এই বিশ টকা নিলে নে[illegible] নিনিলে নাই বুলি কৈ বিশ্ টকা টেবুলত থৈ মহ[illegible] ভিতৰ সোমাই গ'ল। ধনেশ্বৰে কিছুসময় ৰৈ টকা কেইটা হাতত লৈ চুচুক্ চামাককৈ বাহিৰ ওলাই গ'ল। তাৰ মনত পৰিল মাকলৈ, ৰাস্তালৈ ওলাই সি বেগা বেগিকৈ দত্ত ফাৰ্মাছিলৈ গ'ল। ফাৰ্মাছিত গৈ মাকৰ অসুখৰ বিবৰণ দিলে। ডাক্তৰে অলপ চিন্তা কৰি এটা জুলীয়া ঔষধৰ বটল আৰু কেইটামান টেবলেট দিলে। ঔষধখিনি লৈ সি সুধিলে, চাৰ কিমান পইচা হ'ল। ডাক্তৰে ক'লে পঁচিশ টকা। নাই চাৰ মোৰ ওচৰত মাত্ৰ ২০ টকাহে আছে, ঔষধ অলপ কমাইঁ দিয়ক। কিন্তু এইখিনি ঔষধ মই কমা কহে দিছো। ইয়াতকৈ কম ঔষধ দিলে অসুখটো ভাল নহব। নাই চাৰ মহন্ত বাবুৰ ঘৰত কাম কৰিছিলো, তিৰিশ টকা দিব লাগিছিল, মাত্ৰ বিশ টকাহে দিলে। ইফালে ঘৰত কালিৰে পৰা চাউল নাই। মই কি কৰিম চাৰ।

ডাক্তৰে কিছু চিন্তা কৰি ক'লে বাৰু তই ঔষধ খিনি লৈ যা বাকী পাঁচ টকা পিছত দিবি যা। ধনেশ্বৰে বিশ্ টকীয়া নোটটো দি, ঔষধখিনি লৈ ঘৰ লৈ বুলি ওলাই আহিল। তেনেতে ডাক্তৰে তাক মাত সুধিলে তোৰ নামটো কি আছিল ? ধনেশ্বৰ চাৰ। বাৰু এইফালে আহ চোন। হুঁ এই টকা পাঁচটা লৈ যা। পাৰিলে পাচত দিবি, নোৱাৰিলে নাই। কাৰণ আহাৰ নহ'লে ঔষধে কাম নিদিয়ে। ভাতকৈ খাবলৈ পালে ঔষধ নহলেও হয়। এই পাঁচ টকাৰে চাউল লৈ যাবি। ধনেশ্বৰে টকা পাঁচটা ল'লে। তাৰ পিছত ডাক্তৰৰ ভৰি চুই সেৱা কৰিলে। ডাক্তৰে ক'লে এই --- এই --- এহ --- যা --- মোৰ ভৰি চুব নালাগে। তই সোণকালে ঘৰলৈ যা।

ধনেশ্বৰে পাঁচ টকাৰে মোটা চাউল এক কেজি লৈ, বেগা-বেগিকৈ ঘৰলৈ ৰওনা হ'ল। এতিয়া তাৰ চিন্তা মাত্র, বেমাৰি মাক আৰু ভনীয়েকজনীলৈ। যিমানে তাৰ মাকলৈ মনত পৰিল, সিমানে তাৰ খোজৰ গতিও বাঢ়ি আহিল। প্রায় দৌৰি যোৱাৰ দৰে গৈ আছে। সি ভাৱিছে মাকৰ বা অসুখ কেনে হৈছে। ভনীয়েকে ছাগে ভোকত অৱশ হৈ পৰিছে। বেয়া লাগিল তাৰ ভনীয়েক জনীলৈ, তাই যে এই জীয়ৰী দিনত এসাজ পেট ভৰাই খাবলৈ পোৱা নাই। ইফালে ঘৰে ঘৰে কাম কৰি ফুৰে মাকৰ লগত। মাকৰ যদি কিবা এটা হয়। তাইৰ কি অৱস্থা হ'ব। মাকৰ অসুখৰ কাৰণে তাই কালি কামলৈ ন'গল। সেয়ে সিহঁতৰ চৰুলৈ জুইও ন'গল। এইদৰে ভাবি ভাবি সি গাওঁ পালেগৈ। ঘৰ পাবলৈ মাত্র অলপহে বাকী, এনেতে তাৰ চকুত পৰিল, সিহঁতৰ পদুলি মুখত মানুহৰ এটা জুম বান্ধিছে। তাৰ গাটো সিয়ঁৰি গ'ল, প্রায় দৌৰি যোৱাৰ দৰে গৈ সি পদুলি মুখ পালে, তাক দেখি সকলোৱে বাট এৰি দিলে। সি দৌৰি গৈ চোতাল পালে। সি দেখিলে চোতালত এখন বগা কাপোৰেৰে ঢাকি তাৰ মাকক, চোতালত শুৱাই থৈছে। ভনীয়েকে আউলী-বাউলী হৈ কান্দিছে। কেইজনীমান মানুহে, তাইক ধৰি আছে আৰু সান্ত্বনা দিয়াৰ অপচেষ্টা কৰিছে।

তাৰ কিন্তু চকুৰেদি পানী ওলোৱা নাই, ওলাইছে, যেন কিছুমান জুইৰ ফিৰিঙতি। সি মাকৰ ওচৰত বহি ঔষধ আৰু চাউলৰ টোপোলাটো দূৰলৈ দলিয়াই দিলে, ঔষধৰ বটলটো ভাগি এটা ডাঙৰ শব্দ হ'ল। তাৰপিছত কিছুসময় সেইদৰেই পাৰ হৈ গ'ল তাৰ খং উঠিছে মহন্তৰ ওপৰত সি যদি তাক তাতে ৰখাই নথলে হেতেন কিজানি তাৰ মাকক সি বচাব পাৰিলেই হেতেন। সকলো মানুহে একেথৰে তাৰ ফাললৈকে চাই আছে। হঠাৎ সি চিঞৰি উঠিল, নহয়-নহয় মা। ই-তোমাৰ মৃত্যু হোৱা নাই, তোমাক হত্যা কৰা হৈছে। ই মৃত্যু নহয় হত্যা-হত্যা-হত্যা। এইদৰে সি সজোৰে চিঞৰি মাকৰ ওপৰতে উবুৰি খাই পৰিল ॥ ✻

> মানুহৰ দুখ-দুৰ্দ্দশাত যি বিলাকৰ প্ৰাণ নেকান্দে, সেই বিলাকক মানুহ বুলিব পাৰিনে? পৰৰ দুখত যিজন কাতৰ হয়, পৰৰ দুখ দুৰ্গতি দূৰ কৰিবৰ বাবে যি জনে নিজকে বিলাই দিয়ে তেওঁহে প্ৰকৃত মানুহ।
>
> — স্বামী বিবেকানন্দ



# ঃ চি কা ৰঃ

— শ্যামলী ঠাকুৰ
স্নাতক ৩য় বাৰ্ষিক

[ অসমৰ আলফা সমস্যা সমাধানৰ বাবে চৰকাৰে অসমত ৰাষ্ট্ৰপতি শাসন দিয়াৰ ফলত অসমীয়া নিৰ্দোষী ৰাইজক সৈন্য-বাহিনীয়ে অতি নিৰ্মমভাৱে অত্যাচাৰ চলায়। তাৰোপৰি বহুতো ধৰ্ষণৰ ঘটনাও সংঘটি হয়। যাৰ ফলত বহুতো জীয়ৰী বোৱাৰীৰ জীৱন ধ্বংস হয়। তাৰে আলমত ]

মৰমৰ

মণিষা,

চিঠিৰেই মোৰ মৰম ল'বা। আশাকৰো তোমাৰ ভালেই। বহুদিনৰ মূৰত তোমালৈ চিঠি লিখিবলৈ বহিছো। মই বহুত দূৰলৈ যামগৈ বুলি ভাবিছো মণিষা! তোমালোকৰ সকলোৰে ওচৰৰ পৰা বহু দূৰলৈ। যোৱা দিনবিলাকত মোৰ জীৱনটোৰ ওপৰেদি এজাক বৰ ডাঙৰ ধুমুহা পাৰ হৈ গ'ল। মোৰ জীৱনটোত সজা সুন্দৰ বালিঘৰটো ভাঙি চিঙি চুৰমাৰ কৰি থৈ ধুমুহাজাক গুছি গ'ল। থাকি গ'ল মাথোন ধ্বংসাৱশেষবোৰ চূৰ্ণবিচূৰ্ণ হৈ সাক্ষী ৰূপে। সেয়ে যোৱা দিনবোৰত মই ভাঙি চুৰমাৰ হোৱা ধ্বংসাৱশেষৰ মাজত বহি স্মৃতিবোৰ মনত পৰাত কান্দি কান্দি পাগল হৈ গৈছিলো, চকুৰে আন্ধাৰ দেখিছিলো। কাৰণ মই জানিছিলো সেই সুন্দৰ বালি ঘৰ আকৌ মই জীৱনত কেতিয়াও জোৰা লগাই সাজিব নোৱাৰিম। ভৱিষ্যত জীৱনটোত কেনেদৰে আগবাঢ়িম ভাবিছিলো। মোৰ সাহস হেৰাই গৈছিল। কিমান যে উজাগৰী নিশা কান্দি কান্দি পাৰ কৰাই-ছিলো তাৰ হিচাপ নাই। বাৰে বাৰে মনত পৰিছিল গুৱাহাটীত ইঞ্জিনিয়াৰিং পঢ়ি থকা প্ৰতীমলৈ, যি মোৰ প্ৰাণৰ সৰ্বস্ব। জীৱনত সকলো দি দুয়ো দুয়োকো ভাল পাইছিলো। জানা মণিষা! মোৰ প্ৰতীমলৈ ভয় হৈছিল। মোক জানো তেওঁ পৱিত্ৰ বুলি আকো-ৱালি লব আগৰ দৰে। প্ৰতীমলৈও মই বহুদিন চিঠি লিখা নাই আৰু হয়তো কোনোদিনেই লিখা নহ'ব। কব নোৱাৰো প্ৰতীমে মোৰ সকলো কথা জনাৰ পিছতো ক্ষমা কৰি দিব নে নাই।

মণিষা, তুমি হয়তো মোৰ চিঠি পঢ়ি আচৰিত হৈছা আৰু মোৰ কথাবোৰ বুজাত তোমাৰ দুৰ্বোধ্য হৈ পৰিছে চাগে। বৰা কথাবোৰ ভাঙি পাতি কওঁ। তোমাক সকলো কম বুলিয়েই এই চিঠি লিখিছো। তুমি দেশৰ পৰিস্থিতিৰ খবৰ বাতৰি কাকতৰ যোগেদি গম পাইছাই। ৰাষ্ট্ৰপতি শাসনৰ নামত দেশত সামৰিক শাসন চলিছে। সামৰিক বাহিনীৰ বৰ্বৰ উৎপাতত অসমীয়া জনসাধাৰণৰ বিশেষকৈ গাওঁ বিলাকত চলা অত্যাচাৰৰ কথা বাতৰি কাকত সমূহত নিশ্চয় পঢ়িছাই। ৰাষ্ট্ৰপতি শাসন দিয়াৰ লগে লগে লক্ষীপথাৰ, চৰাইপুং আদিৰ বনাঞ্চল সমূহত সেনাই ঘেৰি ধৰিলে। ২৪ ডিচেম্বৰ দিনাৰ পৰা আমাৰ গাঁৱৰ মাজেদিয়ে লক্ষীপথাৰলৈ সেনাবাহিনীৰ গাড়ীবোৰ যাবলৈ ধৰিছিল। আৰু আমাৰ কাষৰ বাঁহনিভৰাৰ সিপাৰৰ পথাৰখনতে সিহঁতে ছাউনী পাতি থাকিবলৈ লৈছিল। গাওঁখনত সীমান্তৰক্ষী বাহিনীবোৰ সোমোৱাৰ লগে লগে সহজ সৰল গাৱলীয়া ৰাইজৰ স্বাভাৱিক জীৱন-যাত্ৰাত যেন যতি

পৰিল। গধূলি হৈ অহাৰ লগে লগে গোটেই গাওঁখন নিস্তব্ধ পৰি আছে। দিনতে সকলোৱে কৰিব লগা কামবোৰ কৰি ফুট গধূলিতে দুৱাৰত ডাং লগায়। সেইদিনা বায়ন বৰদেউতাৰ পুৰণা অসুখটো পুণৰ উক দিয়াত ৰাতিয়েই ডাক্তৰ বিচাৰিবলৈ যাওঁতে বায়নৰ মাজুপুতেক বলীনক বাটতে আলফা বুলি সন্দেহ কৰি সেনাই সোধপোছ কৰিবলৈ লাগিল। বেচেৰাই হিন্দী নাজানে বাবে অসমীয়াতে কিবা কিবি কৈছিল। সিহঁতে বুজি নাপাই পিঠিত কোবাই কোবাই লেবেজান কৰি ধৰি লৈ গ'ল। আজিলৈকে তাক এৰি দিয়া নাই। সোণেশ্বৰকাই, মহীম দদাইদেউ, গোপাল, ৰাসেশ্বৰকে আদি কৰি সকলোকে ধৰি নি হেনো কাপোৰ কানি খুলি বেতাইছে। সোধ-পোছৰ নামত বুটজোতাৰে গছকা, হাতভৰিত বৈদ্যুতিক শ্বক দিয়া, বেজিৰে খোঁচা আদি নিৰ্মম শাস্তি বিহিছে বুলি শুনিছো। এই নিৰ্দোষী লোকসকলৰ অমানুষিক শাস্তিৰ কথা শুনিলে চকুপানী ওলায়। অকল আমাৰ গাৱঁতেতো নহয় সমগ্ৰ অসমতেইতো এই অৱস্থা। তোমালোকৰ দুলীয়াজানতে নিশ্চয় এনে হৈছে। অৱশ্যে গাৱঁৰ নিৰীহ লোকসকলক অজলা বুলি ভাবি সিহঁতে গাৱঁত বেছি অতপালি দেখুৱায়। ঘৰৰ আগেদি গাড়ীবোৰ গলে সিহঁতৰ লোলোপ চকুবোৰ দেখিলেই ভয় লাগে। মণিষা তোমাৰ চাগৈ মনত আছে সন্দিকৈ কলেজৰ হোষ্টেলত থাকি পঢ়োতে তুমিয়ে মইয়ে যে বাতৰি কাকত পঢ়ো পঞ্জাৱত চলা সামৰিক বাহিনীৰ অত্যাচাৰৰ কথা, উগ্ৰপন্থীৰ নামত নিৰীহ লোকৰ ওপৰত অত্যাচাৰৰ কথা। এতিয়া আমাৰ ৰাজ্যতে এই অৱস্থা।

সিহঁত অহাৰ পৰা পথাৰলৈ যাবলৈও এৰি দিছিলো। প্ৰথমতে এদিনমান গৈছিলো। সিহঁতৰ কামবিহ্বল চকুবোৰেৰে আমাক কিবা কিবি জোকাইছিল। মোৰ ভয়তে অন্তৰখন দুকদুককৈ কঁপিছিল।

আমাৰ অতুল দাদাটোলৈও মোৰ মাজে মাজে ভয় লাগে। একোটো ঠিক নাই!

কেইদিনমানৰ পৰা মায়ে দেখোন গাটো বেয়া লাগিছে বুলি বিছনাত পৰি আছিল। আগদিনা ডাক্তৰৰ ওচৰলৈ লৈ যাও বলক বুলি অতুলদাই কৈছিল কিন্তু মায়ে এনেই অকনমান গাটো বেয়া লাগোতেই হস্পিটেললৈ যামনে বুলি কলত কথাটো তল পৰিল। কিন্তু সেইদিনা আবেলিৰ পৰা মানুহজনী থকথককৈ কঁপিবলৈ ধৰিছিল। দেউতাই সেক পোটক দিলত অকণমাণ তত পালে। দেউতাই বৰুৱা ডাক্তৰৰ ওচৰৰ পৰা দৰব আ[illegible]লৈ বুলি ওলাইছিল। অতুল-দাদাই মযে আলো[illegible]ল চাইকেল লৈ ওলালে। মই সোনকালে আহিবা বুলি সোঁৱৰাই দিলো। অতুল-দাদাটো গধূলিখন ওলাই যোৱাত মোৰ অকনো ভাল লগা নাছিল। যাৰ বাবে নপঠিয়ালেও নহয়। দুদিন মানৰ পৰা মোৰ সোঁচকুটোও বৰকৈ লৰি আছে। মাজে মাজে মনটো গুৱাহাটীত থকা প্ৰতীমলৈ উৰা মাৰিছিল। আগদিনা ৰেডিঅ'ত কৈছিল প্ৰতীমহঁতৰ হোষ্টেলতো হেনো সামৰিক বাহিনীয়ে তালাচী চলাইছিল। তাতে প্ৰতীমৰ খা-খবৰো বহুদিন পোৱা নাই।

গধূলি হৈ অহাত লেম্প চাকিবোৰ জ্বলাই দিলো। গোঁসাই ঘৰতো চাকিগজ জ্বলাই সেৱা এটি কৰি ওলাই আহিছোহে জপনামুখত গাড়ীবোৱাৰ শব্দ শুনিলো আৰু পিছমুহূৰ্ত্তেতে দুৱাৰত টকিওৱাৰ শব্দ। মোৰ বুকুখন অজান আশংকাত টপটপাবলৈ ধৰিলে। তেনেতে শুনিলো এক হুংকাৰ 'দৰৱাজা খোল'। হিন্দি ভাষা শুনি মোৰ বুজিবলৈ বাকী নাথাকিল কোন হব পাৰে। কিন্তু সেনাই কাক বিচাৰি আমাৰ ঘৰলৈ আহিছে? মই মা শুই থকা বিচনা পাওঁ মানে মানে দেউতাই দুৱাৰ খুলি দিলে। সিহঁতে অতুলদা আছেনে নাই সুধি দেউতাক ঠেলা মাৰি দুৱাৰমুখৰ পৰা আতৰাই দপদপকৈ সোমাই আহিল। মই সিহঁতৰ জোতাৰ শব্দ শুনি মাক সাবুটি ধৰি বুকুৰমাজত সোমাই ৰ'লো। সিহঁতে গোটেই ঘৰখনত পিতপিতকৈ বিচাৰি আমাৰ কোঠালৈ সোমাই আহিল। মায়ে ইতিমধ্যে জ্ঞান হেৰুৱাই পেলাইছিল সম্ভৱ। মই জানা মণিষা, ইমান ভয় খাইছিলো যে মাৰ অৱস্থাৰ কথা গমেই পোৱা নাছিলো। অথচ



মই মাৰ বুকুতে মুখ ঢাকি পৰি আছিলো। অতুল দাদাক নাপাই সিহঁতে দেউতাক দাদাৰ কথা সুধি বন্দুকৰ নলেৰে পেটত খুচি দিওঁতে দেউতাই চিৎকাৰ কৰি উঠিল। পিছমুহূৰ্ত্ততে আন এটাই দেউতাক বাৰীৰ পিছফালে থকা গোহালি ঘৰৰ ফালে টানি লৈ গ'ল আৰু আন দুটাই মাৰ ওচৰৰ পৰা মোক টানি লৈ গ'ল। মই যিমান পাৰো সিহঁতৰ কবলৰ পৰা মুক্তি পাবলৈ বিচাৰিলো। চিঞৰত গগন ফালিলো। কোঠালিৰ অতুলদাদাৰ বিচনাখনত পেলাই কাপোৰ-বোৰ আজুৰিবলৈ ধৰিলে। টনা আজোৰাৰ কোবত ওচৰৰ টেবুলৰ ওপৰত জ্বলি থকা চাকিগজ মাটিত পৰি নুমাই থাকিল। ফলত ৰুমটো অন্ধকাৰে গ্ৰাস কৰি পেলালে আৰু মই আতংকত কঁপিবলৈ ধৰিলো। পশু দুটাৰ কবলৰ পৰা মুক্ত হবলৈ মই সিহঁতৰ হাতত সাজোৰে কামুৰি দিলো। মোক তেনে কৰা দেখি চুলি টানি মাটিত বগৰাই কামনা চৰিতাৰ্থ কৰিবলৈ উঠি পৰি লাগিছিল। মোৰ তেতিয়া খণ্ডত ক্ষোভত শোকত কেনে লাগিছিল তোমাক বুজাব নোৱাৰো, দেউতাক সিহঁতে ঘৰত বান্ধি লৈছিল সেয়ে দেউতাই মোৰ চিঞৰ শুনিও নিৰবে শুনি থাকিব লগীয়াত পৰিছিল। এজনী অসহায়া নাৰীক সহায় কৰিবলৈ গাওঁখনৰ কোনো আগবাঢ়ি নাহিল। মনে প্ৰাণে ভগৱানক খাটিছিলো যাতে অতুলদাদা এতিয়া ঘৰলৈ ঘুৰি নাহক। কাৰণ অতুলদাদাক বিচাৰি পালে সিহঁতে সোণেশ্বৰ কাইটিহঁতৰ দৰে ঘূণীয়া কৰি পেলাব। মই সিহঁতৰ লগত যুঁজি যুঁজি এটা সময়ত চেতনা হেৰুৱাই পেলালো। ----

যেতিয়া চেতনা ঘুৰাই পাইছিলো তেতিয়া মই হস্পিতালত, লাহে লাহে মোৰ গোটেই ঘটনাটো চকুৰ আগত ভাঁহি আহিল। শৰীৰটো যান্ত্ৰনাত অৱশ অৱশ অনুভৱ কৰিছিলো যদিও পশু কেইটাৰ মুখকেইখন মনত পৰাৰ লগে লগে মোৰ হাতৰ মুঠি টান হৈ আহিছিল। দুদিন হস্পিতালত থাকি দেউতাৰ লগত ঘৰ পালোহি। সেইদিনা ৰাতি মই সকলো হেৰুৱাৰ বেদনাত কান্দিছিলো। প্ৰতীমলৈ প্ৰতীম, তোমাক দিবলৈ মোৰ মনত পৰিছিল।

আৰু একো নাই মোৰ পৰা সকলো লুটি লৈ গ'ল। জানা মণিষা, মোৰ আৰু জীৱনটোৰ প্ৰতি মোহ নাই। কি লৈ জীয়াই থাকিম; সকলোতো শেষেই হৈ গ'ল! প্ৰতীমে জানো মোৰ সকলোবোৰ কথা গম পোৱাৰ পিছত মোৰ এই কলুষিত শৰীৰটো আদৰি লব। আৰু ললেও জানা মণিষা। এইখন সমাজত প্ৰতীম বহুত তললৈ নামি যাব লাগিব। কাৰণ প্ৰতীমে আদৰি ললেও প্ৰতীমৰ ঘৰে বা সমাজে মোক হয়তো কেতিয়াও সহজে গ্ৰহণ কৰিব নোৱাৰিব। মই কেতিয়াও প্ৰতীমৰ মান সন্মান নষ্ট কৰিব নোৱাৰিম আৰু ঘৰটো মা-দেউতাৰ গলগ্ৰহ হৈ জীয়াই থাকিব নোৱাৰো। মই যোৱা দিনবিলাকত সেয়ে সিদ্ধান্ত ললো মোৰ বাবে এটা পথেই খোলা আছে সেয়া হৈছে আত্মহত্যা। মই আজি আত্মহত্যা কৰিম কিন্তু কালিলৈ অন্য দহজনী যেতিয়া পশুহঁতৰ বলি হব তেতিয়া কি হব? সিহঁতে হয়তো মোৰ দৰে একে পথকেই বাচি লব নাইবা মৰি মৰি জীয়াই থাকিব। নাই নাই আকৌ এনে ঘটনাৰ পুণৰাবৃত্তি হবলৈ দিব নোৱাৰি। মইয়েই যেন এনে পাশবিক তাৰ বলিৰ শেষ নাৰী হওঁ। মণিষা, তাৰপিছত মই ৰাজ্যপালৰ ওচৰলৈ নিজে গৈ এখন স্মাৰক পত্ৰ দিলো আৰু পাছত মোক উচ্চন্যায়ালয়লৈ বিচাৰৰ বাবে আমন্ত্ৰণ জনায়। বিচাৰৰ শেষত ন্যায়ালয়ে মোক অত্যাচাৰ কৰা পশুহঁতক উপযুক্ত শাস্তিৰে দণ্ডিত কৰাৰ নিৰ্দেশ দিলে। এতিয়া মই অন্ততঃ কিছু শান্তিত মৰিব পাৰিম। এজাক ধুমুহা বৰষুণৰ পাছত পশ্চিম আকাশত ৰান্ধনি বেলিটো ওলোৱাৰ দৰে মোৰ জীৱনৰ শেষৰ এই কাৰ্য্যই হয়তো অসমৰ আন দহজনী ছোৱালীক নিৰাপত্তাৰ পোহৰ দিব।

এতিয়া নিশা বাৰ বাজিছে। কাষৰ বিচনাখনত মা আৰু দেউতা নিঃশব্দে শুই আছে। সিটো কোঠাৰপৰা অতুলদাৰ নাকৰ ঘোৰ ঘোৰ শব্দ ভাঁহি আহিছে। বাহিৰত মাজে মাজে দুই এখন গাড়ীৰ শব্দ হৈছে। হয়তো সেনাবাহিনীৰ। মাত্ৰ ঘড়ীটোৰ টিক্-টিক্ শব্দৰ বাদে সকলো নিমাত নিতাল নিস্তব্ধ। এয়াই সুন্দৰ সময়। মোৰ হাতত থকা এই সামান্য

# ঃ দ্বাদশীৰ এন্ধাৰ ঃ

—নিজৰা গগৈ
স্নাতক ৩য় বাৰ্ষিক ( কলা )

লোহাৰ দৰজাখনৰ ফাঁকেদি চাই আছে প্ৰশান্তই বহু দূৰ দিগন্তলৈ। তেওঁৰ দৃষ্টিৰ যেন অন্ত নাই। লক্ষ্যহীনভাৱে দহোদিশে দৃষ্টি নিক্ষেপ কৰি প্ৰশান্তই ভাবিব ধৰিলে কিহৰ বাবে তেওঁ জীয়াই আছে এই সংসাৰ খনত। জীয়াই থাকিয়েই বা পাইছে কি ? সুখ, শান্তি, আনন্দ, উঁহো তেওঁ এইবোৰ একোৱেই পোৱা নাই। পাইছিল, এদিন তেওঁ এই সকলোবোৰেই পাইছিল। কিন্তু নিঠুৰ নিয়তিৰ কাল প্ৰহেলিকাই সকলো ধ্বংস কৰি নিলে। তেওঁ আজি পাইছে মাথো এটি বন্দী জীৱন। কাৰ বাবে, কি অপৰাধত আৰু কিয় তেওঁ ইমান দুখ লাঞ্ছনা ভোগ কৰিব লগা হৈছে ? ইমান জ্বালা যান্ত্ৰনা ভোগ কৰিও তেওঁ আজি ভাগৰি পৰা নাই। অথচ জীয়াই থকাৰ দুৰ্বাহ হেপাহ। ঘৰলৈ পুনৰ গুচিযান পাৰিব জানো তেওঁ ? পাৰিব, কিন্তু আজি নহয়। যি দিনা জেইলাৰে তেওঁৰ মুক্তি হ'ল বুলি ঘোষনা কৰিব। সেইদিনা তেওঁ এই লোহ দৰজা অতিক্ৰম কৰি ঘৰলৈ যাব পাৰিব। ঘৰৰ কথা মনলৈ অহাত তেওঁৰ বুকুত এক তীব্ৰ যান্ত্ৰনা অনুভৱ কৰিলে। তেওঁৰ মানস পটত ভাহি উঠিল কেইখন মান প্ৰতিছবি। তেওঁৰ অতি মৰমৰ ঘৰখন, তেওঁৰ পত্নী আৰু তেওঁৰ নয়ন মনি শিশু দুটি আছে জানো আজিও জীয়াই ? কিন্তু তেওঁক আজি কোনে সমিধান দিব। তেওঁৰ দৰে শ শ অপৰাধী নিৰপৰাধী বন্দী এই ডিব্ৰুগড় জেলত প্ৰতিদিনে মুক্তিৰ ক্ষণ গণি আছে। তেওঁ ঈশ্বৰক প্ৰাৰ্থনা কৰিব ধৰিলে----।

"হে করুণাময় জগদীশ্বৰ তুমি মোৰ মিনতি শুনিছানে বাৰু ? কুশলে ৰাখা প্ৰভু মোৰ নিঠৰুৱা পৰিয়ালটিক। মই মোৰ সন্তান দুটিক মানুহ কৰিব নোৱাৰিলো। মোৰ আঁচলৰ ধন নৰ্মদা আৰু কাবেৰীক আজি এঘাৰ বছৰ আগতে তোমাৰ চৰণতেই এৰিথৈ আহিলো। সিহঁতক মঙ্গলে ৰাখা প্ৰভু। সিহঁত চাগে ইমান দিনে গাভৰু হ'ল। তোমাৰ ওচৰত মোৰ মাত্ৰ এটি অনুৰোধ প্ৰভু। মোৰ মৃত্যুৰ শেষ নিশ্বাসত হলেও মই যেন কন্যা দুটিক দেখা পাওঁ। পিতৃৰ অবিহনে চাগে সিহঁতে বৰ কষ্ট পাইছে। কৃষ্ণাক তুমি মতি দিয়া প্ৰভু। তাই যেন অধৈৰ্য্য নহৈ নিজ কৰ্ত্তব্য পথৰ পৰা বিচলিত হৈ নপৰে।

( চিকাৰ ………… )

বিহখিনি ব্যৱহাৰ কৰাৰ সোণালী সুযোগ। শেষ মুহূৰ্ত্তত এবাৰ প্ৰতীমক চাবলৈ বৰ হেপাহ হৈছিল। মাত্ৰ এবাৰৰ বাবে। পিছৰ জীৱনত প্ৰতীমকেই যেন সংগীৰূপে পাওঁ. ইয়াকে ভগৱানক খাটিছো।

মণিষা, মোৰ বান্ধৱী বিদায় ! ইতিমধ্যে মোৰ শৰীৰত বিহখিনিয়ে হয়তো ক্ৰিয়া কৰিছে শৰীৰটো অৱশ অৱশ লাগিছে। হাতৰ কলমটো শিথিল হৈ আহিছে। বিদায় বান্ধৱী বিদায়----

ভগৱান তুমি জানো সঁচাই এই পৃথিৱীত আছা তুমি যদি আছাই তেন্তে মই অপৰাধী হয়নে নহয় তুমি নাজানানে ? তুমি সেই সকল ব্যক্তিক সৎপথ দেখুৱাই দিয়া প্ৰভু। যি সকলে নেকি নিজ বাট এৰি অন্যায়ৰ বাটেৰে খোজলৈ মোৰ দৰে শত জনক বিনা দোষে সাব্যস্ত কৰি একোখন সোণৰ সংসাৰত জুই দিছে। ভগবান তুমি মোৰ নৰ্মদা, কাবেৰী আৰু কৃষ্ণাক কুশলে ৰাখা প্ৰভু, কুশলে ৰাখা---।"

প্ৰশান্তই আৰু ভাবিব নোৱাৰা হ'ল। তেওঁৰ দুগালে দুধাৰী তপত অশ্ৰু বৈ আহিল। "প্ৰশান্তদা অ' প্ৰশান্তদা" জমীৰৰ মাতত তেওঁ বাস্তৱলৈ ঘুৰি আহিল। পাছলৈ ঘুৰি চাই জমীৰক দেখি তেওঁ করুণ ভাৱে হাঁহে। তেতিয়াও বাৰিষাৰ বানৰ দৰে তেওঁৰ চকুৰ পৰা চকুলো বৈয়ে আছিল।

"প্ৰশান্তদা তুমি ইয়াত অকলে কি কৰি আছা ? ই কি, মই ইমানকৈ মাতি আছো শুনা নাই ? কি হল প্ৰশান্তদা, অথনিৰে প্ৰশান্তদা তুমি কান্দিছা ? কি হল প্ৰশান্তদা, অথনিৰে পৰা তুমি ছাগে কান্দিয়েই আছা নহয়। কোৰ কিয় ইমানকৈ কান্দিছা ?"

প্ৰশান্ত নিমাত। তেওঁৰ যেন মাত হেৰাই গৈছে। যেন তেওঁ বোবাহে।

"প্ৰশান্তদা পুৰুষ হৈ তুমি নিজকে ইমান হীন বুলি নাভাবিবা। তুমিতো এদিন মুক্তি পাবাই তেতিয়া, তেতিয়াতো তুমি ঘুৰি গৈ তোমাৰ নুমাই যাব ধৰা শলিতা গছিত পুণৰ তেল ঢালি জেউতি বিলাব পাৰিবা। তোমাৰতো যাৱজ্জীৱন কাৰাদণ্ড হোৱা নাই। তোমাৰ মুক্তিৰ দিন চমু চাপি আহিছে। মোৰ দৰেতো তোমাৰ গোটেই জীৱন কাৰাদণ্ড নহয়। সঁচা কৈছো প্ৰশান্তদা তোমাৰ চকুৰ চকুলো দেখিলে মই বৰ দুখ পাওঁ। তুমি আনন্দৰে জীৱন অতিবাহিত কৰাটোকে মই কামনা কৰো। বন্দী হৈ ইয়াত কেৱল তুমি আৰু মইয়ে জানো আছো ? নাজানো প্ৰশান্তদা তোমাক মোৰ কিয় ইমান আপোন যেন লাগে। তোমাক লগ পোৱাৰে পৰা মই অতীতৰ সকলো স্মৃতি মনৰ পৰা পাহৰি পেলাইছো। প্ৰশান্তদা, সুখ আৰু আনন্দ আনিবলৈ হলে তুমি বা আমি চকুলোক প্ৰশ্ৰয় দিলে নহব। আমি সকলো কঠোৰ আৰু দৃঢ় হব লাগিব। তুমি সকলো প্ৰবঞ্চনা, অত্যাচাৰ হাঁহি মুখে গ্ৰহণ কৰি যোৱা। এদিন দেখিবা তোমাৰেই জয় হৈছে। মাত্ৰ নিজৰ ওপৰত বিশ্বাস ৰাখিবা সময়ত দেখিবা সকলোৱে তোমাৰ ওচৰত ধন্য মানিছে। তোমাক সকলোৱে দেৱতুল্য জ্ঞান কৰিছে।"

জমীৰৰ কথাবোৰ প্ৰশান্তৰ অসহ্য লাগিছিল। তেওঁৰ কথা আওকান কৰা যেন পাই জমীৰে পুণৰ কলে—

"প্ৰশান্তদা মোৰ কথাবোৰ তুমি বিশ্বাস কৰিব পৰা নাই নহয়নে ? মোৰ উপস্থিতি তুমি কামনা নকৰা নেকি ?"

শেষলৈ জমীৰৰ মাত থুকা থুকি হৈ আহিল। "জমীৰ পুৰুষহৈ মই কান্দি আছো। নাকান্দি কি কৰিম তুমিয়ে কোৱা চোন ? মই তোমাৰ অনুপস্থিতি কামনা নকৰো জমীৰ। কিন্তু মই মানুহৰ উপৰত বিশ্বাস হেৰুৱাই পেলাইছো। নিৰলে থাকো, মই কি ভাবো নিজেই নাজানো।

বাৰু জমীৰ, আমাৰ চাৰিওফালে থকা গছ লতিকা আৰু চন্দ্ৰ, সূৰ্য্য ইমান উদাৰ কিয় ? এই উদাৰতাৰ বিনিময়ত সিহঁতে পাইছে কি ? মানুহ বাৰু ইমান উদাৰ হব পাৰিবনে ?"

"নোৱাৰাৰ কাৰণ নাই প্ৰশান্তদা। অৱশ্যে সকলো মানুহ উদাৰ হব নোৱাৰে।"

"মিছা কথা মই কবলৈ হ'লে এই পৃথিৱীৰ সকলো মানুহেই স্বাৰ্থপৰ। সকলোৱেই নিজৰ স্বাৰ্থক লৈ ব্যস্ত।"

“সকলো মানুহ স্বাৰ্থপৰ নহয় আৰু হব নোৱাৰে প্ৰশান্তদা। তাৰ জ্বলন্ত উদাহৰণ বহুতো আছে। যেনে ধৰা দধিচি মুণি, ৰামচন্দ্ৰ, জয়মতী আদি কৰি আমি বহুতো মহৎ ব্যক্তিৰ কথা কব পাৰো।”

“কিন্তু জমীৰ তেওঁলোকতো আজি নাই। বাৰু এইবোৰ বাদ দিয়া।”

“তুমি কব পাৰিবা নে জমীৰ এই নৰকলৈ অৰ্থাৎ এই জেললৈ কোনবোৰ ব্যক্তিৰ আগমন হয়।”

“কিয় অপৰাধীবোৰ আহে আৰু, যি বোৰে নেকি সমাজ বিৰোধী কাম কৰি সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে।”

“আৰু নিৰ্দ্দোষী, নিৰপৰাধী জানো ইয়ালৈ নাহে ? তুমি ভুল বুজিছা। এই বন্দীশাললৈ কেৱল যে দোষীবোৰৰ হে আগমন হয় এনে নহয়। এই জেলৰ ভিতৰত বহুতো নিৰ্দ্দোষী নিৰীহ লোক আছে। তেওঁলোকক এই বন্দীশাললৈ পঠাই এচাম ধনৰ অত্যাচাৰী লোকে। এই বন্দী জীৱনতেই পশু মানুহলৈ আৰু মানুহে নিজ মানৱত্ব হেৰুৱাই পশুত্বলৈ ৰূপান্তৰিত হয়। নিৰ্দ্দোষী নিৰপৰাধী জনৰ বন্দী জীৱন কিমান করুণ কিমান ভয়াবহ তুমি নাজানা জমীৰ। মানৱ জীৱ শ্ৰেষ্ঠ হৈও পশুতকৈ কিয় অধম কব পাৰিবানে জমীৰ ?”

“তোমাৰ কথাবোৰ বুজা নাই প্ৰশান্তদা তুমি কি অপৰাধত বন্দীত্ব জীৱন কটাবলগীয়া হৈছে ? অনুগ্ৰহ কৰি তোমাৰ বন্দীত্বৰ কাৰণ কবানে ?”

“অতীতৰ কথা ৰোমন্থন কৰি জানো কিবা লাভ হব জমীৰ ? তুমিয়েই দেখোন কৈছিলা তোমাৰ মনৰ পৰা অতীতৰ সকলো স্মৃতি মচি পেলোৱাৰ কথা। আৰু এতিয়া তুমি মোৰ অতীতক কিয়নো বা বিচাৰিছা ?”

“কৈছিলো হয় কিন্তু অতীতৰ অবিহনে যে বৰ্ত্তমান হব নোৱাৰে প্ৰশান্তদা। তোমাৰ অতীতৰ পৰা লাভ হলেও নহলেও মোক আজি কবই লাগিব।”

“তোমাৰ জানো সিমানখিনি শুনাৰ ধৈৰ্য্য আছে জমীৰ ?” তথাপিও তুমি জানিব বিচাৰিছা যেতিয়া কওঁ শুনা।

মই এই নৰকলৈ কি দৰে আহিলো তুমি নাজানা জানা, জমীৰ মই সম্পূৰ্ণ নিৰ্দ্দোষী আছিলো। হব পাৰো মই মানৱৰ চকুত অপৰাধী, কিন্তু ঈশ্বৰৰ চকুত নহয়। জানা জমীৰ আত্মীয় সমাজ বন্ধুত্ব প্ৰীতিৰ পৰা বঞ্চিত হৈ দুৰ্ব্বাহ শাসনৰ তলত থকাটোৱেই বন্দীৰ জীৱন। জমীৰ ইয়াত আইনে আমাৰ কাৰণে চন্দ্ৰৰ কিৰণ, সূৰ্য্যৰ পোহৰ, বৰ্ষাৰ বৰণে ৰোধ কৰি ৰাখিব পৰা নাই কিয় ? কাৰণ ইয়ালৈ নিৰ্দোষী লোকও আহে। মানুহেই আজি মোক মানৱত্ব হেৰুৱা পশুত্বলৈ নিছেই। জানা জমীৰ সৌ গছলতা বোৰে আৰু আকাশৰ গ্ৰহ নক্ষত্ৰবোৰে মুখেৰে মাতিব পৰা হলে চিঞৰি চিঞৰি ক’লে হয় প্ৰশান্ত নিৰ্দোষ প্ৰশান্ত নিৰ্দোষ। জমীৰ এয়ে বোধহয় মানৱৰ বিচাৰ। এয়ে মানৱৰ ধৰ্ম। এজন নিৰপৰাধীয়ে দিনে ৰাতিয়ে বন্দী কাৰাগাৰ মুক্তিৰ ক্ষণ গণিছে আৰু এজন ধনৰ অত্যাচাৰী অপৰাধীয়ে বিলাস মন্দিৰত ৰাজভোগ কৰিছে।

আজি প্ৰায় এঘাৰ বছৰৰ আগৰ কথা। এজন ধনাঢ্য লোকৰ প্ৰেছত চাকৰি কৰিছিলো। মই সেই প্ৰেছৰ নামানুসৰি এখন আলোচনী উলিয়াইছিলো আৰু সেই মই। মোৰ অসীম চেষ্টাৰ বলতেই আলোচনীখন ভাগ্য জাজ্বল্যমান হৈছিল আৰু আন ফালেদি তেনেকৈ মোৰ ভাগ্যবশতো এচমকা সন্ধিয়াৰ কলা মেঘে চাতি ধৰিলেহি। প্ৰেছৰ এটি সাধাৰণ কথাৰ বাবে প্ৰেছৰ মালিক আৰু মোৰ মাজত এক বাকবিতণ্ডা হয়। তাৰ ফলত আমাৰ দুয়োৰে মাজত মনোমালিণ্যৰ সৃষ্টি হয়। অকস্মাৎ এদিন ৰাতি



কোনোবা দুবৃত্তই প্ৰেছঘৰত জুই দিয়ে। প্ৰেছ ভস্মীভূত হয়। মোক বিনাদোষে সন্দেহ কৰি গ্ৰেপ্তাৰ কৰে। আৰু অৱশেষত মই সেই অগ্নি সংযোগৰ হোতা বুলি ছেছন আদালতে মোক অপৰাধী সাব্যস্ত কৰে। আৰু মোৰ চাকৰিৰ দুই বছৰ মানৰ পিছতেই সেই অপৰাধত মোৰ বাৰ বছৰ সশ্ৰম কাৰাদণ্ডৰ হুকুম হয়। মই নিৰ্দোষী আছিলো। আদালতৰ বিচাৰে মোক জেল দিয়া নাই। মোক জেল দিছে সেই প্ৰেছৰ মালিকৰ ধনৰ অত্যাচাৰে আৰু তাৰ পাছৰে পৰা মই হলো এই ডিব্ৰুগড় জেলৰ বন্দী। মই মোৰে পত্নী আৰু কন্যা দুটি খবৰ বহু বছৰ হল পোৱা নাই। হয়তো ভগৱানে তেওঁলোকক অশেষ কষ্ট ক্লেশৰ মাজত জীয়াই ৰাখিছে। যি দৰে আজি মই জীয়াই আছো। দুৰন্ত দুৰ্ব্বাৰ প্ৰাচীৰৰ মাজত এইয়া মোৰ দ্বাদশীৰ এন্ধাৰ শেষ হৈ আহিব ধৰিছে। পাৰ হৈ গ’ল সুদীৰ্ঘ এঘাৰটা বছৰ। মোৰ মুক্তিলৈও বোধ কৰোঁ বেছিদিন নাই। মই হয়তো অতি সোণকালেই এই ডিব্ৰুগড় জেলৰ লোহদাৰত শেষ নমস্কাৰ দিব পাৰিম।”

প্ৰশান্তই কথাবোৰ জমীৰক কৈ থাওঁতে তেওঁ দুগালে অশ্ৰুৱে আহিছিল। যেন এটি সৰু চঞ্চল জুৰিহে।

“প্ৰশান্তদা তেন্তে তুমি সঁচাই নিৰ্দোষী ? তোমাৰ পত্নী কৃষ্ণা আৰু কাৱেৰী, নৰ্মদাইতো বৰ কষ্টত জীৱন অতিবাহিত কৰিছে নহয় ?”

“জমীৰ, কৃষ্ণা, কাৱেৰী, নৰ্মদা নৈ যি দৰে আনন্দৰেই সদাই বৈ গৈছে ঠিক সেই দৰেই মই মোৰ কৃষ্ণা, কাৱেৰী, নৰ্মদাৰ সুখ আৰু আনন্দ কামনা কৰিছিলোঁ। কিন্তু মই তাহাঁতৰ সেই দিন আনিব নোৱাৰিলোঁ। তাহাঁতি এতিয়া সেই দিন পাইছেনে নাই পোৱা নাজানো।”

এনেতে জেলৰ এজন ওৱাৰ্ডৰে প্ৰশান্তক কলেহি যে ১৫ আগষ্টৰ দিনা তেওঁৰ মুক্তি হব। খবৰটো দি ওৱাৰ্ডাৰ জন গুচি গল।

প্ৰশান্তই এটা হুমুনীয়া কাঢ়িলে। জমীৰে সুধিলে—

“প্ৰশান্তদা ইমান এটা সুখৰ সংবাদ পাই তুমি কিয় মন মাৰি আছা ?”

“জমীৰ বিগত ইমান বছৰে তোমালোকৰ লগত স্নেহ, বন্ধুত্ব সকলো গঢ়ি তুলিছিলোঁ। ইয়াতেই সেইবোৰ ছিন্ন কৰি যাওঁ কেনেকৈ ! এই প্ৰকাণ্ড দেৱালবোৰক এৰিথৈ গলে লোহাৰ দৰজাৰ ফাঁকেদি মোৰ বন্ধুৱে চাই ৰব মোৰ বিদায়ৰ শেষ দৃশ্যলৈ ! মই তোমালোকক কেনেকৈ এৰিথৈ যাম ? আজি এঘাৰ বছৰৰ আগতে এখন জগত ত্যাগ কৰি আন এখন জগতৰ লগত জীৱনৰ পাতনি মেলিছিলোঁ। আজি আকৌ ত্যাগ কৰি অহা জগতখনলৈ কেনেকৈ ঘূৰি যাম ? সেই জগতখনে জানো মোক পুণৰ আকোঁৱালি লব আৰু মইয়েই বা সেই জগতৰ লগত থাপ খাব পাৰিম ?”

জমীৰ নিমাত নিস্পন্ধ।

অৱশেষত সেই দিনটো আহিল। পোন্ধৰ আগষ্ট। প্ৰশান্তই মুক্তি পালে। এতিয়া তেওঁ পাহৰি যাব প্ৰকাণ্ড লোহাৰ দৰজাখন। পাহৰি যাব তেওঁ অতি মৰমৰ জমীৰ আৰু আন বন্ধুসকলক। জমীৰ আৰু আন বন্ধু সকলে লোহাৰ দৰজাৰ ফাঁকেদি করুণ দৃষ্টিৰে চাই আছে তেওঁলৈ। জেইলাৰ, এচিচটেন্ট জেইলাৰ সকলোৱেই চাই ৰৈছে তেওঁৰ বিদায় ক্ষণলৈ। তেওঁ এবাৰ ফিৰি চাইছে জেলৰ দৰজাখনলৈ। গ্ৰেপ্তাৰৰ থানা তালাচৰ দিনা তেওঁৰ যিবোৰ বস্তু আছিল আজি তেওঁ সকলো ঘুৰাই পাইছে। জেলৰ প্ৰকাণ্ড দেৱালৰ বাহিৰত তেওঁ আকৌ এজন মানুহ হব লাগিব। জগতক তেওঁ

আৰো নতুন চকুৰে চাব। ৰাস্তাত জানো তেওঁক কোনোবাই চিনি পাব? নাই কোনেও নাপায়। কাৰণ তেওঁ সেই বাৰ বছৰ আগৰ প্ৰশান্তহঁে থকা নাই। তেওঁ এতিয়া বৃদ্ধ। বাৰটা বছৰে তেওঁৰ চুলি আৰু ডাড়ি গোফবোৰ বগা ৰং ধৰিছে। মুখৰ সৌন্দৰ্য্য কাঢ়ি নিছে। গালত বয়সৰ আচোঁৰ পৰিছে। তেওঁ এতিয়া ক্ষীণ, দুৰ্বল নয়নত জ্যোতি নাইকীয়া হৈছে। তেওঁৰ কথাৰ ভঙ্গী বদলি হৈ গৈছে। তেওঁৰ অন্তৰ আত্মাই এতিয়া বাৰু কি বিচাৰে কোনে কব? কোনে বাৰু দিব সমিধান???



> হয় সন্মুখ ৰণত মৰি স্বৰ্গ লাভ কৰা, নহয় জয়ী হৈ ৰাজ্যভোগ কৰা।
>
> যি গৰাকীলোক আইন কানুন উলংঘা কৰি স্বেচ্ছাচাৰী হৈ কৰ্মত প্ৰবৃত্ত হয়, তেওঁ সিদ্ধি লাভ কৰিব নোৱাৰে, সুখো নাপায়, তেওঁৰ সদগতিও নহয়।
>
> — গীতা



চুটিগল্প

# চোৰা কাউঁৰি

— হেমন্ত দাস
সমাজতত্ত্ব বিভাগ

ৰাতিপুৱা বিচনাতে গাটো দুৰ্ব্বল দুৰ্ব্বল লাগিব ধৰিছিল। দিনটোলৈ পাগল কুকুৰৰ দৰে ঘূৰি ফুৰাৰ ইচ্ছা সমূলি নাছিল। কাৰণ আজি দহ / বাৰ দিনে পুৱাৰ পৰা আবেলিলৈকে পাগল কুকুৰৰ দৰে ঘূৰি ফুৰাৰ বাহিৰে একো কাম হোৱা নাই। কামৰ নামত মোৰ পকেটৰ সাঁচতীয়া টকা কেইটাৰ অৱশেষ্য শবাদ হৈছে। গতিকে মনটো অৱসাদ আৰু হতাশাৰে ভৰি পৰিছে। কিন্তু উপায় নাই। নগলেওতো ঘৰত শান্তি পোৱা নেযায়। গতিকে মনটো ডাঠ কৰি ওলাই গলো। আজি হয়তো শেষ চেষ্টা। কাৰণ মই ভালদৰেই জানো, বুঢ়াই আৰু অধিক সময় নিদিয়ে। ইতিমধ্যেই মই আজি কালিকৈ বহুদিন সময় বঢ়াই লৈছো। গতিকে আৰু অধিক সময় দিয়াৰ যুক্তিয়েই বা ক'ত? সময়ৰো এটা নিৰ্দিষ্ট সীমা আছে!" বৰুৱাৰ পৰাতো যোৱা কিছুদিন পলাই ফুৰাৰ দৰেই হৈছে। তথাপি যোৱাকালি হঠাৎ তেওঁক লগ পাই গলো। প্ৰসংগ নকৰি তেওঁ কৈয়েই পেলালে, 'দাস, আপোনাৰ সমস্যা সোনকালে শেষ কৰক। নহলে মোৰো সমস্যা। পৰিক্ষালৈ বেচিদিন নাই।' কিবা কবলৈকে মোৰ লাজ লাজ লাগিল। অৱশ্যে বৰুৱাৰ সতে মোৰ বুজা পৰা আছে। আজিলৈকে তেখেতে মোক কোনো কথা দ্বিতীয় বাৰলৈ কব লগা হোৱা নাই। তাৰোপৰি, তেওঁৰ সমস্যাত ভাগ লৈ সমাধানৰ পথ উলিয়াত সহায় কৰা বিলাকৰ ভিতৰত মইয়ো এজন। গতিকে তেখেতে কিবা কথা মোক কবলৈ হলে বহু ভাবি চিন্তিহে কয় আৰু মোৰো লাজ সংকোচ এইখিনিত হে। তেওঁৰ দৰে মানুহ এজনে মোক এইদৰে কিয় কব লগা হ'ল। তিনিদিনৰ ছুটি বুলি কৈ আজি এসপ্তাহে কিয় নিজ কৰ্তব্যত উপস্থিত থাকিব পৰা নাই? মোৰ নিজকে গুৰুত্বৰ অপৰাধী যেন লাগিল। মাথোন এটাই সান্তনা, আৰু মাত্ৰ এটা দিন। বৰুৱাই মোক 'টো' কবলৈ অৱকাশ নেপাব।

তিনিআলিটোতে বাছৰ বাবে ৰৈ আছো। কাষত কেইবাজনো মানুহ; মাত্ত বোল নহলেও চকুৰ চিনাকি। আহোঁতে যাওঁতে প্ৰায়ে লগ পাই থাকো। হঠাৎ কৰবাৰ পৰা বুঢ়া আহি ওলালহি। যোৱা দুদিনে বুঢ়াক দেখা দিয়া নাই, সেয়ে হয়তো তেওঁ মোক বিচাৰি এইখিনি পাইছেহি। মই মাত দিওঁ বুলি ভাবোতেই তেওঁ আগেই মাত লগালে।

'দাস, কিবা হবগৈনে? মই আৰু কিমান দিন ৰ'ম।' কাষত থকা মানুহকিজনে মোলৈ একে লগে চাল।

মানে মোৰ কথা হ'ল মোৰ হাতত সময় নাই। মই দুই এদিনতে যোৱাৰ সিদ্ধান্ত কৰিছো,

মই সহজ হৈ কবলৈ চেষ্টা কৰিলো, "আপুনি চিন্তা নকৰিব, আজিৰ আবেলিৰ ভিতৰত মই আপোনাক ফাইনেল ৰিজাল্ট দি দিম।"

লাইন বাছখন আহি সন্মুখত ৰৈ দিয়াত উঠি দিলো। খালি চিট এটা পাই টপকৈ বহি পৰিলো। দীঘল কৈ উশাহটো লৈ দেহাটো অলস ভাবে চিটটোত এৰি দিলো। বুঢ়াৰ কথা কেইটা মনত পৰি লাজ লাজ লাগি গ'ল। মানুহ কিজনে বা কি ভাবিলে? বুঢ়াৰ টকা ধাৰ খাই থৈছো বুলিয়ে ভাবিলে নেকি? মনটো আপচুচৰে ভৰি পৰিল, "চেঃ, মিছাকৈয়ে নলগা জেং সোপাত সোমাই ললো।" কিন্তু উপায়োতো নাছিল।

কাৰণ আমাৰ ভাৰতীয় মানুহবিলাকৰ মাজত যিবিলাকে সংসাৰ পাতি এটা অধ্যায় সমাপ্ত কৰিলো বুলি ভাবে, সিহঁতে পাছত অনুভৱ কৰে যে আচলতে সিহঁতে নতুন অধ্যায় এটা আৰম্ভ কৰিছেহে। য'ত প্ৰতিটো বক্তব্যই বিপৰিত ধৰ্মী। সোঁতৰ বিপৰিতে গতি কৰা বিধৰ। য'ত 'যুক্তি' বা তেনে ধৰণৰ কোনো বক্তব্যৰ মূল্য বজাৰৰ গেলা মাছতকৈ কম।

এই বিতৰ্কীত বক্তব্য কেইটা মোৰ মনত উদয় হোৱাৰ কাৰণটো হ'ল, ময়ো যুক্তি কেইটামান আগবঢ়াইছিলো শ্ৰীমতীৰ আগত যেতিয়া তেওঁ এটা নতুন পৰিকল্পনা মোৰ আগত দাঙি ধৰিছিল। কাৰণ যোৱা পয়ত্ৰিছটা বছৰে মই যিমান পৰিকল্পনা কৰিলো সপোন দেখিলো, তাৰ অন্ততো মই মাধ্যমিক বিদ্যালয়ত বিদ্যা দান কৰি পেটৰ ভোক নিবাৰন কৰা প্ৰাণী এটা হে হলোগৈ। গতিকে পৰিকল্পনা, আচনি এইবিলাকৰ প্ৰতি মোৰ কিবা এক ঘৃণা আৰু অৱজ্ঞাৰ ভাৱ জৰিত আছে।

কিন্তু শ্ৰীমতীয়ে মোৰ যুক্তিবোৰ পদাঘাত কৰি পিষ্ঠ বনাই তাৰ ওপৰেৰে আলেকজেণ্ডাৰে ভাৰত দিগ্বীজয় কৰাৰ দৰে আগবাঢ়ি গ'ল যে মোৰ অস্ত্ৰহীন সেনাৰ দৰে পৰি থকাৰ বাহিৰে উপায় নেথাকিল।

বুজিছে, যুক্তিৰে পেটৰ ভোক নমৰে, গা ঢাক নেখাই, গতিকে যুক্তি বাদ দিয়ক। যুক্তি মোৰো আছে যুক্তিতৰ্ক ময়ো কৰিব পাৰো (প্ৰকৃততে তেওঁ 'যুক্তি' শব্দটোৰ অ[illegible]ালদৰে নেজানে) কিন্তু যুক্তি তৰ্ক কৰিবলৈ মোৰ সময় আৰু ইচ্ছা কোনোটোৱেই নাই। মুঠতে আপুনি বুঢ়াৰ ওচৰৰ পৰা আহকগৈ।

বুঢ়া মানে আমাৰ ভাৰাঘৰৰ মালিক সন্দিকৈ। মই থকা ঘৰৰে সৈতে মাটি ডোখৰ বিক্ৰি কৰি বুঢ়া গাওঁৰ ঘৰলৈ যাবগৈ। কাৰণ বুঢ়াৰ দুই পুত্ৰ চাকৰি কৰে অন্য চহৰত, প্ৰতি পালন কৰা মানুহৰ অভাৱ হৈছে বুঢ়াৰ। ইফালে গাওঁত বুঢ়াৰ পৈতৃক সম্পত্তি আনেহে ভোগ কৰি আছে। গতিকে এই চহৰৰ মোহ এৰি গাওঁলৈ ঘূৰি যোৱাৰ ইচ্ছা তেওঁৰ। ইতিমধ্যে নিজে ঘৰ বান্ধি থকা মাটি ডোখৰ বুঢ়াই লাখ টকাত এজনক বন্দবস্ত কৰি পেলাইছে। শ্ৰীমতীৰ ইচ্ছা, আমি থকা মাটি ডোখৰ পাৰিলে ৰাখি থব। একঠা মাটি, বুঢ়াই চিনাকী মানুহ বুলি কিছু কমত দিব নিশ্চয়।

মই এটা শেষ চেষ্টা কৰিলো, "বুঢ়াৰ ওচৰৰ পৰা অহাগৈটো ডাঙৰ কথা নহয়, ডাঙৰ কথা টকা পইচাহে। টকা আহিব ক'ৰ পৰা?"

মোৰ এই চেষ্টাও বিফল হ'ল। মোক আচৰিত কৰি তেওঁ ফৰ ফৰকৈ টকাৰ উৎসটো গায় গল। প্ৰফিডেণ্ট ফাণ্ড, ফেষ্টিভেল এডভান্স, বেংক বেলেঞ্চ ইত্যাদি ইত্যাদি। ইয়াতে ৰৈ নেথাকি ভিতৰলৈ গৈ খচ্‌খচকৈ হিচাপ কৰি মোৰ হাতত টকা পাঁচছশ গোজা মাৰি দি কলে, "বৰ্ত্তমান এইখিনি আগধন দি আহিব।



মোৰ চকু কপালত উঠাৰ পাল। যাৰ ঘৰত ঘাটি বাজেট এটা কৰ্কট ৰোগ, তাৰ ঘৰত আকৌ ৰাহী বাজেট পাঁচশ? মোৰ মনোভাৱে শ্ৰীমতীৰ অন্তৰ স্পৰ্ষ কৰিলেগৈ চাগে। তেওঁ এটা দূৰদৰ্শী হাঁহি মাৰিলে।

"বহুদিনৰ পৰা জমা কৰি কৰি ভাবিছিলো ছোৱালী জনীৰ বাবে এখন উকা মুগাৰ মেখেলা কিনি ৰাখিম। এতিয়া তাকে ওলিয়াই দিছো। কাৰণ কাপোৰ কানি পাছে পৰেও লব পৰা হ'ব, মাটি বাৰীৰ ক্ষেত্ৰততো এনে সুবিধা সদায় নাহে?

শ্ৰীমতীয়ে নিজ জাতি ছোৱালীজনীৰ বাবে কৰিব পৰা উপকাৰকন কৰিব নোৱাৰি অলপ দুখ কৰিলে। কিন্তু তেওঁ সেই দুখ ঢাকি ৰাখিলে কিয়নো এতিয়া তেওঁৰ দুচকুত অন্য এক স্বপ্নই আন সকলো ধুসৰ কৰি ৰাখিছে।

ইতিমধ্যে শ্ৰীমতীয়ে নিজ কৰ্ত্তব্য সকলোবিলাক কৰি শেষ কৰিলে। অৰ্থাৎ তেওঁৰ ফালৰ সকলোবিলাক আদশ, নিদেৰ্শ, উপদেশ পৰামৰ্শ সকলোবিলাক শেষ কৰিলে। বাকী থাকিল মোৰ ভাগৰখিনি। এইবাৰ মোৰ ৰনক্ষেত্ৰত নামি পৰাৰ পাল। অনিচ্ছা সত্বেও মই ৰনক্ষেত্ৰত জপিয়াই পৰিলো।

বুঢ়াই মোৰ প্ৰস্তাৱটো শুনি কিছুপৰ ৰ'ল। তাৰ পাছত কলে, "মই ইতিমধ্যে ধৰমবীৰ জৈনৰ সতে কথা হৈছিলো। মাটিৰ পৰিমান কম বাবে তেওঁৰ সিমান ইচ্ছা নাই। আপুনি যদি লয় ভালেই হ'ব, জৈনক মই জনাই দিম। টকা-পইছাৰ কি কথা আছে, চিনাকী মানুহ যেতিয়া দুই পইচা কম দিব কি কথা আছে?"

বুঢ়াৰ সতে বন্দবস্ত হৈ গ'ল। মই পাঁচশ টকা বুঢ়ালৈ আগবঢ়াই দিলো। টকাখিনি হাতত লৈ তেওঁ কলে, "বৰ্ত্তমান মই টকা খিনি ৰাখিছো, কিন্তু বাকী টকা মোক বিহুৰ আগতে লাগিব। কাৰণ বিহুৰ আগতেই মোৰ এই ঘৰ মাটি খালি কৰি দিয়াৰ কথা আছে।"

শ্ৰীমতীৰ মূখত বিজয় গৌৰৱৰ চিন; সেই অধিকাৰ তেওঁৰ আছে। কাৰণ, যি সময়ত তিৰোতা জাতিয়ে কাপোৰ-কানি, অলংকাৰ, টিভি, ভিচিআৰ কিনাক লৈ ব্যস্ত থাক সেই সময়ত শ্ৰীমতীয়ে মাটি বাৰী কিনাৰ দৰে ঐতিহাসীক কাৰ্য্য কৰিবৰ বাবে উৎসাহিত কৰিব পাৰে, তাকো এই হেন নগৰত। মোৰ কিন্তু শ্ৰীমতীৰ প্ৰতি কিছু সহানুভূতিহে জাগিল। তেওঁতো নেজানে যে পৃথিৱীৰ আহ্নিক গতি, বাৰ্ষিক গতিৰ আজি কালি গতিবেগ খুব বেচি। আৰু সেই গতিবেগত তাল মিলাব নোৱাৰি আমি পৃথিৱীৰ পৰা চিটিকি পৰাৰ উপক্ৰম কৰিছো।

বিহুলৈ মাত্ৰত চাৰিটামানহে দিন বাকী। লৰা ছোৱালীহালক নতুন কাপোৰ এজোৰ আজিলৈকে কিনি আনি দিয়া নাই। তাগিদাও অহা নাই এই পৰ্য্যন্ত। হয়তো শ্ৰীমতীয়ে নিজে কিবা ব্যৱস্থা কৰিছে।

চাৰিওফালে বিহুৰ আগজাননি। অথচ আজিও মোৰ এপ্লিকেচন আৰু বিল কিখনে ট্ৰেজাৰি অফিচৰ স্থবিৰতা ভাঙি ওলাই আহিব পৰা নাই। ইফালে সময়ৰ টনা-টনি, বুঢ়াৰ তাগিদা, পইচাৰ শৰাদ (মোৰ চিগাৰেটৰ খৰচ? চাৰমিনাৰৰ দাম বাঢ়িছে !!) ভাবিছো বিহুটো যাব কেনেকৈ?

এক ঘণ্টা সময় গোটেই দেহাটো জগিং কৰাই কৰাই, হাড়ে হাড়ে বিষ সিয়পাই দি বাছখনে ট্ৰেজাৰী অফিচৰ আগত ঠেকেচা মাৰি নমাই দিলে। ঘড়ীলৈ চালো, কাঁটাডালে এঘাৰটাৰ ঘৰলৈ দৌৰিব ধৰিছে। অফিচত ভৰি দি ভিতৰলৈ চালো। দাঁত নিকটাই থকা ফাইলবোৰে মোকে ইতিকিং কৰা যেন লাগিল। দুজনমান কৰ্মচাৰীয়ে বহিলৈ ফুচ-ফুচিয়া মেল পাতিছে। অধিক চকি খালি। ওলাই আহি

বাহিৰৰ বেঞ্চতে বহি পৰিলো। পেটটোৱে জাননী দিবলৈ আৰম্ভ কৰি দিছে। দুৰ্ব্বল লগাৰ বাবে ৰাতিপুৱা একো খোৱা নহল ভালদৰে। লাইন বাছৰ কৃপাত দেহাটোৱে এতিয়াহে পৰিস্থিতি উপলব্ধি কৰিছে। আকৌ উঠি ভিতৰ পালোগৈ। এইবাৰ কেইজনমানে আসন গ্ৰহণ কৰিছে। নিৰ্দিষ্ট জনৰ ওচৰ পালোগৈ।

অঁ, অফিচাৰ অহা নাই দেই। যদি আহে মই বাক পাছ কৰাই দিবলৈ চেষ্টা কৰিম।

যদি আহে মানে ? নাহিবও পাবে নেকি ?

এৰা, কালি চাৰে কৈছিল, এখন মিটিং আছে বুলি। হয়তু তালৈকে গুচি যাব পাৰে! বাৰু আপুনি অলপ পাছত আহকচোন!

ওলাই অহাৰ বাহিৰে উপাই নাছিল। আকৌ বাৰান্দাত বহি পৰিলো। পেটটোৱে বেচি কৈ আমনি কৰিব ধৰিছে। ঘড়ীৰ কাঁটা বাৰৰ ঘৰ পাৰ হৈ গ'ল। পেটৰ আমনি সহ্য কৰিব নোৱাৰি আগবাঢ়ি গলো হোটেলখনৰ ফালে। পকেটত টনাটনি পৰিছে, গতিকে অন্ন ভোজন হয়তু সম্ভৱ নহব! গতিকে বিকল্প খাদ্যৰে পেটটোক সান্তনা দিয়াৰ চেষ্টা কৰিলো।

দ্বিতীয় বাৰ যেতিয়া অফিচত প্ৰৱেশ কৰিলোহি তেতিয়া প্ৰথমতে পূৰ্ণ থকা চকিবিলাক খালি হবলৈ আৰম্ভ কৰি দিছে। মই প্ৰমাদ গনিব ধৰিলো, "হে ভগৱান এইয়ে নে চৰকাৰী অফিচ ?'

হঠাৎ কাৰোবাৰ সতে তৰ্ক কৰি কৰি অফিচাৰ জন সোমাই আহিল। "নাই, নাই কৌঁৱৰ, আজি মোক আমনি নকৰিব। মোৰ সময় নাই, আজি মই একো কৰিব নোৱাৰিম। আপুনি কালিলৈ আঁহক, মোৰ ঘৰলৈ আহক। মই চাম কি কৰিব পাৰো ?"

ভিতৰ সোমায়ে তেওঁ কাৰোবাক উদ্দেশ্যে চিঞৰিলে, "চেতিয়া, তুমি মই এচেন চিগ্নেল বিল কেইখন পঠাই দিয়া বাকী সকলো বাদ। ইম্মিদিয়েট!"

মই আকৌ লাহে লাহে আগবাঢ়ি গলো। কৰ্মচাৰীজনে মোক দেখিয়েই কলে, "শুনিলেই নহয় অফিচাৰৰ কথা হয়তু আজি নহব ?'

"কিন্তু মই এ[illegible]কেইদিন সদাই আহি আছো, আৰুনো কিমান [illegible] চেষ্টা কৰি চাওঁকচোন ?" মই অনুনয়ৰ সুৰত কলো।

"মই আপোনাৰ কাৰণে গালি খাব নোৱাৰো বুজিছে ?" তেওঁৰ মাতটো ককৰ্শ।

হঠাৎ চাই দেখো অফিচাৰ নিজ কমৰ পৰা ওলাই নিজ বাহনৰ ড্ৰাইভিং চিটত বহিলেই। মই সৰগ পৰা মানুহৰ দৰে মাথোন তেওলৈ চাই ৰলো তেওঁৰ বাহনখন নেদেখা হোৱালৈকে। দেহৰ দুৰ্ব্বল ভাৱটো আকৌ বাঢ়ি আহিল। মই থিয় হৈ থাকিবলৈ যেন অসমৰ্থ হৈ পৰিছো। কোনোমতে আহি বেঞ্চখনত বহি পৰিলো।

যোৱাকিছুদিন মোৰ চিনাকী মানুহবিলাকৰ মুখত দেখাপোৱা বিদ্ৰোপৰ ভাৱটো এই মুহূৰ্ত্তত মই যেন খুব ভালদৰে হৃদয়ংগম কৰিব পাৰিলো। সময় আৰু পৰিস্থিতি এই দুয়োটাই হয়তু মই ভুল ভাৱে বুজি লৈছিলো। মোৰ ভাৱ হ'ল, মই যেন পৃথিৱীৰ গতিবেগতকৈ বেচি বেগত ঘূৰিবলৈ চেষ্টা কৰিছিলো। মই নেজানো, এই সত্যটো উপলব্ধি কৰিবলৈ মই বেচি সময় ললো নেকি ? (ক্লাচত কেইবাটাও লেচন আগবঢ়াব পাৰিলোহেঁতেন!)

মই ঘপকৈ উঠিলো। ক্লান্তি অৱসাদত জৰ্জৰিত দেহাটোৰ ধুজিবোৰ জোকাৰি মই এক স্বাৰ্থহীন মানুহৰ দৰে খোজ দিলো। বাছৰ পৰা নামিয়েই লগ পালো বুঢ়াক। প্ৰসংগ নকৰি তেওঁ কলে,



'মোৰ যদি বুজাত ভুল হোৱা নাই, তেন্তে আপোনাৰ মাটি লোৱা সম্ভৱ নহব নেকি ?"

মই একো নকলো।

বেয়া নেপাব, সময় মোৰ বৰ কম। গতিকে মাটি ডোখৰ মই তৈজনকে দিলো।

কিবা কব লাগে বাবেই কলো, 'মানে আপোনাৰ যাবৰ হ'ল ?'

'এৰা অকলেনো কৰিম কি ? বাকী সকলো গলেই মই হে আপোনাৰ বাবে দুদিন বলো।' টকা তিনিশ পঞ্চাশ টকা উলিয়াই দি কলে, যোৱা মাহৰ ভাৰাটো ৰাখিলো।"

বাক্য ব্যয় নকৰি গুচি আহিলো। দূৰৈৰ পৰা দেখিলো দুৱাৰ মুখত শ্ৰীমতীৰ উৎকণ্ঠিত মুখ। যি বৈ আছে এক অভিনৱ বাতৰিৰ বাবে। হঠাৎ মোৰ ঢোৰাকাউৰিৰ গল্পটো মনত পৰি গ'ল! খুব জোৰেৰে হাঁহি উঠি গল মোৰ। হাঁহি হাঁহি ঘৰ পালোহি। শ্ৰীমতী অবাক, মোৰ হাঁহিৰ কোৰ চৰিল। কোনো মতে হাঁহি সামৰি কলো, "বুজিছা আমিতো ঢোৰাকাউৰি হে, নেজত মৰা চৰাইৰ পাখি গুজি ললেই জানো আমি মৰা চৰাই হ'ব পাৰিম ? মই হাঁ, হাঁ কৈ হাঁহি দিলো!

শ্ৰীমতীয়ে মাথোন চাই থাকিল হতবাক্ হৈ!!

ভোগতেই মানুহৰ তৃপিতি
পলোৱা হ'লে
বাসনাও নোৱাৰে থাকিব,
মানুহৰ বাসনাৰ সমাধি শয়ন হ'লে
জীৱন মৰণো নাথাকিব।

— নলিনীবালা দেৱী

# মুখা – মুখি

○ ⊙ ⊙ যাৰ সাধনাই যাৰ সৃষ্টি ⊙ ⊙ ○

## গৌৰৱৰ অধিকাৰী শ্ৰী অপূৰ্ব গগৈৰ সৈতে এটি অন্তৰংগ মুহূৰ্ত্ত ... ... .. ...

( ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে স্নাতক চূড়ান্ত পৰীক্ষাত অসমীয়া বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি আমাৰ মহাবিদ্যালয়লৈ সন্মান কঢ়িয়াই অনা শ্ৰীগগৈৰ সৈতে এটি আচুতীয়া সাক্ষাৎকাৰত মিলিত হোৱাৰ সৌভাগ্য ঘটিছিল। তেখেতৰ লগত হোৱা প্ৰশ্নোত্তৰ সমূহ পাঠক সমাজলৈ আগবঢ়ালোঁ।—। )

— অৰ্পূৰ্বদা, স্নাতক মহলাৰ চূড়ান্ত পৰীক্ষাত মেজৰ বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান অধিকাৰ কৰি আপুনি যি সুখ্যাতি লাভ কৰিলে তথা মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিলে তাৰ বাবে আপোনাক আমাৰ ফালৰ পৰা ধন্যবাদ জনাইছোঁ।

— আমি তেনেই সাধাৰণ মানুহ। শুভ ইচ্ছাৰ বাবে ধন্যবাদ।

প্ৰশ্ন :— (১) আমি আপোনাক সুধিব খুজিছোঁ স্নাতক চূড়ান্ত পৰীক্ষাত মেজৰ বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি আপোনাৰ কেনে অনুভৱ হৈছে ?

উত্তৰ :— প্ৰশ্নত উল্লিখিত আসনখনত পদাঘাট কৰাৰ বাঞ্চা নাই বা তেনে কোনো তীক্ষ্ণ মেধা-শক্তি বা মহানুভৱৰ স্থিতি অনুভৱ কৰো বুলি থাওকতে কোৱাৰো টুলুঙা স্পৰ্ধা নকৰো। অথচ ফলাফল শুনি বুকুৰ ক'ৰবাত অকণমান ভাল লগা নাই বুলি কলে সত্যক ঢাকি ৰখা হ'ব।

প্ৰশ্ন :— (২) উক্ত স্থান লাভ কৰিব পাৰিম বুলি আপুনি নিশ্চিত আছিলনে ?

উত্তৰ :— আপোনালোকৰ এই প্ৰশ্নটোৰ উত্তৰ ওপৰটোৰ বুকুতে আছে।

প্ৰশ্ন :— (৩) আপুনি কেনেদৰে পঢ়ে, অৰ্থাৎ Selactively পঢ়ে নে throughly পঢ়ে ? পৰীক্ষাৰ বাবে কেনেদৰে প্ৰস্তুতি চলাইছিল জনাবনে ?

উত্তৰ :— প্ৰশ্নত উল্লেখ কৰা দুয়োটা পদ্ধতিয়েই এটা আনটোৰ পৰিপূৰক। দ্বিতীয়টো প্ৰথমটোৰ বুনিয়াদ। সেয়ে পৰীক্ষাৰ বাবে দুয়োটাকে খিচিৰি পগাবলগীয়া হয়। ভেটিটো শকত নহ'লে ঘৰটো ভাগি পৰাৰ সম্ভাৱনা নিশ্চয় থাকে।

প্ৰশ্ন :— (৪) আমাৰ মহাবিদ্যালয়ৰ পাঠদানত আপুনি সন্তুষ্ট নে ? যদি হয় কেনেকৈ আৰু যদি নহয় কেনেকৈ ?



উত্তৰ :— অসন্তুষ্ট বুলি কোৱাৰ কোনো প্ৰশ্নই নুঠে তেতিয়া — যেতিয়া শিক্ষাগুৰুৱে বৌদ্ধিক প্ৰজ্ঞাৰ চাহকাপত তীব্ৰ স্নেহাশীৰ্ব্বাদৰ চেনি-গাখীৰ মিহলাই বতাহৰ পাত্ৰত বাকী দিয়াৰ ফলশ্ৰুতিত সহৃদয় হৃদয়সংবাদী ছাত্ৰৰ নিভৃত কোনত ঠিকন্পহীন দিব্যানুভূতিৰ অংকুৰণ ঘটে। এক কথাত শিক্ষক আৰু ছাত্ৰ দুয়োপক্ষৰ আন্তৰিক সহযোগীতা উভয়পক্ষৰ সন্তুষ্টিৰ প্ৰথম আৰু শেষ চৰ্ত। প্ৰজ্ঞাবুদ্ধিৰ বিকাশ আৰু বৌদ্ধিক বাতাবৰণৰ সুষ্ঠ বুনিয়াদ গঠণ প্ৰক্ৰিয়াৰ চিৰন্তন সহায়ক উক্ত চৰ্ত্ত আৰু ফলশ্ৰুতিৰ সন্তুষ্টি সম্পৃক্ত 'মিলন'। পাঠদান ইয়াৰ সাঁকো।

পাতনি এৰি মূল প্ৰশ্নলৈ আহোঁ। মহাবিদ্যালয়ৰ পাঠদানত বাকাতিৰিক্ত নহ'লে সন্তুষ্টি সম্পূৰ্ণ লভিছিলোঁ। এইখিনিতে এটা প্ৰশ্ন উঠা স্বাভাৱিক। কোনোবা এজন ছাত্ৰই যদি কয়, আমাৰ মহাবিদ্যালয়ৰ পাঠদান সৃষ্টিশীল চেতনাৰে উৰ্ব্বৰা নহয় ; তেতিয়া এই ফেদেলাৰ, — "সন্তুষ্টি সম্পূৰ্ণ লভিছিলোঁ।" কথাষাৰৰ অৰ্থ কত থাকিল ! প্ৰশ্নোত্তৰৰ পাতনি দীঘল কৰাৰ যুক্তি এইখিনিতেই ছাত্ৰ হিচাপে আমিয়েই বা সেই 'চৰ্ত' আৰু 'মিলন' বাঞ্চাত কি অবিহণা যোগাইছোঁ। সেয়া অপ্ৰাসঙ্গিক নহয় নিশ্চয়। প্ৰকৃততে পাঠদানক এক ৰুচিসন্মত পৰ্য্যায়ত প্ৰতিষ্ঠা কৰাত ছাত্ৰৰ ভূমিকাই গুৰুত্বপূৰ্ণ। অন্যহাতে শিক্ষাগুৰু সকলৰো জিজ্ঞাসাযুক্ত আৰু বিজ্ঞান সন্মত গভীৰ জ্ঞান নিতান্তই প্ৰয়োজনীয়। এয়া কেৱল আমাৰ মহাবিদ্যালয়ৰে কথা নহয়। শেষত কওঁ, শিক্ষক যদি আকাশৰ দৰে হয় তেন্তে ছাত্ৰ হ'ব লাগে তৃষ্ণাতুৰ ধৰণীৰ দৰে অনুসন্ধিৎসু।

প্ৰশ্ন :— (৫) আপুনি যথেষ্ট ভাল ৰিজাল্ট কৰিব পাৰিছে। এই ক্ষেত্ৰত শিক্ষক সকলৰ পৰা কেনেধৰণৰ সহায় পাইছিল ?

উত্তৰ :— চমুকৈ কৈছোঁ — হৃদয়ৰ পৰা মগজুলৈ।

প্ৰশ্ন :— (৬) বৰ্ত্তমান অসমৰ শিক্ষা পৰিবেশ দুষিত বা নষ্ট হৈছে বুলি সঘনে শুনা যায় আপুনি এই বিষয়ে কি ভাবে ?

উত্তৰ :— ৰাজনৈতিক অস্থিৰতা, অনগ্ৰসৰ, অৰ্থনৈতিক অৱস্থা ইত্যাদিৰ দ্বাৰা শিক্ষাৰ পৰিবেশ দুষিত হোৱা নাই বুলি নাভাবো।

প্ৰশ্ন :— (৭) বৰ্ত্তমানৰ পৰীক্ষা পদ্ধতিয়ে এজন ব্যক্তিৰ সম্পূৰ্ণ মুল্যায়ণ কৰিব পাৰে বুলি আপুনি ভাবেনে ?

উত্তৰ :— প্ৰায় নোৱাৰে যদিও কাচিৎ পাৰে। ব্যক্তিৰ ব্যক্তিত্ব পৰীক্ষাৰ প্ৰশ্নোত্তৰলৈ ৰূপান্তৰ হ'লে সেয়া সম্ভৱ হয়।

প্ৰশ্ন :— (৮) অসমীয়া মেজৰৰ পাঠ্যক্ৰম প্ৰয়োজনতকৈ বেচি দীঘলীয়া বুলি আপুনি ভাবে নেকি ? দুস্প্ৰাপ্য ( out cf print ) কিতাপ কিছুমান পাঠ্যক্ৰমৰ পৰা বাদ দি নতুন কিতাপ সংযোজন কৰিলে কিবা অসুবিধা হ'ব নেকি বাৰু ?

উত্তৰ :— নাভাঁবো। মাৰাত্মক অসুবিধা হ'ব। বাদ দিয়াতকৈ পুনৰ প্ৰকাশৰ বাবেহে আগবাঢ়িব লাগিব আগ্ৰহী আগৰণুৱা। নতুন কিতাপৰ সংযোজন সাহিত্যৰ বিবৰ্ত্তনত অৱশ্যেই হ'ব।

প্রশ্ন ঃ— (৯) মহাবিদ্যালয়ৰ শিক্ষা পৰিবেশ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষা পৰিবেশৰ মাজত কেনেধৰণৰ পাৰ্থক্য আপুনি দেখা পাইছে ?

উত্তৰ ঃ— প্ৰাথমিক বিদ্যালয়ক যদিহে এটি জুৰি বুলি ধৰি লয় তেতিয়া উচ্চ - মাধ্যমিক শিক্ষাৰ থলী হ'ব এখন নদী ; তেন্তে মহাবিদ্যালয় যদি সাগৰ , বিশ্ববিদ্যালয় নিঃসন্দেহে মহাসাগৰ । পাৰ্থক্যটো নিশ্চয় ধৰিব পাৰিছে । উল্লেখযোগ্য যে শিক্ষাৰ পৰিবেশ মানুহৰ ওপৰতে নিৰ্ভৰশীল ।

প্রশ্ন ঃ— (১০) আপোনাৰ শিক্ষা জীৱনৰ বিষয়ে অলপ কওঁকচোন। ক'ত কেনেধৰণে শিক্ষা লাভ কৰিছিল ।

উত্তৰ ঃ— ১৯৭৫ চন । আমাৰ ঘৰৰ কাষতে এটা গো - বাট আছিল ( বৰ্ত্তমান ভগা-ছিগা আলি ) । বাৰিষা কালত পানীৰে উপচি পৰা এই গো বাটেদি প্ৰাথমিক বিদ্যালয়লৈ অহা যোৱা কৰিছিলোঁ । শিক্ষাৰ আৰম্ভণি হয় — " গন্ধিয়া বালিকা বিদ্যালয় " । ( নামত বালিকা হ'লেও বালকৰ সংখ্যাও নিচেই তাকৰ নাছিল । ) বিদ্যালয়খনৰ অৱস্থা একেবাৰে ভাল নাছিল । চালখনৰ কথা বাদেই, বহিবৰ কাৰণেও সু-ব্যৱস্থা নাছিল । মই দেউতাই ঘৰতে বনোৱা ডাঠ-নীলা ৰং দিয়া চুটি বেঞ্চ এখন শিক্ষয়িত্ৰীৰ অনুৰোধ ক্ৰমে— বিদ্যালয়লৈ নিছিলোঁ । মোৰ কাষতে বহিছিল উৎপল (মুন) । শ্ৰেণীত পাঠদান কৰিছিল লীলা বাইদেউ আৰু সোণালী বাইদেউৱে । ইয়াৰ পিছত টেঙাখাট উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ আহিলোঁ । পুথিভৰালৰ সু-ব্যৱস্থা নথকাত আকৌ পুণৰ অপদাৰ্থ হোৱাৰ সুবিধা পালোঁ । তাৰ পিছত দুলীয়াজান । এতিয়া ডিব্ৰুগড়ত ।

প্রশ্ন ঃ— (১১) শিক্ষাজীৱনৰ এচোৱা সময় আপুনি গাঁৱৰ বিদ্যালয়তে পাৰ কৰিব লগা হৈছিল । এই সময় ছোৱাত পঢ়া-শুনাৰ মাজতে ঘকুৱা কামো নিশ্চয় কৰিব লগা হৈছিল , তেনে অৱস্থাত ঘকুৱা কামে আপোনাৰ পঢ়াত ব্যাঘাট জন্মাইছিল বুলি আপুনি ভাবিছিল নেকি ?

উত্তৰ ঃ— সমস্ত অসুবিধাই মোৰ প্ৰথম সুবিধা আছিল । অন্যহাতে পঢ়া - শুনাতকৈ হাবিয়ে - বননিয়ে অনাই বনাই ঘূৰি ফুৰিহে বেচি ভাল পাইছিলোঁ ।

প্রশ্ন ঃ— (১২) আপোনাৰ শিক্ষা জীৱনৰ এই দীৰ্ঘ সময় ছোৱাত মছিব নোৱাৰা কিবা স্মৃতি আপোনাৰ জীৱনত আছে নেকি ?

উত্তৰ ঃ— সুন্দৰক ছয়া - মায়াকৈ দেখাৰ স্মৃতিক পাহৰিবলৈ টান ।

প্রশ্ন ঃ— (১৩) আপোনাৰ 'হবি' কি ? কেনেধৰণৰ কিতাপ পঢ়ি আপুনি ভাল পায় ? বৰ্ত্তমান Mass media বিলাকৰ ভূমিকা সম্পৰ্কে আপোনাৰ অভিমত কি ? জনালে সুখী হম ।

উত্তৰ ঃ— স্বয়ম্ভূ শূণ্যবোধ । যি কিতাপে জীৱনক জীয়াই থকাৰ প্ৰেৰণা দিয়ে তেনে কিতাপ নিশ্চয় প্ৰিয় । উক্ত প্ৰশ্নটিৰ



তৃতীয় খণ্ডৰ উত্তৰ হিচাপে কওঁ যে যুগৰ পৰিবৰ্ত্তনত সভ্যতা—সংস্কৃতিৰ পৰিবৰ্ত্তন মানি ল'ব নোখোজা ৰক্ষণশীল মনোভাৱ নাই যদিও অত্যন্ত ৰুচিহীন আৰু অমাৰ্জ্জিত ক্ৰিয়া কাণ্ডও জীৱনৰ সঠিক সন্ধান নহৈ বিষময় বাটৰ কাঁইট হোৱাৰ সম্ভাৱনাই বেচি যেন লাগে । জীৱনক সুন্দৰ গতি দিয়াতেই সংস্কৃতিৰ সফলতা । সেয়ে এইবিলাকৰ মাজেৰেও যদি সুন্দৰ অহা - যোৱা কৰে তেন্তে জীৱন অসুন্দৰ হোৱাৰ সুবিধা নাথাকে ।

প্রশ্ন ঃ— (১৪) আপোনাৰ অনুপ্ৰেৰণাৰ উৎস কি । জানিব পাৰোনে ?

উত্তৰ ঃ— মহাশূণ্য আৰু মানুহৰ সৃষ্টিৰ তৃষ্ণা

প্রশ্ন ঃ— (১৫) আপোনাৰ আদৰ্শ শিক্ষক ?


উত্তৰ ঃ— পৃথিবী আৰু ইয়াৰ দিব্যানুভূতি

প্রশ্ন ঃ— (১৬) আপোনাৰ ভৱিষ্যত কাৰ্য্য পন্থা কেনেদৰে যুগুতাইছে ? আমাৰ বাবে কিবা কব নেকি ?

উত্তৰ ঃ— ডাঙৰ কিবা এটা হোৱাৰ বাঞ্ছা মনে-প্ৰাণে নাই । আপোনালোকৰ মৰম চেনেহৰ মাজত জানো চমু জীৱণ কটাই দিব নোৱাৰিম ?

আমাৰ প্ৰশ্নসমূহৰ যথাযথ উত্তৰ দি আমাক কৃতাৰ্থ কৰাৰ বাবে আপোনাক ধন্যবাদ জনাইছো আৰু আপোনাৰ ভবিষ্যতৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলোঁ ।

ধন্যবাদ —



গছৰ ফলে আনৰ ভোক গুচায় ,
পুখুৰীৰ পানীয়ে আনৰ পিয়াহ পলায়,
মৌমাখিৰ সঞ্চয়ে আনক তৃপ্তি দিয়ে,
জ্ঞানীজনৰ সঞ্চয়ে আনৰ উপকাৰ সাধে ।
— নীতি বচন

# ঃ প্ৰতিবেদনঃ

## উপসভাপতিৰ ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ - ছাত্ৰী বন্ধু - বান্ধবীয়ে মোক উপসভাপতিৰ দায়িত্ব পৰিচালনা কৰি অভিজ্ঞতা আৰ্জনৰ সুযোগ দিলে সেই সকললৈ মোৰ আন্তৰিক শুভেচ্ছা জনাইছো। অসমীয়া ভাষা সংস্কৃতি আৰু অসমী আইৰ অস্তিত্ব ৰক্ষাৰ হকে যি সকলে নিজকে প্ৰাণ আহুতি দিলে সেই সকল চিৰ নমস্য শ্বহীদক গভীৰ শ্ৰদ্ধাৰে সোঁৱৰিছো।

১৯৯১ - ৯২ চনৰ ছাত্ৰ একতা সভাৰ দায়িত্ব ভাৰ লোৱাৰ কেইদিন মানৰ পিছতেই ১১ - ৮ - ৯১ তাৰিখে মহাবিদ্যালয়লৈ নতুনকৈ অহা ছাত্ৰ - ছাত্ৰী সকলক আদৰি লোৱা হয়। এই ক্ষেত্ৰত বিভাগীয় সম্পাদক সকলক পাৰ্য্যমানে সহায় কৰিছিলো।

শ্ৰী - শ্ৰী সৰস্বতী পূজা মহাবিদ্যালয়ৰ এটি অন্যতম উল্লেখযোগ্য উৎসৱ। বিগত বছৰৰ দৰে এই বছৰো এই উৎসৱটি অধিক জাক - জমকতাৰে উদ্‌যাপন কৰা হয়। মহাবিদ্যালয় সমূহত উদ্‌যাপন কৰা ছাত্ৰ - ছাত্ৰীৰ প্ৰতিভা প্ৰকাশ সপ্তাহ হৈছে শিক্ষাৰ লগৰে এটা গুৰুত্ব পূৰ্ণ অংগ। প্ৰধানত শিক্ষা আহৰণ কৰাৰ বাবেই ছাত্ৰ - ছাত্ৰী সকল মহাবিদ্যালয়লৈ আহে যদিও বহুটো ছাত্ৰ - ছাত্ৰীয়ে কিছুমান নিজস্ব প্ৰতিভাৰ গৰাকী। এই প্ৰতিভাক মুক্ত ভাৱে বিকাশ কৰিবলৈ ছাত্ৰ - ছাত্ৰী সকলে প্ৰতিভা প্ৰকাশ সপ্তাহৰ জৰিয়তে সুযোগ লাভ কৰে। এই উদ্দেশ্য আগত ৰাখিয়েই অন্যান্য বছৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ত অষ্টাদশ বাৰ্ষিক প্ৰতিভা প্ৰকাশ সপ্তাহ যোৱা ইং ৯ - ২ - ৯২ ৰ পৰা ১৯ - ২ - ৯২ তাৰিখলৈকে পালন কৰা হয়। এই প্ৰতিভা প্ৰকাশ সপ্তাহৰ মোৰ স্বকীয়া দায়িত্ব নাছিল যদিও বিভাগীয় সম্পাদক সকলক বিশেষ ভাৱে সহায় কৰিব লগা হৈছিল।

অসমৰ ছাত্ৰ সমাজৰ গাত আজি বহুতো নতুন নতুন দায়িত্ব আহি পৰিছে। আজি আমি অধ্যয়নৰ লগতে নিজৰ জাতি[illegible]ৰ তথা অসমী মাতৃভূমিৰ উন্নতিৰ হ'কে চকু দিব ল[illegible] পৰিছোঁহক। এই ক্ষেত্ৰত আমি ছাত্ৰ সমাজে এক গঠণমূলক মতাদৰ্শ তথা জ্ঞান পিপাসু দৃষ্টিভংগী আগত লৈ সংঘবদ্ধ ভাৱে কামত আগবাঢ়িব লাগিব। আমি প্ৰত্যেকে নিজৰ জীৱণটো মহান কৰি গঢ়ি তুলিব লাগিব। তেতিয়াহে আমাৰ নিজৰ লগতে সমাজৰ তথা দেশৰ উন্নতি হ'ব। বিশেষকৈ আমাৰ ছাত্ৰ সমাজৰ মাজত সহযোগিতাৰ ভাৱটো অতি প্ৰয়োজনীয়। এই ক্ষেত্ৰত আমি ছাত্ৰ সমাজে কেতিয়াও কৃপানালী কৰিব নালাগে। কিন্তু এই ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ এচাম লৰা - ছোৱালীৰ মাজত উদাসীন মনোভাৱ পৰিলক্ষিত হয়। যিহেতু এইচাম ছাত্ৰ ছাত্ৰীয়ে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা বিভিন্ন সভা সমিতিৰ লগতে অন্যান্য অনুষ্ঠান বোৰত অংশ গ্ৰহণ কৰাৰ পৰা বিৰত থাকে! লগতে আমাৰ মহাবিদ্যালয়ৰ শিক্ষা গুৰু সকলৰো উপস্থিতি তেনেই তাকৰ দেখা যায়। যি কি নহওঁক মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰতিটো কামতেই ছাত্ৰ - ছাত্ৰী তথা শিক্ষা গুৰু সকলৰ উপস্থিতি অতিকৈ বাঞ্চনীয়।

মোৰ ক্ষুদ্ৰ মগজুৱে টুকি পোৱা কথাবোৰ মোৰ এই প্ৰতিবেদনত উল্লেখ কৰিলোঁ। যদি ক'ৰবাত অজানিতে কিবা ভুল হৈ গ'ল তাৰ বাবে সকলোৰে ওচৰত ক্ষমাৰ প্ৰাৰ্থী হৈ ৰ'লো। পৰিশেষত মোক সকলো সময়তে দিহা পৰামৰ্শৰে সহায় সহযোগ আগবঢ়োৱা মাননীয় অধ্যক্ষ শ্ৰী যুক্ত পূৰ্ণকান্ত হাজৰিকা দেৱৰ প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা বন্ধুবৰ বিপুল, মুনীণ, নৱ, ৰূপৰঞ্জন, নিপন, উত্তম, আদিল, মহেন্দ্ৰ, কাঢ়িৰ বান্ধৱী অঞ্জু, ৰঞ্জু, আশা, জুৰি, ডলী, বৰ্ণালী, দিব্যজ্যোতি, ভাইটি আৰু ভণ্টি সদৃশ মাধৱ, দেৱজিৎ, যুগল, দিপান্ত, শংখ, জয়া, শেৱালী, অমিয়া ৰশ্মি, জোনালী, বিজুমনী, জুৰি, কবিতা, নিভা এই সকলোকে মই কেতিয়াও পাহৰিব নোৱাৰো। এই সুযোগতে তেওঁলোকলৈ তেওঁলোকৰ অক্লান্ত পৰিশ্ৰম অব্যাহত ৰখি ভৱিষ্যত জীৱন উজ্বল তথা মধুৰ হোৱাৰ কামনা কৰিলো।

সদৌ শেষত দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা অধিক শক্তিশালী হওঁক, দীৰ্ঘজীৱি হওঁক। লগতে মহাবিদ্যালয় খনি সকলো দিশতে অসম তথা ভাৰতৰ ভিতৰত লেখত লবলগীয়া মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠা লাভ কৰক। ইয়াকে ভগবানৰ ওচৰত কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছো —।

জয়তু দুলীয়াজান মহাবিদ্যালয়
জয় আই অসম।

শ্ৰী সত্যজীত তামুলী
উপসভাপতি

## ঃ সাধাৰণ সম্পাদকৰ ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক ১৯৯১ - ৯২ চনৰ দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত কৰিলে সেই সকলক আন্তৰিক অভিনন্দন তথা কৃতজ্ঞতা জনাইছো। লগতে যি সকল সুযোগ্য সন্তানে মাতৃভূমিৰ ৰক্ষাৰ্থে আত্ম বলিদান দিব লগা হ'ল তেখেঁত সকলৰ স্বৰ্গগত আত্মাৰ শান্তি কামনা কৰিলোঁ।

জ্ঞানৰ আলয় দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতি চপৰা ইটা, প্ৰতিটো বালি কণাতে হাজাৰ জনৰ মনোকামনা তথা অক্লান্ত পৰিশ্ৰম জড়িত হৈ আছে। আশাৰ থল এই অনুষ্ঠানটি আজিও অশেষ অভাৱেৰে জুৰুলা হৈয়ে আছে। তথাপি তাৰ মাজতে আশাৰ বেঁউনিও দুই এচাটি আহি পৰিছি। যেই হওক, মোৰ অপৰিণত জ্ঞান-বুদ্ধিৰে আপোনালোকৰ সহযোগত কিমানখিনি অৰিহণা আগবঢ়াব পাৰিলোঁ, সেই বিলাকৰ বিচাৰ আপোনালোকৰ। ১৯৯১-৯২ চনত সাধাৰণ সম্পাদকৰ প্ৰতিবেদন খনি আপোনালোকৰ আগত দাঙি ধৰিবলৈ লৈছোঁ, যদি কিবা ভুল হয় নতুবা পাহৰণিৰ হেতুকে থাকি যায়, আপোনালোকে ক্ষমা কৰে যেন।

* উন্নয়ণমুলক কাম কাজ ঃ— সমস্যাৰে জৰ্জৰিত আমাৰ মহাবিদ্যালয় খনিৰ কিঞ্চিৎ উন্নতিৰ বাবে হ'লেও আমি আমাৰ কাৰ্য্যকালৰ ভিতৰত চেষ্টা কৰিছিলোঁ। তথাপি বহু সমস্যা আজিও সমস্যা হৈয়ে থাকিল। দীৰ্ঘ দিনীয়া অভাৱ কিছুমানে আমাৰ মহাবিদ্যালয়ৰ শিক্ষক ছাত্ৰ-ছাত্ৰী আটাই বিলাককে জুৰুলা কৰি আছে। উল্লেখযোগ্য যে এনে এটি অভাৱ আমাৰ কাৰ্য্য কালৰ ভিতৰতে পূৰ্ণ হৈ উঠে। সেইয়া হৈছে চাইকেল ষ্টেণ্ড, ভাৰতীয় তেল উদ্যোগৰ সহযোগত এই কাম ফেৰা সম্পূৰ্ণ হৈ উঠিছে। মহাবিদ্যালয় চৌহদৰ ভিতৰৰ খেল পথাৰ তথা দ ঠাই বিলাকত মাটি দি কিছু পৰিমাণে হ'লেও ব্যৱহাৰৰ উপযোগী কৰি তোলা হয়। অসম গেছ কোম্পানীৰ পৰিচালন সঞ্চালক মহোদয়ে কলেজ চৌহদত এটি কেণ্টিন সাজি দিয়াৰ দায়িত্ব লৈছে। মহাবিদ্যালয়ৰ অষ্টাদশ বাৰ্ষিক প্ৰতিভা প্ৰকাশ সপ্তাহত দুলীয়াজানৰ সামাজিক বন বিষয়া শ্ৰীযুত দেৱব্ৰত গগৈদেৱে

বৃক্ষ ৰোপন কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰাৰ উপৰিও একতা সভাৰ কাৰ্য্যালয়লৈ এটি 'গড়ৰেজ' দিয়াৰ কথা উল্লেখ কৰে।

এইখিনিতে আপোনাসৱক জনাওঁ যে ১৯৯৩ চনৰ নবেম্বৰ মাহত আমাৰ মহাবিদ্যালয়ত 'মহাবিদ্যালয়ৰ ৰূপালীজয়ন্তী' পালন কৰিবলৈ যো-জা কৰা হৈছে। মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহোদয়ৰ আহ্বান ক্ৰমে কলেজ কৰ্তৃপক্ষ, ছাত্ৰ তথা বাইজৰ সহযোগত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। এই সভাতেই শ্ৰীযুত নকুলচন্দ্ৰ ভূঞা দেৱক সভাপতি আৰু শ্ৰীযুত সুৰেণ গগৈদেৱক সম্পাদক হিচাপে লৈ ৰূপালীজয়ন্তী পৰিচালনা সমিতি গঠন কৰে। এই বৰ্ষতেই মহাবিদ্যালয়ৰ কেতবোৰ উন্নয়ণ মূলক কাম হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত তোৰণ, জিবনি কোঠা, মহাবিদ্যালয়ৰ চৌহদত পকী দেৱাল দিয়া আদিয়ে প্ৰধান।

* আমাৰ গৌৰৱ :— ১৯৯০-৯১ চনৰ স্নাতক চূড়ান্ত পৰীক্ষাত (কলা শাখা) ছাত্ৰ শ্ৰীঅপূৰ্ব কুমাৰ গগৈয়ে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰত অসমীয়া সন্মান বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে।

আন্তঃ মহাবিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত শ্ৰীমতী প্ৰবীনা চেতিয়া আৰু শ্ৰীমতী দীপাঞ্জলী ভূঞাই বিজয়ী হৈ ডি, বি, বিদ্যালয়ক প্ৰতিনিধিত্ব কৰাৰ গৌৰৱ অৰ্জন কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। বিগত বছৰত আমাৰ মহাবিদ্যালয়ে আন্তঃ মহাবিদ্যালয় ডবা খেলত প্ৰথম বাৰৰ বাবে অংশ গ্ৰহণ কৰে।

* নবাগত আদৰণি সভা :— আনন্দ উলাহৰ মাজেৰে এই বছৰো আন বছৰৰ দৰে নৱাগত আদৰণি সভাখন হৈ যায়। ১১ অক্টোবৰ '৯২ তাৰিখে অনুষ্ঠিত এই সভাখনত গেছ কোম্পানীৰ পৰিচালন সঞ্চালক শ্ৰীযুত বসন্ত দুৱৰাদেৱে বিশিষ্ট অতিথি হিচাপে অংশ গ্ৰহণ কৰে। সভাত সভাপতিত্ব কৰে মাননীয় অধ্যক্ষ মহোদয়ে। আদৰণি সভাখনৰ বিভিন্ন দিশত দিহা পৰামৰ্শ আগবঢ়োৱা বাবে শিক্ষা গুৰু শ্ৰীযুত ব্ৰজেন নিৰ্মলীয়া আৰু [illegible]ত ভূপেন শইকীয়া দেৱলৈ এই ছেগতে কৃতজ্ঞতা [illegible]ইছোঁ।

* দিৱস উংযাপন :— শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ স্মৃতিত ১০ ডিচেম্বৰ '৯১ তাৰিখে শ্বহীদ দিৱস পালন কৰা হয়। পতাকা উত্তোলন কৰে দু-আ-ছা-স, সভাপতি শ্ৰীযুত ৰমেশ বড়াদেৱে; বন্তি প্ৰজ্জ্বলন আৰু শ্বহীদ তৰ্পনৰ শুভাৰম্ভ কৰে শ্ৰীযুত পূৰ্ণকান্ত হাজৰীকা দেৱে। ১৮ জানুৱাৰী '৯২ তাৰিখে আমাৰ মহাবিদ্যালয়তো বিশেষ কাৰ্য্যসূচীৰে শ্বহীদ দিৱস পালন কৰা হয়। ২৬ জানুৱাৰী '৯২ দিনটো সমগ্ৰ দেশৰ লগতে আমাৰ মহাবিদ্যালয়তো গণতন্ত্ৰ দিৱস হিচাপে পালন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে দিৱসৰ পতাকা উত্তোলন কৰে। ১৭ জানুৱাৰী দিনটো শিল্পী-দিৱস হিচাপে আমাৰ মহাবিদ্যালয়তো পালন কৰা হয়।

* সভা-সমিতি :— ৪, ৮, ৯ অক্টোবৰ '৯১ আৰু ৬ ফেব্ৰুৱাৰী '৯২ তাৰিখে কাৰ্য্য নিৰ্বাহক সভা অনুষ্ঠিত হয়। সাধাৰণ সভা হোৱা নাই যদিও হোৱাৰ সম্ভাৱনাই অধিক। ৫।১০।৯১ তাৰিখে শৈক্ষিক পৰিবেশৰ ওপৰত আলোচনা কৰিবৰ বাবে একতা সভাৰ সৌজন্যত আ, ছা সন্থাৰ এখনী কৰ্মী সভা হৈ যায়। ১৪ আৰু ১৫ ডিচেম্বৰ '৯১ তাৰিখে দুলীয়াজান শাখা সাহিত্য সভাৰ উদ্যোগত অসম সাহিত্য সভাৰ এখন গুৰুত্বপূৰ্ণ সভা হৈ যায় 'অসমৰ লোক সংস্কৃতি' এই বিষয়টোৰ ওপৰত অসমৰ কেইবাজনো যশস্বী সাহিত্যিকে অংশ গ্ৰহণ কৰে।

মহাবিদ্যালয়ৰ একতা সভাৰ উদ্যোগত ১৭।১১।৯১ আৰু ২৮।১১।৯১ তাৰিখে টেকিং আৰু মাউণ্টেনিঙৰ ওপৰত দুখন সভা হৈ যায়। ১৭।১১।৯১ তাৰিখে মহাবিদ্যালয়ত ইয়াৰ এটি শাখা মুকলি কৰা হয়।

বিদায় আৰু সম্বৰ্দ্ধনা :— ইং ১১।২।৯২ তাৰিখে ছা, এ, স, ই অইল ইণ্ডিয়া লিমিটেড্ৰ মুখ্য প্ৰশাসনিক বিষয়া আৰ, আৰ, বৰুৱা দেৱক আনুষ্ঠানিক বিদায় সম্ভাষণ জনাই। সেই সভাতেই সদৌ অসম ছাত্ৰ সন্থাৰ নৱ-নিৰ্বাচিত সভাপতি শ্ৰীযুত সৰ্বানন্দ সোনোৱাল দেৱক সম্বৰ্দ্ধনা জনোৱা হয়। কথাছবি অভিনেতা বিজু ফুকন দেৱকো মহাবিদ্যালয়ত সম্বৰ্দ্ধনা জনোৱা হয়। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ প্ৰৱক্তা শ্ৰী যুত সোনাৰাম খনিকৰ দেৱেও মহাবিদ্যালয় এৰি গুচি যোৱাৰ সময়ত আমি তেখেতক বিশেষ কাৰণবশতঃ বিদায় সম্ভাষণ জনাবলৈ নাপালোঁ।

প্ৰতিবাদ দিৱস, পিকেটিং কাৰ্য্যসূচীত অংশ গ্ৰহণ — সেনা বাহিনীৰ অতিশয্যাৰ বলি হোৱা আমাৰ মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ ছাত্ৰ দুজনৰ মুক্তিৰ বাবে মহাবিদ্যালয়ে বিশেৰ কাৰ্য্যসূচী হাতত লয়। প্ৰতিবাদ দিৱস, কলাবেজ পৰিধাৰণ কৰি শ্ৰেণীৰ পৰা বিৰত থাকি ছাত্ৰ দুজনৰ মুক্তি কামনা কৰা হয়। ৫।১২।৯২ তাৰিখে মহাবিদ্যালয়ৰ আন এজন ছাত্ৰ শ্ৰী পূৰ্ণকান্ত শৰ্মাক সামৰিক বাহিনীয়ে গ্ৰেপ্তাৰ কৰে; ইয়াৰ প্ৰতিবাদত শ্ৰেণী বৰ্জন কৰি সমূহ ছাত্ৰ-ছাত্ৰীয়ে সামৰিক বাহিনীৰ কেম্প ঘেৰাও কৰি ছাত্ৰজনক মোকলাই আনে।

* বাৰ্ষিক প্ৰতিভা প্ৰকাশ সপ্তাহ :— আন বছৰৰ দৰে এই বছৰো উক্ত সপ্তাহটো অনুষ্ঠুনীয়াকৈ অনুষ্ঠিত হৈ যায়। ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা প্ৰকাশৰ সপ্তাহটোত সধ্যানুসাৰে আটাইবিলাক কাৰ্য্যসূচীকে সামৰি লোৱা হৈছে। ৯।২।৯২ তাৰিখৰ পৰা ১৪।২।৯২ তাৰিখলৈকে অনুষ্ঠিত এই সপ্তাহৰ এইবাৰৰ বিশেষ আকৰ্ষণ আছিল আৰ্ট প্ৰদৰ্শনী খন। মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভাত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে যোগদান কৰে আৰু ভদ্ৰকান্ত গগৈদেৱেও অংশ গ্ৰহণ কৰে। যিসকলে এই সময়ছোৱাত মোক সহায় সহযোগ কৰিলে তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ।

* কৃতজ্ঞতা স্বীকাৰ : আমাৰ কাৰ্য্যকালত বিভিন্ন দিশত সহায় সহযোগ আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু বন্ধু-বান্ধৱ, মহাবিত্যালয়ৰ কৰ্তৃপক্ষলৈ এই ছেগতে কৃতজ্ঞতা জনাইছোঁ।

আমাৰ কাৰ্য্যকালৰ ভিতৰত মোৰ এই গধুৰ দায়িত্বভাৰ পালনত সততে সহায় আগবঢ়োৱা বাবে মোৰ সতীৰ্থ কাৰ্য্যনিৰ্ব্বাহক সকলৰ ওচৰত চিৰকৃতজ্ঞ।

প্ৰতিভা প্ৰকাশৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা আৰ্ট প্ৰদৰ্শনী খনত বন্ধুবৰ দিপান্ত কুমাৰ গগৈয়ে যি সহায় আগবঢ়ালে তাৰ বাবে শলাগৰ শৰাই আগবঢ়াইছোঁ।

* ক্ষমা প্ৰাৰ্থনা : আমাৰ কাৰ্য্যকালৰ ভিতৰত কৰা কাম-কাজ সমূহত অজ্ঞানিতে হৈ যোৱা ভুলৰ বাবে মাননীয় শিক্ষাগুৰু সকল, ছাত্ৰ-বন্ধু-বান্ধৱী সকল তথা একতা সভাৰ বিষয় ববীয়া সকলৰ ওচৰত ক্ষমা বিছাৰিছোঁ। প্ৰতিবেদন খনি লিখোঁতে অজ্ঞানিতে হৈ যোৱা ভুলৰ বাবে মই দুখিতঃ। ভুল ত্ৰুটি বিলাক শুদ্ধৰাই এই অভাজনক কৃতাৰ্থ কৰে যেন। এইয়ে আপোনাসৱৰ ওচৰত মোৰ বিনম্ৰ অনুৰোধ।

সদৌ শেষত দুলীয়াজান মহাবিত্যালৰ ছাত্ৰ

একতা সভা তথা মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি সাধাৰণ সম্পাদকৰ প্ৰতিবেদন সামৰিছোঁ।

" জয়তু দুলীয়াজান মহাবিদ্যালয়।
জয়তু ছাত্ৰ একতা সভা।
জয়তু জয় আই অসম।"

শ্ৰী কমলেশ্বৰ দত্ত।
সাধাৰণ সম্পাদক

## ঃ সহকাৰী সাধাৰণ সম্পাদিকাৰ ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক ১৯৯১-৯২ চনৰ বাবে দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা ৰূপে নিৰ্বাচিত কৰি এই দায়িত্ব ভাৰ অৰ্পণ কৰিলে সেই সকলৰ প্ৰতি মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সন্মানীয় ছাত্ৰ একতা সভাৰ সভাপতি মহোদয় তথা উপদেষ্টা মণ্ডলী, ছাত্ৰ-একতা সভাৰ সদস্য-সদস্যা সকল আৰু মোৰ শিক্ষাগুৰু সকল সৰ্বপ্ৰথমে আপোনালোকলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্য্যকালক সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে মই বিভাগীয় সদস্য সকলক যি দৰে সহায় কৰিব নোৱাৰিলো, বিশেষকৈ সাধাৰণ সম্পাদকক মই কোনো প্ৰকাৰে সহায় কৰিব নোৱাৰিলো। আমাৰ এই কাৰ্য্য কালৰ আটাইবোৰ কামেই তেওঁ অকলে সমাধা কৰি গৈছে। সহকাৰী সাধাৰণ সম্পাদিকাৰ পৰা সহায় পোৱাতো তেখেতে কোনো দিনে অনুভৱ নকৰিলে। হয়তু তেওঁ পাহৰিয়েই গ'ল যে তেওঁৰ এগৰাকী সহকাৰী সাধাৰণ সম্পাদিকা আছে, তথাপিতো মই সকলো প্ৰকাৰে সহায় কৰি যাবলৈ চেষ্টা কৰিছিলো।

এগৰাকী সহকাৰী সাধাৰণ সম্পাদিকা হিচাপে মই মোৰ এই কাৰ্য্যকালত ছাত্ৰী জিৰণি কোঠাৰ কামবোৰহে কৰিব লগীয়া হয়। কাৰণ ১৯৯২ চনৰ মহাবিদ্যালয়ৰ প্ৰতিভা বিকাশ সপ্তাহৰ সময়ত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা শ্ৰীমতী ৰীণা গগৈ কিছু অসুখত ভুগিব লগীয়াত পৰে। সেই কাৰণে প্ৰতিভা বিকাশ সপ্তাহত ছাত্ৰী-জিৰণি কোঠাৰ পাতিব লগীয়া বিভিন্ন প্ৰকাৰৰ প্ৰতিযোগিতা সমূহৰ দায়িত্ব মই বহন কৰিব লগীয়া হয়। অৱশ্যে এই ক্ষেত্ৰত মই ছাত্ৰী সকলক কিমান দূৰ সুখী কৰিব পাৰিলো সেইতো তেওঁলোকেহে জানিব। অৱশেষত মোৰ এই কাৰ্য্য-কালত সহকাৰী সাধাৰণ সম্পাদিকা নহৈ মই ছাত্ৰী জিৰণি কোঠাৰহে সহকাৰী সম্পাদিকা হ'লো এই কথা ভালদৰে উপলব্ধি কৰিব পাৰিলো।

মোৰ কাৰ্য্যকালত কৰা কাম বিলাকত যদি কিবা ভুল-ক্ৰুটি হৈ গৈছে তেন্তে সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা বিচাৰিলোঁ। মোৰ সকলো প্ৰকাৰৰ কাম-কাজ সমূহতে সহায় কৰা ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীসকলৰ নাম সমূহ মোৰ স্মৃতিত চিৰ যুগমীয়া হৈ থাকিব।

সদৌ শেষত দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো।

ইতি—

শ্ৰীমতী পূৰবী চুতীয়া।
সহকাৰী সাধাৰণ সম্পাদিকা





## বহিঃ খেল বিভাগৰ সম্পাদকৰ ঃ

১৯৯১-৯২ বছৰটোৰ বাবে বহিঃ খেল বিভাগৰ দৰে এটি গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব পালনৰ সুবিধা দিয়াৰ বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ জয়জয়তে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আনুস্থানিক দায়িত্ব ভাৰ গ্ৰহণৰ আগতেই ততাতৈয়াকৈ ২৫।৩।৯১ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ খেল পথাৰত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব লগা হয়। খেলুৱৈ বাচনি আৰু প্ৰয়োজনীয় অনুশীলনৰ বাবে সময় নথকাত আগবছৰৰ খেলুৱৈ সকল আৰু দুই এজন নতুন খেলুৱৈ সংযোগ কৰি খেলত যোগদান কৰো। অৱশ্যে খেলত জয়লাভ কৰিব নোৱাৰিলো যদিও খেলুৱৈ সকলে খেলত যথেষ্ট কৃতিত্ব দেখুওৱা পৰি-লক্ষিত হয়।

অতি দুৰ্ভাগ্য যে আমাৰ মহাবিদ্যালয়ৰ এখন উপযুক্ত খেল পথাৰৰ অভাৱ। কৰ্তৃপক্ষৰ আন্তৰিকতা থকা হলে মহাবিদ্যালয়ৰ খেল পথাৰখন উপযুক্ত ভাৱে গঢ়িব পৰাৰ সুবিধা অনেক আছে। সেয়েহে এই বছৰৰ আন্তঃশ্ৰেণী ফুটবল প্ৰতিযোগিতা সমূহ অসম গেছ কোম্পানী বা চলাকটকী খেল পথাৰত অনুষ্ঠিত কৰিব লগা হয়।

এইবাৰ মহাবিদ্যালয়ৰ আন্তঃশ্ৰেণী ফুটবল প্ৰতি যোগিতাৰ যোগেদি বাচনি কৰা খেলুৱৈ সকলৈ আনবাৰৰ দৰে এইবাৰো নাহৰকটীয়াত অনুষ্ঠিত হোৱা "শ্বহীদ সোঁৱৰণী" প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰো। পাৰদৰ্শীতা আৰু চমকপ্ৰদ খেল প্ৰদৰ্শন কৰি চূড়ান্ত খেলত অটতীৰ্ণ হবলৈ সক্ষম হওঁ। অৱশ্যে নাহৰকটীয়া মহাবিদ্যালয়ৰ লগত ৩—২ পৰাজয় বৰণ কৰো।

এইঁ বছৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ কলেজ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ দায়িত্ব আমাৰ মহাবিদ্যালয়ৰ ওপৰত পৰাত পুনৰ এক গুৰুত্বৰ সমস্যাৰ সন্মুখীন হ'লো। কথাতে কয় বোলে "হাতত নাই কনটো বৰসবাহলৈ মনটো"। কাৰণ খেলৰ সামগ্ৰী, খেল পথাৰ আদি এশ এবুৰি সমস্যা। তথাপি দৃঢ় মনলৈ খেল পথাৰখনৰ উন্নয়নৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিলো। কিন্তু মূৰকত খেল পথাৰখন উপযোগী কৰিব নোৱাৰি অৱশেষত চলাকটকী খেল পথাৰতে খেল অনুষ্ঠিত কৰাৰ সকলো ব্যৱস্থা কৰিলো। কিন্তু অনিবাৰ্য্য কাৰণবশত খেলখন অনু-ষ্ঠিত নহল। পিছত ২২।১১।৯১ তাৰিখত খেলখন ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত হয় আৰু খেলখনত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰো।

মোৰ কাৰ্য্যকালৰ ভিতৰত মহাবিদ্যালয়ৰ খেল পথাৰখনৰ উন্নয়নৰ বাবে ডিৰিয়াল চাহ বাগিচাৰ পৰা দিয়া ঘাঁহ কটা ট্ৰেক্টৰেৰে ঘাঁহবোৰ কটাও আৰু অসম গেছ কোম্পানীয়ে খেল পথাৰখনত অলপ মাটি পেলোৱাই দিয়ে আৰু কেইজনমান বনুৱাও দিয়ে। তদুপৰি গেছ কোম্পানীৰ পৰিচালন সঞ্চালক মহোদয়ে খেল পথাৰখনৰ উন্নয়নৰ বাবে সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে। আশাকৰো এইখিনি কাম মোৰ পৰৱৰ্তী সম্পাদকৰ দিনত কাৰ্য্যকৰী হৈ উঠিব।

যোৱা ৯।২।৯২ তাৰিখৰ পৰা ১৪।২।৯২ তাৰিখলৈ মহাবিদ্যালয়ৰ 'প্ৰতিভা প্ৰকাশ সপ্তাহ' অনুষ্ঠিত হৈ যায়। বিভিন্ন প্ৰতিকুলতাৰ মাজেদিয়েই প্ৰতিযোগিতা সমূহ নিয়াৰিকৈ সম্পন্ন হৈ যায়। প্ৰতিযোগিতাৰ সকলো খেল অন্তৰ্ভূক্ত কৰিবলৈ চেষ্টা কৰা হৈছিল। সমস্যাবহুল মহাবিদ্যালয় খনিত ক্ৰীড়া বিকাশৰ বাবে বহুবোৰ কৰিব লগা আছে। আশা কৰো মোৰ পৰৱৰ্তী কৰ্মকৰ্তা সকলে সেইখিনি কাৰ্য্যকৰী কৰিব। মোৰ ফালৰ পৰা সকলো কাম নিয়াৰিকৈ কৰিবলৈ চেষ্টা কৰিছিলো। তথাপিতো,

অজানিতে কিছু ভুল ভ্ৰান্তি হৈ যেৰিটো স্বাভাৱিক। তাৰ বাবে মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী তথা কৰ্মচাৰী বৃন্দৰ ওচৰত ক্ষমা বিচাৰি সৰল মিনতি জনালো।

মোৰ কামকাজবোৰ সুকলমে চলাই নিয়াত বিভিন্ন সময়ত দিহা পৰামৰ্শেৰে বা অন্য প্ৰকাৰে সহায় আগবঢ়োৱাৰ বাবে মাননীয় অধ্যক্ষ শ্ৰীযুত পূৰ্ণকান্ত হাজৰিকাদেৱ, উপাধ্যক্ষ শ্ৰীযুত বীৰেন চুতীয়াদেৱ, অধ্যাপক শ্ৰীযুত দীপজ্যোতি শইকীয়া, শ্ৰীযুত প্ৰকাশ জ্যোতি বৰঠাকুৰ, শ্ৰীযুত সুৰেশ বৰা শ্ৰীযুত ইন্দ্ৰ প্ৰসাদ বুঢ়াগোহাঁঞি, শ্ৰীযুত হিতেন বৰদলৈ দেৱলৈ আৰু বন্ধু-বান্ধৱী বৰ্গৰ সৰ্বশ্ৰী মহেন্দ্ৰ বৰুৱা, কৃষ্ণকান্ত গগৈ, বিজয় দত্ত, গনেশ গগৈ, প্ৰবীণ বৰদলৈ জীৱন বৰা, আব্দুল কাদিৰ হাজৰিকা, অজয় কুমাৰ থাপা, প্ৰদীপ চুতীয়া, ৰঞ্জন বৰুৱা, ধৰ্মেন্দ্ৰ তেলী, সুভাষ বড়ো, মানস প্ৰতিম গগৈ, জয়া কোঁৱৰ, জুলি গগৈ আদিলৈ মোৰ কৃতজ্ঞতা ও শলাগৰ শৰাই জনালো। তেখেতসকলৰ সহযোগিতাই এনে এটা গধুৰ দায়িত্ব চলাই নিয়াত সক্ষম হলো।

সদৌ শেষত মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো। আমাৰ মহাবিদ্যালয়ৰ পৰা ৰাজ্যিক বা ৰাষ্ট্ৰীয় মৰ্য্যদা সম্পন্ন প্ৰতিভাবান খেলুৱৈ ওলায় তাৰে কামনা কৰি পুনৰবাৰ সকলোলৈ নমস্কাৰ জনায় প্ৰতিবেদন সামৰিলো।

ধন্যবাদেৰে

ইতি

— দেভিদ গগৈ
বহিঃ খেল বিভাগৰ সম্পাদক

## অষ্টাদশ বাৰ্ষিক প্ৰতিভা প্ৰকাশ সপ্তাহৰ বহিঃ খেল বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহৰ ফলাফল

* পুৰুষৰ ১০০ মিঃ দৌৰ প্ৰতিযোগিতাত
  ১ম শ্ৰী মুক্তিয়াৰ সিং
  ২য় „ [redacted]মণি বৰশইকীয়া
  ৩য় „ অভিজিত বৰকটকী

* মহিলাৰ ১০০ মিঃ দৌৰ প্ৰতিযোগিতাত
  ১ম শ্ৰীমতী কল্পনা বৰদলৈ
  ২য় „ মিনতী দেৱী
  ৩য় „ ৰূপা বৰুৱা

* পুৰুষৰ ২০০ মিঃ প্ৰতিযোগিতাত
  ১ম শ্ৰী মুক্তিয়াৰ সিং
  ২য় „ মিনাৰাম গগৈ
  ৩য় „ বিদ্যাধৰ সোণোৱাল

* মহিলাৰ ২০০ মিঃ প্ৰতিযোগিতাত
  ১ম শ্ৰীমতী কল্পনা বৰদলৈ
  ২য় „ হিৰামণি গগৈ
  ৩য় „ দিপ্তী গগৈ

* পুৰুষৰ ৪০০ মিঃ দৌৰ প্ৰতিযোগিতাত
  ১ম শ্ৰী মিনাৰাম গগৈ
  ২য় „ বিদ্যাধৰ সোণোৱাল
  ৩য় „ মুক্তিয়াৰ সিং

* মহিলাৰ ৪০০ মিঃ দৌৰ প্ৰতিযোগিতাত
  ১ম শ্ৰীমতী কল্পনা বৰদলৈ
  ২য় „ দিপ্তী বৰা
  ৩য় „ অঞ্জলী গগৈ





* পুৰুষৰ ৮০০ মিঃ দৌৰ প্ৰতিযোগিতাত
  ১ম শ্ৰী নৰেন হাজৰিকা
  ২য় „ মিনাৰাম গগৈ
  ৩য় „ বিদ্যাধৰ সোনোৱাল

* মহিলাৰ ৮০০ মি ঃ দৌৰ প্ৰতিযোগিতাত
  ১ম শ্ৰীমতী দিপ্তী বৰা
  ২য় „ অঞ্জলী গগৈ
  ৩য় „ কল্পনা বৰদলৈ

* পুৰুষৰ ১৫০০ মি ঃ দৌৰ প্ৰতিযোগিতাত
  ১ম শ্ৰী নৰেন হাজৰিকা
  ২য় „ বসন্ত গগৈ
  ৩য় „ হৰিনাথ যাদৱ

* পুৰুষৰ চট্‌পুট্‌ থ্ৰ প্ৰতিযোগিতাত
  ১ম শ্ৰী ৰাজকুমাৰ চোনাৰ
  ২য় „ হিৰোমণি বৰশইকীয়া
  ৩য় „ প্ৰশান্ত হাজৰিকা

* মহিলাৰ চট্‌পুট্‌ থ্ৰ প্ৰতিযোগিতাত
  ১ম শ্ৰীমতী মন্দিৰা হাজৰিকা
  ২য় „ অঞ্জলি গগৈ
  ৩য় „ কল্পনা বৰদলৈ

* পুৰুষৰ ডিচ্‌কাচ থ্ৰ প্ৰতিযোগিতাত
  ১ম শ্ৰী ৰাজকুমাৰ চোনাৰ
  ২য় „ সুভাষ বড়ো
  ৩য় „ প্ৰশান্ত হাজৰিকা

* মহিলাৰ ডিচ্‌কাচ্‌ থ্ৰ প্ৰতিযোগিতাত
  ১ম শ্ৰীমতী মন্দিৰা হাজৰিকা
  ২য় „ অঞ্জলী গগৈ
  ৩য় „ পূৰবী চুতীয়া

* পুৰুষ জেভলিন থ্ৰ প্ৰতিযোগিতাত
  ১ম শ্ৰী বেনু গগৈ
  ২য় „ ৰাজকুমাৰ চোনাৰ
  ৩য় „ প্ৰশান্ত হাজৰিকা

* মহিলাৰ জেভলিন থ্ৰ প্ৰতিযোগিতাত
  ১ম শ্ৰীমতী মন্দিৰা হাজৰিকা
  ২য় „ মামণি গগৈ
  ৩য় „ গিতা হাজৰিকা

* পুৰুষৰ হাই জাম্প প্ৰতিযোগিতাত
  ১ম শ্ৰী ৰবি কুমাৰ
  ২য় „ ক্ষীৰুদ গগৈ
  ৩য় „ হিৰোমণি বৰশইকীয়া
  „ বসন্ত গগৈ

* মহিলাৰ হাই জাম্প প্ৰতিযোগিতাত
  ১ম শ্ৰীমতী অঞ্জলী গগৈ
  ২য় „ কল্পনা বৰদলৈ
  ৩য় „ পূৰবী চুতীয়া

* পুৰুষৰ লং জাম্প প্ৰতিযোগিতাত
  ১ম শ্ৰী মিনাৰাম গগৈ
  ২য় „ মুক্তিয়াৰ সিং, দিব্যজ্যোতি গগৈ
  ৩য় „ ৰবি কুমাৰ

* মহিলাৰ লং জাম্প প্ৰতিযোগিতাত
  ১ম শ্ৰীমতী কল্পনা বৰদলৈ
  ২য় „ ৰূপা বৰুৱা, পূৰবী চুতীয়া
  ৩য় „ অৱন্তী হাজৰিকা

* পুৰুষৰ কাবাদি প্ৰতিযোগিতাত
  ১ম ঃ— শ্ৰী মিন্টু কোঁৱৰ, শ্ৰী বিনোদ গগৈ, শ্ৰীঅজয় কুমাৰ থাপা, শ্ৰীচিদানন্দ গগৈ,

শ্ৰীঅচিন্তকোঁৱৰ, শ্ৰীদিপেন নেওগ, শ্ৰীক্ষীৰুদ গগৈ, শ্ৰীপ্ৰশান্ত হাজৰিকা, প্ৰশান্ত দত্ত।

দ্বিতীয় — শ্ৰী নিৰ্মল শইকীয়া
„ বেনু গগৈ
„ মনোমোহন চেতিয়া
„ মাধৱ ৰায় হাজৰিকা
„ লোহিত চাবেঙ্গীয়া ফুকন
„ হৰিনাথ যাদৱ
„ প্ৰণৱ জ্যোতি গগৈ
„ বিষ্টু দিহিঙ্গীয়া
„ বিদ্যাধৰ সোনোৱাল

* মহিলাৰ কাবাদী প্ৰতিযোগিতাত
প্ৰথম — শ্ৰীমতী পূৰবী চুতীয়া
„ ডলী মেছ
„ জুলী গগৈ
„ ৰঞ্জু দাস
„ মামনি গগৈ
„ কোমলি „
„ ভাৰতী বৰুৱা
„ বিজু মণি নেওঁগ

দ্বিতীয় — শ্ৰীমতী গীতা হাজৰীকা
„ ৰূপা বৰুৱা
„ দিপ্তী বৰা
„ মনোৰমা দত্ত
„ আৰাধনা গগৈ
„ ৰানু দিহিঙ্গীয়া
„ ৰমা ৰায়
„ অৱন্তী হাজৰীকা
„ গীতামণি গগৈ

* মহিলা ৰিলে ৰেচ প্ৰতিযোগিতাত
প্ৰথম — শ্ৰীমতী পূৰবী চুতীয়া
„ ৰূপা বৰুৱা
„ গীতা হাজৰীকা
„ দিপ্তী বৰা

দ্বিতীয় — শ্ৰীমতী কল্পনা বৰদলৈ
„ হিৰামণি গগৈ
„ মন্দিৰা হাজৰিকা
„ অঞ্জলী গগৈ

তৃতীয় — শ্ৰীমতী বিনীতা শইকীয়া
„ সংগীতা সিং
„ পদ্মা ফুকন
„ মেঘালী বৰকটকী

* পুৰুষৰ ৰিলে ৰেচ প্ৰতিযোগিতাত
প্ৰথম — শ্ৰী মিনাৰাম গগৈ
„ তিৰ্থ গগৈ
„ অপূৰ্ব দাস
„ দীপক গগৈ

দ্বিতীয় — শ্ৰী আৰ, ৰবি বৰ্মা
„ অজিতেশ শৰ্মা
„ উইয়াম নাইড়ু
„ আব্দুল কাদিৰ হাজৰিকা

তৃতীয় — শ্ৰী তিৰ্কণতি ৰাও
„ ৰবি কুমাৰ
„ হৰি নাথ যাদৱ

* ফুটবল প্ৰতিযোগিতাত বিজয়ী দল
দ্বাদশ শ্ৰেণী কলা শাখা পুৱা আৰু দিবা যুটিয়াভাবে।





* ভেশচন প্ৰতিযোগিতাত
১ম শ্ৰীবেনু গগৈ
২য় শ্ৰী ৰূপৰঞ্জন চুতীয়া (কবিৰাজ)

* শ্ৰেষ্ঠ খেলুৱৈ
পুৰুষৰ — শ্ৰীমিনাৰাম গগৈ
মহিলাৰ — শ্ৰীমতী কল্পনা বৰদলৈ।

## আন্তঃ খেল বিভাগৰ সম্পাদকৰ প্ৰ...

জয়জয়তে ডুলীয়াজান মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধুবান্ধৱ, মাননীয় অধ্যক্ষ তথা শিক্ষাগুৰু আৰু মহাবিদ্যালয়ৰ সকলো কৰ্মকৰ্তাক মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

ডুলীয়াজান মহাবিদ্যালয়ৰ ১৯৯০-৯১ চনৰ ছাত্ৰ একতা সভাৰ আন্তঃখেল বিভাগৰ সম্পাদক, পদটিৰ বাবে মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ আৰু জীৱনৰ এক অভিজ্ঞতা লভিবৰ বাবে সুবিধা দিয়া হেতুকে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, ভাৰ প্ৰাপ্ত অধ্যাপক অধ্যাপিকালৈ মোৰ এই প্ৰতিবেদনৰ দ্বাৰা পুণৰবাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

আন্তঃখেল বিভাগৰ দৰে এটা গধুৰ দায়িত্ব মই কি ধৰণে পালন কৰিলো সেইটো আপোনা-লোকৰ বিচাৰ্য্য বিষয়। মানুহ মাত্ৰেই ভুল। মোৰ এই দায়িত্ব পালনত বহুতো ভুল ত্ৰুটি ৰৈ যোৱাতো স্বাভাৱিক। সেয়েহে মই এই প্ৰতিবেদনত মহা-বিদ্যালয় সমূহ ছাত্ৰ-ছাত্ৰী, চিৰনমস্য, শিক্ষাগুৰু সকল আৰু মহাবিদ্যালয় সমূহ কৰ্মকৰ্তাৰ ওচৰত ক্ষমা বিচাৰিছো।

ভলীবল, বেডমিণ্টন আৰু টেবুল টেনিছ আন্তঃখেল বিভাগৰ দয়িত্ব আছিল। বেড্মিণ্টন আৰু টেবুল টেনিছৰ খেলুৱৈ সংখ্যা আমাৰ মহাবিদ্যালয়ত সীমিত। ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় বেড্মিণ্টন আৰু টেবুল টেনিছ প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে অংশ গ্ৰহণ কৰি আশানুৰূপ ফল পাইছিল। ছোৱালীৰ টেবুল টেনিছ দলটিয়ে প্ৰতিযোগিতাত বিজয়ী হৈ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। বেডমিণ্টন প্ৰতিযোগিতাত বিজয়ী হব পৰা নাছিল যদিও ভাল খেল প্ৰদৰ্শণ কৰিছিল। কিন্তু বিশ্ববিদ্যালয়ৰ পৰা কোনো খবৰ নোপোৱাৰ বাবে মহাবিদ্যালয়ৰ ভলীবল দলটিক অংশগ্ৰহণ কৰাব নোৱাৰিলো।

বিগত বছৰবোৰৰ দৰে এই বছৰো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ প্ৰতিভা প্ৰকাশ সপ্তাহ ফেব্ৰুৱাৰী মাহৰ ৯ তাৰিখৰ পৰা ১২ তাৰিখলৈ চাৰিদিনীয়া কাৰ্য্য-সূচীৰে অনুষ্ঠিত কৰা হয়।

মহাবিদ্যালয়ৰ ল'ৰা প্ৰতিযোগীতকে ছোৱালী প্ৰতিযোগীৰ সংখ্যা তেনেহ নগণ্য। এই বছৰৰ প্ৰতিভা প্ৰকাশ সপ্তাহৰ আন্তঃ খেলবিভাগৰ খেল সমূহৰ ফলাফল তলত দিয়া ধৰণে আছিল—

বেডমিণ্টন—
ল'ৰা একক ভাৱে বিজয়ী— শ্ৰীহেমন্ত শইকীয়া।
„ „ „ বিজিত— শ্ৰীৰণদীপ চক্ৰৱৰ্তী।

ল'ৰা যুটীয়া ভাৱে বিজয়ী— শ্ৰীহেমন্ত শইকীয়া
শ্ৰীমুনীন গোস্বাই।
„ „ „ বিজিত— শ্ৰীপ্ৰৱীন বৰদলৈ
আৰু শ্ৰীৰাজেশ আগৰৱাল।

ছোৱালী একক ভাৱে বিজয়ী—
শ্ৰীমতী দীপাঞ্জলী ভূঞা

ছোৱালী একক ভাৱে বিজিত —
শ্ৰীমতী ৰূপাঞ্জলী ভূঞা

টেবুল টেনিছ—
ল'ৰা একক ভাৱে বিজয়ী— শ্ৰীবিজিত চক্ৰবৰ্তী।
,, ,, ,, বিজিত— শ্ৰীহেন্ত শইকীয়া

ভলীবল—
বিজয়ী— স্নাতক তৃতীয় বাৰ্ষিক ( কলা শাখা )
বিজিত— ,, দ্বিতীয় ,, ( ,, ,, )
ভলীবল শ্ৰেষ্ঠ খেলুৱৈ - শ্ৰীৰাজকুমাৰ সোণাৰ আৰু আন্তঃখেল বিভাগৰ শ্ৰেষ্ঠ খেলুৱৈ শ্ৰীহেমন্ত শইকীয়া। ছোৱালীৰ টেবুল টেনিছ আৰু বেডমিণ্টন ডাবলছত কোনো প্ৰতিযোগীয়ে অংশ গ্ৰহণ নকৰা বাবে খেল সমূহ অনুষ্ঠিত কৰিব পৰা নহ'ল।

আন্তঃ খেল বিভাগৰ দায়িত্ব পালনত কিছু অসুবিধাৰ সন্মুখীন হৈছিলো। সেই অসুবিধা বোৰ ১) এখন ভাল বেডমিণ্টন ক'ৰ্টৰ অভাৱ। (২) টেবুল টেনিছ ব'ৰ্ডৰ অভাৱ। (৩) ভলীবলৰ যিখন ক'ৰ্ট আছিল তাৰ ওপৰত মহাবিদ্যালয় চাইকেল ষ্টেণ্ড বনাবৰ বাবে শিল, বালি, ইট, লোহা আদি পেলাই খেলিব নোৱাৰা অৱস্থালৈ পৰিণত কৰিলে।

দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ - একতা সভাৰ আন্তঃ খেল বিভাগৰ সম্পাদক হৈ থকা অৱস্থাত মোৰ বিভিন্ন কাৰ্য্যসূচী পৰিচালনাত সহায় কৰাৰ সকলৰ শলাগ নললে মোৰ এই প্ৰতিবেদনখন আধা-ৰুৱা হব। মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত সুৰেশ বৰা, শ্ৰীযুত হিতেশ বৰদলৈ, শ্ৰীযুত দীপ শইকীয়া, শ্ৰীযুত প্ৰকাশ বৰঠাকুৰ চাৰ সকলৰ সং পৰামৰ্শ আৰু সহায়ৰ বাবে চিৰ কৃতজ্ঞ। বন্ধু প্ৰবীন, বিপুল, ৰাজেশ, চিৰঞ্জীৱ, অৰূপ, মৃদুল, নাহৰকটীয়া কলেজৰ ৰাজীৱ দাস হতঁৰ সদায় মোৰ স্মৃতিৰ ৰেখাপাত ভাহি থাকিব। জ্যোতিময়, নিপন, জিতেন, পৰমা দা আৰু ছাত্ৰ একতাৰ সভাৰ সমূহ বিষয়ববীয়া সকলৰ সহায়ৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। অজানিতে নাম প্ৰকাশিত নোহোৱা আৰু মোৰ শুভাকাঙ্খী লৈ মোৰ তৰফৰ পৰা সশ্ৰদ্ধ প্ৰনাম জনাছো।

সদৌ শেষ[illegible]লীয়াজান মহাবিদ্যালয়ৰ উজ্জ্বল ভবিষংত কামনা [illegible] মোৰ এই প্ৰতিবেদন সামৰিলো।

জয়তু দুলীয়াজান মহাবিদ্যালয়।
জয় আই অসম।

শ্ৰী ৰাজীৱ দিহিঙ্গীয়া।
আন্তঃ খেল বিভাগৰ সম্পাদক।

## ঃ সাংস্কৃতিক সম্পাদক ঃ

প্ৰতিবেদনৰ দুৱাৰদলিত থিয় হৈ সৰ্বাদিতে সুঁৱৰিছো মই সেই সকল চিৰনমস্য বীৰ সন্তানক যি সকলে অসমীয়া ভাষা সংস্কৃতি আৰু জাতীয় অস্তিত্ব ৰক্ষাৰ বাবে নিজৰ ৰক্তেৰে ৰঞ্জিত কৰি আই অসমীৰ কোলাত মূৰ থৈ সেৱা কৰি চিঞৰি উঠিছিল।

তোমালোকৰ ভবিষ্যতৰ বাবে আমি আমাৰ বৰ্ত্তমানক উচৰ্গা কৰিলোঁ।—

— যাৰ আশাৰ তেজত তিৰ বিৰাইছিল তৰালি
বুকুত গুণ গুণাইছিল মৌ মাখি।
সি নিজানে নিতালে শুই আছে।
শিতানত তাৰ তেজৰে ধোৱা মাটি।

প্ৰতিবেদনৰ আৰম্ভনিতেই দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ১৯৯০-৯১ চনৰ সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে মোক বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে আৰু জীৱনৰ এক মহান অভিজ্ঞতা লভিবৰ বাবে সুবিধা প্ৰদান কৰা হেতুকে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ ছাত্ৰী তথা বন্ধু বান্ধৱী, ভাৰপ্ৰাপ্ত অধ্যাপক, অধ্যাপিকা আৰু অধ্যক্ষ মহোদয়লৈ এই প্ৰতিবেদনৰ দ্বাৰা মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আন আন বিভাগৰ সম্পাদকীয়ৰ দৰে সাংস্কৃতিক বিভাগৰ প্ৰতিবেদনে যে ছাত্ৰ ছাত্ৰীৰ মনত কোনো ধৰণৰ ৰেখা পাত সৃষ্টি নকৰেই ধুৰূপ, তথাপি মোৰ সামান্য জ্ঞানে কিছু কথা প্ৰকাশ কৰিবলৈ আগবাঢ়িছো।

সংস্কৃতি হ'ল এটা জাতিৰ দাপোন স্বৰূপ সংস্কৃতিবিনে এটা জাতি জীয়াই থাকিব নোৱাৰে।

জাতিৰ মাহাত্ম্য প্ৰকাশ পায় সংস্কৃতিৰ দ্বাৰা। অসমীয়া এটা মহান জাতি। অসমীয়া জাতিৰ সংস্কৃতিৰ পথাৰ বিশাল। অসমৰ ধুবুৰীৰ পৰা শদিয়ালৈকে সিচঁৰিত হৈ আছে বিভিন্ন ধৰণৰ সংস্কৃতি। অসমৰ সংস্কৃতিত নাই কি ? সকলো আছে। মাথো নাই ইয়াৰ গভীৰ চৰ্চ্চা। সেই বাবেই বিলুপ্তি ঘটিব ধৰিছে অসমৰ মহান সংস্কৃতি। সেয়ে হে এই সামান্য প্ৰতিবেদনৰ দ্বাৰা সকলো ছাত্ৰ - ছাত্ৰী তথা সংস্কৃতি পথাৰৰ শিল্পী সকলক অনুৰোধ জনাওঁ —

"অসমৰ সংহতি জীয়াই ৰাখক জাতিৰ অস্তিত্ব সবল কৰক"।

মই বিগত বছৰৰ ইং । ।৯১ তাৰিখৰ দিনা দুলীয়াজান মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰো। আমাৰ মহাবিদ্যালয় সপ্তাহ অন্য বছৰৰ দৰে এই বছৰো ফেব্ৰুৱাৰী মাহত অনুস্থিত কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা প্ৰকাশৰ অতি প্ৰয়োজনীয় মহাবিদ্যালয় সপ্তাহটি "মহাবিদ্যালয় প্ৰতিভা বিকাশ সপ্তাহ" নামা কৰণেৰে ইং। ৯। ১০। ১১ আৰু ১২ ফেব্ৰুৱাৰী '৯২ তাৰিখে চাৰিদিনীয়া কাৰ্য্যসূচীৰে অনুস্থিত কৰা হয়।

এইবাৰৰ প্ৰতিযোগিতাত প্ৰতিযোগী আৰু দৰ্শকৰ সমাগম লেখত লবলগীয়া। সাংস্কৃতিক বিভাগৰ অনান্য প্ৰতিযোগীতাৰ তুলনাত, নৃত্য আৰু বাদ্যযন্ত্ৰৰ প্ৰতিযোগী সীমিত হোৱাটো অতি পৰিতাপৰ কথা। দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰতিভা বিকাশ সপ্তাহত পোন প্ৰথমবাৰৰ বাবে নাটকৰ পাণ্ডুলিপি প্ৰতিযোগিতা আৰু মুকাভিনয় প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই মুকাভিনয় প্ৰতিযোগিতাই মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী বন্ধুবৰ্গ তথা দৰ্শক সকলক এক নতুন আমোদ যোগালে। এই বছৰৰ মহাবিদ্যালয়ৰ প্ৰতিভা বিকাশ সপ্তাহৰ আন এক লেখত লবলগীয়া দিশ হল অধ্যাপক অধ্যাপিকাৰ আশানুৰূপ সহযোগিতা।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আন্তঃ মহাবিদ্যালয় সাংস্কৃতিক সমাৰোহ ফেব্ৰুৱাৰী মাহৰ শেষৰ ফালে অনুস্থিত কৰিছিল। কিন্তু ডিব্ৰুগড় বিশ্ববিদ্যালয় অন্তৰ্ভুক্ত মহাবিদ্যালয় সমূহৰ ভিতৰত মাত্ৰ ৫ (পাঁচ) খন মহাবিদ্যালয়ে যোগদান কৰা হেতুকে এই সমাৰোহ খনি অনিৰ্দিষ্ট কালৰ বাবে বাতিল কৰিলে। এই সমাৰোহত যোগদান কৰিবলৈ মোৰেই ভাগ্যত নাছিল ছাগে।

এই বছৰৰ প্ৰতিভা বিকাশ সপ্তাহত শ্ৰেষ্ঠ গায়িকাৰ সন্মান লাভ কৰে শ্ৰীমতী মৃদুলা শৰ্মাই। বছৰৰ শ্ৰেষ্ঠ নাট্য দলৰ বঁটা লাভ কৰে শ্ৰীনবীন বড়াৰ দ্বাৰা পৰিচালিত নাটক "গান্ধী পোক"। শ্ৰেষ্ঠ পৰিচালক ও শ্ৰেষ্ঠ অভিনেতাৰ সন্মান লাভ কৰে শ্ৰীনবীন বড়াই আৰু শ্ৰেষ্ঠ অভিনেতাৰ স্থান অধিকাৰ

কৰে শ্ৰীমতী লখিমি শইকীয়াই (অপৰূপা)।

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হৈ থকা অৱস্থাত বিভিন্ন কাৰ্য্যসূচী পৰিচালনাত মোৰ লগত ওতঃপ্ৰোত ভাবে জড়িত সকলৰ শলাগ নললে সঁচাকৈয়ে মোক দুখে পৰশিব। মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত নৃত্য দত্ত চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ বিগত কাৰ্যকালত মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত অমিয় খনিকৰ, শ্ৰীযুত হিতেশ বৰদলৈ চাৰ আৰু এই মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ শ্ৰীযুত ৰাজেন বড়া আৰু শ্ৰীযুত পদ্মৰাজ কোঁৱৰ ককাইদেউৰ সৎ পৰামৰ্শ আৰু সহায়ৰ কথা সদায় মনত থাকিব। মোৰ প্ৰতিটো কাৰ্য্যতে সমান ভাবে দায়িত্ব সমূহ কান্ধ পাতি লোৱা মোৰ সহপাঠী শ্ৰীজীতেন খাকলাৰী, পৰমা সোনোৱাল, জুবি চুতীয়া, জয়া কোঁৱৰ আৰু কাৰ্য্য-নিৰ্বাহকৰ সকলো বিষয় ববীয়াৰ সহায়ৰ ধাৰ মই কোনো কালেই পাহৰিব নোৱাৰিম। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিটো কাৰ্য্যসূচীত মোৰ কামৰ সম অংশীদাৰ হোৱা বন্ধুবৰ নিপন গগৈ, বিনন কোঁৱৰ, লীলকান্ত গগৈ, জীতেন ৰায়মেধী, নবীন বড়া, এলীন মেছ, মঞ্জু দুৱৰা, পুৰবী চুতীয়া ৰুক্মীনি নেওঁগ ক কোনো দিনে না পাহৰো। লগতে ভাইটি ঋতু, সজীৱ, দেৱ হঁতক মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ জনালো। মোৰ কাৰ্য্য-কালত বিভিন্ন দিশত সহায় কৰা মহাবিদ্যালয়ৰ কাৰ্য্যালয় বিভাগৰ কৰ্মকৰ্তা সকলকো কৃতজ্ঞতা জনালো। অজানিতে নাম প্ৰকাশিত নোহোৱা মোৰ শুভাকাঙ্খী সকলক মোৰ তৰফৰ পৰা সশ্ৰদ্ধ প্ৰণাম জনাইছো।

বিভিন্ন কাৰ্য্য-সূচীত জ্ঞাত বা অজ্ঞাত ভাবে হোৱা দোষ ত্ৰুটিৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী বন্ধুবৰ্গ আৰু দৰ্শকৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো।

সদৌ শেষত দুলীয়াজান মহাবিদ্যালয় খনিৰ উত্তৰোত্তৰ আৰু উজ্জল ভৱিষ্যত কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয় আই অসম।

শ্ৰীহীৰেন গগৈ।
সম্পাদক, সাংস্কৃতিক বিভাগ

## সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকৰ

সাহিত্য আৰু তৰ্ক বিভাগৰ সম্পাদকৰ দায়িত্ব মোৰ কান্ধতে আঁৰি দিয়াৰ বাবে আপোনাসবলৈ পাতনিতে কৃতজ্ঞতা যাচিছোঁ। গধুৰ দায়িত্বৰ মেটমৰা বোজাটো গেমেহা দেহাই কঢ়িওৱাত কিমান সফল হ'লোঁ, বিচাৰ আপোনালোকেই কৰিব। মেলানি পৰত খতিয়ানৰ টোপোলাৰ কিছু টুকুৰা আপোনালোককো শুনাইছোঁ।

সাহিত্য পকা কল নহয়, সেয়া মোৰ ক্ষুদ্ৰ মনৰ ভাৱ। সুক্ষ্ম দৃষ্টিভঙ্গী, গভীৰ অধ্যয়ন, বাস্তৱিক চিত্ৰ, প্ৰেৰণা ইত্যাদি সকলোবোৰ সম্ভাৰৰ একত্ৰহে সাহিত্য। মুঠতে কবলৈ গ'লে সাহিত্য নাৰিকলৰ লগতহে ৰিজাব পাৰি। তাক গুচাই খোৱাতহে তৃপ্তি। ওপৰত চেলেকি থকাটোক খোৱা নোবোলে।

সুপ্ত প্ৰতিভাক জাগ্ৰত কৰি প্ৰতিভাত কৰাৰ মানসেৰে 'কাকলি'ক হেঁপাহেৰে দাঙি ধৰিছিলোঁ। হেঁপাহক প্ৰেৰণাইহে সজীৱ কৰি ৰাখিব পাৰে। সমালোচনাই নিকা কৰে, যদিহে সেয়া গঠনমূলক হয়। দাবি কৰি জেং-জাবৰ এসোপাকে 'কাকলি'ত তুলি সাহিত্য চৰ্চা কৰাটো মই নিবিচাৰো। সাহিত্যৰ নামত সেয়া কলংক হ'ব। মোৰ অদম্য হেঁপাহক ভৰিৰে মোহাৰি খোলা হাঁহি মৰাটো উন্নতি নহয়; অধোন্নতি। 'কাকলি' মৰিব নোৱাৰে! দুলীয়াজান মহাবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ হেঁপাহতে লালিত-পালিত হ'ব। মোৰ অনুৰোধ যেন অনাগত দিনবোৰত মৰমেৰে একোলা লোৱাত কোনেও কৃপণালী নকৰিব।

সমস্যাৰে জৰ্জৰিত মোৰ কাৰ্যকালত কি কৰিব পাৰিলোঁ, মই বিচাৰ নাই কৰা। মোৰ মানসিকতাত উজলা আপোনালোকৰ প্ৰেৰণাত যিখিনি কৰিলোঁ, সেইখিনিয়ে যদি আপোনাসবৰ মনত অলপমানো ৰেখাপাত কৰিলে, সেয়া মোৰ কৃতিত্ব নহয়; আপোনালোকৰ অকুণ্ঠ সহযোগ বুলিহে ভাবিম। নোৱাৰাখিনিৰ লেখ নাই। ব্যৰ্থতাৰে বুৰা মোৰ কাৰ্যকালত মন চুই যোৱা দুটামান কথাৰ ভাগ আপোনালোককো দিছোঁ।

১৭ জানুৱাৰি '৯২ দিনটো মোৰ চিৰদিন মনত থাকিব। সেই দিনা 'জ্যোতি দিৱস' পাতিছিলোঁ। অসমৰ জনগণৰ বাবে এটি বৰণীয়া মনীষাৰ সোঁৱৰণী সোণালীকা। তেজৰ আখৰেৰে লিখা এটি স্মৰণীয় দিনৰ নিৰ্ঘণ্ট। শিল্পীজনাৰ সভালৈ কোনো নাহিল। কিয় নাহিল আজিও মোৰ বাবে ৰহস্য হৈয়ে ৰ'ল। শেষত কেইজনমান ল'ৰাৰ সৈতে থুলমূলকৈ সেই দিনটোৰ অতৃপ্ত সমাপ্ত হ'ল। এইবোৰ মোৰ কাৰ্যকালৰ লেখত লব লগীয়া সৰু সৰু কথা।

'মহাবিদ্যালয়ৰ প্ৰতিভা প্ৰকাশ সপ্তাহ' মোৰ কাৰ্যকালৰ এটা উল্লেখনীয় দিন। সপ্তাহ জোৰা অনুষ্ঠানটিত বিপুল সংখ্যক ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা, বিভিন্ন প্ৰতিযোগিতাত বহু সংখ্যক প্ৰতিযোগী ইত্যাদি উৎসাহৰ সমল আছিল। অংশ গ্ৰহণ কৰা সকলো প্ৰতিযোগীলৈ তথা মোৰ কাষতে থাকি বা মহাশয় সকলে দিয়া দিহা-পৰামৰ্শ ইত্যাদিৰ শলাগ নলʼলে ভুল কৰা হ'ব।

শেষত, মোৰ কাৰ্যকালত জানি বা নাজানি কৰা ভুলৰ ক্ষমা বিচাৰিছোঁ। মোক সকলোৱে ভাল পায় বুলিয়েই ভাবোঁ। সেয়েহে এই সীমিত পৰিসৰত কাৰোৱেই নাম উল্লেখ নকৰিলোঁ। মই মনতে আওৰাই থকা এটি কবিতাৰে আজিলৈ সামৰিলোঁ।

মোৰ ভাব হৈছিল
ঝাঞ্জাৰ সতে যুঁজিবলে'
প্ৰাতঃতে যোৱা মই
নোঘূৰিমেই কিজানি!
অজানাত মিতিৰালি
উদণ্ডতাৰ শিখৰ য'ত
দোকোল-টঁকা ভাৱৰ খেলি-মেলি
জুইৰে ধুব লাগে মুখ।

সাহস, ধৈৰ্য্য আৰু একাগ্ৰতাৰ
বোকোচাত খামোচি ধৰি
সময় নৈ পাৰ হৈ
কথমপিহে পালোঁহি ঘৰ
দোনৰিত খতিয়ানৰ
টোপোলাটো বান্ধি।

এতিয়া মুক্ততাতে গাটো এৰি
ভাবিছোঁ—
বিজন বনকো আছে
মুকুতাৰ শাৰী
জুইপৰা আঙঠাতে মিলি।

জয়তু দুলীয়াজান মহাবিদ্যালয়—

শ্ৰীদিগন্ত কুমাৰ গগৈ।
সম্পাদক
সাহিত্য আৰু তৰ্ক বিভাগ

## উৎসৱ বিভাগৰ সম্পাদকৰ

সৰ্ব্বপ্ৰথমে যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধবীয়ে মোক ১৯৯১-৯২ চনৰ দুলীয়াজান মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উৎসৱ বিভাগৰ সম্পাদকৰ পদত অধিষ্ঠিত কৰাই মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুবিধা দিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে মোৰ শিক্ষাগুৰু তথা বিভাগীয় উপদেষ্টা শ্ৰী যুত গকুল গগৈ চাৰৰ ওচৰতো মই চিৰ কৃতজ্ঞ হৈ ৰ'লো।

মই কি কৰিলো, কি নকৰিলো সেইয়া মোৰ নহয় ছাত্ৰ-ছাত্ৰীৰহে বিচাৰ্য্যৰ বিষয়। ছাত্ৰ একতা সভাৰ দায়িত্ব ভাৰ গ্ৰহণৰ পিছতেই ক্ৰমে শ্ৰীশ্ৰীশংকৰ দেৱৰ তিৰোভাৱ তিথি, বিশ্বকৰ্ম্মা পূজা আৰু সৰস্বতী পূজা অধিক জাক জমকতাৰে পালন কৰা হয়। এই আটাইকেইটা অনুষ্ঠানতেই বিভাগীয় উপদেষ্টা মহোদয় তথা ছাত্ৰ-ছাত্ৰীৰ আশানুৰূপ সহায়ে মোক যথেষ্ট উৎসাহিত কৰিছিল। উৎসৱ বিভাগৰ সম্পাদকৰ দায়িত্ব সিমান লঘু বুলি— ভাবিছিলো, সি কেতিয়াও নহয়। কাৰণ বৰ্ত্তমান দিনকদিনে বাঢ়ি অহা বস্তু-বস্তুৰ মূল্যবৃদ্ধিয়ে প্ৰতিজন সম্পাদকক বাৰুকৈয়ে হতাশ কৰি তোলে। তথাপিও সীমিত অৰ্থৰে হ'লেও ছাত্ৰ-ছাত্ৰী সকলক পাৰ্য্যমানে সন্তুষ্ট কৰাত কৃপনালি কৰা নাছিলো। মোৰ কাৰ্য্যকালত বহুজনৰ পৰা যেনেদৰে সহায় পাইছিলো, বহুজনৰ পৰা তেনেদৰে ব্যৰ্থও হৈছিলো। বিশেষ শিক্ষাগুৰু সকলৰ পৰা। মোৰ আটাইকেউটা উৎসৱতেই শিক্ষাগুৰুৰ সংখ্যা যথেষ্টই সীমিত আছিল। গতিকে মোৰ অনুৰোধ ভৱিষ্যতে যেন শিক্ষাগুৰু সকল তথা ছাত্ৰ-ছাত্ৰী সকলৰ উপস্থিতিয়ে সম্পাদক গৰাকীক কাৰ্য্যক্ষেত্ৰত আগবাঢ়ি যোৱাত প্ৰেৰণা যোগায়।

মোৰ কাৰ্য্যকালৰ প্ৰতি মুহূৰ্ত্ততে সহায় কৰা বন্ধুবৰ ৰূপৰঞ্জন, সত্যজীৎ, নিপন, দিপান্ত, ৰঞ্জন বান্ধৱী দিব্যজ্যোতি, কল্মিণি, জয়া, জুৰি আৰু আছাবাণীক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। অযানিতে কাৰোবাৰ ওচৰত যদিহে কেতিয়াবা ভুল কৰিছিলো তাৰ বাবে প্ৰতিবেদনৰ জৰিয়তেই ক্ষমা বিচাৰিলো।

সদৌ শেষত, দুলীয়াজান মহাবিদ্যালয়ৰ সৰ্বোন্নতিৰ কামনাৰে প্ৰতিবেদন সামৰিছোঁ। ●

— মৃদুল বড়া
সম্পাদক, উৎসৱ বিভাগ

> ছাত্ৰ সকল আজিকালি অকল পাঠ্য পুথিতে আবদ্ধ থকা নাই। ৰাজনীতি, সমাজনীতি, সাহিত্য সংস্কৃতি সকলো বিধৰ চৰ্চ্চাতে মনোনিবেশ কৰিছে। এই মনোনিবেশৰ সুফল কিম্বা কু-ফল সম্পূৰ্ণভাৱে নিৰ্ভৰ কৰিছে তেওঁলোকৰ নিজৰ বৈশিষ্ট্যৰ ওপৰত আৰু নিজৰ মাজত থকা সংগঠন দক্ষতাৰ ওপৰত।
>
> — বেণুধৰ শৰ্ম্মা



# নাটকতেই যি বিচাৰি পায় বিমল আনন্দ ...





## বছৰৰ শ্ৰেষ্ঠ নাট্যদল —

• নাট :- গান্ধীপোক •

বাওঁফালৰ পৰা ক্ৰমে বহি :- শ্ৰীনৱজ্যোতি বৰা
শ্ৰীআদিত্য গোস্বামী, শ্ৰীবসন্ত খনিকৰ

বাওঁফালৰ পৰা ক্ৰমে থিয় হৈ :-

শ্ৰীদেৱজিৎ চলিহা, (দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা)
শ্ৰীনবীন বৰা, (শ্ৰেষ্ঠ অভিনেতা ও পৰিচালক)
শ্ৰীপ্ৰশান্ত বৰগোঁহাই,
শ্ৰীঅভিজিৎ বৰকটকী।



(আন্ত: মহাবিদ্যালয় ফুটবল খেল প্ৰতিযোগীতাত বিজয়ীৰ সন্মানেৰে সন্মানিত হোৱা মহাবিদ্যালয়ৰ ফুটবলৰ দলটো)

বাওঁফালৰ পৰা বহি (১ম শাৰী) : শ্ৰীৰবি থাপ্পাৰ, ৰাজীৱ-দিহিঙ্গীয়া (সম্পাদক, আন্ত:খেল বিভাগ)

বাওঁফালৰ পৰা বহি (২য় শাৰী) : শ্ৰীপ্ৰবীন বৰদলৈ, উৎপল চেতিয়া, ৰুবুল গগৈ, বি. য়াম সুন্দৰ ৰাও, দ্বীপ শইকীয়া (উপদেষ্টা, খেল বিভাগ), লোকাচ ৰাভা, (প্ৰশিক্ষক) প্ৰফুল্ল হাজৰিকা, হৃদয়া নেওগ প্ৰফুল্ল গগৈ

বাওঁফালৰ পৰা থিয় হৈ (৩য় শাৰী) : শ্ৰীদ্বীপেন গগৈ, তীৰ্থ গগৈ তিলেন্দ্ৰ পায়েং, উত্তম কুমাৰ বৰা (গ'লৰক্ষক)

বাওঁফালৰ পৰা থিয় হৈ (৪ৰ্থ শাৰী) : শ্ৰীবিকাশ গগৈ, জীতেন-আকলাৰী, হিৰুমনী বৰশইকীয়া, (গ'লৰক্ষক), মুক্তিয়াৰ সিং, মাৰ্চেল বৰদলৈ, কে. তিৰুপতি ৰাও (অধিনায়ক)

# ENGLISH SECTION

**DULIAJAN COLLEGE**

ANNUAL MAGAZIN

**1991 - 92.**

***EDITOR***

**DIPANTA KUMAR GOGOI.**

# RAGGING— A SOCIAL DISEASE

—*Dipu Gogoi*
**B. Sc. Ist year.**

Ragging is a comman media, originated in England about three hundred and fifty years back, throurgh which the senior students of an educational institution get themselves introduced with the new–comers. Its aim is, no doubt, praise worthy. But the approach is more or less defective. Vhe approach should be within a peaceful and courteous atmosphere. But in real practice, this is not the case.

For the last few years we have observed that the degree of ragging, specially in Colloge hostels. reached its peak. Ragging, now-a-days, means nothing but teasing and torturing the new comers which, in its turn, brings about so many social problems that the act of ragging has become one of the serious social diseases.

The environment of the educational institution should be similar to that of the home where sympathy, kindness, quiet, love and attection should be the guiding stars. But ragging-creates an environment where the seniors and the new-comers become jealours of each other, which hampers unity.

The new-comers are tartured by the seniors not only mentally but also physcally. As a consequence, the life of a ragged student becomes quite miserable and painfull. They found themselves helpless. Some of them, under compulsion, give up their studies pushing themselves towards darkness, moreover, there are reports of some of the seriously ragged students becoming mentally unblanced and even committing suicide also.

From the above discussion it becomes crystal clean that ragging is a crime as well as a social. disease. It is like a communicable disease from the point of view that inspite of almost universal criticism, the act of ragging has been passing on from one batch of students to another.

There cannot be two openions about the fact that stability and progress of the society depends much upon the students who are the future citizens. So their action should be so socially aimed. They should realise that ragging is too much injurious to the health of the society.

# THE PLACE OF WOMAN IN INDIAN SOCIETY.

*Miss Reena Gogoi.*
T. D. C. IInd year (Arts)

It is said that the civilization and culture of a country are judged by the status it accords to the woman. Vedic literature says that gods themselves dwell in the house where woman are worshiped. The essence of Indian culture lies in its respect to the mother, the father and the teachear. The mother regarded as the highest dicty, as she is the originator and sustainer of life. Thats why it is also said that "The mother is most venerable person in this world, even more than the father. More than one dharma: shastra writers have declared that the father is hundred times more venerable than the teacher. The society, which allowes freedom to its woman and enables them to make a suitable contribution to its development, is an ideal society. Woman posses more fortitude than the menfolk. She, by here very nature tries to adopt the culture of society.

Woman knows how to face the reverses in love and fortune. They know to die for love and duty. They survive the disasters, which would break down many man. Nothing can be more touching than sight of a soft-hearted woman, who suddenly utilises her moral forec to become the comforter of her dejected father or despairing husband. According to some scholers the word 'womans' means one who relieves man of all his woes. Woman always tries to win the praise of the group in which she lives. Society brings personality because of social aspect of personality, is very important though society, the woman learn to control herself in the interest of society and realizes her responsibility towards others. Society develops in her the community feelings and she learns to co-operate with others. Woman is influenced by many processes in society, praise and blame, co-operation and conflict, submission and ascendency. This help to form her personality and individuality.

In Ancient India, woman occupied a very honurable place in society. No sacrifice was complete withouct woman participating in it. Every society is the dependent exclusively on the family mainly on woman. Woman learn to conduct themselves and to give on outcome of education and constant association with teachers, the unique environment, fellow collegiates etc. Both man and woman are strongly influenced by the personality of their life partners, and their future depends upon this to a large extent. Indian Society is a process which begin with birth and continuous increasingly until the death of the woman. They enjoyed equal right with man with full liberty to receive education and prepare themselves in the manner that deemed fit to face the arduous battle of life. They had full voice in the settlement of matrimonial relations. The custom of holding sueayambar' gave them full liberty to choose their life partners. History is full of prominent women in various fields, of human endeavour. Woman have proved to be great patriots. During Indian struggle for freedom, woman worked shoulder to shoulder with man and made a remarkable contribution. The role played by Sarojini Naidu, Vijaya Lakshmi Pandit, Kanaklata deserve to be mentioned in this regard.

After the attainment of freedom woman participate in the work of nation building. They have distinguish themselves in various spheres of life as politicians, statesmen, orators, poets, scholars, doctors, diplomates, ministers and ambassadors, woman have assumed more responsibilities not only for themselves and their families but also for the better governee of the world.

Nowadays man and woman do not live in watertight compartments of bread winning and house keeping, The job of a woman today is to restore emotional security in this increase world. Without woman, the inception of society is impossible and without society the woman cannot develop. She has developed the art of woman relationships and had made a notable contribution to development of human behaviour, Her merit lies in developing charitable human relationship. Ability to adjust oneself to one's serrundings is the greatest value of human beings, more so of a woman. She can well shoulder the responsibility of casing world tension, Woman today have a very important role play in modern India. We are busy with our plans of national reconstruction, rural

(RAGGING— A SOCIAL DISEASE)

The role of teachers in promoting discipline among students is extremely important. Unfortunately, now-a-days, teachers lost their influence over students. "Anti-Ragging-squards" have been formed in several countries including India (Bombay, Calcutta, Delhi, Banglore, Madras and also Assam). Further positive steps should be taken by the government by making laws to prohibit and if possible, abolish ragging. ●

uplift and all round development of our country for its progress of prosperity. In the social, economic and political spheres, woman too have to shoulder responsibility along with man. Woman have shown their worth in almost every sphire of life.

The day's is not far when the Indian woman will not only catch up with their western counterparts, but also regain the honourable status they had enjoyed in the distant past.

*Experience is not what happens to you.*

*It is what you do with what happens to you.*

***Aldous Huxley.***

# WHO INVENTED MAPS.

***Nataranjan Nadar.***
**T. D. C. Ist year (Arts)**

People could draw plans of their immediate neighbourhood from very early times. How else could one explain which place was best for hunting or where the sweetest roots were found? Later, these early geographers began to mark neighbouring settlements in their plans, linking them to their own with small lines, to show the tracks and paths. When the first caravans set out, the time had come for plans and descriptions of canavan routes.

The Ancient Greek philosopher Anaximander who lived in the sixth century B. C. put together many such description and tried to draw a plan of the world. That was probably the first real map.

Making a new map is a very interesting thing to do. As a child I always liked drawing mysterious uninhabited islands. I filled the mountains in brown they normally are. The lakes and rivers and the sea I painted blue, and the low-lands— mine were always covered in impassable jungle were green. The jungle was always full of fierce animals, more dangerous the lions and tigers in the Zoo, indeed much fiercer than any real animal. My islands were ideal for hunting, for rescuing beautiful princesses or finding treasure guarded by paison snakes.

When I grew up I learnt that people had drawn maps long before they could write. The people who did this were called land-surveyors.

In the Soviet Union, not far from the Black Sea there is a town Called Maikap, which is only about a hundred years old. It is on the Belaya River. Nearby there is a barrow. No body remembers when or why it was made. One day some archeologists suggested excavating it. They said there might be things in it that could tell us something of what oncs happened here. Well, no sooner said than done. An expedition was fitted out and they began to dig. The first day they found nothing Nor on the second or the third, except many shovels full of soil and sand and stones: The archeologists were disappointed and were already wondering if they should give up when suddenly they found a treasure.

And what a treasure ! A tomb with a rich canopy embroidered with golden plaques, covered in earth. The canopy rested on four silver pillars, each ending in a silver and gold figure of an ox with crumpled horns. Nearby, they dug out beautiful gold and silver vessels, and jewelry. And tools and weapons made of stone and pure copper. It was indeed a treasure !

It must have been the tomb of a rich and powerful tribal chief. Perhaps he died of old age, perhaps was killed fighting enemies. He was obviously a highly respected person, for his companions had buried him with great honours.

The archeologists were less interested in the gold and silver than in some ceramic vessels with pictures all round. They had probably been used for storing oil or wine, and unknown artists had drawn the Caucasian mountains and a nearby river so accurately and with such detail that the archeologists had no difficulty in finding the places.

The most surprising thing of all was how old the vessels were. They were at least four thousand years old ! The tribes who lived in this stepple-land then could probably not read or write, but they could certainly draw maps.

Not long ago some archeologists excavating an old settlement in Turkey found a map scratched onto a clay plate. It is believed to be nine thousand years old. This is the oldest map that is known. But who knows. There might well be an older one that has not yet been found. ●

with Best Compliments of

ASSAM GAS COMPANY LTD.

(A GOVT. OF ASSAM UNDERTAKING)

DULIAJAN ASSAM.